# COTTONIAN

# কটনিয়ান

ন হি জ্ঞানেন সদৃশং
পবিত্ৰমিহ বিদ্যতে

COTTON COLLEGE
LIBRARY
Date 3 JUN. 1949
GAUHATI



সম্পাদক -

মহম্মদ পিয়াৰ

-শশ ৰায়বৰুৱা

# —কটনিয়ান—

## বহাগ ১৮৭১ শক এপ্ৰিল ১৯৪৯

### সূচী


| সূচী | পৃষ্ঠা |
|---|---|
| ১। ৰেডিঅ' নাটক | ১ |
| ২। ধূলি আৰু ধৰণী | ৬ |
| ৩। আৰ্নষ্ট টলাৰৰ চিঠি | ১৮ |
| ৪। উক্তি | ২০ |
| ৫। আধুনিক অসমীয়া সাহিত্যৰ খুহুতীয়া ৰচনা | ২২ |
| ৬। সত্তৰৰ দুৱাৰ-দলিত ৰঘুনাথ চৌধাৰী | ২৬ |
| ৭। পৰিবৰ্ত্তন | ২৯ |
| ৮। নতুন প্ৰভাতৰ ডাৱৰ | ৩২ |
| ৯। ৰাম সৰস্বতী | ৪০ |
| ১০। অবিচাৰ | ৪৪ |
| ১১। তাজমহলৰ কবি | ৪৫ |
| ১২। সিহঁতৰ জীৱন | ৪৭ |
| ১৩। মাটিৰ জীৱনৰে ছবি | ৪৮ |
| ১৪। মোৰ ঘৰ | ৫২ |
| ১৫। সহ-শিক্ষা | ৫৪ |
| ১৬। অবান্তৰ | ৫৬ |
| ১৭। স্মৃতিৰ কঁপনি | ৫৭ |
| ১৮। কাৰাগাৰ | ৫৯ |
| ১৯। মৰহা মোইৰ আন্দোলন | ৬৫ |
| ২০। প্ৰেছ | ৬৯ |
| ২১। আন্ধাৰ-বাতিৰ সপোন | ৭০ |
| ২২। কাল-বিভাগ | ৭৭ |
| ২৩। ব্যায়াম আৰু স্বাস্থ্য | ৮৩ |
| ২৪। গ্ৰেজুৱেট হোৱাৰ পাচত | ৮৬ |
| ২৫। সম্পাদকৰ চ'ৰা | ৯১ |
| 26. Mr. Sudmersen's Message | 95 |
| 27. On the Histriography in Ancient India with Particular Reference to Assam | 96 |
| 28. The Nightingale of India | 99 |
| 29. The Khasis | 101 |
| 30. Goethe | 103 |
| 31. Music Lives | 104 |
| 32. College Notes and News | 105 |
| 33. Editorial Notes | 111 |

কিন্তু আজি মুখৰী ৰাইৰ মূৰত বাটৰ লৰাৰ শিলগুটিৰ বাহিৰে কাৰো এষাৰ মিঠা মাতো সৰি নপৰে। সেই এখন করুণ নাটক।

ৰেডিঅ' যোগে নাটক অভিনয় বৰ্ত্তমান সকলো দেশতে প্ৰিয় বস্তু। প্ৰথমাৱস্থাত ষ্টেজৰ নাটকবোৰকে সামান্য সালসলনি কৰি ৰেডিঅ'ত প্ৰচাৰ কৰা হৈছিল। বহু ক্ষেত্ৰত ষ্টেজত কৃতকাৰ্য্য হোৱা নাটকবোৰকে আনি সেই অভিনেতা অভিনেত্ৰীসকলৰ দ্বাৰাই ৰেডিঅ'ত অভিনয় কৰোৱা হৈছিল। কিন্তু বৰ্ত্তমানত ৰেডিঅ' নাটক এবিধ বেলেগ ধৰণৰ লিখাৰ আৰ্হি বুলি বহুতেই ধৰে।

ষ্টেজৰ নাটক আৰু ৰেডিঅ' নাটকৰ মাজত পাৰ্থক্য বহুখিনি। ষ্টেজৰ নাটকত অভিনয়ত কেইবাটাও সুবিধা আছে, যি ৰেডিঅ' নাটকত নাই। ষ্টেজৰ নাটকত অভিনেতা অভিনেত্ৰী সকলে শৰীৰে দৰ্শকৰ আগত দেখা দিয়ে। তেওঁলোকৰ মুখৰ কথা, দেহাৰ অঙ্গীভঙ্গী আৰু অভিব্যক্তিৰ স্পষ্টতাই দৰ্শকৰ মনত নাটকৰ বিষয় বস্তু বোধগম্য কৰি তোলে। কেতিয়াবা কোনো অভিনেতাৰ মুখৰ কথা নুশুনিলেও তেওঁৰ অভিব্যক্তিৰ ঘটনা ব্যতিক্ৰমতে সহজে ধাৰণা কৰিব পাৰি। ষ্টেজত চিন আৰু চোটিং ব্যৱহাৰৰ সুবিধা থকাৰ কাৰণে দৰ্শক সহজে পৰিস্থিতিৰ বিষয়ে নিশ্চিত হব পাৰে। দৃশ্যটো ঘৰৰ ভিতৰত হৈছে, নে আলিবাটত হৈছে। নৈৰ ওপৰত হৈছেনে মৰুভূমিত হৈছে, চিন আৰু চোটিং চকুত পৰিলেই দৰ্শকে সেই কথা বুজিব পাৰে। প্ৰবেশ নিষ্ক্ৰান্ত আদিও দৰ্শকে চকুৰে দেখা পায় ওচৰ আৰু দূৰৰ ধাৰণাও কৰিব পাৰে। থং অভিমান, বিষাদ আদিৰ অভিনয় অভিনেতাৰ মুখৰ অভিব্যক্তি দেখি বুজিব পাৰে। এনে ক্ষেত্ৰত কোনো কথাৰ প্ৰয়োজন নেথাকে। ষ্টেজৰ অভিনেতাই যথেষ্ট স্বাধীনতাত উপভোগ কৰে। কোনো বচন পাহৰি গলে অৱস্থাৰ লগত খাপ খুৱাই নিজেই সাজি দুৱাষাৰ কথা কৈ দিব পাৰে।

এনেবোৰ কথালৈ লক্ষ্য ৰাখিয়ে নাটকঘৰৰ নাটক লিখা হয়।

চিনেমাৰ নাটকৰ অভিনয়ত আৰু বেছি সুবিধা আছে। থিয়েটাৰৰ অন্য সুবিধা থাকিলেও Space limitation ৰ কাৰণে বহুক্ষেত্ৰত অভিনয়ৰ স্বাধীনতা ক্ষুণ্ণ হয়। এজন মানুহ বহু দূৰলৈ আঁতৰি যোৱা বা এখন মটৰ গাড়ী চলি যোৱা দেখুওৱা কষ্টকৰ। চিনৰ সহায়ত আকাশ হাবি আদি দেখুওৱা যায় যদিও, দৰ্শকে তাৰ কৃত্ৰিমতা নুবুজ নেথাকে। চিনেমাত এই Space limitation নাই। সকলো প্ৰকাৰৰ দৃশ্যকেই চিনেমাত দেখুৱাব পাৰি। তদুপৰি চিনেমাত play back ৰ সহায়ত বিভিন্ন শব্দৰ সংমিশ্ৰন কৰা হয়। চকুৰে দেখা অভিনেতা বা অভিনেত্ৰীৰ কাৰণে নেপথ্যত গান গালেও দৰ্শকে অভিনেতাৰ নিজৰ মুখৰ গান বুলিয়ে তাক ধৰে। থিয়েটাৰৰ দৰে চিনেমাত prompt কৰাৰো বিশেষ প্ৰয়োজন নহয় তদুপৰি চিনেমা বিভিন্ন সময়ত তোলা বিভিন্ন দৃশ্যৰ ছবি ঘটনানুক্ৰমে জোৰা দি গঢ়ি তোলা হয়।

কোনো দৃশ্য বেয়া হলে তাক বাদ দি ভাল দৃশ্যৰ ফটো লব পাৰি। চিনেমাত দৰ্শনীয় বস্তুভাগ বেছি চকুত লগা হোৱাটোৰ ওপৰত কৃতকাৰ্য্যতাৰ বহুখিনি নিৰ্ভৰ কৰে। অৱশ্যে গল্পভাগ, সংলাপ, আৰু সংযোজনাত শিল্পাসুলভ সজ্জাজ্ঞান নেথাকিলে, কেৱল ধুনীয়া ছবিয়ে দৰ্শকক তৃপ্তি দিব নোৱাৰে। প্ৰমথেশ বৰুৱাৰ চিত্ৰবোৰৰ সংলাপ মনোগ্ৰাহী হোৱাৰ কাৰণেই, বহুক্ষেত্ৰত ঘটনাভাগ দুৰ্ব্বল হোৱা সত্বেও, দৰ্শকক আকৃষ্ট কৰে। চিনেমাৰ নাটকৰ dialogue সেইকাৰণেই catchy আৰু শক্তিশালী হোৱা প্ৰয়োজন।

ৰেডিঅ'ত একো নাই—কেৱল শব্দ। ষ্টেজ আৰু চিনেমাই মানুহৰ চকু, কাণ আৰু অনুভূতিক স্পৰ্শ কৰে। ৰেডিঅ'ৰ সম্পৰ্ক কাণৰ লগত মাথো। শ্ৰোতাসকলে অভিনেতা, অভিনেত্ৰী, দৃশ্যসজ্জা আদি একোকে নেদেখে।

কাণত আহি পৰা শব্দসমূহৰ পৰাই সকলো কামনা কৰিব লাগে। সেইকাৰণে ৰেডিঅ' নাটক অভিনয়ৰ limitation যথেষ্ট বেছি। ষ্টেজ বা চিনেমাত চৰিত্ৰ-বোৰ চকুৰে দেখি চিনি পোৱা যায়। জাকজমক চোলা পিন্ধি সিংহাসনত বহি থকা জন ৰজা, হালধীয়া পাগুৰী মৰা জন মন্ত্ৰী দৰ্শকে এবাৰ চিনি ললেই, শেষলৈকে চিনি পাব পাৰে। কিন্তু ৰেডিঅ'ত এইদৰে চিনিবৰ উপায় নাই। ৰেডিঅ'ত হয়তো বৰাগীয়ে গীত গাইছে খঞ্জৰী বজাই। তেওঁ পিন্ধি আছে ইংৰাজী 'চুট'। ৰজাই সিংহাসনত বহি কথা কৈছে তেওঁৰ গাত কামিজ আৰু পায়জামা, চৰিত্ৰৰ সাজসজ্জা ৰেডিঅ' নাটকৰ কোনো বস্তু নহয়। সাজটোৱেই সকলো, ৰেডিঅ' নাটকৰ Prompt কৰিবৰ প্ৰয়োজন নহয়, কিন্তু অভিনয় আৰম্ভ হোৱাৰ ক্ষণ ধৰি শেষ নোহোৱা পৰ্য্যন্ত এক চেকেণ্ডো ক'তো ৰ'বৰ উপায় নাই, এবাৰ কথা ভুল হৈ গলে ঘুনাই কবৰ উপায় নাই, নাটকত থকাতকৈ এটা শব্দও বেছিকৈ কোৱাৰ সুযোগ নাই। কিন্তু এইবোৰ সীমা-বদ্ধতা থকা সত্বেও ৰেডিঅ' নাটকৰ অভিনয়ত সুযোগ আছে ভালেখিনি। শব্দৰ সহায়ত যত ৰকমৰ দৃশ্যৰ অৱতাৰণা কৰিব পৰা সম্ভৱ সকলো ৰেডিঅ'ৰ যোগে কৰিব পাৰি। ধুমুহা, ধেৰেকনী, বৰষুণ, ৰেলগাড়ী, মটৰ, জাহাজ, যুদ্ধক্ষেত্ৰৰ বন্দুক, মেচিনগান শব্দ, উৰাজাহাজ, চৰাই জন্তুৰ মাত সকলো সৃষ্টি কৰিব পাৰি ষ্টুডিঅ'ৰ ভিতৰতে, দূৰ, ওচৰ আদিৰ ধাৰণাও দিব পাৰি। প্ৰতিধ্বনি, ক্ষীণ ধ্বনিবো সৃষ্টি কৰিব পাৰি। বিশেষ কোনো চৰিত্ৰৰ মাতটো আৱশ্যক মতে বিকৃত কৰিব পাৰি। যন্ত্ৰৰ সহায়ত sound wave ৰ কিছুমান frequency কাটি দি শব্দটো অস্বাভাৱিক কৰি দিব পাৰি। ghost ৰ মতে যেনেকৈয়ে সৃষ্টি কৰা হয়।

কিন্তু এই সুযোগ বোৰ থকা সত্বেও, ৰেডিঅ'ৰ নাটকৰ অভিনয় বেছি নিৰ্ভৰ কৰে নাটকখনৰ ওপৰত, ৰেডিঅ' নাটক ষ্টেজ নাটকৰ পৰা যথেষ্ট বেলেগ। ৰেডিঅ' নাটক লিখোতে কেইটামান কথালৈ লক্ষ্য ৰখা নিতান্ত দৰকাৰ।

(১) চৰিত্ৰ পৰিচয়: দৃশ্যটো আৰম্ভ হোৱাৰ লগে লগে শ্ৰোতা সকলক নাটকৰ মাজেদিয়েই চৰিত্ৰৰ লগত চিনাকি কৰি দিব লাগে। নহলে কোনে কাৰ লগত কথা পাতিছে শ্ৰোতাসকলৰ জানিবৰ কোনো উপায় নেথাকে।

(২) মধ্যবৰ্ত্তী প্ৰবেশ—এটা দৃশ্য হৈ থাকোতে মাজতে যদি এটা নতুন চৰিত্ৰ সোমাইহি, তাকে নাম কৈ পৰিচয় কৰি দিব লাগে।

(৩) চৰিত্ৰ পৰিচয়ৰ লগে লগে দৃশ্যটোৰ লগতো শ্ৰোতাৰ পৰিচয় কৰি দিব লাগে।

এইখিনি কৰা অতি সহজ কথা, যেনে :—

"... ...ঢুলৰ মেলাৰ শব্দ।

ক'—অ' হৰেন্দ্ৰ দেখোন, এই দুপৰ ৰাতি ইমান আন্ধাৰত, ধুমুহা বতাহৰ মাজেদি কিয় আহিলা, কৰবাৰ চাটি এটাও জোগাৰ কৰিব নোৱাৰিলানে? আহা ভিতৰলৈ সোমাই আহা। চাও তিতা কাপোৰখিনিৰ সোলোকোৱা, বহা জুইৰ ওচৰতে বহা হি; তুমি ইমান খীনালা।"

এই কথা খিনি চৰিত্ৰ, দৃশ্য' সময়, ঘটনাৰ পূৰ্ব্বাভাস আদি সকলোৰ লগত শ্ৰোতাৰ পৰিচয় কৰি দিলে।

(৪) ৰেডিঅ' নাটকৰ ঘটনা যতদূৰ সম্ভৱ ৰহস্যাবৃত থাকিব লাগে, নহলে শ্ৰোতাৰ ধৈৰ্য্যচ্যুতি হয়। শুন কথা শুনিবলৈ কাৰো আগ্ৰহ নেথাকে।

(৫) ঘটনাৰ উন্মোচন ক্ৰমবৰ্দ্ধমান হ'ব লাগে climax শেষত হোৱাই ভাল। শ্ৰোতাৰ মনত আগৰে হ'ব লগা ঘটনাৰ বিষয়ে এটা অনিশ্চয়তাৰ ভাব সৃষ্টি কৰিব লাগে, আৰু তাক জানিবৰ কাৰণে যাতে শ্ৰোতাৰ ব্যগ্ৰতা আৰু আগ্ৰহ ক্ৰমে বাঢ়ি যায়, ঘটনাৱলীৰ সমাবেশ তেনেদৰে কৰিব লাগে।

(৬) বিপৰ্য্যস্ত চৰিত্ৰৰ দ্বাৰা আৰু বিপৰীত মুখী ঘটনা-সংঘাতৰ দ্বাৰা নাটকৰ পৰিণতি আনিব লাগে Contrast of Character নেথাকিলে ৰেডিঅ' নাটক ৰহস্যহীন আৰু একেৰাগী হৈ পৰে।

(৭) দৃশ্য পৰিক্ৰমা এনে হোৱা দৰকাৰ যাতে হৈ যোৱা দৃশ্যৰ কিছুকথা বৰ্ত্তমানৰ দৃশ্যটোৱা মুকলি কৰি দিয়ে। কিন্তু একেবাৰে বুজাই নিদিয়ে বাকী খিনি যাতে পিচৰ দৃশ্যত জানিব পাৰে। তাৰ কাৰণে অলপ কথা আধাকোৱা কৈ ৰাখিব লাগে,

যিটো কথা Sound effect বা অনুৰূপ শব্দ সৃষ্টিৰ দ্বাৰা কোৱা হয় তাক আৰু কথোপকথনত পুনৰ কব নেলাগে যদি এটা কুলি চৰাৰে মাতি থকা শুনা যায় তেন্তে কোৱাৰ প্ৰয়োজন নাই যে কুলিয়ে মাতিছে।

(৯) ৰেডিঅ নাটকৰ চৰিত্ৰ কম হোৱা বাঞ্চনীয় বহুত চৰিত্ৰ থাকিলে শ্ৰোতা সকলে মাত চিনি মনত ৰখা কষ্টকৰ হয় অৱশ্যে জনতাৰ সমস্বৰ আদি থকা অবাঞ্চনীয় নহয়।

(১০) ৰেডিঅত সময়ৰ মূল্য আটাইতকৈ বেছি। সেই-কাৰণে বেডিঅ' নাটক ৰচনাৰ বেলাও লিখকে এই কথা মনত ৰখা উচিত। বহুতৰে ধাৰণা যে সীমাবদ্ধ সময়ৰ প্ৰতি দৃষ্টি ৰাখি নাটক ৰচনা কৰিলে সাহিত্যৰ মুক্ত ধাৰা সঙ্কুচিত হয় কিন্তু আজিৰ বৈজ্ঞানিক যুগত আমাৰ কল্পনা আৰু সৃষ্টি প্ৰতিভাকো বৈজ্ঞানিক ভাবে নিয়ন্ত্ৰন নকৰিলে নহয়। ষ্টেজৰ কাৰণে লিখা নাটকবোৰত বহু ক্ষেত্ৰত মূল গল্পভাগৰ লগত সম্পৰ্ক নথকা দৃশ্য চৰিত্ৰ আদিৰ অৱতাৰণা কৰা হয়; ৰেডিঅ' নাটকৰ অপ্ৰাসঙ্গিক কোনো বস্তুৰেই প্ৰবেশ নিষেধ। ৰস আবিস্কৃত ৰাখি কম কথা আৰু দৃশ্যেৰে নাটকখন শ্ৰোতাৰ আগত দাঙি ধৰিব পৰাই ৰেডিঅ' নাটক লিখকৰ লক্ষ্য হোৱা উচিত। সাধাৰণতে এক মিনিটত আমি ১১৬ টা পৰ্য্যন্ত শব্দ স্পষ্টকৈ কব পাৰো। সেই কাৰণে ৰেডিঅ' নাটকৰ সীমাবদ্ধতাৰ নাটকৰ কৃতকাৰ্য্যতাৰ পথত ডাঙৰ বাধা নহয়।

মুঠতে ৰেডিঅ' নাটক লিখকে এটি কথা সদায় মনত ৰখা দৰকাৰ যে বৰ্ননা আৰু ঘটনা সমাবেশ আৰু চৰিত্ৰায়ন এনে হোৱা বাঞ্চনীয় যাতে নাটকখনৰ অভিনয়ে শ্ৰোতাৰ সম্পূৰ্ণ মন আকৰ্ষণ কৰি শেষলৈকে ৰাখিব পাৰে। বৰ বেছি জটিল ঘটনাৰ অৱতাৰণা কৰিলে শ্ৰোতাৰ ধৈৰ্য্যচ্যুতি হয়, নিম্নস্তৰৰ ৰসসৃষ্টি কৰিলে শ্ৰোতাক অপমান কৰা হয়। কাজেই মাৰ্জ্জিত ৰুচিৰ শক্তিশালী নাটক ৰেডিঅ'ৰ কাৰণে দৰকাৰী।

নাটকৰ দৰেই feature বা ৰূপক নামৰ এক শ্ৰেণীৰ নাটক ৰেডিঅ'ৰ দ্বাৰা ব্যৱহিৎ হয়। এটি feature বহু ৰকমৰ হ'ব পাৰে। কেতিয়াবা সম্পূৰ্ণ কাল্পনিক, কেতিয়াবা আৰ্দ্ধকাল্পনিক, আৰু কেতিয়াবা একেবাৰে সত্য বস্তুৰ উপাদানেৰে feature ৰচিত হয়। সঁচা ঘটনালৈ ৰচনা কৰা ৰূপত feature and figures ৰ নাটকীয় ভাবে অৱতাৰণা কৰা হয়। feature ও বিষয়বস্তুৰ accuracy এটি বিশেষ বস্তু। বি, বি, চিৰ লুই মেক্‌নিছে অলপতে India and Pakistan বুলি বিশেষ feature কৰিছে, সেইবোৰ ইমান নিখুঁত তাৰ ৰসগ্ৰাহী সাহিত্যিক,বুৰঞ্জীবিদ, প্ৰত্নতাত্বিক, দাৰ্শনিক সকলোকে সমানে আনন্দ দিবৰ সজুলি আছে। মহাত্মাগান্ধীৰ হত্যা কাণ্ড লৈ All India Radio ৰ বিভিন্ন কেন্দ্ৰই feature প্ৰচাৰ কৰিছে, কিন্তু বিশ্বাস, লুই মেক্‌নিচৰ Road to Independence বোলা feature খনৰ সমান appealing আৰু চিন্তাকৰ্ষক এখন featrre কোনেও কৰিব পাৰা নাই।

অসমত ৰেডিঅ' আৰ্টৰ বাহন হ'বৰ অলপ দিন মাথো হৈছে। অসমীয়া নাট্যকাৰ সকলে এই বাহনৰ সুযোগ গ্ৰহণ কৰি অসমীয়া নাটকৰ তথা এই নতুন আৰ্টৰ উন্নতি কৰিব পাৰে। অসমত নাটকৰ বিষয়-বস্তুৰ অভাৱ নাই। আমি চকু নমাই চাবলৈ শিকিলেই আমাৰ ওচৰতে নিতৌ ঘটি থকা নাটকবোৰ আমাৰ চকুত পৰিব আমি নিজে নবজালে সৰস্বতীৰ বীণাখন আপুনি নেবাজে

# ধূলি আৰু ধৰণী

[ চুটি গল্প ]

—কুল গগৈ
তৃতীয় বাৰ্ষিক—কলা।

ধুলি-মাকতি লৈ ওমলা কালৰ কথা। মই একেবাৰে পাহৰি গৈছিলো। পাহৰি যাবৰে কথা। লৰাকালৰ সেই উমলি ফুৰা দিনবোৰ আৰু তাৰ স্মৃতিৰ মিহলি সেই ঠাই ডোখৰৰ পৰা মই যেতিয়া বহুত দূৰৈত — সময়, ঠাই আৰু জীৱনৰ এই পৰিবৰ্ত্তনটোৰ পিছত - মনত নপৰিবৰে কথা।

মই এতিয়া কলেজৰ অধ্যাপক। নগৰত থাকো। মাহেকৰ মূৰত দৰমহা পাওঁ। ভাবিব নেলাগে। দিনবোৰ গৈ থাকে সচ্ছন্দভাৱে। - নগৰীয়া জীৱন।

গাওঁ আৰু ঘৰ; বহুদিন হ'ল; যোৱা নাই যাবলৈ প্ৰায় এৰিয়ে দিছো। যামনো ক'লৈ—

....কি মোৰ আই বোপায়ে আছে নে, ককাই-ভাই-হঁতেই আছে, বোলে সিহঁতৰ তাতে চাৰি দিন থাকি কেই-সাজমান ঘৰৰ ভাত খাই আহোঁগৈ!

গাৱঁলীয়া মিত্ৰি-কুটুম, ওচৰ-চুবুৰীয়া,—সেইবিলাকৰ ওচৰলৈ লৰি গৈ এপাক চাই আহিবলৈকো সিহঁতৰ প্ৰতি মোৰ প্ৰাণৰ টানকেই বোলক বা মৰমচেনেহৰ মোহকেই বোলক, সেই সৰুকালৰ পৰাই নাছিল বুলিলেও হয়।

নগৰত থাকি পঢ়িশুনি ডাঙৰ হোৱা লৰা; গাৱঁৰ ঘৰলৈ গৈছিলো মৰম-চেনেহ আছিল, ঘৰৰ প্ৰতি মোহ আছিল। -

....ওচৰ চুবুৰীয়া গাৱঁলীয়া মানুহবোৰৰ ঠেক ভাববোৰ সিহঁতৰ কথা-কৰ্ম্মবোৰ মোৰ হলে মুঠেই ভাল নেলাগিছিল। কি যে কয় সিহঁতে! মোকে বা দুটা কথা শিকাৰ বাবে কম হিংসা কৰিছিল। বোপাইকো মোক নপঢ়া বলৈকে কৈছিল। —

"ঘৰৰ ভাত খাই, খেতিবাতি কৰি ঘৰতে থাকিব; কেলেই লাগিছে পঢ়া-শুনাখন!" — এয়েই আছিল সিহঁতৰ মত।

"মোক পিছে সিহঁতৰ মতামতে বাধা দিব পৰা নাছিল। —শিক্ষাৰ পোহৰৰ কাৰণে, গাৱঁলীয়া জগতখন এৰি এখন নতুন জগতৰ প্ৰতি মোহ জন্মা মোক সিহঁতৰ মতামতে বাধা দি ৰাখিব নোৱাৰিবৰে কথা। —

....মই যে সিহঁতৰ এই কথাবোৰ মুঠেই ভাল পোৱা নাছিলো! —

........এতিয়ানো আৰু ঘৰলৈকে বা যাম কি বুলি! —

ঘৰ বুলিবলৈ বোপাইৰ দিনৰ পুৰণি ভেটীটোত বাহিৰে তাত আছেই বা কি? বাৰীখনো এৰাবাৰীয়েই হ'লগৈ আৰু। বেচি দিবলৈকো মন নগ'ল। প'ৰি আছে সেই ভাগে। কেইবা পুৰুষৰো স্মৃতিচিন; একে পুৰুষতেনো কেনেকৈ উঠাই দিওঁ। —থক সেইবোৰ মোৰ নামতে পৰি। কেতিয়াবা লাগিবও পাৰে। —

সেই ভাবিয়ে ৰাখি থৈছোঁ। মোৰ নামতে। চাবলৈ হ'লে বহুদিন যোৱা নাই। ভাইটোকো আনি থৈছো - মোৰ লগতে। নগৰীয়া বতাহতে ডাঙৰ হক বুলি -

বহুদিন হ'ল যোৱা নাই।

গাৱঁলৈ বা পুৰণি ভেটীটোকে চাই আহোঁগৈ বুলি হলেও এদিনলৈকো গৈ অহা নাই।

সময় হওঁতে ঢেৰ পাওঁ। অধ্যাপকৰ নো সময়ৰ অভাৱ কি!

বছৰটোৰ সৰহভাগ বন্ধতেই যায়।

তেওঁ যোৱা নাই। যাবলৈকে কিবা মন নেযায়।

ভাইটোৱে যায় কেতিয়াবা; চাই আহেগৈ পুৰণি বাৰীখন আৰু মাটি-ভেটী সোপা।........

নগৰত আছোঁ। ভাল নাম কৰি পাচ কৰিলো। সহজেই অধ্যাপকৰ কামটো যোগাৰ কৰি ললো। লগতে অধ্যাপক এজনৰে জীয়েক--আধুনিক ৰূপহী গাভৰু এজনীও।

........নগৰীয়া জগত আৰু শিক্ষিত সমাজখনৰ লগত খাপ খুৱাই চলিবলৈকে - নগৰতে যেতিয়া থাকিব লাগিব— ইয়াৰ লগত খাপ খুৱাই চলাই ভাল।

বোপায়ে অৱশ্যে বিয়া খাই যাবলৈ নেপালে। আইতো আগতেই গৈছিল।

বোপায়ে কৈছিল—বি, এ, দিওঁতেই—

"আৰু বোপাই নেলাগে পঢ়িব। ঘৰলৈকে আহ। বিয়াবাৰু কৰ, মাটিবাৰী সোপা আছে—চলাই কৰাই খা," ছোৱালীও বোলে ঠিক কৰিছিল মোলৈ:

মইহে মাথোন কলো, "নাম কৰি পাচ কৰিম, পঢ়াৰো সুবিধা আছে। অধ্যাপক এজন আছে। সহায়ো কৰিব পঢ়োৱেইচোন আৰু অলপ; কি হয় দেখাই য'ক"

তাৰ পাচত আৰু বোপায়ে অৱশ্যে মোক সেইবিষয়ে একো কোৱা নাছিল।

বিয়া হলে খাবলৈ নেপালে। তাৰ আগতেই ঢুকাল।

তাৰ পাচত আৰু ভাইটোৰ বাহিৰে কোনো নাইকীয়া ঘৰখনলৈ যাবলৈ মন নগল।

তাকো লৈ আহিলো মোৰ লগলৈকে।

তাৰ পৰা আৰু যোৱাই নাই।

তেওঁকো নিয়া নাই। নিম নো কিটো,—নগৰত ডাঙৰ হোৱা ছোৱালী; গাৱঁৰ বোকাপানীত ক'ৰবাত কষ্ট পাব।

এৰা, সেই বুলিয়ে হব পায় তেওঁকো গাওঁখন আৰু পুৰণি ভেটীমাটি সোপা দেখুৱাই আনিবলৈকে এদিনো নিয়া নাই।..........

........ভাইটো গৈছিল।—গাৱঁলৈ।

আহিয়ে কলে, গাওঁখনৰ কথা, আমাৰ পুৰণিবাৰীখনৰ কথা, আৰু বহুত কথা।—

........তিনিবছৰমান একেৰাহে বানপানী হৈ খেতিবাতি নোহোৱাত মানুহবোৰৰ বৰ দুৰৱস্থা হৈছে। অভাৱত পৰি পৰি মানুহবোৰৰ স্বভাৱো আগতকৈ বহুত বেয়া হ'ল।........ভাটী চুকৰ মানুহ গালৰ আগৰে পৰা বছৰ জুৰাই খাবলৈ নুজুৰিছিল এতিয়া বানপানীয়ে আমনি কৰাত তেনেই খাবলৈ নাইকীয়া হ'ল। বাগানত বোলে আজিকালি কোৰ মাৰে।........এই বছৰ খেতি অলপ ভাল হৈছে ........আমাৰ পানবাৰীখন যোৱাবছৰৰ বানপানীত বুৰিছিল। পাণৰ লতা এডালো নাই। আটাইবোৰ মৰিল। ঘৰটোৰ অৱস্থাও বৰ বেয়া হ'ল।—

সৰুকালতে একেলগে খেমালি-ধুমুলা কৰা সেই সোণাদৈৰ কথাও ক'লে। পূনকে ভাইক বিয়া কৰিছিল। তাৰ অৱস্থা ভাল নহয়। খাজনা দিব নোৱাৰাত মাটিভেটী সোপাই কোৰোক্ত গ'ল। সম্পত্তিৰ ভিতৰত থাকিলগৈ মতামহটো—লগতে লৰাছোৱালীৰে ভৰা সৰু পৰিয়ালটো।—পূণকৰ লগত মোৰ আগৰে ভাল চিনাকি আছিল। তাতে তাৰ ঘৈণীয়েক সোণাদৈও মোৰ ওমলাকালৰে লগৰী—ভাইটোৱে অলপো নভবাকৈয়ে তাক আমাৰ পুৰণি ঘৰটোতে থাকিবলৈ ক'লে। মাটিবাৰী সোপাও চলাই কৰাই খাবলৈ কৈ থৈ আহিল —

ময়ো ক'লো ভালেই হ'ল। থাকিব তাতে। ঘৰটো এনেয়েহে পৰি থাকিব।—

তেতিয়াৰ পৰা সিহঁত বোলে আমাৰ ঘৰতে আছে।—

তাইৰ কথা কলে, তাইৰো বোলে কিবা গাটো বেয়া কৰি থাকে। মৰে নে বাচে ঠিক নাই।

এৰা, ভাইটোৱে আহি সেইবাৰ বহুত কথা ক'লে, কিবা ঠেক ছিগা অ'ৰ ত'ৰ কথা বোৰ।—

……গাৱঁৰ মানুহবোৰে বোলে মোৰ কথা মনত পেলাই দুখ কৰে। মই সিহঁতৰ পৰা বহুত দূৰৈ হৈ আঁতৰি আহিলো। বোলে পঢ়ি শুনি ডাঙৰ মানুহ হৈ তেনেই আঁতৰি পৰিলে। উভতিকে নোচোৱা হ'লো।—

মোক হেনো সিহঁতে বৰ আশা কৰিছিল।—সিহঁতৰ মাজত পাব বুলি,। মোৰ ওপৰতে বহুত ভাৰষা কৰিছিল বোলে।—

দেউতাৰ কথা মনত পেলাই বেজাৰ কৰে। দেউতা বৰ ভাল মানুহ আছিল। মই হেনো দেউতাৰ নাম ৰাখিব নোৱাৰিলো।

নিজৰ পেটটোকেহে চিনি পালো —……

ভাইটোৱেও বোধকৰো মনৰ দুখতে আহি বহুত কথা,—মোৰ বিষয়ে, গাওঁখনৰ বিষয়ে, মানুহবোৰৰ দুখদুৰ্দ্দশাৰ বিষয়ে বহুত কথা ক'লে।—

ভাইটোৰ কথাবোৰ শুনি শুনি হঠাতে যেন মোৰ কলিজাৰ এফাল ফেচা পৰি গল। বুকুৰ আগমঙহ টুকুৰাই যেন কঁপি উঠিলে।—

মানুহখোৰৰ কথা, মোৰ কথা, গাও খনৰ কথা ভাবি ৰৰ বেয়া লাগি গ'ল।—

ধূলি মাকতি লৈ ওমলা—লৰাকালৰ লৰা ধেমালি কৰা মোৰ পুৰণি গাওঁখনলৈ হেপাহ জন্মিল।—মোহ লাগিল।—

মোৰ জ্ঞানৰ বোজাটো আৰু শিক্ষাৰ পোহৰখিনি সেইবোৰৰ প্ৰতি মোৰ এনেয়ে এটা বিতৃষ্ণাৰ ভাৱ আহিল।

সোণাদৈ পুনৰলৈ মনত পৰিল। ভাবিলো,—সিহঁতে চাগৈ বৰ দুখ পাইছে।····

……বহুত কথাই ভাবিবলগীয়া হ'ল।

ঠিক কৰিলো, এইবাৰ নিশ্চয় গাওঁখনৰ পৰা এপাক মাৰি আহিমেই।……

ঘৰলৈ যোৱাও জানো কম কথা। ৰেলেৰে এদিন গৈ আকৌ বাব লাগিব—খোজ কাঢ়ি সাত মাইল।—

তথাপিও প্ৰাণটোৱে মোৰ দেহটোক তালৈকে টানি লৈ গ'ল।……

……ভাগৰে জুগৰে গৈ দদাইদেউহঁতৰ ঘৰতে উঠিলোগৈ। চাৰি দিন নগৰত থাকিলোৱেইবা। সেই-বুলিয়ে গাৱলীয়া জগতখনৰ লগত তেনেই অপৰিচিত হৈ যোৱা নাই।

বিশেষ কষ্ট নেপালো।

দাদাইদেউহঁতৰ ঘৰ আবেলিতে পালোগৈ।

জা-জলপান এটা খাই লৈ অলপ জিৰাই শতাই ভাবিলো, গাওঁখনতে এপাক ফুৰি আহোঁগৈ। এনেয়ে।—আজি আৰু ইমান ভাগৰত ক'তো নোসোমাওঁ। কাইলৈহে মানুহবিলাকৰ লগত চা-চিনাকি, কথাবাৰ্ত্তা হ'ম।

বহুদিন ফুৰা নাছিলো গাওঁখনত। পাহৰিয়ে গৈছিলো বহুত কথা।—……

……বোৰ্ডৰ আলিটো আগতকৈ বহুত বেয়া হ'ল। আলিটো পাৰ হৈ গো-বাটটোৱেদি সোমাই ভাবিলো, পুৰণি বাৰীখন আৰু ভেটীটোকে চাই আহোঁগৈ।

আজি আৰু ক'তো নুফুৰোঁ।—

তাতে সোণাহঁত আছে। সিহঁতৰ পৰিয়ালটোকো চাই আহোঁগৈ। তাইৰ ডাঙৰ লৰাটো ভালেমানটো হব পায় চাগৈ।—মই বি·এ, দিয়াৰ আগতে আহোঁতেই সি দুবছৰীয়া ····এনেয়ে পুৰণি কথাবোৰ মনলৈ আহিল।—····বহুত কথা—···।······

ৰবিক লগ পালোঁ। আমাৰ লগৰে আছিল। পাঠশালা খনত তিনি শ্ৰেণীমান পঢ়িছিলো একেলগে। মোৰ সমান বয়সৰে হব।

মোৰ বয়স হৈছে যদিও চুলি পকাৰ বয়স এতিয়াও হোৱা নাই। মনটো বেচ ডেকা ডেকা লাগিয়ে আছে।

তাক দেখি বৰ বেয়া লাগি গ'ল।

মানুহটো শুকাই-খীনাই তেনেই শুকান জেওৰা খৰিডালৰ দৰে হ'ল। চুলিবোৰো তেনেই বগা হ'ল। দেখিলেই বহুদিনীয়া বুঢ়া যেন দেখি।

বহুদিন দেখা নাছিলো। প্ৰথমে চিনিবই পৰা নাছিলো। সিহে আগতে মাতিলে।

মই ডাঙৰ মানুহ বুলিয়ে হবপায় প্ৰথমে সি মাতিবলৈ লওঁতে অলপ থত্‌মত্‌ খাইছিল। তথাপি লৰাকালৰ লগৰীয়া। নামটোও পাহৰি যোৱা নাছিল। নামকাঢ়ি মাতিবলৈ সঙ্কোচ কৰিলেও নাম কাঢ়িয়ে মাতিলে।—

"অ' মণি, বহুদিনৰ মূৰত দেখা পালো তোমাক। ভাল নে? ক'ত আছা আজিকালি?"

বাহিৰৰ জগতখনত আমি কি কৰি আছো তাৰ ভূ লবলৈ হয়তো তাৰ সময় বা আহৰিয়ে নাই।

তাৰ কথাকেইষাৰৰ সহজ উত্তৰ দি ময়ো তাৰ বাতৰি ললোঁ।—

সি বোলে আজিকালি কেঞাৰ ঘৰত গাৰোৱানৰ কাম কৰে। যোৱা বছৰ ভৰ খেতিৰ দিনতে খাবলৈ নোহোৱাত কোনো উপায় কৰিব নোৱাৰি পুতেকক খেতিত লগাই নিজে কেঞাবাবুৰ ঘৰতে কামত সোমাই তেতিয়াৰ পৰা তাতে আছে।

পুৱা-গধূলি, ৰাতিয়ে-দিনে কেঞাৰ গাড়ীত ধান মালবস্তু অনানিয়া কৰে। বৰ খাটিব লাগে। তথাপি কি কৰিবা উপায় নাই। পেটৰ ভাতগালৰ বাবে লৰাছোৱালী আৰু পৰিয়ালৰ পোহপালৰ বাবে নেখাটি উপায় নাই। তেও দেখোন ভাতৰ জোৰাই নমৰে।

.......ডাঙৰ মানুহ হলে কি হব। পুৰণি লগ সি পাহৰিব পৰা নাই। লগ পাই হিয়া উবুৰিয়াই দুখৰ কথা কলে।—

চিন্তা ভাৱনাত, দুখে বেজাৰে সি ৰোলে দিনে দিনে শুকাই-খীনাই মৰণৰ আগ দুৱাৰতহে বৈ আছে। হয়তো আৰু কিছুদিনৰ পিছত মৰিবই। ধানৰ বস্তা পিঠিত লৈ লৈ এতিয়াই গধূলি হোৱাৰ লগে লগে তাৰ গাত যিহে বিষ উঠে! বোলে তেতিয়াই মৰিব যেনহে পায়।—

সি মৰিলে যে তাৰ অকণ অকণ লৰাছোৱালী কেইটাৰ সৈতে ঘৈণীয়েকজনী আৰু বাৰ তেৰ বছৰীয়া ডাঙৰ লৰাটো—সিহঁতৰ কি অৱস্থা হব সি বোলে সদায়েই তাকেহে ভাবে!—

তাৰ দৰেই সিহঁতেও খাটি খাটি জীয়াই থাকিব লগীয়া দিন কেইটাৰো বহুত আগতেই মৰিবলৈ সাজু হবলগীয়া হব বুলি ভাবি সি হেনো ভয়তে শিয়ঁৰি উঠে।.........

.......আলিৰ দাঁতিতে বহি দুয়ো বহুত কথা—সুখৰ দুখৰ কথা পাতিলোঁ।

মোৰ কথা বিশেষ কবলগীয়া নহ'ল। নকলো।—

বোধ কৰোঁ শিক্ষিত আৰু ডাঙৰ মানুহ বোলোৱা গাম্ভীৰ্য্যটো বজাই ৰাখিবলৈকে।

সি হ'লে তাৰ দুখৰ কথাখিনি মোক, পুৰণি লগ পাই উলিয়াই ক'লে।—অকনো লাজ নকৰিলে বা বেয়াও নেপালে।—কৈ কৈ মাথোন মাজে মাজে বেজাৰ কৰিছিল।

তাৰ দুখৰ কথাখিনি শুনি মই হ'লে সঁচাকৈয়ে সেই দিনা বেজাৰ কৰিছিলোঁ।—

তাৰ ঘৰলৈকো সি মোক মাতি গ'ল!—

যাবৰ সময়ত যেন এপাক সোমাই যাওঁ। খুৱাব

ধুৱাবলৈ তাৰ একোৱে নাই। মাথোন এনেয়ে তাৰ দুৰ্ভগীয়া পৰিয়ালটোকে চাই যাম।—

ময়ো বাৰু বুলি শলাগি থলোঁ।

তাৰ লগত কথা পাতি থাকোতেই বহুত বেলি হৈ গ'ল। বেগাবেগিকৈ আগবাঢ়িলোঁ। এন্ধাৰ হোৱাৰ আগতেই দদাই দেউহঁতৰ ঘৰ ঘূৰি পাবগৈ লাগিব।

এন্ধাৰত বৰ মস্কিল হব যেন পাওঁ। বহু দিন ফুৰা নাই;—ৰাতিৰ এন্ধাৰত।—

দুখে ভাগৰে আহিছোঁ। সোনকালে ফুৰিমেলি ঘৰ সোমাবহি লাগিব।

ঠেক গো-বাট টোৰেদি সোমাই আগবাঢ়ি গ'লো। পাঠশালাৰ বুঢ়া পণ্ডিতজনক লগ পালোঁ—বাটতে। তাহানি আমাকো পঢ়াইছিল।—

বহুদিনীয়া পণ্ডিত। তেওঁৰ স্কুলত পঢ়া সেই লৰাকাল ডোখৰৰ কথা এনেয়ে, পণ্ডিতক দেখিয়ে হব পায় মনলৈ আহিল।

পণ্ডিতো একেবাৰে বুঢ়াই হ'লগৈ বুলি কব পাৰি। এতিয়াও চাগৈ পণ্ডিতেই। নকৰিনো কি কৰিব!

তেতিয়াৰ পৰাই আজি কিমান দিন খাটিছে একেটা কামতে। ভাবিলোঁ,—সেই তাহানি কালৰে পৰা একো ভবিষ্যৎ নোহোৱাকৈ, একেটা গত, একেখনি পাঠশালাৰ পঢ়া আৰু একে সমান দৰমহা'কে লৈ চলি আহিছে এই বুঢ়া কাললৈকে!

এইয়াও এটি জীৱন!........

বুঢ়া মানুহ; দূৰতে দেখিয়ে মনলৈ এটি ভক্তি-ভাৱ আহিল।—

বহু দিনৰ মূৰত দেখা। হাত জোৰ কৰি নমস্কাৰ জনালো। তেৱোঁ প্ৰতি-নমস্কাৰ জনাই মোৰ কথা সুধিলে।—

"ক'ত আছোঁ, কিয় আহিলোঁ, কি কৰিছোঁ, কেনে আছো, বিয়া-বাৰু কৰালোনে নাই, লৰা ছোৱালী কিমান"—ইত্যাদি একেলগে বহুত কথা।—

সুধিবৰে কথা।—

তেখেতৰ ছাত্ৰ মইহে মাথোন ইমান উচ্চ শিক্ষিত হৈ নিজকে গঢ়ি তুলিব পাৰিছোঁ।—

মোৰ প্ৰতি তেখেতৰ কৌতুহল হবৰে কথা। মোৰ কথা তেখেতে যে একেবাৰেই ভু নেপায়। ময়ো সেই তাহানিতে এদিন আহোঁতে দেখা কৰাৰ পিছত এদিনলৈকো তেখেতৰ খবৰ কৰা নাছিলো।

বুঢ়া পণ্ডিত দেহি! সুধিছে মৰমতে পুৰণি ছাত্ৰ বুলি। বেয়া লাগিল, তেখেতক দেখি। সেই একেভাগেই আছে।

অৱনো সলনি হোৱা নাই। অৱস্থাৰো চাগৈ একোৱেই উন্নতি কৰিব পৰা নাই। এৰা, নিজৰ চাগৈ একোৱেই কৰিব পৰা নাই। তেখেতৰ কথাবোৰৰ যথাযথ উত্তৰ দি ময়ো সুধিলো।—

ভদ্ৰতাৰ খাতিৰতেই হওক বা কৌতুহলিত হৈয়ে হওক।

তেখেতৰ ভাল বেয়া, লৰা ছোৱালী খেতিবাতি আদিৰ কথা—ইয়াতকৈ তেখেতক আৰু কিবা সুধিবলৈ মই কথাই বিচাৰি নেপালো।

তেখেতে কলে—খেতিবাতি, দৰমহা আৰু অৱস্থাৰ উন্নতি নহলেও লৰাছোৱালী আৰু ঘৰুৱা খৰচ বাঢ়িহে গৈছে দিনে দিনে।—আৰু কলে,—দুখে কষ্টে খাইলৈ জীয়াই থকাৰ কথা।

......মোৰ ৰাজনীতি অৰ্থনীতি আৰু "কাল্-চাৰৰ" টোপোলাটো হয়তো সেই সময়ত ক'ৰবাতে

পৰি ৰ'ল।

........বহুদিনৰ মূৰত লগ পোৱা।—খাই লৈ জীয়াই থকাৰ; সুখ দুখৰ কথা নেপাতিলো কিহৰ কথা পাতিম।..........................

........খাই লৈ জীয়াই থাকিবলৈকে কৰা আপ্ৰাণ চেষ্টা এটা;—তাকো সজীৱ ৰখাটো টান হৈ পৰিছে। .......চৰ্চ্চা কৰিবলৈনো সময় কত!

........এৰা, পণ্ডিতে ঠিকেই কৈছিল।

ঘৰুৱা কথা গোটেই সোপা পণ্ডিতে মোৰ আগত কলে।

........পঢ়াৰ খৰচ দিব নোৱাৰাত এতিয়া ডাঙৰ লৰাটো ঘৰতে থাকে। পণ্ডিত বুঢ়া হৈছে। হাল কোৰ বাই আকৌ স্কুলত গৈ লৰা পঢ়োৱাটো তেওঁৰ কাৰণে টান। গতিকে লৰাটোৱেই এতিয়া হালকোৰ বায়। কোনোমতে পৰিয়ালটোৰ কাৰণে ছমাহলৈ ভাত-গাল মোকোলায়। বছৰ জুৰাই খাব পৰাকৈ খেতি কৰিবলৈকো তেওঁৰ সিমান মাটিয়েই নাই। এহাল গৰু লৈ লৰাটোৱে আধি মাটি লৈ খেতিও কৰিব নোৱাৰে। সেই কাৰণে পণ্ডিতেও ছমাহ পৰিয়ালটোৰে সৈতে আধা পেটীকৈ টানিটুনি চলিব লগাত পৰে দৰমহানো কিটো। তেনেই তাকৰ। তাকো নিয়মীয়াকৈ নেপায়েই।

....গৰুহালৰো বোলে এটা যোৱা বছৰ বেমাৰত পৰি মৰিল। কেঞা ঘৰৰ ৰূপ তিনিকুৰি ধাৰলৈ লৈহে বুঢ়া-ঠেৰা গৰু এটাকে আনি হালখন পথাৰত নমাব পাৰিছে। তাকো আজি তিনিদিন হল, হালোৱা গৰু এটা নাই। কেনিবা গলেই নে নিলেই নে হেৰাল। গৰু চোৰবো যি কোৰ চৰিছে।

গৰু বিচাৰি আজি তিনিদিন বাপেক পুতেক হায়ৰাণ। এতিয়াও সেই গৰু বিচাৰিয়ে ওলাইছে। এই তিনি গধূলি বেলিকা পুতেক গৈছে এফালে আৰু তেওঁ আহিছে এইফালে। ক'ৰবাত পায়েই বা!—পাবতো লাগিবই।

মোৰে লগ পাই বুঢ়া পণ্ডিত জনে তেওঁ অহা বাটে নগই মোৰ লগতে কথা পাতি পাতি ঘূৰি আহিল।—ভালেখিনি বাট।—

মই মনতে ভাবিলো,—পণ্ডিত জনেও দেখোন অকল খোৱা-পিন্ধাৰ কথাকেইহে কলে।—

নিজে খাবলৈ নোপোৱাৰ কথা, অভাৱ অনাটনৰ কথা, দুখ-বেজাৰৰ কথা আনৰ আগত অবনো সঙ্কোচ নকৰাকৈ, অকনো লাজ নকৰি সলসলীয়াকৈ কৈ দিব পাৰে কেনেকৈ এই মানুহবোৰে!—ভাবিলো।

পণ্ডিতে নিজৰ ছাত্ৰৰ আগত পণ্ডিত হৈও নিজৰ অভাৱ অনাটনৰ কথা, খোৱা পিন্ধাৰ কথা নিসঙ্কোচে কৈ গ'ল।—....

এই মানুহবোৰে অভাৱ অনাটনৰ মাজত পৰি চকুৰ লাজ বোলা কথাও পাহৰি গ'ল!—

........এসোপা লৰা ছোৱালী লৈ অৰ্দ্ধাহাৰী হৈ জীৱন কটোৱা পণ্ডিতজনৰ চকুৰ লাজ বুলিবলৈকে বা আছে কিটো!—

অভাৱ অনাটন আৰু মৰণক আগত লৈ এসোপা লৰা ছোৱালীৰে সৈতে কি দুখত যে জীৱন কটাব লগীয়া হৈছে—এই মানুহবোৰে!—

আমি তো বেচ সুখতে আছোঁ।

তথাপি আমি আমাৰ দৰমহা কম বুলি আপত্তি

কৰো !—

কাগজ কলমৰ যোগেদি কান্দো !........

...গাৱঁৰ মাজ পালো। এইখিনি পাৰ হৈ অলপ গ'লেই আমাৰ পুৰণি এৰাবাৰীখন আৰু সোনাইঁত থকা আমাৰ ঘৰটো পাম গৈ।....

....গাৱঁৰ মানুহবোৰ সেই আগৰ দৰেই আছে। মাটি লাগি লাগি মাটিবৰণীয়া হৈ যোৱা একোখনইঁত আঁঠুমূৰতকৈও বহুত ওপৰত পিন্ধা সিয়নী মৰা ঠেক চুৰিয়া। বহুতৰে চুৰিয়াৰ ঠাইত একোডুখৰি মাৰ্কিন কাপোৰ। গাত চোলাৰ সঁচেই নাই। দুই একৰ গাত একোটাইঁত ফটা পিঠি ওলাই থকা গেঞ্জী।

পোচাক পৰিচ্ছদৰ বঢ়াই কৰিবলৈ হয়তো সিহঁতৰ নায়েই।—

পেটৰ ভাত গাল যোগাৰ কৰিবলৈকে টান। ধুন মাৰিবলৈনো পায় ক'ত।—তাতে সিহঁতৰ সেই সদায় একে সুৰিয়া কৰ্ম্মব্যস্ত জীৱনটোত গৰু-মহ, হাল-কোৰ, খেতিবাতি লৈ ব্যস্ত হৈ থাকোঁতেই যায়। এতিয়াও মই লক্ষ্য কৰিলোঁ, সিহঁতৰ প্ৰত্যেকেই ব্যস্ত। গৰু-মহ খৰি-কাঠ ইত্যাদি চপোৱাত।—

........মোৰ ধপধপীয়া বগা, মিহি চুৰিয়াখন, কিচ্‌কিচ্‌ কৰে কলা পামচু জোৰ, পাটৰ মিহি পাঞ্জাবীটোৰ মাজেদি জিলিকি উঠা তলৰ বগা বনিয়নটো, বেক্‌কৰা চুলি আৰু চকুত চচ্‌মা জোৰ আৰু হাতত সোণৰ হাতঘড়ীটোৱে সৈতে সিহঁতৰ মাজত মই জিলিকি পৰিছো। দিহঁতৰ কাৰণে মই এটা চাবলগীয়া বস্তুৱেই হৈ পৰিছোঁ।—

সবহ ভাগেই মোৰ প্ৰতি লক্ষ্য কৰিছে।

আগৰ চিনাকি মানুহবোৰো দুই একৰ বাহিৰে বহুতেই অচিনাকি হৈ পৰিছে।—সিহঁতৰ কাৰণে মই আচহুৱা হৱৰে কথা।

বহুদিন মই সিহঁতৰ মাজলৈ অহা নাই।

নেদেখিলেনো কেনেকৈ চিনি পাব। তাতে মোৰ পোচাক-পৰিচ্ছদেও মোক সিহঁতৰ বুকুৰ পৰা বহুত আঁতৰলৈ টানি আনিছে।

মইয়েই বা চিনি পাম কেনেকৈ !

অভাৱ অনাটনৰ লগে লগে সিহঁতো যে বহুত বুঢ়া হৈ পৰিছে। শ্ৰীহীন লৰাছোৱালীবোৰে শ্ৰীনোহোৱাকৈয়ে আগতকৈও বহুত ডাঙৰ হ'ল। বিয়া-বাৰু কৰাই বোধকৰো লৰাবাপেকী হৈছে।

এৰা, অভাৱ-অনাটনে সিহঁতকো এই কম বয়সতে বুঢ়াৰ শাৰীলৈ নমাইছে।

সিহঁতৰ প্ৰতি সহানুভূতিত মোৰ প্ৰাণটো কান্দি উঠিল। মনতে ভাবিলো,—মই বহুত কথা মৌলিক ভাবে ভাবিব পাৰিছোঁ। সিহঁতৰ বিষয়ে। গৱেষণাৰ দৃষ্টিভীঙ্গৰে চালো সিহঁতক।—

গাৱঁলৈ আহি যাহওক, আন নহলেও তেও<br>
এটা ভাল "ৰিচাৰ্চ" কে হ'ল। ছাত্ৰবিলাকৰ<br>
আগত এই বিষয়ে এটা ভাল "লেক্‌চাৰো"<br>
দিব লাগিব।

মই নিজকে প্ৰগতিশীল বুলি ভাবি অলপ গৌৰৱ অনুভৱ কৰিলোঁ।—

ইয়াকে যদি "জেনেৰেলাইজ্‌" কৰি "ইক-নমিক্‌ প্ৰবলেম্‌ অফ্‌ এসাম্‌" বুলি যদি এখন গৱেষণাৰ পুথি লিখিব পাৰো, যেচ নাম কৰিব পৰা যাব। টকাও পোৱা যাব।—

............এই বোৰকে ভাবি মই সেই আমাৰ পুৰণি এৰাবাৰীখনৰ ফালে আগবাঢ়ি গ'লো।—

আচহুৱা আৰু এজন ডাঙৰ মানুহৰ বেশত

মোক দেখি সিহঁতে, মানে, মোৰ চিনি পোৱা সেই গাৱঁলীয়া মানুহবোৰে মোক মাতিবলৈকে সাহ নকৰিলে — বা এনেয়ে নেমাতিলে। হয়তো মাতিবলৈ ভাল নেপালে।

ময়ো নেমাতিলো। একো সুসুধিলোঁ।—

সুধিবলৈ বা মাতিবলৈকে সিহঁতক আছেনো কিটো।—

সেই একে সোপা কথা।—

লৰাছোৱালী, গৰু-মহ, খেতিবাটি, অভাৱ-অনাটন, — খাই লৈ জীয়াই থকাৰ কথা।

এৰা, একেবোৰ কথাই।

মই আগবাঢ়ি গৈ আমাৰ পুৰণি ঘৰটো পালোগৈ।

গধূলিয়েই হ'ল। ঘূৰি যাওঁতে বোধকৰো তেনেই এন্ধাৰ হব।.......

........মোৰ পাম্-চু জোৰৰ মিহি "কেৰেক্, কেৰেক্" শব্দটো শুনি শুনি আমাৰ সেই পুৰণি চোঁতাল, এতিয়াৰ পূনকহঁতৰ চোঁতাল খন পালোগৈ।

এই কেইদিন ইয়াত একেৰাহে বৰ টান ৰ'দ দিয়াত বোকাবোৰ শুকাই গৈছে। পথাৰৰ দ' মাটিবোৰো বোলে চিৰাল-ফটা দিছে।....

........মোৰ জোতা পিন্ধি ফুৰিবলৈকে তেও সুবিধা হ'ল। 'চুট'টোও আনিব পাৰিলোহেঁতেন— পিন্ধাত একো অসুবিধা নহ'লহেঁতেন। আহোঁতেই ভাবিছিলো।—পিছে, নাই।—তেতিয়া ভাবিছিলো, গাৱঁৰ বোকা পানীৰ মাজত বিশেষকৈ গাৱঁলীয়া ঠাইত চুৰীয়া আৰু পাঞ্জাবীয়েই ভাল। মনটোও বেচ গহীন যেন লাগে।—

........মনটো ভাল লাগিল। বোকাপানী নাই। বেচ স্বচ্ছন্দ ভাবে ফুৰিব পৰা যাব। এদিনীয়া ঠাইত সুদাভৰিৰে ফুৰিলে অসুখ কৰিব পাৰে।

সুদা ভৰিৰে ফুৰিলে বোলে হুকওৰ্ম হোৱাবো ভয় থাকে। সেই কাৰণেই বোলে আমাৰ ভাৰতীয় গাৱঁলীয়া মানুহৰ লৰাছোৱালীবোৰ সাধাৰণতে হুকওৰ্ম হৈ মৰে।

........সিহঁতৰ ঘৰৰ চোতাল পাই ভ বিলো।— কি কৰো; পূনক বা ঘৰত আছে নে নাই।— কাক নো মাতো।—

........তাৰ ছোৱালীজনীয়ে তেতিয়া চোতালখন সাৰি আছিল। এজনী গাভৰু ছোৱালীৰ হাতৰ পৰশ লাগি মলিয়ন চোতালখন ৰগা আৰু নিকা হৈ উঠিছে।—

ভাল লাগিল চাই।

কবি হোৱা হ'লে বোধকৰো কবিতাই লিখি পেলালোহেঁতেন। তথাপি কবি হোৱাৰ আকাঙ্খাটো এৰাব নোৱাৰি মনতে এটা কবিতা আঁকিবৰ চেষ্টা কৰিলো।

মগজুৰ চৰ্চ্চা কৰি ভাত মোকোলোৱা আমি বুদ্ধিজীৱি মানুহ। আমাৰ কাৰণে এইবোৰ ভবা একো টান কাম নহয়।—

তাই মোক, এজন আচহুৱা মানুহক দেখি সোটাটো চোতালতে পেলাই থৈ ভিতৰ পালেগৈ।

........বায়েকৰ লগতে সৰু লৰা দুটাই চোতালৰ এচুকত এসোপা ধুলি-মাকতি আৰু কেইটামান নাৰিকল খুটুং লৈ ওমলি আছিল।

এটাই নাৰিকলৰ খুটুং এটাত এসোপা ধূলি ভৰাই কেইচটামান চলি-খৰিৰ ওপৰত বহুৱাই ভাত ৰান্ধিছে। ইটোৱে তাক সহায় কৰিছে।—ধূলিৰে

টিপ তুলি সি ঘৰ সাজিছে। ধূলিৰ ভাত খাই ওমলিছে।—

সিহঁতে সেই ভাগেই ভাত এখন বেলেগ সংসাৰ, দুটী শিশুমনৰ কল্পনাৰ এখন সুখৰ সংসাৰ ৰচনা কৰিছে। বাহিৰৰ জগতখন, সিহঁতৰ অভাৱ অনাটন আৰু পৰিয়ালটোৰ দুখ-দুৰ্দ্দশাই সিহঁতক সেই সময়ত পৰশ কৰিব পৰা নাই।....

........ভাল লাগিল।—

চোতালৰ ৰগা নিকা ঠাই ডোখৰৰ দৰেই সিহঁতৰ সৰল শিশুপ্ৰাণ। সূক্ষ্মদৰ্শী, মনন্শীল অধ্যাপকৰ চকুত এইবিলাক এৰাই নেযায়। সহজেই তেওঁলোকক ভাবৰ সমল যোগায়।....

........সিহঁতৰ গাটো আৰু শৰীৰৰ গোটেই অংশটোতকৈও বহুত ডাঙৰ আৰু ওলাই থকা পেট, ডাল ডাল কৈ লেখিব পৰা বুকুৰ কামিহাড় কেইডাল আৰু বোধকৰো বনপিঠা খাওঁতে তাৰ এটা মুখৰপৰা বৈ পেটলৈকে লগা শুকাই যোৱা তাৰ চেকাবোৰ—নাঙঠা লৰা কেইটী সহজেই অনুমান কৰিব পাৰি সিহঁতৰ অনাদৃত আৰু অৱহেলিত জীৱনৰ অৱস্থাটো।

এইদৰেই সিহঁত ডাঙৰ হব। নহলে মৰিব।....

........মইও এইদৰে সৰুতে ধূলি-মাকতি লৈ লগৰিয়াৰ লগত ওমলিছিলোঁ। মোৰ লৰাছোৱালীক হলে মই তেনেকৈ ওমলিবলৈ নিদিওঁ ইমান লেতেৰা-পেতেৰা হৈ ধূলি-মাকতিৰ লগত লৰা ওমলিলে সিহঁতৰ কাল্পনিক সুখৰ সংসাৰখনৰ বাহিৰে আৰু কিবা শিকিব পাৰিব জানো!

জীৱনৰ মান-দণ্ড ইমান তললৈ নমাই ধূলি-মাকতিৰ লগত মিলাব নোৱাৰি নহয়।

মোৰ উপস্থিতিয়ে সিহঁতৰ ওমলাত বাধা দিলে। মোক, এজন অচিনাকি ভাল মানুহক দেখি সিহঁত ভয়তে ভিতৰ সোমালগৈ।

মই ভাবিলো, কি কৰো, ভিতৰলৈকে সোমাই যাওঁ নে, বাহিৰতে ৰওঁ।— এভাৰ খৰি কান্ত লৈ, পূনক ওলালহি। বোধ কৰো কাঠনিৰ পৰাই। ভালেই পালো।

খৰিভাৰ পিৰালিতে পেলাই সি মোক দেখি আচৰিতেই হ'ল। আচৰিত হবৰে কথা; বহুদিন নেদেখা, নহা মানুহ ওলালোহি।

সি প্ৰথমে থত্মত খাই গল। মোক একো নকৈ জীয়েকক মাতিলে; "আই বানেচী আলহী, অ' আমাৰ মাষ্টৰ বোপা আহিছে, কি কৰিছনো ভিতৰত সোমাই, ঢৰাখন লই আহ। বহিবলৈ দিবহি নোৱাৰ জানো।"

মইও লৰালৰিকৈ কলো। —"হব হব বহিম। মই পোনেই এইয়া তোমাৰ আগে আগে সোমাইছোহিহে।" পূনক মোতকৈ বয়সত ডাঙৰ—মই বি, এ, পাছ কৰাৰ আগতে ইয়াৰ পৰা কেই মাইলমান দূৰৰ স্কুলখনত কেইদিনমান মাষ্টৰী কৰিছিলো।—

........মইও ইমান ডাঙৰ মানুহ হ'ম বুলি ভাবিবই পৰা নাচিলো। ভবাও নাছিলো।— ভাবিছিলো, বি, এ, পাচ কৰি স্কুলখনতে মাষ্টৰী কৰিম।

সি মোক সেই তেতিয়াৰ পৰাই মাষ্টৰ বোপা বুলি ধেমালিতে কৈ কৈ পিচত মাষ্টৰ বোপা বুলিয়ে মাতিবলৈ ধৰা হল।—

মইও বয়সত ডাঙৰ বুলি তাক পূনকাই বুলি মাতিছিলো। তেতিয়া তই বুলি মাতিছিলে।

যদিও এতিয়া বহুদিন নেদেখি থকাৰ কাৰণে তুমি বুলিয়ে মাতিলোঁ । —

....দুয়ো চোঁতালতে বহিলো । সি এখন ডুখৰি পীৰাত আৰু মই জোতাজোৰ খুলি চৰা খনত।

..........আগতে কিমান বাৰ বন্ধত ঘৰলৈ আহোঁতে তাৰ লগত এনেকৈয়ে কথা বাৰ্ত্তা ধেমালি-ধুমুলা কৰিছিলো। ধেমালিতে তাক কৈছিলো "স্কুলীয়া লৰাৰ আশীৰ্ব্বাদ আগৰ গৰখীয়া লৰাৰ আশীৰ্ব্বাদৰ দৰেই" । মই তাক কৈছিলো তাক আশীৰ্ব্বাদ দিছিলোঁ। —ধেমালিতে "তোৰ আৰু মতালৰা হ'ক" বুলি ।—

........কিমান যে ধেমালি কৰিছিলো তাৰ লগত। এতিয়া আৰু সেইদিন নাই । সিও সেই আগৰ ধেমেলীয়া পূনক নহয় ! মইও সেই আগৰ স্কুলীয়া লৰা হৈ থকা নাই । সিহঁতৰ লগত সহজে মিলি যাব পৰা 'মণি' এতিয়া মই নহওঁ। সুখৰ দুখৰ কথা পাতিলোঁ তাৰ লগত। মোৰ কথানো কি— ভাইটোৰ মুখে সি গম পায়েই তাৰ কথা সুধিলো । সিও কৈ গল মই নেদেখোঁতে হোৱা তাৰ দুখৰ কথাখিনি .......ডাঙৰ লৰাটো আঠটি বছৰ মৰিল গ্ৰহনী হৈ এতিয়া থকা ডাঙৰ লৰাটোতকৈ ডাঙৰ ছোৱালীজনীও মৰিল । কেচুৱা লৰা এটা হৈছিল অলপতে, সেইটোও মৰিল। মাকৰ গাখীৰ খাবলৈ নেপালেনো কেচুৱা লৰা কি বাচিব । —এতিয়া আছেগৈ ডাঙৰ ছোৱালীজনী আৰু সৰু লৰা দুটা। ঘৈণীয়েক জনীৰ কেচুৱাটো হোৱাৰ পৰাই বিষালী বেমাৰ হৈ বিচনাতে পৰি আছে কেঁকাই কেঁকাই।

জীয়েক জনীয়েই মাককো আল ধৰিব লাগে। লৰাদুটীকো চায়, আকৌ পথাৰলৈকো যাব লাগে। নহলেনো ধান কিগছাকে কোনো বোৱে। সিওনো চাব কোন ফালে ।—মাককে চাবনে খেতিবাতিৰ ফালেই মন. দিব, নে মতা-মহটোকে ৰখিব—খৰি-কাঠো গোটাব লাগে।

তাতে আগৰ দুবছৰ ভাল খেতি ন'হল । যোৱা বছৰ যে ধান তেনেই নেপালেই । সেই কাৰণেই এই বছৰ এতিয়া ভৰ খেতিৰ দিন শাওন মাহতে খাবলৈ নাই । যোৱা বছৰ আহিন কাতি দুমাহ খাবলৈ নহওঁতে গাৱঁতে খুজি মাগি এসাজ পৰলীয়া খাই চলিছিল । এই বছৰ আকৌ খুজি-মাগি খাবলৈকো কাৰো ঘৰতে তেনেকৈ নাই । আৰু সদায় খুজিলেইনো লোকে দিব কেলেই । ....'এৰা', বৰ দুখ পাইছো মই ; মাকজনী বোধকৰো আৰু নেথাকিবই। আজি তিনদিনমান বৰ টানেই। বেজ লগাইছিলো। তালৈকো পইচা-পাতি লাগে। ভাল নো ক'ত হব! টানত পৰি বেঞা দোকা-নৰ পৰা ধান দুমোন ধাৰলৈ আনিছোঁ । আহিন কাতিৰ আজৰি সময়ত কাম কৰি দিম বুলি।— তাৰেই চলিছোঁ কোনোমতে এই কেইদিন। —তাইৰ এই কেইদিনতে কিবা এটা হব লাগিলে তেনেই মৰিলোঁ।"

দুখে-বেজাৰে মোৰ আগত সি কন্দনামুৱা হৈ তাৰ দুখৰ কথাখিনি কলে । মোক সি সৰুৰে পৰাই মৰম কৰিছিল । বেয়া. লাগিল তাৰ দুখৰ কথা শুনি ।—

সেই বয়স ভাটী দিয়া মানুহটোৱেও বেজাৰতে কান্দি পেলাওঁ যেন কৰিলে। কলে,— "বোপা ভ.ল কৰিলা আহি আমাৰ দুখৰ দিনত তেও চাবলৈকে

আহিলা। খুৰামনো কি, কি বুলিনো এতিয়া তোমাক সোধো। ভিতৰ সোমোৱাই বহুৱাবলৈকো বেয়াই লাগিছে।”—

মই কলো:—“দুখ নকৰিবা পূণকাই! ঈশ্বৰ আছে যেতিয়া কিবা এটা উপায় এদিন হবই। তেওঁলোকেই চকু মেলি নেচালেনো কি কৰিবা দুখ কৰি!”—

মনতে ভাবিলো,— দুখীয়াৰ দুখৰ কথা শুনি আজি ভাল ভগৱানলৈ মনত পৰিল।—

আধুনিক বস্তুবাদী জগতখনত থাকি ভগৱানৰ কথা একেবাৰে পাহৰিয়ে গৈছিলো। বিশ্বাস হেৰাই গৈছিল ভগৱানৰ ওপৰত।

আজি আকউ হঠাতে মনত পৰিল।—কিয় কব নোৱাৰো।

সিও বোধকৰো দুখত পৰিয়ে হব পায় ভগবানৰ ওপৰত আস্থা হেৰুৱাই পেলাইছিল। কলে, “মৰাক মাৰি ভাল পোৱা কৰ্ম্মবিধতাই আমাক নো কি চকু মেলি চাব।”

ভাবিলো, আহিলো যেতিয়া মৰাৰ আগতে ধূলি মাকতি লৈ ওলাল কালৰে লগৰী সোণাদৈকো এবাৰ চাই যাওঁ। তাক কলো “পূনকাই ব'লা ভিতৰলৈকে, বৌক চাই যাওঁ।”

সিও মোৰ লগতে ভিতৰ সোমাল।

বাঁহৰ চাংখনৰ ওপৰত এসোপা খেৰ পাৰি লৈ তাৰ ওপৰত পাটিদৈ ঢাৰিখনত তেল চিকচিকলগা মলিয়ন গাৰু টোত মূৰটো দি মলি আৰু ধোৱাঁ লাগি কলা হোৱা বৰ কাপোৰ খন গাত লৈ তাই কেঁকাই কেঁকাই শুই আছে। খীন দেহটো ঢাকি থোৱা ঢিলা কপাহী মেখেলাখন— গাত ৰিহা নাই। মোক দেখিয়ে হয়তো চিনি পালে।—বৰ কাপোৰ খন গালৈ টানি লৈ অসংযত শুকান দেহটোক অলপ সংযত কৰি লবৰ যত্ন কৰিলে।

মই সুধিলো—কেনে পাইছে।

শুকান আৰু খীন মুখখন, আউলী-বাউলী চুলি সোপা আৰু মুদ খাব ধৰা চকু দুটা—যেন বহুদিনীয়া বুঢ়ী এজনী। চকু দুটা জোৰেৰে মেলি মোলৈ চালে।—এটি কাতৰ চাৱনি।—জীয়াই থকাৰ অসীম হেপাহ ফুটি উঠিল সেই চাৱনিত।

ধূলিৰ ধৰণীত, ধৰণীৰ ধূলি মাকতি লৈয়ে জীয়াই থাকিবলৈ মানুহৰ মোহ।

চকুৰ দুই দাঁতিৰ বগা চামনিৰ মাজত ক'লা মণি দুটা ট' ট' কৈ জিলিকি উঠিল।—চলচলীয়া হৈ উঠা চকু দুটাইদি দুটোপাল চকুলো শুকান সোতোৰা পৰা গাল দুখনেদি বাগৰি গ'ল।

দুধাৰ চকুলোৰ শুকাই যোৱা শেষ ৰেখাটো শুকান গাল দুখনত জিলিকি উঠিল।

যেন জীয়াই থকাৰ বাবে প্ৰাণৰ কান্দোন।

ধূলিৰ সপোন লৈ মানুহ জীয়াই থাকিব খোজে এই ধৰণীত। মানুহ মৰে; ধূলিৰ সপোনবোৰ ধূলি হৈ উৰি যায়। তথাপি যেন মানুহৰ জীয়াই থকাৰ বাবে প্ৰাণৰ কান্দোনখিনি ৰৈ যায় পৃথিবীত।—

....ধূলি আৰু ধৰণী—

....জ্ঞান পিপাসু আৰু মানুহৰ হাঁহি কান্দোনত কবিতাৰ ৰেখা বিচৰা অধ্যাপকৰ শিল্পী মন।

সৃষ্টিৰ আকাঙ্খা আৰু মানুহৰ প্ৰান লৈ বলিয়া হৈ উঠে।

তথাপিও সেই শেষৰ বিদায় দৃশ্যটো .......।

........দুটোপাল চকুলোৰে শেষৰ বিদায়—

........শিল্পীমনৰ কবিতাও হয়তো সেই দৃশ্য দেখি হেৰাই যায়।

....মাথোন দুটোপাল চকুলো।......

...তাই চকুদুটা মেলি আমালৈ এবাৰ মাথোন চাইছিল। তাৰ পিছত আকৌ এবাৰ সেই সৰু লৰা দুটা লৈ। সিহঁতে বাহিৰৰ পৰা আহি আকৌ সেই নাৰিকলৰ খুটুঙত ভৰাই অনা ধূলি সোপা লৈ মাকৰ বিচনাখনৰ ওচৰতে এচুকত ওমলিবলৈ লাগি গৈছিল। মাকে চালে সিহঁতলৈ—মোহ জাগিল বোধকৰো তাইৰ প্ৰাণত।

সিহঁতক লৈ, গিৰীয়েকক লৈ, জীয়েকক লৈ জীয়াই থাকিবৰ মন গ'ল—....

....তথাপি এৰাতিৰ ভিতৰতে সকলো শেষ হৈ গ'ল ।....

পুনকে কান্দিলে—খুব কান্দিলে। এজনী মৰি যোৱা মানুহক জীয়াই ৰখাব নোৱাৰি সি খুব কান্দিলে। বেমাৰী মানুহজনী চাই, তাইক আল-পৈচান ধৰি পোৱা সুখ-দুখখিনি পাহৰি, তাইৰ সেই কাতৰ চাৱনিলৈ মনত পেলাই সি খুব কান্দিলে।—মোৰ আগত কান্দি কান্দিয়ে কলে,—

"মইনো আৰু কাক চাই, কালৈ জীয়াই থাকিম।"

সেই আদহীয়া মানুহটোৱে হাও-হাও কৈ কান্দি পেলালে।—

........তাৰ পাচত— সকলো শেষ........

....মইও গৈছিলো শ্মশানলৈ; গাৱঁৰ মানুহৰ লগতে। মৰণ পথিকৰ জীয়াই থকাৰ হেপাহ খিনিলৈ মনত পেলাই, জীয়াই থকা মানুহৰ বেদনাৰ অশ্ৰু খিনি বুকুত সানি লৈ মই শ্মশান যাত্ৰাৰ বাটত শেষবাৰৰ কাৰণে সিহঁতৰ পৰা বুকুৰ মাজত সোমাবলৈ, সিহঁতৰ আপোন হবলৈ চেষ্টা কৰিলো।—

....এসোপা শুকান কাঠৰ ওপৰত জাপি দিয়া শুকান এজনী মানুহৰ দেহ!....

তাৰ পিছত, দপ, দপ, কৈ জ্বলি উঠা সেই ৰঙা জুইকুৰা—আৰু পিছত হো হো কৈ অনা ববযুণ জাকে নুমাই ক'লা কৰি দিয়া চিতাৰ ৰঙা আঙঠাবোৰ—

চিতাৰ এসোপা এঙাৰ আৰু ছাই!

তাৰ পিছত সকলো শেষ।—

....মইও আৰু তাত নেথাকিলো।—

পিছদিনাই গুছি আহিলো, নগৰলৈ।— আহিও মই পাহৰিব নোৱাৰিলো—সেই কেইদিনৰ কথাবোৰ।—

সিহঁতৰ দুখ বেজাৰ, অভাৱ অনাটনৰে মিহলি সেই অৱহেলিত জীৱনৰ কাহিনীবোৰ।—

....স্মৃতিৰ বেদনা আৰু অশ্ৰুৰে ভৰপুৰ হৈ উঠিল, মোৰ মনটো।

....মোৰ শান্তিময় অধ্যাপকৰ জীৱনটো অশান্তি-ময় হৈ উঠিল। সিহঁতে যেন মোক নিতউ কয়,—

........আমিও তোমালোকৰ দৰেই এই ধৰণীৰ ধূলি-মাকতিলৈ জীয়াই থকা মানুহ। আমিও তোমালোকৰ লগৰে—এই পৃথিবীৰে মানুহ। আমাৰ যেতিয়ালৈকে সুখ নহয়—অভাৱ নুগুচে—তেতিয়া-লৈকে তোমালোকৰ সুখৰ সংসাৰত আমিয়ে অশা-ন্তিৰ কাৰণ হৈ ৰ'ম।

—আমি তোমালোকৰ সুখত বাধা জন্মাম।—

....মই যে কিবোৰ ভবা হ'লো!!

আজি কালি মই যেন দিনে দিনে তেনেই বলিয়া হৈ গৈছোঁ।

....ৰবিৰ কথা, পণ্ডিতৰ কথা, চিনাকি অচিনাকি গাৱঁলীয়া মানুহবোৰৰ কথা, পূণক, সোণাদৈ আৰু সিহঁতৰ পৰিয়ালটোৰ কথা, সেই অকণ মান লৰাছোৱালী হালৰ কথা,—সদায় মনত পৰি থকা হ'ল।—

মই যেন সিহঁতক পাহৰিব নোৱাৰো।

মই যেন মোৰ নিজৰ আত্মাৰ সত্বাটো হেৰুৱাই পেলালো।—লৰাকালৰ লৰাধেমালি কৰি ওমলা মোৰ জন্মভূমি সেই গাওঁখনত —

........মৰণ কান্দোন জাগি উঠা সোনাদৈৰ সেৰ শেত পৰি যোৱা চকু জোৰ;—নিতউ যেন বলেৰে চকু হাল মেলি চল চলীয়া কৰি চাবই লাগিছে।—

"ধূলি আৰু ধৰণীক লৈয়ে আমি জিয়াই থাকিবলৈ বিচাৰো—আমি মৰা নাই, নমৰো,—জীয়াই আছোঁ।"

মই যেন তাইৰে প্ৰেতাত্মা !—........

সিহঁতো জীয়াই আছে। মইও জীয়াই আছোঁ।

তথাপি ভাবিছো ;—কেতিয়বা ভাবো—

মই মৰিলোঁ নে সিহঁত মৰিল ?—*

* কটন কলেজ হোষ্টেলৰ সুকুমাৰ কলা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত।

---

# আৰ্নষ্ট টলাৰৰ চিঠি

– প্ৰমী

মানুহৰ অন্তৰৰ দাপোন চিঠি—অন্ততঃ যিবিলাক কোনো লাভ-লোকচানৰ অনুপাতলৈ নজৰ নাৰাখি লিখা। ইংৰাজ কবি কীটছৰ চিঠিবিলাকৰ কথা মনলৈ আহে। কীটছৰ কবিতাৰ মৰ্ম বুজিবলৈ হলে সেই বিলাক নপঢ়িলে নচলে। বৌৱেক জৰ্জিনা আৰু দয়িতা ফেনি ব্ৰনলৈ দিয়া চিঠিবিলাকত গভীৰ মনৰ আৰু আলসুৱা অন্তৰৰ কি পৰিচয়ে পোৱা নাযায়! অন্তৰৰ ভাব গল্প কবিতা আদিতো প্ৰকাশ হয়; কিন্তু চিঠিত যিমান পোনপটীয়াকৈ অথচ বহলভাবে ভাব বৰ্ণাব পৰি ৰচনাৰ আন একো ভঙ্গীৰ সহায়ত তেনেকৈ নোৱাৰি। সপ্তদশ শতিকাৰ তীক্ষ্ণবুদ্ধি ইংৰাজ কবি ডানে কবৰ দৰে, Sir, more than kisses, letters mingle souls! আধুনিক যুগত বহুতো লেখত লবলগীয়া সাহিত্যিকে চিঠিৰ জৰিয়তে নিজক প্ৰকাশ কৰিছে। এই খিনিতে ৰবীন্দ্ৰনাথ ঠাকুৰৰ ৰাশিয়াৰ চিঠিৰ উল্লেখ কৰিব পাৰি।

বৰ্তমান প্ৰবন্ধত জাৰ্মাণ নাট্যকাৰ স্বৰ্গীয় আৰ্নষ্ট টলাৰৰ চিঠিবিলাকৰ অলপ আভাস দিয়া হব। টলাৰ সমাজতন্ত্ৰী বিপ্লবী আছিল। নাজী ৰাষ্ট্ৰত সমাজ-তন্ত্ৰীৰ স্থান নাই; তেওঁক হিটলাৰে বন্দীশালত বাস দিছিল। পিচত সম্ভৱ নাজী চৰৰ হাততে তেওঁ প্ৰাণ ত্যাগ কৰে।

টলাৰে বন্দীশালৰ পৰা কিছুমান অন্তৰ-পৰশা চিঠি লিখিছিল। মনৰ উদাৰতা আৰু সূক্ষ্ম অনুভূতি-শীলতা এই বিলাকৰ ঘাই আকৰ্ষণ। দাৰ্শনিক দৃষ্টিভঙ্গী এটিও এই বিলাকত ফুটি ওলায়। সাহিত্যিক বন্ধু ষ্টেফান টছভাইগলৈ এবেলি তেওঁ লিখিছিল এই দৰে—

"মোৰ যি অদৃষ্ট সি মোক হেঁচি ধৰিব পৰা নাই, কিয়নো সেই অদৃষ্ট মই নিজে বাঞ্ছা কৰোঁ, সদায়ে কৰিছোঁ—মোৰ বিশ্বাস যিদিনা বন্দীশালৰ পৰা মুক্তি পাম সিদিনাও মনত তিতা ভাব আৰু ৰাগে ঠাই নাপাব।"

শত্ৰু বা অন্যায়কাৰীৰ প্ৰতি বিৰাগ নৰখা ভাব গান্ধীজীৰ মতবাদৰ বৈশিষ্ট। টলাৰে সমাজতন্ত্ৰবাদ পৰিত্যাগ নকৰা দেখি এজন বন্ধুয়ে তেওঁৰ সৈতে সম্বন্ধৰ দোল ছিঙিলে। বন্ধুজনক তেওঁ সমিধান দিলে এই দৰে—

"কৰিডৰ থকা বন্দীশালৰ ভিতৰত দুবছৰকাল কটাবলগীয়া হলে, নানা তৰহৰ মানুহ—যাৰ কেতবোৰ ৰুগীয়া আৰু যাৰ কাঁতবে কাঁতবে থকাহে যুগত—সেই বিলাকৰ মাজত পোত খাবলগীয়া হলে, জীয়াই থাকিবলৈ কেনে লাগে গম পোৱানে? মোক যদি তুমি ধৰি থকা আদৰ্শটোৰ কাৰণে—যি আদৰ্শৰ চিক্‌চিকীয়া ঢাকনিৰ আঁৰত লুকাই আছে কিমান শতিকাৰ বিতৃষ্ণা, বিদ্ৰোহ, নিৰাশা—ত্যাগ কৰা, তেনেহলে—বিদায়।

টেছালৈ লিখা চিঠি এখন মনোমোহা। যাৰ লৈ লিখা যায় তেওঁৰ বোধশক্তি আৰু সহানুভূতিৰ পৰিমান লিখকৰ অনুপাতৰ হলেহে এনে চিঠি ওলায়। এইখিনিৰে আমাৰ সাধাৰণ 'প্ৰেম পত্ৰ বিলাকত কি ধৰণৰ হয় মনত পেলালে বেয়া নহয়।*

"বন্দীশালে মোক যাতনা দিয়েনে কি? মোৰ আত্মাৰ সীমা ছুব খোজা বন্ধনৰ নিচিনাকৈ দেৱালবোৰৰ ভীৰ অনুভৱ কৰোঁ, দেয়ালবোৰ যেন হালি পৰিব—যেন হেঁচি ৰাখিব পাৰিবহে। প্ৰকৃত যাতনা অমৰ, সি বাহিৰৰ স্থান-কালৰ দাস নহয়। লোৰ শলাৰ খোচনিতকৈয়ো কষ্টদায়ক হৈছে আধ্যাত্মিক নিৰ্জনতা আৰু শূন্যতাৰ গভীৰতা।···

আধ্যাত্মিক নিৰ্জনতা আৰু শূন্যতাৰ গভীৰতা চিন্তাশীল লোকে প্ৰায়ে অনুভৱ কৰে। প্ৰকৃততে জগতৰ ওখশ্ৰেণীৰ শিল্পী, চিন্তাবীৰ আদি লোকৰ চিন্তাৰ গভীৰতা আৰু কল্পনাৰ বিস্তাৰ ইমান বেছি যে সাধাৰণ মানুহে তেওঁলোকৰ মনৰ সীমা ছুব নোৱাৰে, সেইকাৰণেই তেওঁলোক একহিচাবে বৰ অকলশৰীয়া। কবি দুৰবায়ো সম্ভৱ এনেভাবৰ সাক্ষী দিয়ে—

"তাৰ মাজেদিয়ে যায় বাটৰুৱা মোৰ
সুখৰ দুখৰ গান শুনি,
আশা-নিৰাশাৰ ৰেখ বুকুৰ মাজত
আঁকি লৈ অকলে আপুনি।"

টলাৰৰ দুই এখন চিঠিত নৈৰাশ্যৰ ভাবো ফুটি ওলায়। কিছুমান চিঠিত আকৌ সাহিত্য, শিল্প আদি বিষয়ে মৌলিক চিন্তাৰ পৰিচয় পোৱা যায়। যিবিলাক চিঠিত মানবৰ ভবিষ্যৎ সুবহ কৰিবলৈ নিজত যি দৃঢ় বিশ্বাস লাগে। সেই ভাব প্ৰকাশ পাইছে, সেই বিলাকে আমাক যথেষ্ট প্ৰেৰণা যোগাব পাৰে। তলৰ চিঠিখনে টলাৰৰ মনৰ কোমলতাৰ চানেকী দিয়ে। চিঠিখন লিখা হৈছিল মাজ্জিওৰে হৃদৰ পাৰত বাস কৰা বান্ধবী টেছালৈ—

"চেনেহী, আজি নিশা মোৰ বিছনাৰ কাষত বহুত পৰ ঠিয় দিলোঁ আৰু মোৰ কুঠৰীৰ খিৰিকিয়েদি বাহিৰৰ জোনাকলৈ চাই পঠিয়ালোঁ। তোমাৰ কথা মনত পৰিল। আৰু যেতিয়া উশাহেৰে টানি নিলোঁ সেই নিৰবতা, হাল জাল থকা শস্যৰ জেউতি নিমাত আকাশ ···· পৃথিবীৰ সৈতে ওপজা মৰমৰ বান্ধ এটাৰ তীব্ৰ অনুভূতিৰ আনন্দই মোৰ হিয়া ওপচালে। আমি নিলগে নিলগে আছোঁ জানো? তেনেহ অবুজন আমি দুয়োটি! এইয়া 'মোৰ' জোনটিয়েই লাগো মাজ্জিওৰেত তোমাৰ ওপৰত কিৰণ বৰষা নাইনে? 'মোৰ' জোনটিয়েই তোমাৰ আইভি লতাৰে আগুৰি থকা খিৰিকীখনেদি

* ভাল চিঠি সাধাৰণতে মতা মানুহে লিখে।

ভূমুকি নামাৰেনে? বন্ধুতাই জানো দূৰণি মানে? বোলি ইয়াত থকাজন বন্ধুৰ লগৰীয়া হৈ তাত থকা জনৰো নহয়নে? দুয়োজনকে নিশা আবৰি ৰখা ৰূপালী পাখী বুলি ভাবি জোনে হিয়াভৰা আনন্দত কোমল গীত নাগায়নে? একেখন সীমাহীন নিমাত আকাশে ধুনীয়াকৈ হাত মেলি আমাক দুয়োকো সাৱটি নধৰেনে?

এতিয়ালৈকে তিনিবেলি জাৰ পৰিল। মোৰ ভিতৰত বহুতো বাট আছে, এই বাটেদি এতিয়ালৈকে মই খোজ লোৱা নাই। সেই কাৰণে যিমান যাতনা, যিমান দুখকষ্ট ওচৰ চাপে আটাইকে কম—আহাঁ; তেতিয়া মোৰ হিয়া হব সকলো আনন্দৰ পক্ষী-গীতি।"

ইয়াত দিয়া চিঠিবিলাক লিখা হৈছিল ১৯২১ চনত। তাৰ কেই বছৰ মানৰ পিচতে টলাৰৰ মৃত্যু হয়। পণ্ডিত নেহৰুৱে তেখেতৰ কোনোবা এখন ৰচনাত এই জাৰ্মাণ নাট্যকাৰজনক শ্ৰদ্ধা জনাইছে।

---

# উক্তি

—সাউদ লক্ষহীৰা বৈশ্য
তৃতীয় বাৰ্ষিক ( কলা। )

বুৰঞ্জী বিস্মৃত এক আদিম যুগৰ
শেষ প্ৰান্তৰত,
আগত জীৱনৰ অপ্ৰতিভ আলোকৰ,
অনন্ত ভিখাৰী হৈ
মৰণত জীৱনৰ ৰহন লগাই,
নিশ্চল নিবিড়ময়
অন্ধকাৰে ঘেৰা
পাপৰ তমসাময়
পৃথিবীৰ চাহাৰাৰ
পঙ্কিল বুকত
জন্মমোৰ অশুভ ক্ষণত ॥
বিদ্ৰোহী মই—
জন্ম মোৰ বিপ্লৱৰ বাবে।
পুৰণি পৃথিবীখনি
জড়াজীৰ্ণ সমাজৰ
পুঞ্জীভূত অন্ধ আৱৰ্জনা
আৰু ক্লেদ-পঙ্ক-পাপ
প্লাৱনৰ বাৰিষাৰে
ধুৱাম এবাৰ মই
সৃষ্টি হব নতুন ধৰাৰ।
কৌটিকলীয়া সেই
কলাআৱৰণ ভেদি
অন্যায়ৰ দুৰ্ভেদ্য প্ৰাচীৰ
ছুনিবাৰ দুৰ্জ্জয় কাৰাৰ
অলস ধূসৰ সেই
মুমূৰ্ষিত মহামানবৰ
মৌন হাহাকাৰ ভেদি
ঝাঙ্কাৰি উঠো মই— উল্কা যুগৰ ॥
ক্ৰোধ আৰক্তিম মোৰ
দুচকুৰ অগ্নিশিখা
সংহাৰৰ বাবে,
অৰ্থ-যুক্তি-ন্যায়হীন

হীন এই সমাজৰ
অত্যাচাৰ শত অবিচাৰ
পদাঘাত কৰি তাৰ
শতেক লাঞ্ছনা
যুগৰ অভাৱে মোক জন্মদিয়ে
বিদ্ৰোহীৰ বেশে ॥
নিষ্পেষিত মানবৰ
বুকুৰ কান্দোন শুনি
অসমান পৃথিবীৰ
স্তব্ধ তিমিৰ ভেদি
মই ধ্যান কৰো মহা জীৱনৰ
মই স্বপ্ন দেখো—
ধ্বংসৰ পিছত জাগা
পৃথিবীৰ শ্যামল প্ৰকৃতি
আৰু শান্তিপূৰ্ণ জনতাৰ ছবি ॥
মোৰ এই মুক্তিকামী
মহাঅভিযান
এন্ধাৰ গৰাসি তোলে
তপত তেজত মোৰ
উন্মুক্ত তুফান
শক্তি মোৰ যুগ-জয়ী
অক্ষুন্ন—অমৰ ॥
মোৰ শোণিটৰ প্ৰতিকণ—
গঢ়াৰ মন্ত্ৰ শুনি
সমান পৃথিবী এক
ৰচনাৰ কল্পনাত উঠে নাচি—হাঁহি ॥

মই ভাঙিব খুজিছো মোৰ
ৰুদ্ধ কাৰাগাৰ
মোৰ জীৱনৰ শত
অখ্যাত অধ্যায় ভৰি
কান্দি উঠে
দুভৰিৰ শিকলিৰ বন্ধনৰ, মুক্তিৰ আস্বাদ।
আজি এই যান্ত্ৰিক যুগত
সভ্যতাৰ অতুৰ্চ্চা স্তৰৰ
বুকুৰ শোণিট ঢালি
কুলি বনুৱাৰ
এদলে সাজিছে.
হিমাদ্ৰীৰ দৰে ওখ ধনৰ প্ৰাচীৰ
আনদলে নীপিড়িত নিষ্পেষিত হৈ
যুগজোৰা গোলামীৰ
গ্লানি অভিশাপ আৰু
অন্তৰৰ ক্ষুধা দাবানল,
সহিছে নিৰৱে ।
ময়ো সিহঁতৰে এজন ॥
চঞ্চল সৃষ্টিৰ মই
দুৰ্যোগৰ মধুৰ সঙ্কেত
শেষকৰি যত গ্লানি, ম্লানিমা যুগৰ
অশান্তি —অসাম্য
মৰতত সাম্য, মৈত্ৰী মিলনৰ
যুগ প্ৰৱৰ্ত্তাম ময়ে
শ্ৰেণীহীন সমাজৰ সৰগ ৰচনা কৰি
পৃথিবীত মঙ্গল সূচাই ॥

# আধুনিক অসমীয়া সাহিত্যৰ খুহুতীয়া ৰচনা

শ্ৰীপ্ৰভাত গোস্বামী
৪ৰ্থ বাৰ্ষিক ( কলা )

ইংৰাজী wit and Humour বোলা কথা-ষাৰৰ এটি ভাল প্ৰতিশব্দৰ আমাক অতি আৱশ্যক। সম্প্ৰতি হাঁহি, হাস্যৰস, ব্যঙ্গ, ৰগৰ আদি বহুতো শব্দৰ প্ৰচলন আছে কিন্তু কোনোটোৱে পূৰাকৈ অৰ্থ প্ৰকাশ কৰা বুলি বোধ নহয়। অৱশ্যে এই ৰচনাত হাস্যৰস, শব্দটোকে বেছি প্ৰাধন্য দিয়া হৈছে।

আলোচনাৰ বিষয় বস্তুলৈ আগবঢ়াৰ আগতে হাঁহিৰ জন্মনো ক'ত তাক জনা উচিত হব। এজন ইংৰাজ সমালোচকে কৈছে' "Humour meant exaultation, the sense of personal trimph over one's adversary or of sense of delight seeing somthing —anything—demolised or knocked out of shape." আমিও কব পাৰোঁ, হাঁহিৰ জন্ম বিসঙ্গতিত। উদাহৰণ স্বৰূপে,—বাটেৰে এজন বুঢ়া মানুহ গৈ আছে; বোকা বাট, হঠাতে তেওঁ পিচলি পৰিল। ওচৰত থকা দেখোতাবোৰে গিৰ্জনি মাৰি হাঁহি উঠিল। প্ৰথম দেখাত মানুহ জনৰ দুখৰ প্ৰতি আওকাণ কৰি হহাঁটো অভদ্ৰোচিত কথা; কিন্তু দৰাচলতে তেওঁ গৈ থকাৰ যি বিসঙ্গতি ঘটিল তাতেহে দেখোঁতাবোৰে হাঁহিলে। ঠিক এনে সময়তেই দেখোঁতাবোৰৰ অন্তৰত সহানুভূতি ওপজাও আমি লক্ষ কৰিব পাৰোঁ। ভাওনা ধুলীয়াৰ চং, আদিত একোজন মানুহে অসংখ্য টালি টাপলি মৰা কাপোৰ পিন্ধি, হাতে মুখে কাজল সানি দৰ্শকৰ আগত ওলায়হি। তাক দেখা মাত্ৰেই দৰ্শক সকলে গিৰ্জানি মাৰি হাঁহি উঠে। বহুত সময়ত তাৰ অস্বাভাবিক চলন ফুৰণে দৰ্শকক হাঁহিত পেটৰ নাৰী ভুকু পৰ্য্যন্ত দাল দাল কৰে। এইবোৰ হাঁহি সাধাৰণতঃ দৰ্শনেন্দ্ৰিয়ৰ লগত প্ৰত্যেক্ষ সংঘাতৰ ফলত জন্ম। অৱশ্যে শ্ৰৱণ আৰু দৰ্শন উভয়েৰে কাৰ্য্য ইয়াত হয়। সাহিত্যত হাঁহিৰ জন্ম ৰচনা কৌশল আৰু শব্দ সম্ভাৰ যোজনাৰ বিসঙ্গতিত হাঁহিক আমি কেইবা ভাগতো ভগাব পাৰোঁ, যেনে:—সৰল হাঁহি, গহীন হাঁহি, পাতল হাঁহি, আৰু উকা হাঁহি। অৱশ্যে হাঁহিৰ ই একো বৈজ্ঞানিক বিশ্লেষণ নহয়। আমি এতিয়া লৰা লৰিকৈ ওপৰত কোৱা হাঁহি কেবিধৰ চমু পৰিচয় এটা দি যাম—সম্পূৰ্ণ বৰ্ণনা নহয়।

কোলাত লৈ থকা কেচুৱাটোলৈ সৌহাৰ্দ্যপূৰ্ণ দৃষ্টিৰে চাওঁতেই সি খিল্ খিলকৈ হাঁহি দিলে। তাৰ হাঁহিৰ মাজত কোনো অৰ্থ নাই। সেই হাঁহি স্বৰ্গীয় বস্তু। কোনো বয়সীয়া মানুহেই সিমান মুকলি হাঁহি হাঁহিব নোৱাৰে। কেচুৱাৰ যি হাঁহি সেয়েই সৰল হাঁহি।

এখুজি দুখুজিকৈ খোজ দিব পৰা পোনাটিয়ে ডাঙৰ মানুহৰ অনুকৰণত চকি এখনত বহি গালত হাত দি চিন্তা মগ্ন ভাবে বহি আছে; তাকে দেখি তাৰ দেউতাকে লাহেকৈ হাঁহিলে। আন সময়ত আকৌ ঘৰৰ কোনোবাই ফাঁক দিবলৈ যত্ন কৰোঁতে তেওঁৰ চকুত ধৰা পৰিল। এই বৃথা প্ৰচেষ্টা দেখি তেওঁ হাঁহিলে। এই হাঁহি প্ৰকৃতি গহীন। আনন্দ আৰু বিৰক্তি দুয়োটাই গহীন হাঁহিৰ ভিতৰুৱা।

থিয়েটাৰ বা ভাওনাত ডাঙৰীয়াৰ বচনত খোকোজা লাগিলে দৰ্শকবোৰে হাঁহি উৰুলীকৃত হৈ পৰে। এই হাঁহিক আমি পাতল হাঁহি বুলি কব পাৰোঁ, কিয়নো দৰ্শকে কোনো নিহিত অৰ্থ নথকাকৈয়ে ইয়াত হাঁহে। উকা হাঁহি পাতল হাঁহিৰে অইন এটা ৰূপ।

· আগতে কোৱা হৈছে, বৰ্ত্তমান প্ৰবন্ধৰ উদ্দেশ্য হাঁহিৰ স্বৰূপ বিশ্লেষণ কৰাটো নহয়, মাত্ৰ আধুনিক 'অসমীয়া সাহিত্যৰ হাস্যৰস সম্পৰ্কে চমু পৰিচয় দিয়াটোহে।

আলোচনাৰ গুৰিতে আমি আমাৰ সাহিত্যৰ যুগ বিভাগলৈ লক্ষ্য কৰিব লাগিব। আলোচনাৰ সুবিধাৰ বাবে অসমীয়া সাহিত্যৰ বুৰঞ্জীক ঘাইকৈ তিনি ভাগত ভগাব পাৰি। যেনে:— (১) আদি যুগ বা প্ৰাক্ বৈষ্ণৱী যুগ (২) শঙ্কৰী যুগ বা বৈষ্ণৱ যুগ বা বিস্তাৰ যুগ (৩) আধুনিক যুগ।"

আধুনিক যুগ বোলোঁতে ইংৰাজ অহাৰ পিচৰ পৰা আজিলৈকে কাল ছোৱাকে বুজিব লাগিব। অৱশ্যে অতি আধুনিক সাহিত্যৰ গঢ় বহুত বদলিছে।

সুস্থ সাহিত্যৰ লক্ষণ হাস্যৰসৰ সাহিত্য পৰ্য্যাপ্ত পৰিমাণে থকাটোৱো। আমাৰ প্ৰাচীন সাহিত্যৰ হাস্যৰসৰ সুকীয়া পুথি নাথাকিলেও গহীন ভাৱৰ পুথিবোৰত একোটা বিশেষ চৰিত্ৰই সেই অভাৱ পূৰণ কৰিছিল। টুটকীয়া নাৰদ প্ৰাচীন সাহিত্যত বেচ উপভোগ্য চৰিত্ৰ। সেইদৰে শঙ্কৰ দেৱৰ ৰচনাত বেদনিধি বাপু (ৰুক্মিণীহৰণ)ৰ চৰিত্ৰই পাঠকসমাজক কম আমোদৰ সমল নিদিয়ে। ভীমচৰিত, কাণখোৱা আদিক সুকীয়া হাস্যৰ সাহিত্য বুলিয়েই আমি গ্ৰহণ কৰোঁ।

ইয়াৰ পিচত আধুনিক যুগ। অসমীয়া সাহিত্যৰ আধুনিক যুগৰ আৰম্ভণিত চোৱা হৈছে অতি শোকলগা, অতি কৰুণ। ইংৰাজে আমাৰ দেশ লোৱাৰ পিচত দেশত সাধাৰণ ভাবে শান্তি স্থাপন হ'ল; কিন্তু 'মান ধোবাৰ পাট' অসম ফেঁচা আৰু শগুণৰ লীলা ভূমিলৈহে ৰূপান্তৰিত হ'ল। অসমীয়াৰ সাংস্কৃতিক জীৱনত এক ভীষণ অৱস্থাৰ সৃষ্টি হ'ল। নিজস্ব সকলো যেন অন্ত হৈ গ'ল। অসমৰ মানুহ আৰু নাই অসমীয়া জাতি আৰু নাই! কেনেদৰে এই নুমাওঁ নুমাওঁ অসমীয়া নাম কাৰ যত্নত আকৌ সুপ্ৰতিষ্ঠিত হ'ল তাক বুৰঞ্জী অধ্যয়ণ কৰিলেই বুজা যাব। এই যে বিৰাট আঘাত পালে আমাৰ অসমীয়া জাতিয়ে, এই আঘাতে দিলে জাতিক কু-সংস্কাৰ। অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰমাণৰ লগে লগে এইবোৰৰ মূলো উচ্ছেদ কৰিবলৈ আগবাঢ়িল অসমীয়া সাহিত্যৰ ওজা হেম চন্দ্ৰবৰুৱা। "বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী" আৰু "কানীয়াৰ কীৰ্ত্তন" নামেৰে দুখন প্ৰহসন নাটিকাৰে ৺বৰুৱা দেৱে আমাৰ সমাজৰ অন্ধতা আঁতৰাবলৈ যত্ন কৰিলে। সম্ভৱতঃ পোন প্ৰথম ৰগৰৰ চলেৰে তেখেতেই সমাজ সংস্কাৰলৈ মন মেলিছিল। একে সময়ৰে ৺গুণাভিৰাম বৰুৱা দেৱৰ নাম আমি দ্বিতীয়তে উল্লেখ কৰিব লাগে। তেখেতে "কঠিন শব্দৰ ৰহস্য ব্যাখ্যা" নামৰ এলানি প্ৰবন্ধ "বিজুলীত" লেখিছিল। তাত আমি কোনো সংস্কাৰ মূলক কথাৰ সমাৱেশ নাপাওঁ। মাত্ৰ হাঁহিবৰ বাবে কিছুমান শব্দৰ নতুন ধৰণৰ ব্যাখ্যাহে পাওঁ। পুথি খনত ঘাইকৈ অফিচ আদালতত ব্যৱহৃত হোৱা শব্দৰ ব্যাখ্যা, গোসাঁই-মহন্ত আৰু পূজা-পাতাল আদি সম্বন্ধীয় শব্দৰ ব্যাখ্যা প্ৰচলিত কিছুমান অসমীয়া ডাঙৰীয়া সকলৰ উপাধি আৰু আন আন শব্দৰ নতুন ধৰণে ব্যাখ্যা কৰা হৈছে। উদাহৰণ স্বৰূপে,

যদু—বঙ্গালীনো কিয় বোলে?

অধ্যাপক—"বঙ্গ অলি—বাঙালী বা বঙ্গালী। অলি শব্দ, ভোমোমাৰা। বঙ্গ বা বঙাল দেশৰ প্ৰৰূ

মানুহ আহি ভোমোৰাই ফুলৰ মৌ নিয়াৰ দৰে আমাৰ দেশৰ সাৰ মৌ লৈ গৈ থাকে। দেখাঁচোন সকলো ব্যৱসায়তে আমাৰ ধন বঙ্গালীয়ে নিছে।"

[—পৃঃ ৪। কঃ শ, ৰ, বা,]

যদু—"দেউ, নাজীৰ কিয় বোলে ?"

অধ্যাপক—"নাজীৰ। নাং নাস্তি জিৰণি যস্য। যাৰ জিৰণি নাই।"

[—পৃঃ ৮। কঃ শ, ৰ, বা,]

এইখনকে আমি অৱশ্যে এনে ধৰণৰ প্ৰথম পুথি বুলি কওঁ। ৰায় বাহাদুৰ ৺বৰুৱা দেৱৰ ব্যাখ্যা ৰীতিয়ে তেতিয়াৰ কিয় এতিয়াও অসমীয়া পাঠক সমাজত হাঁহিৰ ৰোল তুলিব পাৰিব নিশ্চয়। আমাৰ ৰগৰ সৃষ্টি কৰ্ত্তা সকলৰ ভিতৰত শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন হৈছে ৺বেজবৰুৱা। বেজবৰুৱাৰ লালিত্য পূৰ্ণ ৰচনা ৰীতিৰ মাজত অভিনৱ উপায়েৰে ৰগৰৰ সংযোজনা কৰিছে। "কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা" বেজবৰুৱাৰ হাস্যৰসৰ ৰচনা। ইয়াৰ বিষয় বস্তুবোৰৰ দুই এটাও সম সাময়িক কোনো কোনোলৈকে বক্ৰোক্তি বা কটুক্তি থাকিব পাৰে; সেই বুলি সেই বিলাকত মিঠা ভাষাৰ ঢাকনি দিয়াত তাৰ কঠোৰতা বহুতো পৰিমানে কমি গৈছে। অসম সাহিত্য সভাই এই গৰাকী সাহিত্যিকক অভিনন্দন জনাবলৈ পতা সভাত সেই সময়ৰ সাহিত্য সভাৰ সম্পাদক দেবেশ্বৰ চলিহা দেৱে ৺বেজ বৰুৱাৰ হাস্যৰস পূৰ্ণ সাহিত্যৰ কথা কবলৈ গৈ এইদৰে কৈছিল, "তাহানি খনৰ" লিটি-কাই "কৃপাবৰ বৰ বৰুৱাৰ কাকতৰ টোপোলা" "কৃপাবৰ বৰ বৰুৱাৰ ভাবৰ বুৰবুৰনি"য়ে আমাৰ আমথুলৈকে ভেদি যোৱা নাইনে ?" সচাঁ কথা বেজবৰুৱাই অকল হাস্যৰসৰ ৰচনাৰ মাজেদিয়েই তৰোৱালতকৈ কলমৰ শ্ৰেষ্ঠতা প্ৰমাণ কৰি গৈছে। অধ্যাপক লেখাৰু দেৱে ৺বেজবৰুৱাৰ কাকতৰ টোপোলা আলোচনা প্ৰসঙ্গত কৈছে যে বঙ্গৰ বঙ্কিম চন্দ্ৰৰ "কমলা কান্তেৰ দপ্তৰত" কৈও কোনো কোনো বিষয়ত শ্ৰেষ্ঠহে হব। এই খিনিতে এটা কথা কব লগা হয়। বৰ্ত্তমান আমাৰ সাহিত্য যি বোৰ ৰগৰ পাও সেই বোৰ কম বেছি পৰিমাণে ঘাইকৈ ইংৰাজী সাহিত্যৰ অনুকৰণত গঢ়ি উঠা। বেজবৰুৱাইও নিশ্চয় চুইফ্‌ট্‌, ডিকেন্স আদি ইংৰাজ গ্ৰন্থকাৰৰ ৰচনাৰ পৰা আভাষ লৈছিল তথাপিও বেজবৰুৱাৰ প্ৰকাশ ভঙ্গীমাই তাক সম্পূৰ্ণ অসমীয়া কৰি তুলিলে। অসমীয়া জাতি ডাঙৰ জাতি বুলি প্ৰৱন্ধত অসমীয়া সমাজৰ বিভিন্ন দোষৰ কথা মাত্ৰ হাঁহিৰ মাজেদিয়েই দেখুৱাই গৈছে।

আকৌ জীবিকাৰ উপায় নামৰ প্ৰৱন্ধত

মিছা$^{২}$ + ভন্দামি৩—অসম সমাজ

ভিতৰকলা$^{২}$ + বাহিৰবগা$^{৩}$ = অসমীয়া

বুলি তেখেতে অসমীয়া জাতিৰ দোষবোৰকে আঙুলিওৱা নাইনে ? ইয়াৰ বাহিৰে প্ৰহসন নাটিকা নোমল, পাচঁনি, লিটিকাই আদিয়ো আমাৰ লেখত লবলগীয়া পুথি।

বেজবৰুৱাৰ প্ৰায় সম সাময়িক সকলৰ ভিতৰত হাস্যৰসৰ ৰচনা লিখিবলৈ লোৱা আৰু দুজনৰ কথা লগে লগে আমাৰ মনত পৰে। তাৰে এজন ৺সত্য নাথ বড়া আৰু আন জন ৺ৰজনী কান্ত বৰদলৈ। বড়া ডাঙৰীয়াৰ "কেন্দ্ৰ সভা" আৰু ৺বৰদলৈৰ "ভোলাই শৰ্ম্মা"ৰ ৰচনাৱলী ৺বেজৰুৱাৰ দৰে একে উদ্দেশ্যতে—সমাজ সংস্কাৰৰ বাবে লিখা। "কেন্দ্ৰ সভাত" অসমীয়াৰ সমাজৰ দোষ বোৰ আলোচনা কৰি তাৰ নিবাৰণৰ উপায়ো নিৰ্দ্ধাৰণ কৰি দিছে। দীঘলীয়া বক্তৃতাবোৰ মাজে মাজে পাঠক সমাজক হহাঁত বাধা দিয়ে। ভোলাই শৰ্ম্মাৰ ভাব প্ৰবনতাতো একেধৰণৰ দোষ আছে। দুয়ো জন লেখকেই বহুত সময়ত হাঁহিৰ সলনি

নীতি পূৰ্ণ বক্তৃতাৰহে অৱতাৰণা কৰিছে। তথাপিও সেইবোৰ ৰচনাই আমাৰ পাঠক সমাজক যে যথেষ্ট হাঁহিৰ সমল দিয়া নাই তাক কব নোৱাৰোঁ। "কেন্দ্ৰ সভাৰ" চতুৰ্থ অধিবেশনত ৰাজখোৱা ডাঙৰীয়াই কোৱা, "আমাৰ বিবেচনাত তিৰোতা নেজ-গুৰকুৱা গাই বা লেটিলোৱা গাহৰী যেন হব লাগে। তেওঁলোকৰ গাৰ গোন্ধত খালৰ যখিনী আৰু গছৰ পিশাচনী পলাব লাগে। কিয়নো স্তিৰী গেন্ধেলী ই ডাকৰ বচন; গাত কেচেমা কেচেম গোন্ধ নাথাকিলে তেওঁ কেতিয়াও স্তিৰী হব নোৱাৰে।" বোলা কথা ফাকিয়ে অসমীয়া সমাজৰ দোষলৈ যেনেকৈ আঙুলিয়াই দেখুৱাইছে তেনেকৈ আমাক হঁহুৱাইছেও। সেইদৰে ভোলাই শৰ্ম্মাৰ "মই স্বাধীন নে?" "ভাব প্ৰবনতা" আদিত দীঘলীয়া বক্তৃতাৰ লগতে যথেষ্ট হাঁহিৰ সমলো পাওঁ।

চন্দ্ৰধৰ বৰুৱাৰ "ৰঞ্জন," দণ্ডিকলিতাৰ "ৰগৰ", "বহুৰূপী" আদিও আমাৰ সাহিত্যৰ হাস্য ৰসৰ পুথি। পদত হাস্য ৰস সৃষ্টি কৰাত কলিতা দেৱকেই শ্ৰেষ্ঠ আসন দিব লাগিব। বৰুৱা দেৱো অৱশ্যে কম প্ৰতিভা শালী নহয়। মৰহুম মৌঃ চালেহৰ "হাঁহিৰ থুনুপাক' এখন লেখত লবলগীয়া পুথি, মহীধৰ বৰা দেৱে এসময়ত আৱাহনত প্ৰকাশ কৰা খুহুতীয়া গল্প বোৰেও আমাৰ হাস্যৰসৰ সাহিত্যৰ এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। "চিত্ৰসেন যথৰীয়াৰ আত্ম"-বিবৃতিয়ে এসময়ত অসমীয়া ভেমপুৰীয়া ডাঙৰীয়া সকলক বেচ সেকা-পালি দিছিল। তাৰ প্ৰতিশোধ স্বৰূপেই হেনো নামী আৰু বেনামী চিঠিৰে "আৱাহনক" নানা ভয়ো দেখুওৱা হৈছিল। অৱশেষত বাধ্য হৈ চিত্ৰসেন"ক আৱাহনে 'তালাক' দিলে। ঘটনা যিয়েই নহওক চিত্ৰ সেনৰ ৰচনা বোৰ আমাৰ লুকাই থকা ৰূপ এটা সুন্দৰকৈ আঁকি দেখুৱাব পাৰিছিল। বহুকাল বিৰতিৰ পিচত "সুৰভিত" এবাৰনে দুবাৰ "চিত্ৰসেন"ৰ দৰ্শন ঘটিছিল; কিন্তু কিয় যে আকৌ লুকাল বুজা নাযায়! এই আহিতে গড় লৈ অহা চিকা চোৰাং চোৱা আৰু অপগণ্ড শৰ্ম্মাক কিছুদিন "জয়ন্তী"ৰ পাতত দেখা গৈছিল। সম্প্ৰতি শ্ৰীমেমেৰা ৰাম মেধিৰ খুহুতীয়া ৰচনাৰ বাহিৰে আন পাবলৈ নাই!

এইদৰেই আমাৰ খুহুতীয়া ৰচনাৰ ক্ৰম বিকাশ ঘটি আহিছে। কিন্তু দুঃখৰ বিষয় এইবিধৰ ৰচনাৰ সংখ্যা নিচেই তাকৰীয়া। "সুস্থ বিদ্বেষহীন খুহুতীয়া ৰচনা পঢ়ি মানুহ দেবত্বৰ শাৰীলৈ উঠিব পাৰে। হাঁহি ঈশ্বৰৰ দান আৰু স্বৰ্গীয় বস্তু।

আশাকৰোঁ ভবিষ্যতে আমাৰ সাহিত্যত এইবিধ সাহিত্য সম্পৰ্কে বিস্তৰ আলোচনা হব।

# সত্তৰৰ দুৱাৰ-দলিত ৰঘুনাথ চৌধাৰী

শ্ৰীযোগেশ দাস।



"শ্ৰীযুত চৌধাৰী ডাঙৰীয়াৰ জন্ম হয় ১৮০১ শঁকৰ মাঘ মাহত। নিচেই পানীকেচুৱা অৱস্থাতে দৈৱ দুৰ্ঘটনা ক্ৰমে তেখেত পিৰালিৰ পৰা পৰি ভৰি দুখন বেয়া ভাবে নিশকতীয়া কৰে। তেতিয়াৰ পৰা তেখেতে অবয়বৰ পূৰ্ণ পুষ্টি সাধন কৰিব নোৱাৰিলে। সৰুতে তেখেত গুৱাহাটী ইংৰাজী স্কুলত পঢ়িছিল।·······তেখেতে নিচেই ল'ৰা কালতে পিতাক-মাকক হেৰুৱালে।" (শ্ৰীযুত হলিৰাম ডেকা)

'জোনাকী' কাকত যেতিয়া সত্যনাথ বৰাৰ সম্পাদনাত দ্বিতীয়বাৰ গুৱাহাটীৰ পৰা ওলায়, শ্ৰীযুত চৌধাৰী ডাঙৰীয়াই সেই কাকতত লিখিবলৈ ধৰে। দ্বিতীয় ভাগ জোনাকীৰ ৩য় সংখ্যাত ওলোৱা 'মৰমৰ পখী' কৱিতাটো'ৱেই তেখেতৰ পোন প্ৰথম ছপা হোৱা কৱিতা। সদায় লুকায় থকাই তেখেতৰ স্বভাৱ, সেই বাবেই 'জোনাকী'ত প্ৰথমে কৱিতাবোৰ নাম নিদিয়াকৈয়েই প্ৰকাশ কৰিছিল; পিচত সত্যনাথ বৰাই তেখেতক আৱিষ্কাৰ কৰে, আৰু তেখেতৰ কৱিতাত মুগ্ধ হৈ 'জোনাকী'ৰ কৱিতা-অংশ চাই দিয়াৰ ভাৰ তেখেতৰ হাতত দিয়ে। ফুলৰ সুগন্ধ লুকাই থকা বস্তু নহয়।

অসমৰ অৱস্থা তেতিয়া অতিপাত পিচপৰা। গুৱাহাটীত কোনো ধৰণৰ অনুষ্ঠান নাই, কটন কলেজ স্থাপন হোৱা নাই। ব্ৰাহ্ম সমাজৰ প্ৰচাৰ কাৰ্য্যই তেতিয়াৰ দিনৰ উল্লেখযোগ্য ঘটনা; কলিকতাৰ পৰা ব্ৰাহ্ম সমাজৰ প্ৰচাৰক আহি গুৱাহাটীত সভা পাতি প্ৰচাৰকাৰ্য্য চলাইছিল। গুৱাহাটীত তেতিয়া ছপাখানা নাই, আন নেলাগে সামান্য নিমন্ত্ৰণী-পত্ৰও কলিকতাৰ পৰা ছপাই আনিব লাগে। কলেজ উদ্বোধনী সভাত গান গাবলৈ কৰ্ম্মবীৰ নবীন বৰদলৈয়ে (তেতিয়া I.A. ছাত্ৰ) কলিকতাৰ পৰা হাৰমনিয়ম এটা লৈ আহিছিল। ঠিক এনে এটি সময়তে, যি সময়ত জোনাকী যুগৰ সাহিত্যিক সকলে 'পাদ্ৰীসকলে তুলি দিয়া ভেটিত ·······বৰ্ত্তমান সাহিত্যৰ ৰাজবাৰেং নহলেও সন্মান উপযোগী ঘৰ-বাৰী সাজিবলৈ লাগি গৈছিল, ঠিক সেই সময়তে শ্ৰীযুত চৌধাৰী ডাঙৰীয়াই গুৱাহাটীত এটি পুথিভঁৰাল স্থাপন কৰে। বানপানী যোৱাৰ পিচত থান্‌-বান্‌ হোৱা গাওঁ এখনৰ মাজত জীয়াই থাকিবৰ পৰা নিবৰ কৰ্ম্মৰ আদৰ্শ বৰ ডাঙৰ আদৰ্শ; অৱশ্যে সেই পুথিভঁৰাল '৯৭ চনৰ ভূইকঁপত ভাগে আৰু এমাহ ধৰি দিয়া বৰষুণত তিতি কিতাপবোৰ নষ্ট হয়। 'সুনীতি সঞ্চাৰিণী সভা' তেখেতৰ সেই-সময়ৰ উল্লেখযোগ্য প্ৰচেষ্টা আৰু ডেকাদলৰ মাজত অদ্বিতীয় উদ্দীপনাৰ উৎস; ইন্দ্ৰেশ্বৰ বৰদলৈ, কামেশ্বৰ গোস্বামী এই সকল তেখেতৰ সহকৰ্ম্মী; তেখেতে

কামকৰা ঠাই ছোৱালী প্ৰাইমেৰী স্কুলত সত্যনাথ বৰাৰ সভাপতিত্বত বাৰ্ষিক অধিবেশন বহে। তেখেতে তাত 'মিলন-সঙ্গীত' নামে এটি কৱিতা ৰচি অম্বিকা-গোস্বামী, কালিপ্ৰসাদ বৰুৱা (তেতিয়া সৰু ল'ৰা) আদিৰ দ্বাৰা কোৰাচ গোৱায়, এই গীতৰ আলোচনা তেজপুৰৰ মথুৰামোহন বৰুৱা সম্পাদিত 'আসাম বন্তি'ত ওলায়; তাৰ পাচতে আনন্দচন্দ্ৰ আগৰৱালাই জয়-জয়তে সুনীতি সঞ্চাৰিণী সভাৰ কাৰ্য্য-বিৱৰণী খুজি নিয়ে; তেখেতৰ পিছতে ডিব্ৰুগড়, নগাওঁ আদি নানান ঠাইৰ পৰা কাৰ্য্যবিৱৰণী খুজি নিবলৈ ধৰে। এবিধ ভাল কঠিয়াৰ সঁচ বোধকৰো এইদৰেই দেশ-খনত বিয়পি পৰিছিল।

এটকা বছেৰেকীয়া বৰঙণীৰ মাহেকীয়া কাকত 'জোনাকী'ৰ মৰণ কাললৈকে তেখেতে তাত লিখি আহিছিল; তেখেতৰ লগতে লিখিছিল শ্ৰীযুক্ত দুৰ্গেশ্বৰ শৰ্ম্মা আৰু আনন্দচন্দ্ৰ আগৰৱালাই। দুৰ্গা-নাথ বৰুৱাৰে সৈতে তেখেতে 'জোনাকী' কাকত সম্পাদনাৰ ভাৰ লয় আৰু আটোমটোকাৰিকৈ পৰি-চালনা কৰা বাবে দুয়ো জনকে গুৱাহাটী এ-এছ-এল ক্লাবে দুটি ৰূপৰ পদক উপহাৰ দিয়ে। এটা টকা বছৰে-কৰ বৰঙণীৰে এখন কাকত চলোৱা কিমান দুৰূহ সেইটো আটায়ে জানে; তাতে অসমৰ নিচিনা ঠাইত। ১৯০৪ (১৯০৫ ?) চনত শ্ৰীযুত চৌধাৰী ডাঙৰীয়াই 'জোনাকী'ক জীয়াই ৰাখিবলৈ ধন বিচাৰি গোটেই ভ্ৰমন কৰে; কিন্তু বিফল হয়।

ইং ১৯১০ চনত 'ভিক্টোৰিয়া প্ৰেছৰ' পৰা তেখেতৰ 'সাদৰী' ছপা হয়। সাদৰী হেন দান অসমীয়া সাহিত্যত অতুলনীয়; সাদৰীৰ 'ভাবদীপ্ত মধুৰিমা মিশ্ৰিত কৱিতাৰ কণ্ঠহাৰ কেডালি' পিন্ধি ভাষা জননীয়ে গৌৰৱ অনুভৱ কৰে। সেই 'কণ্ঠহাৰ' কেডালি লিৰিকি-বিদাৰি চাই অসমীয়া কুশলীয়া পাঠক সমাজে মনত অপূৰ্ব্ব আনন্দ পায়।

ইং ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়া ঘটনা; তেখেতৰ জীৱনৰ ভিতৰতে অন্যতম উল্লেখযোগ্য ঘটনা; সেই সময়ত তেখেতৰ নিজৰ খাটত মাহিলি ১৩ সেৰ কানি বিক্ৰী হোৱা মহলৰ বিৰুদ্ধে কানি-বিৰোধী আন্দোলন চলোৱা বাবে তেখেতৰ এবছৰ ফাটেক হয়, লগতে ২০০্ জৰিমনা ভৰাৰ পৰাধীনতা গ্লানি গাত সানি লবলৈ অমান্তি হোৱাত তেখেতৰ খাটৰ আটাইবোৰ মাটি চৰকাৰে নিলাম কৰি দিয়ে; কিন্তু নিলামত কোনেও নোলোৱাত সেই মাটি চৰকাৰী কৰি পেলোৱা হয়। কবিৰ এই নিৰ্ভিক স্বাধীনচিতীয়া মনোভাৱ চিৰকাল তেখেতৰ অন্তৰে বাহিৰে মানুহে দেখি আহিছে; সৰুতে স্কুলৰ শিক্ষকৰ শাসন মানিব নোৱাৰি স্কুলকে এৰি পেলোৱা ঘটনা উনুকিয়াব পাৰি; এবাৰ কবি ৰবী ঠাকুৰ গুৱাহাটীলৈ আহোতে তেখেতৰ সৈতে গুৱাহাটীৰ অসমীয়া কৱিসকলে এখন ফটোগ্ৰাফ তুলিবৰ মনেৰে শ্ৰীযুত চৌধাৰী ডাঙৰীয়াক সাত-মাইল আঁতৰৰ খাটৰ পৰা মাতি আনিলে, কিন্তু কবিয়ে কিবা কাৰণত ৰবী ঠাকুৰৰ লগত ফটো তুলিবলৈ অমান্তি হ'ল আৰু তেখেতক সেই মতৰ পৰা কোনেও লৰাব নোৱাৰিলে।

আন্দোলনৰ আন এটি উল্লেখযোগ্য ঘটনা হৈছে, 'কংগ্ৰেছ' নামৰ কাকত এখন তেখেতে চোৰাংকৈ খাটৰ পৰা উলিওৱা। পুলিচৰ চকুত ধূলি মাৰি তেখেতে বৰ সাৱধানতাৰে এই কাম কৰিছিল।

ফাটেকৰ পৰা ওলাই ১৯২২ চনত তেখেতে শিশু আলোচনী "মইনাৰ" সম্পাদনা কৰে। ৫ সংখ্যা ওলোৱাৰ পিচত অৰ্থাভাৱত 'মইনা' ঢুকায়।

তাৰ পাচত 'কেতেকী' নামৰ অসমীয়া সাহিত্যৰ অপূৰ্ব্ব চৰাই কৱিতা'টো ওলায়। খাটত থাকো-তেই এই 'কেতেকী' কৱিতা লিখে; কৱিৰ নিজৰ মুখৰ ভাষাৰে কব লাগিলে 'হাবিৰ মাজতে' কেতেকীৰ

জন্ম। চন্দ্রনাথ শৰ্ম্মা সম্পাদক থকা তেতিয়াৰ এ এছ-এল ক্লাবত প্ৰথমে 'কেতেকী' পঠিত হয়; ১ম বছৰ ৬ষ্ঠ সংখ্যা 'চেতনা'ত শ্ৰীযুত (ডাঃ) বাণীকান্ত কাকতি দেৱে 'কেতেকী'ৰ সমালোচনা কৰে। ডাঃ কাকতিৰ ভাষাৰেই কব পাৰি; কবি জীৱনৰ বহুদিন ব্যাপী সঞ্চিত ভাবৰ ক্ৰম-বিকাশ দেখুৱাব পৰা কৱিতা চৌধাৰী ডাঙৰীয়াৰ চৰাই কৱিতাবোৰত বাজে অসমীয়া সাহিত্যত বৰ বিৰল। (কেতেকীৰ পাতনি) 'কেতেকী' সম্বন্ধে বেজবৰুৱাই 'বাঁহী'ত এই অভিমত দিছিল যে যদি অসমীয়াই বিশ্বসাহিত্য মন্দিৰলৈ যাব খোজে তেন্তে এই 'কেতেকী' ফুল পাহিকে লৈ যাব পাৰে।

শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা ডাঙৰীয়াৰ সম্পা-দনাত ওলোৱা 'মিলন'তো তেখেতে লিখিছিল। অসম মুচলমান ছাত্ৰসন্মিলনৰ মুলপত্ৰ 'সাধনা'ৰ সম্পাদক মঃ চালেহৰ অনুৰোধ ক্ৰমে লিখোতে তেখেতৰ বিখ্যাত 'গোলাপ' কৱিতাৰ জন্ম। 'দহিকতৰা' প্ৰথমতে 'মিলন দূত' নামলৈ মিলনত ওলাইছিল। ডাঃ কাকতিয়ে স্থকিয়াকৈ ছপাই' উলিয়াবলৈ কোৱাতহে তেখেতে 'দহিকতৰা' লিখে। কবিয়ে 'অন্তিম-শয্যা' বুলি কৱিতা এটি লিখি অঁতাই আৰু নিলিখোঁ বুলি মনস্থ কৰিছিল; কিন্তু 'বাঁহী,' 'আৱাহন' আদি কাকতৰ অনুৰোধত পুনৰ সেই দুখন কাকতলৈ লিখিবলৈ ধৰে। তেখেতৰ 'মনাই বৰাগী' অসম্পূৰ্ণ অৱস্থাত এতিয়াও পৰি আছে। সৰবৰহী নাটাকাৰ হাজৰিকা দেৱৰ খোঁচনিতে কবিয়ে সৰহ ভাগ কৱিতা লিখিছে বুলিব পাৰি; 'বাঁহী,' বা 'আৱাহন' কাকতে কৱিতা খুজি কবিলৈ লিখাৰ উপৰিও এবাৰ শ্ৰীযুত হাজৰিকা দেৱলৈ লিখিহে নিশ্চিত হব পাৰিছিল।

অসুস্থ হৈ বিচনাত পৰি থকা অৱস্থাতে, ওৰে-দিন-ওৰে-ৰাতি ইকাটি-সিকাটিকৈ থাকিবলৈ আহৰি পাই 'কাৰবালা' কাব্য লিখি উলিয়াই।

জনপ্ৰিয় পষেকীয়া কাকত 'জয়ন্তী'ৰ সম্পাদনা তেখেতে দুবছৰ ধৰি কৰে; 'জয়ন্তী'ত ন-লিখকক উৎসাহ দিয়াৰ পিনে চকু দিয়া আদৰ্শ তেখেতে দাঙি ধৰে। তাৰ পিচত চৈয়দ আবদুল মালিক আদি ডেকাদলৰ উদ্যোগ আৰু অনুৰোধত 'সুৰভি' কাকত উলিয়ায়; মাজতে কিছুদিন বন্ধ হৈ থকাৰ পিচৰ পৰা 'সুৰভি' কাকত বৰ্ত্তমানলৈকে ওলায়ে আছে আৰু তেখেতো 'সুৰভি'ৰ কামত লাগি আছে।

১৯৩৬ চনত তেজপুৰত বহা সাহিত্য সভাত সভাপতিত্ব কৰিবলৈ তেখেত যায়। তেখেতৰ খাটৰ পৰা মাত্ৰ ২০ দিনৰ আগতে খবৰ দি তেখেতক এৰাব নোৱাৰা ঘৰুৱা জঞ্জালৰ পৰা সাহিত্য সভালৈ লৈ যায়। ২০ দিনৰ ভিতৰতে তেখেতে যিখনি অভিভাষণ লিখি পাঠ কৰে, সেইখনে তেজপুৰ তথা অসম জুৰি পেলাইছিল।

নিচেই কুমলীয়া বয়সতে শাৰীৰিক অপূৰ্ণতাৰ দুৰ্ব্বহ যাতনা মূৰপাতি লৈ, আজীৱন অবিৱাহিত থাকি, দাৰিদ্ৰ্যৰ কোলাতে লালিত-পালিত হৈ 'দাৰিদ্ৰ্যৰ লাও লোটা'কে বুকুত সাৱটি তেখেতৰ 'সাধনাৰ বস্তু সাহিত্য'ৰ মাজেদি দেশ আৰু সমাজৰ প্ৰতি যি অশেষ স্নেহ-ভক্তি দেখুৱাইছে, সি চিৰ-স্মৰণীয়। তেখেতে কথাই কথাই কয় যে তেখেতে জীৱনত একো কৰিব নোৱাৰিলে; কিন্তু আমি জানো তেখেতে দেশ, সমাজ আৰু সাহিত্যৰ বাবে কিমান-খিনি কৰি গৈছে। গুৱাহাটীৰ নাট মন্দিৰৰ প্ৰথম গুৰি ধৰোতা তেখেতেই আছিল। আজিকালিও মাজে-সময়ে যিখনি 'একতা সভা'ৰ নাম শুনা যায়

তাৰ আঁতি-গুৰি বিচাৰিলে শ্ৰীযুত চৌধাৰী ডাঙৰীয়াৰ পুথিভৰালৰ কথা ওলাই পৰিব।

তেখেত এজন সুকণ্ঠ গায়কো; জীৱনৰ আগ-ছোৱাত সঙ্গীতৰ চৰ্চ্চা কৰিছিল। কটন কলেজৰ উদ্বোধনী সভাত তেখেতেই প্ৰথমে গান গায়। সুনীতি সঞ্চাৰিণী সভাৰ পৰা বিলাত ফেৰত তৰুণৰাম ফুকন, বি-এ জগন্নাথ আদিক আদৰণি জনাওঁতে গীত ৰচনা কৰি তেখেতে গাইছিল।

দিনৰ ভাগত কথা-বাতৰা পাতি, আলোচনা-সমালোচনা কৰি আৰু নানান সৰু-সুৰা কামত ব্যস্ত থকা দেখি তেখেতৰ বন্ধু মহল আচৰিত হৈছিল, তেখেতে লিখে কেতিয়া? নিশাৰ নিবিড় নিৰৱতাৰ মাজত তেখেতে লিখে, দিনত কেতিয়াও নিলিখে। সেইবাবেই আজিও তেখেতৰ নিশা টোপনি নহা অভ্যাস এটি বৈ গৈছে।

কলিকতা এ-এছ-এল ক্লাবৰ প্ৰথম প্ৰতিযোগিতাত কবিয়ে 'শঙ্কৰদেৱ' নামৰ কবিতা লিখি প্ৰথম পুৰস্কাৰ পায়।

'আৱাহন'ত ওলোৱা 'অঞ্জলি' কৱিতাটো বিমান চন্দ্ৰ মুখোপাধ্যায় নামৰ এজন বঙালী লিখকে 'পুষ্পপত্ৰ' নামৰ কাকতত প্ৰকাশ কৰিছিল।

---

# পৰিবৰ্ত্তন

দেবেন্দ্ৰনাথ গোস্বামী
প্ৰথম বাৰ্ষিক (কলা)

ভীষণ ৰ'দ। কেতিয়াবাই মৰি লাগি থকা গছৰ পাতবোৰ মাত্ৰ এখিলা দুখিলাকৈ সৰি পৰিছে। তথাপি সি হাতত কোৰখন লৈ ওলাই যায়। কাম যে কৰিবই লাগিব সেইবুলি নহয়, কাম কৰাটো এটা অভ্যাস হৈ পৰিছে।

সেই ওখ পাহাৰটোৰ নামনিত তাৰ পথাৰখন। সি একেবাৰে অভ্যস্ত হৈ পৰিছে। ঠেক বাটটো, দুয়োফালে গছ, কিবাকিবিবোৰ। কাম কৰিবলৈ সি একো বেয়া নাপায়। বহুতদিনৰ কথা,—সি তেতিয়া সৰু। তথাপি তাৰ মনত আছে সিহঁতৰ ভৰাল তিনিটা আছিল। তথাপিও পিতাকহঁতে কাম নকৰাকৈ থকা নাছিল। আদিমতাৰ শিক্ষা জীৱন নহলেও ব্যস্ততা।

তেতিয়া বেলি পৰে যেতিয়া ৰঙা বগলীবোৰ সেই পাহাৰটোৰ কাষেদি উৰা মাৰি যায়। তাৰ ভাগৰ লাগে, ঘাম ওলায়। শৰীৰৰ ওপত শিৰবোৰৰ তেজবোৰৰ গতি খৰ হৈ পৰে। শৰীৰলৈ তেতিয়াই ক্লান্তি আহে,—অৱসাদ আতৰি যায়। তথাপিও কিবা এটা নিৰ্জ্জনতাৰ ভাব আহি তাক আগুৰি ধৰে। ওচৰৰ জুৰিটোত সি বহে, তাৰ বৰ ভাল লাগে।

ইজাকৰ পাছত সিজাককৈ বগলীবোৰ ধোঁৱা-বৰণীয়া হৈ পৰে। জুৰিটিৰ ওপৰৰ বহল ঠাইডোখৰত বৰ সৰু সৰু হৈ উঠে। তাৰ তেতিয়া মনত পৰে মানিকীৰ কথা। (তাই হৈছে এজনী ছোৱালী) যে'ৱাবাৰ বান-পানী হওঁতে সি তাইক দেখিছিল ভৰাগাঁৱত। সি গৈছিল সহায় কৰিবলৈ, নাও এখনত বস্ত্ৰ এমোপা বোজাই কৰি। তেতিয়া সি তাইক দেখিছিল। পানীৰ মাজত কৰ্ম্মব্যস্ততাৰ সময়খিনিত মাত্ৰ অলপ সময়ৰ বাবে দেখিছিল। দুয়োৰো চকুদুযুৰিৰ মাজৰ ৰেখাডালৰ মাজেদি বৈছিল,—জীৱনৰ পৰমাণুবোৰৰ প্ৰবাহ। সি সেই মুহূৰ্ত্তত দেখা পাইছিল নতুন এখন পৃথিৱী কিন্তু মনিব নোৱাৰিলে।

আন্ধাৰে পোহৰৰ স্মৃতি লোপ কৰি পেলাব খোজে তন্দ্ৰামগ্ন অৱস্থাই বাস্তৱক উপেক্ষা কৰে। সি সঁহাৰি পায়। কৰ্ম্মময় জীৱনটোৰ মদিৰতাখিনি সি জিৰণিৰ সময়ডোখৰত ভালদৰেই উপলব্ধি কৰে।

ঘৰলৈ বুলি সি খোজ লয়। এন্ধাৰৰ ক'লা ৰেখাবোৰ বৰ ঘন হৈ পৰে। সি যন্ত্ৰচালিতৰ দৰেই আগবাঢ়ি যায়। ঘনে ঘনে মনত পৰে তাৰ অভাৱৰ কথাখিনি। ৰাতিপুৱাৰ সাজটো কোনোমতে পাৰ হৈ গৈছে। তেতিয়াৰ সাজত চাউল নাই। 'ৰঙিলীয়েই বা কি কৰিব"! ৰঙিলী তাৰ ভনীয়েক, সৰু ছোৱালীজনী—দহ-বাৰ বছৰীয়া। তাই ভাত ৰান্ধে।

সি ঘৰ পায়গৈ। ঘৰ মানে তাৰ সেই পৰ্জাঁটো,—তথাপি ঘৰ। তাৰ শাৰীৰিক জিৱণিৰ ঘৰ। ক্লান্ত দেহাটোৰে তাৰ ভৰণী পায় যেতিয়া ৰঙিলীয়ে চাউল বিচাৰি আনি ৰান্ধি থোৱা ভাত খিনি খাই টোপনি যায়।

বেচ ভালদৰেই সি টোপনি যায়। অভাৱৰ কথা আৰু তাৰ মনত নপৰে-সি একেবাৰে নেভাবে-তাৰ জীৱনটো তেনেকৈয়ে পাৰ হৈ গৈছে। তথাপি সি মাজনিশা সাৰ পায়,—পিৰালিৰ পোকবোৰৰ চি-চিঞৰনি তাৰ কাণত পৰে। মনত পৰে মাণিকীৰে কথা। ইমান ধুনীয়া....। বৰ চেষ্টা কৰিও সি টোপনি যাব নোৱাৰে। অন্তৰৰ খেলিমেলি ভাবধাৰাই বাস্তৱৰ হাত সাৰিব নোৱাৰে। সি বিচাৰে মাণিকীক—আন নহলেও এবাৰ চাবলৈ।

বৰ করুণ সুৰ এটা দূৰৈত মিলি যায়—বাঁহীৰ সুৰ; সি বজায়। মাজনিশা সাৰ পাই সি বাঁহীত ফু দিয়ে। তাতেই সি শান্তি পায়। সুৰৰ ঢৌবোৰে তাৰ অন্তৰৰ এন্ধাৰবোৰ পাতল কৰি দিয়ে-তাৰ তাতেই শান্তি।

....তথাপি সি উপায় নাপাই নগৰলৈ আহে—কাম বিচাৰি। দুদিন একো নোখোৱাকৈয়ে সি য'তে ত'তে পৰি থাকে। অৱশেষত সি কাম এটা পায়-এটা যন্ত্ৰ—গৃহত। ৰাতিপুৱাৰ পৰা গধূলিলৈকে সি কাম কৰে তাৰ বহুত কাম। কিমান যে বোজা কঢ়িয়াব লাগে।

গধূলি সময়ত সি ফুৰিবলৈ ওলাই যায়। দেখে-ৰঙা,নীলা, বিজুলী চাকিবোৰ, তাৰ বৰ ভাল লাগে। সি তাৰ লগৰীয়াবোৰেৰে বৰ ধেমালি কৰে। সৰহ কথা কব জনা হৈ পৰিছে। লগৰীয়াবোৰে তাক সোধে গাৱঁৰ কথা, সি তেতিয়া অকনো খোকোজা নলগাকৈ কৈ যায়—যেনেকৈ নিৰ্ব্বাচনৰ সময়ত নেতাবিলাকে নিজৰ দলৰ পক্ষে প্ৰচাৰ কৰে। তাৰ সেয়ে এটা আনন্দ....। কেইবাম'হো তাৰ তেনেকৈয়ে পাৰ হৈ যায়। সি কথা ছবি চাবলৈ ভালপোৱা হৈ পৰিছে।

....তাৰ অকলশৰীয়া জীৱনটোও যেন তেনেকৈয়ে পাৰ হৈ যাওক তাৰ ইচ্ছা। কথাছবিবোৰৰ জমিদাৰ, পুলিচ চাহাব, সকলোবোৰৰ মুখৰ 'আধাৰ' বোৰ পৰিচিত হৈ পৰিছে। আনকি যি বিৰিটো হুপোতে প্ৰেমসৌধ বোলা ছবিখনৰ জমিদাৰৰ পুতেকৰ নিচিনাকৈয়ে মুখত বেঁকাকৈ দি ধোৱাঁবোৰ একাষৰীয়া কৰি পঠিয়ায়।

সোণালী-সপোণৰ ৰঙা-বগা ৰেখাবোৰৰ জিলিঙনি তাৰ চকুত পৰে।....কল্পনাৰ ছবিবোৰত তাৰ জীৱনৰ অবাস্তৱ-বোৰ মূৰ্ত্তিমন্ত হৈ উঠে।

তাৰ ঘৰলৈ সি একেবাৰে পাহৰি পেলাইছে। আনকি দদায়েকৰ ঘৰত থৈ অহা ভনীয়েকলৈও একেবাৰে পাহৰি গৈছে। ৰাতিপুৱাৰ পৰা গধূলিলৈকে, এই পোহৰৰ সময়খিনি সি অলপো উপভোগ কৰিবলৈ নাপায়। উপেক্ষিত বনুৱা জীৱনত 'অবিচাৰ' আটাইতকৈ সাধাৰণ ঘটনা। ফুলা আৰু মৰহা প্ৰকৃতিৰ আঁহে আঁহে সোমাই থকা সজীৱ ঘটনা। তাৰো তেনেকৈয়ে পাৰ হৈ যাব খোজা জীৱনত তাৰ বৰঅনিচ্ছা স্বত্তেও আহিপৰে সমাধান কৰিব নোৱাৰা 'অভাৱৰভীষণ সমশ্যাটো। ....আন্ধাৰত সি চিনাকি বাটবোৰতো পিচল খাই পৰে। 'কোনে সহায় কৰিব? তাৰ নিচিনাইতো সকলো। সিহঁতৰ যন্ত্ৰ-গৃহৰ বনুৱাবোৰৰ বাহিৰেতো আন কোনো আত্মীয় নাই। উপায়হীনতাত তাৰ ধৈৰ্য্য একেবাৰে শেষ হৈ যায়।

ভাবে—চুৰ কৰিব।

ঠিক........।

তেতিয়া সকলো চুৰমাৰ হৈ যায়....সোণালী সপোন ৰঙিন'''কল্পনা। বাস্তৱে তেতিয়া তাক কল্পনাৰ মাজৰ পৰা আজুৰি আনে যেতিয়া 'অবিচাৰৰ গৰাহত পৰে।

সি তাকেই ঠিক কৰে'

....হাতৰ শিকলিডাল চাই চাই সি সেই মানুহকিটাৰ পাচে পাচে যাব ধৰে বাটৰ মানুহবোৰে তাক ঘূৰি ঘূৰি চায়। তাৰ ইমান যে বেয়া লাগে। ই এটা অস্বাভাবিক অৱস্থা। সি যদি চুৰ নকৰিলেহেঁতেন! কাম ভালেই হওক বা বেয়াই হওক—সি নিৰ্বিচাৰে যে কামৰ ফলখিনিও বেয়া হওক।

কোনেও নিৰ্বিচাৰিলেও পৰিবৰ্ত্তন হোৱাটো স্বাভাবিক। বসন্ত আহে -শৰৎ যায়, ফাগুণ আহে—বহাগ যায়। তাৰ পাচত সি এদিন চাৰিফালে ওথ দেৱালেৰে ঘেৰা ঘৰটোৰ পৰা ওলায় আহে। তাৰ ইমান বেয়া লাগে! মুখত হাত দি চায় ডাড়িবোৰ বৰ দীঘল হৈছে। ভালেই হৈছে—সি ভাবে।

'কলৈ যাওঁ...ই—সি ভাবে 'আগৰ কামটোৱা পাওঁ নে নেপাওঁ?' ঠিক নেপাওঁ, 'মই, এটা চোৰ, 'কিনো হব? নাই কাৰণেহে চোৰ কৰিলো। শত ভাবৰ হেন্দোলনীয়ে তাক বিমোৰত পেলাই থৈ যায়।

যি আগৰ যন্ত্ৰ-গৃহ পায়গৈ। দেখে- তাত একো নাই সকলোবোৰ পৰিবৰ্ত্তন হবলৈ ধৰিছে। 'তেন্তে মানুহবোৰ নো কলৈ গ'ল - সি ভাৱনাৰ পাৰ নাপায়।'....'ভোক যে লাগিছে, কি খাওঁ।' ভোকত তত নাপাই সি বাটৰ কাষত বহি পৰে হাত দুখন মেলি। ভিখাৰীৰ সংখ্যা সেইদৰেই বাঢ়ে।

......পেট ভৰি সি খাবলৈ পায়। বিস্কুত, কেক্, ইস্ খাবই নোৱাৰি। দহ-চকীয়া প্ৰকাণ্ড লৰীখনৰ ওপৰত সি বহি যায়,—সৈন্যবোৰৰ লগত। সিহঁতে কিৰিলি পাৰে - সৈন্যবোৰে, লগতে সিও।

'.......কি হ'ল? অ'....?' এটা চকুমুদি সি হাঁহে। এজনী ছোৱালী, বুকুত এটা কেচুৱা। এই জনীক'ৰ -?' নিজকে সি সুধি পেলায়।

দুৰন্ত কামনাৰ তৃপ্তিৰ কাৰণে সিহঁতে সেই ছোৱালীজনীক খুব সহজে সাবটি ধৰি লৰীখনত উঠোৱাই লয়— বিদেশী সেন্যবোৰে। তাইৰ চিঞৰবোৰ আছিল লুইতৰ মাজত পৰি কক্‌বকোৱা মানুহৰ দৰে। সৈন্যবোৰে চাঁহিছিল, লগতে সিও।

বহুত দিনৰ তাৰো সেই কামনাৰ হেঁপাহ থিনি জঘন্য হৈ উঠে, - বৰ দুৰন্ত। সি ৰব পৰা নাছিল, - সি ছোৱালীজনীক সাবটি বৰ ডাঙৰ চেপা এটা দিছিল। জীৱনত সি প্ৰথমবাৰৰ নিমিত্তে নাৰীৰ কমনীয়তাৰ স্পৰ্শ অনুভৱ কৰিছে। সি আছিল এটা দস্যু। মানুহজনীৰ পৰশ সি পালে, কিন্তু যদি মাইকীমানুজনী এটা কাঠৰ পুতলা হলহেঁতেন সি একে পৰশকেই পালেহেঁতেন! পশুবৃত্তিত কোমলতাৰ ঠাই নাই।

সিহঁত ভাগৰি পৰে—কিন্তু তাৰ আগেয়েই মানুহজনীৰ চেতনা লোপ হৈ গৈছে। নৈ এখনৰ কাষত তাইক সিহঁতে নমাই থৈ যায়। কেচুৱাটোৱে কান্দিবলৈ এৰি লাল কাল দিছে।

আৰু সিহঁত ....

সিহঁতৰ 'কেম্প' পায়গৈ। সৈন্যবোৰৰ জোতা মোজা চফাকৰা কামবোৰ সি পায়।

বেচ্ স্বচ্ছল, আড়ম্বৰ পূৰ্ণভাবেই তাৰ দিন কেইটামান পাৰ হৈ যায়।

সেই বিদেশী সৈন্যবোৰক সি হাঁহি পয়চা খোজে। প্ৰায়েই পায়...। ভিক্ষা কৰাটো তাৰ এৰাব নোৱাৰা অভ্যাস হৈ পৰিছে। গধূলি হলেই সি লৰীত উঠি হাবীতলীয়া গাওঁ বোৰলৈ সোমাই যায়। ৰাতি গাওঁবোৰত সিহঁত সোমায়গৈ। খলা-বমা হাবি-বাটবোৰত লৰীবোৰ জোকাৰ খাই ভীষণ শব্দ কৰি উঠে। সিহঁতে আনন্দ পায়......বন্দুকলৈ যেতিয়া দুৱাৰ ভাঙি মানুহৰ ঘৰত সোমাই। সিহঁত মত্ত হৈ পৰে,— অলপো শঙ্কা নকৰাকৈ সিহঁতে ছোৱালীবোৰক বলেৰে সাবটি বাহিৰলৈ উলিয়াই লৈ আনে।

সৈন্যবোৰৰ কামাতুৰ চিঞৰ আৰু ছোৱালীবোৰৰ মৃত্যুকামী যাতনাৰ সুৰবোৰ তাৰ পৰিচিত হৈ পৰিছে....। তাৰ তেনেকৈয়ে দিন যায় বিনা স্বৰ্ত্তত পোৱা সহায়বোৰৰ মাজত সি জীয়াই থাকি বৰ্ব্বৰ হৈ পৰিছে।

আৰু এদিন....সিহঁত কৰ নাৰাৰাকৈয়ে ওলাইগৈ গাওঁ এখনত। তেতিয়া ৰাতি....সৈ মাজ। উজ্জ্বল পোহৰ দিয়া বিজুলী চাকিবোৰ লৈ সিহঁত ঘূৰি ফুৰে....অলপো

শঙ্কা নাই—ঠিক বলিয়া কুকুৰ ঘূৰাদি,—'শক্ৰকোন' বাচ-বিচাৰ নোহোৱাৰ দৰে।

তাই চিঞৰে- সিহঁতে কিৰিলি পাৰে। বৰ্ব্বৰতাৰ শেষ পৰিমাণৰ সকলোখিনি সিহঁতে ঢালি দিয়ে তাইৰ গাত। তাইৰ দেহা অৱশ হৈ পৰে। সিহঁতে পাৰি-পাৰ্শ্বিকতাৰ সকলোখিনি গুণ খুঁপ খুৱাই কিৰিলি; পাৰি তাইৰ ওপৰত জপিয়াই পৰি সি দিয়ে দুৰন্ত কামনাৰ এটা প্ৰচণ্ড চেপা,- শেষবাৰৰ কাৰণে তাই চিঞৰি উঠে। অভাৱ আৰু আয়াসৰ জীৱন-পথত জীৱনটোৱে পায় ঘিণ লগা স্বভাৱৰ পৰশ।

তাৰ চকু চাঁট্‌মাৰি ধৰে যেতিয়া সিহঁতৰ এটাই তালৈ পোহৰ দিয়ে। এটাক্ষণৰ বাবে যি হৈ যায়—মানসিক অনুভূতিত শৰীৰৰ অনুভূতি অলস হৈ পৰে। তেজৰ বোল আৰু বিকট মুখখন, তাৰ চকুত পৰে; সেইজনী মানিকী—সি চিনি পায়; কিন্তু—তেতিয়া সময় নাই। অলক্ষিতে এটাই আহি টাক ঠেলি তাইৰ প্ৰাণহীন দেহাটোত জপিয়াই পৰে--যেন পৃথিবীৰ কামনাখিনি সিয়েই শেষ কৰি পেলাব।

অলপো নোৱোৱাকৈ সি ঘোৰা টিপি দিয়ে জুই ওলাই নলীয়েদি;—সৈন্যটো বাগৰি পৰে, লগতে আৰু কেইটা-মান। তাৰ পৰিবৰ্ত্তন হৈছিল একেবাৰে বিপৰীত মুখী। অন্তৰৰ পৰিবৰ্ত্তনে ভিবিষিকাময় ভবিষ্যতকো উপেক্ষা কৰে।

সিও পৰি যায়,....সিও বাগৰি পৰে; এন্ধাৰ ৰাতিৰ ডাঠ. মনিব নোৱাৰা ক'লা ৰেখাবোৰৰ মাজে মাজে শব্দ-বোৰ দূৰত ঘূৰি ফুৰে—'গুকম্' 'গুকম্'।

[ *কটন কলেজ ইউনিয়ন চোচাইটি ফাইন আৰ্টচ্ প্ৰতিযোগীতাত এথম পুৰস্কাৰ প্ৰাপ্ত। ]

---

# নতুন প্ৰভাতৰ ডাৱৰ

মহম্মদ তাহেৰ।
প্ৰথম বাৰ্ষিক (বিজ্ঞান)

[ গল্প ]

মানুহৰ হেঁচাৰ মাজতো তেওঁ লাহেকৈ এবাৰ মোৰ মুখলৈ চাইছিল। "ক্ষমা কৰিব,"—মই অনুনয়ৰ সুৰত কলো।

তেওঁৰ মুখত নিৰৱ সৌম্যতা। যেন মোক ক্ষমা কৰিছে। কোনোমতে গৈ ট্ৰেইনৰ ইণ্টাৰ ক্লাচৰ ডবা এটাত বহিলোগৈ।

তেৰো—।

তেওঁক মই চিনি পাওঁ। আমাৰ কলেজৰে 'থাৰ্ড ইয়েৰত' পঢ়ে। চিনি পাওঁ বুলি তেওঁৰ লগত কোনো দিনেই মই কথা বতৰা হোৱা নাই। মাত্ৰ আমাৰ কলেজীয়া লৰাবোৰে যেনেকৈ কলেজৰ প্ৰতিজনী ছোৱালী-কেই চিনি পায়, সেইদৰেহে মই তেওঁক জানো। মাত্ৰ জানো তেওঁৰ নামটো কল্পনা। পঢ়াত বৰ ভাল। আৰু একো নাজানো।

বেঞ্চখনত মোৰ বিচনাখন মেলি ভৰি দুখন দীঘল দি মোকোলাই বহি পৰিলো। সন্মুখতে বহে কল্পনা। মই তেওঁৰ ফাললৈ নোচোৱাৰ ভাব ধৰি মূৰটো নলবোৱাকৈয়ে কেহাৰিকৈ এবাৰ চাওঁ। মোৰ বৰ বেয়া লাগে, লগতে লাজো লাগে; মানুহৰ ঠেলাহেচাত দুৱাৰ মুখত মোৰ ভৰিখন তেওঁৰ গাত লাগিছিল অপ্ৰত্যাশিতে। ক্ষমা খুজিছিলো। একো নেমাতিলে।

ট্ৰেইনখনে তেতিয়া বিৰাট, ক'লা, আন্ধাৰ ৰাতিটো আগত লৈ দীঘল উকি এটা মাৰি জন কোলাহলেৰে ভৰা গুৱাহাটী ষ্টেচনটো এৰি উজনিলৈ আগ বাঢ়ে। কল্পনাই হাতৰ ঘড়ীটোলৈ চাই-ঠিক চাৰে নটা বাজিছে। তেওঁ ছাগে ভাবিছে, তেওঁ তেনে ঠিক সময়তে মৰিয়নী পাবগৈ !' খিড়িকীখনৰ চৌকাঠত কিলাকটিটো দি মই সিদিনাৰ দৈনিক অসমীয়াখন উলিয়াই ললো। মই তেওঁৰ মুখলৈ এবাৰ মূৰ তুলি চাওঁ। এই সুযোগতে কথা আৰম্ভ কৰিবলৈ তেওঁ মোক সোধে—"সেইখন আজিৰ 'অসমীয়া' নেকি ?"

"হয়"—মই কওঁ।

বিহাৰ, কলিকতা আৰু বহুত ঠাইৰ ছাত্ৰ আন্দোলনৰ কথা মই পঢ়ি যাওঁ। ডাঙৰকৈ, কল্পনাই শুনাকৈ মই পঢ়ো। তেওঁ একান্ত মনে শুনি যায়। মাজে মাজে চকু দুটা ডাঙৰ হৈ উঠে। তেওঁৰ মনটো সেই বিপ্লৱী ছাত্ৰৰ সমদলৰ মাজলৈ উৰি যায় কিজানি। গুলি চালনাৰ ধোঁৱা আৰু কন্দুৱা গেছত উশৃঙ্খল হৈ পৰা ছাত্ৰ সমদলৰ মাজত থাকি তওঁ যেন উশাহ-নিশাহ নোপোৱা হয়। চকুৰে যেন একো নেদেখো। মই তেওঁৰ ফালে চাওঁ। তেওঁ একান্ত মনে মোৰ মুখলৈ চাই থাকে।

'কিন্তু, মিষ্টাৰ আহমদ,....তেওঁ কিবা এটা কবলৈ ধৰিছিল। মই তেওঁৰ ফালে চালো। ক্ষন্তেক একো নোকোৱাকৈ আছোঁ। "আপুনি মোৰ নামটো জানিলে কনেকৈ? "-মই সুধিলো আৰু আপুনি জানো মোৰ নামটো নাজানে ?

মই মূৰটো দুপিয়ালো ; জানো।
দুয়ো খিলখিলাই হাঁহি দিলো।

—এইয়া আমাৰ প্ৰথম পৰিচয়ৰ বিনিময়।

কলেজীয়া জীৱনৰ আবেষ্টনীটোৱে আমাৰ মাজৰ পৰা পুৰুষ আৰু তিৰোতাৰ চিনাকি আৰু অচিনাকিৰ ব্যৱধানটো আতৰাই নিয়ে। দুজন বহুত দিনৰ চিনাকি বন্ধুৰ দৰেই আমি কথাবোৰ পাতিবলৈ আৰম্ভ কৰো। ছাত্ৰ সমাজৰ কথাকেই আমি পাতো বেছিকৈ। সেইবোৰ কথা মই বিশেষ নাজানো যদিও কল্পনাৰ আগত নিজক হীন প্ৰতিপন্ন কৰিবৰ মন নাযায়। বৰ সাৱধানেহে মন্তব্য প্ৰকাশ কৰিব লগা হয় সেই কাৰণেই।

"উশৃঙ্খল আৰু অসংযত ভাবে কৰাৰ কাৰণেই আমাৰ ছাত্ৰ সমাজৰ বহুতো অভিযান ব্যৰ্থ হৈ যায়, নহয়নে বাৰু ?"—তেওঁ কয়।

"হয়—চুটিকৈ উত্তৰটো দিওঁ।

মই বাতৰিখনৰ পাত লুটিয়াও। তেওঁ একো নামাতে। এটা অস্থিৰ নিৰৱতা।— 'আপোনালোকৰ আজি 'ফিল'-চফিৰ পৰীক্ষা আছিল নহয় ?" কল্পনাই মোৰ মুখলৈ চায়।

"এৰা।"

"পিছে ?"

"পৰীক্ষা নিদিলো। ফে'ল কৰিবলৈ মো কি পৰীক্ষা দিম ?" মই অলপ লাজ পাও। 'আপোনালোকৰ দেখিছো আত্ম বিশ্বাস অকনো নাই।" তেওঁ হাহিঁ হাহিঁয়েই কয় : "নহয় আত্মবিশ্বাস আছে ; মাত্ৰ আত্মবিশ্বাসে আত্ম-গ্লানি আনে বুলিহে ভয় হয়।" "এইটো আপোনাৰ দুৰ্ব্বলতা।"

—মই নামাতিলো।

"আৰু এইটোৱেই আমাৰ যুগান্তৰ ধৰি পৰাধীনতাৰ শিকলীৰ মাজত বান্ধ খুৱাই ৰাখিছিল।" তেওঁ কৈ গ'ল।

"অৱশ্যে সেইটো সচাঁ। কিন্তু মৰসাহক বা অপচেষ্টাক জানো আপুনি প্ৰশংসা কৰে ?" মই সোধো। অলপ ডাঙৰকৈ মই কথাখিনি কলো। ভাবিছিলো কল্পনা এই বাৰ বান্ধ খাব।

"নহয় আপুনি ভুল বুজিছে। পৰীক্ষা নিদিয়াটো ছাত্ৰৰ প্ৰতি কৰ্ত্তব্যৰ অপচয় মাত্ৰ।" তেওঁ কলে। মই মনে মনে থাকিলো।

"চাওঁক, আমি এখন স্বাধীন দেশ পালো যেতিয়া, নৈতিকতাৰ মাজেদি আত্ম প্ৰকাশ কৰিবৰ. নিজক পঢ়িবৰ, লগে লগে সমাজক আৰু দেশক গঢ়িবৰ হ'ল। এতিয়া আমাৰ দায়িত্ব বহুত।" কল্পনাই আৰু বহুত কথা কলে। মোৰ অলপ খঙ উঠিছিল। মুখখনে 'এটিকেট' চেৰাব খুজিছিল,—"হৰ দেশ-সেৱিকা জনী ওলালহি"—জোৰেৰে আত্ম সম্বৰণ কৰিলো। তথাপি পৰাজয় স্বীকাৰ নকৰি কল্পনাৰ কথাবোৰ শুনি গলো।

"আজি আমি ইমান তলথাপত যে, আপুনি আৰু মই এনেভাবে কথা পাতি যোৱা দেখিলেও মানুহে আমাৰ চৰিত্ৰক সন্দেহ কৰিব। আৰু কৰিবৰে কথা," তেওঁ অনৰ্গল কৈ গল—আজি আমাৰ অনুষ্ঠানবোৰ পাপ কলুষেৰে ভৰি পৰিল। আমি লৰাই ছোৱালীয়ে সভা-সমিতি আৰু নানান অনুষ্ঠান পাতো মাত্ৰ প্ৰেমৰ চিঠি-লিখাৰ আৰু আদান প্ৰদানৰ এটা সহজ বাট উলিয়াবলৈ—" তেওঁ অকণো লাজ নকৰিলে।

তাৰ পাচত বহুত কথা আমি পাতিছিলো। পাচত ময়ো পূৰাদমেই কথাবোৰত যোগ দিছিলো। পৱিত্ৰতাৰ ছাঁ লৈ এদিন তথাকথিত দায়িত্বশীল ডেকা-গাভৰুৰ হাতত কলেজীয়া সহশিক্ষা অৰ্পণ কৰা হৈছিল। সেই দিনা কোনেও নাভাৱিছিল ইযে এনে কুৰূপ—বিৰূপ আকাৰ লব। অধ্যাপক নহলে আজি শ্ৰেণীৰ ভিতৰত একেলগে লৰা-ছোৱালী বহি নাথাকে। ইয়াকেই জানো সহশিক্ষা বোলে; ইয়াৰ বাবে দায়ী কোন? সহশিক্ষা? কলেজ? বয়স? নহয় ইয়াৰ বাবে দায়ী—ছাত্ৰছাত্ৰীৰ মনোবৃত্তি আমাৰ নৈতিকতা।—এইবোৰ কথা আমি দুয়ো খুব স্পষ্ট ভাবেই আলোচনা কৰিছিলো।

"অৱশ্যে মই কওঁ ছাত্ৰী সকলেও ছাত্ৰ সকলক বিশ্বাস কৰিবৰ চেষ্টা এদিনো কৰা নাই" - কল্পনাই কলে, মোৰ অলপ ভাল লাগিল।

"আমাৰ গাত দোষ দি আপোনাকো সদায় আমাক দেখুৱাই ভেমত ওফন্দি ফুৰিব, আৰু ভিতৰি" মইৰই গলো। হঠাতে মোৰ কথাকোৱাৰ বহুখিনি উৎসাহ কমি গল, মুখত কিবাহে ওলাব খুজিছিল।

কল্পনাই পাতলকৈ হাঁহিলে। ক্ষন্তেকৰ কাৰণে আমি পাহৰি গলো যে আমি চলিথকা ট্ৰেইনখনত আছোঁ। হঠাতে ট্ৰেইনখন আহি চাপৰমুখত ৰয়হি। আকৌ ষ্টেচনৰ অস্থিৰ কোলাহল অস্থিৰ ব্যস্ততাই আমাক বেৰি ধৰেহি। অচিন মানুহৰ মাত, অলেখ মানুহৰ অহাযোৱা। ষ্টেচন।

"আপুনি তামোল খাব?" মই কল্পনাক সোধো।

কল্পনাই মূৰ দুপিয়ালে। খাব।

ট্ৰেইনৰ পৰা নামি তৃথন তামোল আনিলো। এখন কল্পনাক দিলো আৰু ইখন মই খালো।

তেতিয়া ৰাতি বাৰটা কল্পনাই হাতঘড়ীটোলৈ চায় আৰু বৰ গহীন হৈ পৰে। কিজানি তেওঁ ঘৰৰ কথা ভাবিছে—কিজানি আন কথা। চাপৰমুখ এৰি ট্ৰেইনখনে আগবাঢ়ে আমাৰ ঘৰৰ ফালে। যিমানেই ই আমাৰ ঘৰবোৰৰ ওচৰ চাপি আহে সিমানেই আমাৰ, মোৰ আৰু কল্পনাৰ—ব্যৱধানটো আতৰি যায়।

কুৰ্বলীবোৰ ফালি ফালি, আন্ধাৰবোৰ গুচাই লোহাৰ চিৰি দুডালৰ ওপৰেদি ট্ৰেইনখন বাগৰি যায়। ভিতৰত অলেখ মানুহ মই আৰু কল্পনাও। আমি কিন্তু বহুত মানুহ থকাৰ কথাটো নাভাবোঁ। মই মাত্ৰ ভাবোঁ কল্পনাৰ কথা! আৰু কল্পনাই? কিজানি মোৰে কথা। দুয়ো দুয়োৰ মুখলৈ চাওঁ। ইটোৱে সিটোক উপলব্ধি কৰিবৰ চেষ্টা কৰোঁ। কল্পনাৰ চকু দুটা অৱশ হৈ আহে। আমাৰ দুয়োৰ মাজত বিজুলী বাতিৰ কৃত্ৰিম পোহৰখিনি আৰু শেতা শূণ্যতাখিনি যেন আতৰি যায়। আমি দুয়ো যেন হাতত ধৰাধৰিকৈ ছাত্ৰসমাজৰ কোনোবা এক উন্নত দেশ ৰচনা কৰিবলৈ যাওঁ।

ট্ৰেইনখন আন্ধাৰ ফালি ফালি আগবাঢ়ে,............... আৰু আমি আমাৰ ব্যৱধানটো পাহৰি যাওঁ।

'আহমদ, মই অলপ শোওঁ দেই। মোৰ বস্তবোৰ অলপ মন কৰিব।"—কল্পনাই কয়। মাতত টোপনিৰ অলসতা।

"শোৱক। আপুনি এইবোৰৰ কাৰণে অলপো চিন্তা নকৰিব।" মই নিশ্চয়তা দি কওঁ।

কল্পনাই বেঞ্চখনতে বিচনাখন ঠিক কৰি লৈ অলপ আৰামেৰে পৰি সিফালে মূৰ কৰি চকু দুটা মুজি দিলে।

একেটা ডবাতে অলপ দূৰত বহি থকা বঙালী ভদ্ৰলোক জনেও শুবলৈ ঠিক থাক্ কৰে। তেওঁ এবাৰ মোৰ ফালে আৰু এবাৰ কল্পনাৰ ফালে চায়।

মই অনিমেষ দৃষ্টিৰে কল্পনাৰ ফালে চাই থাকোঁ। তেওঁৰ লালকাল টোপনি আহে। টোপনিতে তেওঁৰ মুখখন মোৰ ফাললৈ ঘূৰি আহে। মূৰৰ কেকোঁৰা চুলি কেইডাল মান আহি তেওঁৰ কপালত পৰেহি। নাকৰ উশাহ লাগি কেতিয়াবা গালেদি বাগৰি অহা চুলি কেইডাল কঁপি উঠি আতৰি যায়। ইমান ক্ষীণ কল্পনাজনী, চকু দুটা কোনোবা কোটৰত সোমোৱা। ধুনীয়া বৈ-পৰা মুখখনত গালৰ হাড় দুডাল দেখা যায়। বুকুখনো বৰ ক্ষীণ। প্ৰতিটো উশাহত অতি সহজ ভাবেই ক্ষীণ বুকুখনে উঠা-নমা কৰে।

· তেওঁক মোৰ বৰ সৰু-ছোৱালী যেন লাগে। বৰ মৰম লাগে বৰ-ধুনীয়া দেখোঁ। ক্ষীণ যদিও ধুনীয়া। মই নিজৰ ফাললৈ এবাৰ চাওঁ মযো বৰ ক্ষীণ।

ট্ৰেইন খনে কোনোবা নাম নজনা ষ্টেচনবোৰ পাৰ হৈ অন্ধকাৰৰ মাজে মাজে পোহৰ দেশলৈ আগ বাঢ়ে। ....

কল্পনাৰ সহজ, সৰল, ধুনীয়া মুখখনৰ পৰা মই দৃষ্টি আতৰাই আনিব নোৱাৰোঁ! 'এই জনী ছোৱালী,'—মই ভাবি যাওঁ,—এই অকনমান ঠাইতে গুৱলৈ জোৱা ক্ষীণ ছোৱালী জনীয়েই কিমান যুক্তি জানে; কিমান বুদ্ধি জানে; সংস্কাৰ আৰু আদৰ্শৰ কিমান কল্পনাৰ তেওঁ সৃষ্টি কৰিছে; তেওঁ,—তেওঁ সঁচাকৈয়ে কল্পনা। তেওঁৰ গভীত সোমোৱা, নীলা, ধুনীয়া মোহলগা চকুযোৰে বিচাৰে নতুন আদৰ্শৰ সোণালী ৰেখ, উঠা নমা কৰি থকা সৰু বুকুখনিয়ে বিচাৰে মানৱতাৰ,—পবিত্ৰতাৰ উত্তাপ, আৰু তেওঁৰ মাজত লুকাই থকা মানুহ জনীয়ে বিচাৰে সংস্কাৰ। তেওঁ ইমান মহান,—ইমান উচ্চ, অথচ ইমান সহজ, ইমান সৰল।'....

কল্পনাজনী সঁচাকৈয়ে বৰ ক্ষীণ।" মোৰ ভাববোৰ সলনি হয়।—'কি যেন এটা অবুজ পীড়াত তেওঁ ক্ষীণাই গৈছে;—হয়তো মানসিক, হয়তো শাৰীৰিক।"

বঙালী ভদ্ৰলোকজনৰ নাকৰ ঘোৰ্ঘোৰনিয়ে মোৰ ভাববোৰত আঘাট কৰে। মই সচেতন হওঁ। তেওঁৰ ফালে মই এবাৰ চাওঁ। পকেটৰ পৰা চিগাৰেটটো উলিয়াই জলাই লওঁ। কমটোৰ ভিতৰত চিগাৰেটটো খাবৰ সাহস নহয়; কিজানিবা চিগাৰেটৰ উৎকট গোন্ধত ক্ষীণ কল্পনাজনীৰ কোমল টোপনিটো ভাগি যায়। খিৰিকীখন নমাই মই অলপকৈ বাহিৰলৈ মূৰটো উলিয়াওঁ। ট্ৰেইনৰ লাইটটোৰ পোহৰত ভেটা দি থকা ডাঠ কুৰঁলীবোৰ দেখা যায়। হো-হোৱাই থকা বতাহবোৰত বৰ জাৰ লাগে। খুব সোনকালে চিগাৰেটটো খাই শেষ কৰি বাহিৰলৈ পেলাই দিওঁ। খিড়িকীখন উঠাই বন্ধ কৰি দি কমালেৰে মুখখন মোহাৰি কল্পনাৰ ফালে এবাৰ চাওঁ। কল্পনাৰ তেতিয়াও অচেতন টোপনি। তেওঁৰ বুকুৰ কাপোৰখন তললৈ ওলমি পৰিছে। কল্পনাই বুকুখন থাল পৰি যোৱা হুমুনীয়াহ এটা কাঢ়ে টোপনিতে। মই নিজৰ গাটোলৈ চাওঁ; নিজকে এবাৰ বৰ মহৎ যেন লাগে; প্ৰকৃত ছাত্ৰ যেন লাগে। কল্পনাৰ সান্নিধ্যত মই যেন বৰ ডাঙৰ, বৰ মহৎ হৈ পৰিছোঁ ....

আমি আহি লামডিং পাওঁহি। টোপনিৰ অলসতাত লামডিঙখন বৰ গহীন যেন লাগে। ট্ৰেইনখনে যেন বৰ দুখেৰে আন্ধাৰৰ দেশ এৰি পোহৰৰ দেশৰ সন্ধান পায়হি। ভাগৰত যেন ট্ৰেইনখন বৈ পৰে। মই বাহিৰলৈ চাওঁ—ৰাতি পুৱাই আহিছে ডাঠ কুৰঁলীত একো নেদেখি, আনকি ওচৰৰ পৰ্ব্বতবোৰো। মই কল্পনাক এবাৰ জগাওঁ বুলি ভাবিছিলো। কিন্তু তেওঁৰ যে ইমান টোপনি। টোপনি ভাঙিবৰ ইচ্ছা নহ'ল। মই আগলৈ চালো, পাটকাই পৰ্ব্বতৰ সিপাৰৰ কোনোবা এটা অজান গহ্বৰৰ পৰা সূৰ্য্যৰ স্নান ৰশ্মিবোৰ আহি আকাশখন ধুনীয়া কৰি পেলায়। তৰাবোৰে লুকাই পৰে। ট্ৰেইনখন আগবাঢ়ে।

এটা বৰ্ণাব নোৱাৰা আনন্দই মোৰ হিয়াখন ভৰি পৰে।—ইমাম ধুনীয়া মোৰ অসমখন! অসম যে সঁচাকৈয়ে ধুনীয়া মই আজিহে উপলব্ধি কৰিব পাৰিছো।—ইমান সেউজীয়া, ইমান ধুনীয়া—ইমান মৰমৰ। মোৰ অসমখন গোটেই জনমটো, পৃথিবীত পাত পাত কৰি বিচাৰিলেও এনে এখন অসম পোৱা নহব সঁচাকৈয়ে। চলি থকা ট্ৰেইনখন আহি ডিমাপুৰৰ ধুনীয়া, পাতল-ৰঙা প্ৰভাতটোৰ মাজত সোমাই পৰেহি। মই কল্পনাক জগাই দিওঁ।

মুখখন ধুই ট্ৰেইনৰ পৰা নামি গৈ মই দুয়োটাৰ কাৰণে চাহ আৰু মিঠাই লৈ আহোঁ। কল্পনাই মুখ-হাত ধোৱে আৰু বিশেষ একো নোকোৱাকৈয়ে চাহ খোৱাত বহে। তেওঁৰ চকুৰ টোপনিৰ অলসতা, মুখৰ সপোনৰ আবেশ লাহে লাহে আতৰ হয়;—

"ধন্যবাদ, আপোনাৰ কাৰণেই আজি নিৰাপদে শুলো, কল্পনাই হাঁহি কয়।

মই অলপকৈ হাঁহিলো। একো কোৱাৰ প্ৰয়োজন অনুভৱ নকৰিলো।

তাৰ পাছত আমি আকৌ ছাত্ৰ সমাজৰ সংস্কাৰৰ কথাকে উলিয়ালো। বঙালী ভদ্ৰলোক জনে কেৰাহিকৈ এবাৰ আমালৈ চালে। তেওঁৰ চাৱনি আমাৰ দুয়োটাৰে চকুত ধৰা পৰিল।-

—কল্পনাই এটা আমোদৰ হাঁহি মাৰিলে। ময়ো।

—ট্ৰেইনখন চলি গৈ থাকে আৰু আমি আমাৰ ব্যৱহাৰটো পাহৰি গৈ থাকোঁ।-

মই অলপতে আমাৰ ডিব্ৰুগড়ত বহুবাৰলৈ ঠিক কৰা "অসম ছাত্ৰ-সাহিত্যিক সন্মিলনৰ' কথা উলিয়াওঁ। আৰু কল্পনাক কওঁ যেনে তেনে যেন তালৈ যায়। মই আকৌ অলপ সাহিত্যিক। ৰোমাণ্টিক কবিতা দুটা এটা মাজে মাজে লিখোঁ। গল্প-চল্প হলে লিখাৰ অভ্যাস নাই। কল্পনাক জোৰকৈয়ে তালৈ যাবলৈ কলো। কল্পনাই খালি নৈতিকতাৰ কথাকেই কয়। পাছত অৱশ্যে যাবলৈ মান্তি হ'ল।

ট্ৰেইনখন আহি আহি উজনি পালেহি। অলপ পাচতে মৰিয়নীত কল্পনা নামি পৰিব। মোৰ অলপ বেয়া লাগে। ইমান সোনকালে আমাৰ জাৰ্নিটো শেষ হ'ল। কল্পনাক মোৰ বৰ ভাল লাগিছিল। দূৰলৈ,—বহুতদূৰলৈ আমাৰ 'জাৰ্নি'টো যেন আগবাঢ়ি যাওক! আমাৰ যোৱাৰ যেন শেষ নহওঁক! কিন্তু,.........

"ক্ষন্তেকৰ ভিতৰতে আপোনাক ইমান ভাল লাগিছিল," তেওঁ মোৰ ফালে চালে আৰু মোৰ এড্ৰেছটো খুজিলে। আকৌ কৈ গল, ছাত্ৰ-সমাজৰ উন্নতিৰ কাৰণে মই যেন কিবা এটা নহয় কিবা এটা কৰোঁৱেই।

মৰিয়নীত কল্পনা নামি পৰিল। মাল-বস্তু নমাই দি সুধিছিলো কিবা অসুবিধা হব নেকি?

"নাই একো নহয়, এতিয়াই মটৰ পাম", তেওঁ কলে।

মই উঠিলোঁ। ট্ৰেইনখন চলিবলৈ সাজু হ'ল। তাৰ দীঘল উকিটো মোৰ বুকুত প্ৰতিধ্বনিত হ'ল। ই যেন কল্পনাক এৰা বেজাৰৰ এটা দীঘল হুমুনীয়াহ। ইমান ভাল লাগিছিল কল্পনাজনীক। ট্ৰেইনখন চলিবলৈ ধৰে।

"যাওঁ দেই,"—"যাওক দে-ই"....মাতবোৰ কঁপি উঠে।

মই ৰুমালখন উলিয়াই লৰাই দিলোঁ। কল্পনাই একেথিৰে সজল চকুৰে মোৰ ফালে চাই থাকে।

...."যাওঁক দে-ই-ই,"—তাইৰ মাতটো কোমল। বগা লাহী হাত দুখন কল্পনাই কপাললৈ তুলিলে। শুকান চুলি কেইডালমান উৰি আহি তাইৰ গাল-খনত পৰিলহি।

তাৰ পাচত কল্পনাক নেদেখা হলোঁ। পাচৰ 'জাৰ্নিটো মোৰ বৰ বেয়া-লগা হৈছিল। মাজে মাজে মই ভুল কৰিয়েই কল্পনা বহা ঠাই ডোখৰলৈ চাওঁ। কল্পনা নাই। কোনোবা শকত পেটুৱা মাৰোৱাৰী এটাহে বহি আছে। মাজে মাজে সি বহা ঠাই ডোখৰলৈ মই চোৱা দেখি সি মোৰ ফালে চাইছিল।

মই একো মতা নাছিলো। বৰ বেয়া লাগিলে মাতিবৰ মন নাযায়। ৰাতি আমাৰ ঘৰ অৰ্থাৎ ডিব্ৰুগড় পালোঁগৈ।

ঘৰত বৰ ভাল লগা নাই। কেইবাটাও দিন কল্পনাৰ কথাবোৰ তন্ন-তন্নকৈ ভাবি নিজৰ অন্ধতাটো দেখা পাইছোঁ। দিনবোৰ বৰ নিৰস ভাবেই পাৰ হয়। কল্পনাৰ কথাবোৰ বৰ ঘনাই মনত পৰে,— "আমি স্বাধীন হলোঁ। আমি সচেতন হবৰ হ'ল।" আমাৰ নৈতিকতা আৰু কৰ্তব্যজ্ঞান হেৰাই গৈছে। উঃ....। কথাবোৰ ভাবি মূৰটো ঘূৰাই যায়। আমি যেন মানুহৰ মাজৰ পৰা বহুত আতঁৰি গৈছোঁ। সঁচাকৈয়ে, নৈতিকতা য'ত নাই, তাত নৰকৰ সৃষ্টি হয়,—তাততো মানুহ নাথাকে! মোৰ মনত পৰে, "আমি অনুষ্ঠান পাতোঁ লৰাই-ছোৱালীয়ে একেলগে প্ৰেমৰ চিঠি লিখাৰ....।" সচাঁকথা।

....কল্পনাৰ পৰা এখন চিঠি পাইছোঁ। তেওঁ বহুত কথাই লিখিছিল। তাৰ ভিতৰত সিদিনা কোৱা 'অসংযত' কথাবোৰৰ বাবে ক্ষমা খুজিছিল। আৰু লিখিছিল অহা বৰদিনৰ বন্ধত আমাৰ ডিব্ৰুগড়লৈ আহিবা—অসম ছাত্ৰ সাহিত্যিক সন্মিলন'ত যোগ দিবলৈ। আমি এই নতুন অনুষ্ঠানটো গঢ়ি তোলাৰ কাৰণে খুব আনন্দ প্ৰকাশ কৰিছে। মোলৈ লিখিছে

চৌবিশ তাৰিখৰ মেইলত ষ্টেচনত লগ পাব লাগিব বুলি ।

ইতিমধ্যে আমি ডিব্ৰুগড়ীয়া ছাত্ৰবোৰে সভাৰ কাম বহুতখিনি কৰিলো। বেচ কৃতকাৰ্য্যতাৰে যেন আমাৰ কাম সমাধা হয়—তাৰ কাৰণে চেষ্টা খুব কৰিছোঁ। অভ্যৰ্থনা সমিতিৰ সম্পাদক হৈ মই নিজেই বহুতখিনি কাম কৰি নিজকে বিশ্বাস কৰিব পৰা হৈছোঁ। নিজকে কাৰ্য্যক্ষম নতুন মানুহ যেন লাগিছে। জগতৰ চাৰিওফালে কিবা এটা নতুনত্ব, কিবা এটা কৃতকাৰ্য্যতা কিবা এটা সফলতা অনুভূত হৈছে।

দিনবোৰ কৰ্ম্মব্যস্ততাৰ মাজেদি খুব সোনকালে পাৰ হৈ যায়। বুকুৰ মাজৰ মৰমৰ দিন—চৌবিশ তাৰিখটো আহি পৰে। ৰাতি সভাৰ কাম-বন সোনকালে সামৰি ১০ টা বজাতে বিছনাত পৰোঁ। ৰাতি তিনিটা বজাৰ মেইলত কল্পনা আহিব; ষ্টেচনলৈ যাব লাগিব। বিছনাত পৰি টোপনিয়াবলৈ চেষ্টা কৰোঁ। টোপনি নাহে। কল্পনাৰ উদাৰ মহান হিয়াখন আৰু ক্ষীণ মূৰ্ত্তিটো মোৰ চকুৰ আগত ভাহি উঠে। 'কল্পনাজনী ইমান প্ৰগতিবাদী,—ইমান স্পষ্টবাদী,—আৰু ইমান........' ভাবি শেষ কৰিব নোৱাৰা হও। চিল্‌মিলকৈ টোপনি আহে।.... বেৰৰ ঘড়ীটোত টং-টঙকৈ বাৰটা বাজে। মই উঠোঁ। গাত কাপোৰখন লৈ টেবুলখনৰ ওচৰলৈ যাও। ট্ৰেইন আহিবলৈ এতিয়াও তিনি ঘণ্টা বাকী। কাগজ কলম উলিয়াই লৈ 'অভ্যৰ্থনা সমিতিৰ সম্পাদকৰ ৰিপৰ্টটো লিখি যাও। খুব সুৱলা ভাষাত লিখিবৰ চেষ্টা কৰোঁ।....

—জগত খন নিতাল। আঢ়ৈ বাজে। গাত এড্ডিয়া কাপোৰখন আৰু হাতত টৰ্চ্চ লাইটটো লৈ ষ্টেচনলৈ বুলি বাহিৰ হও।

বাহিৰখন আন্ধাৰ, কুৱঁলী আৰু জাৰত পেপুৱা খাই থাকে। বাটৰ কাষৰ বিজুলী চাকিবোৰে কুৱঁলী খেলি ৰাস্তাত যথেষ্ট পোহৰ দিব নোৱাৰে। ষ্টেচনত গৈ শুনো মেইল এঘণ্টাৰ দেৰিকৈহে পাবহি। মোৰ বৰ বেয়া লাগে। তথাপি কল্পনাক লগ পোৱা আশাত ৰওঁ।

আন্ধাৰ কুৱঁলী, জাৰ আৰু ষ্টেচনৰ নিৰ্জ্জনতা। ঠাণ্ডাত ওঠঁৰ বিদ্ৰোহ আৰু টোপনিৰ জালত্ হামিৰ ভুমুকি।.... কেইবাটাও চিগাৰেট ইতিমধ্যে শেষ কৰোঁ। মোজাও পিন্ধিবলৈ নহল; ভৰি দুখন ইমান চেচঁা লাগিছে। কাণ দুখন হিম যেন চেচঁা পৰিছে। এড্ডিয়া কাপোৰ খন মূৰে গাই ললো। হাতৰ টৰ্চ্চ লাইটটোও বৰ চেচঁা পৰি গৈছে। গৰম লাগিবলৈ তাকে কেতিয়াবা টিপি জ্বলাই দিও। কিন্তু পাচ মুহূৰ্ত্ততে হাঁহি উঠে। অৱশেষত চাৰিটা বজাত মেইলখন আহি পায়হি। ষ্টেচনটো কোলাহলেৰে মুখৰিত হৈ উঠে। আমাৰ সভাৰ বহুত প্ৰতিনিধি আহে সকলোকে আমাৰ কৰ্ম্মীবোৰে কেম্পলৈ লৈ গ'ল! হাতত 'ভেনিটি' বেগটো লৈ কল্পনা নামি আহে ট্ৰেইনৰ পৰা। "নমস্কাৰ" তেওঁ কয় আৰু হাহেঁ শব্দ নোহোৱাকৈ। ময়ো প্ৰতি নমস্কাৰ জনালো। "আৰু একো নাই, কল্পনা?" মই সোধো। "আপুনি ইয়াত থাকোতেও মই আৰু কিবা আনিব লাগেনে?" কল্পনাই হাহিঁলে।

আপুনি আগবাঢ়ি আহিব বুলি মই আগতেই জানিছিলোঁ" কল্পনাই কলে। মই হাঁহিলোঁ।

আমাৰ ঘৰলৈকে মই কল্পনাক লৈ আহিলো। তেতিয়া পোহৰ পোহৰ হৈ আহিছে। মোৰ কোঠাত বহি দুয়ো বহুত কথা পাতিলো। আমাৰ সভাৰ কাম কেনে ভাবে আগবাঢ়িছে—মই তাক কলো। ছোৱালীবোৰেও আমাক কেনে ভাবে নিঃসঙ্কোচে সহায় কৰিছে—তাক কলোঁ।

কল্পনাক সুবিধা কৰি ছাত্ৰীৰ কেম্পতে থাকিবলৈ দিলোঁ। আমাৰ ঘৰত থাকিবলৈ কল্পনা মান্তি নহ'ল—মই অৱশ্যে খুব কৈছিলোঁ।

পূৰ্ণ কৃতকাৰ্য্যতাৰ মাজেদি আমাৰ কামবোৰ পাৰ হৈ গৈছিল। এই সন্মিলন খন যাতে প্ৰতি বছৰে বহুৱাব পাৰোঁ—তাৰ কাৰণে আমি দৃঢ় সঙ্কল্প হলো

জাতি-ধৰ্ম্ম নিৰ্বিবশেষে অসমীয়া সাহিত্যত ৰাপ থকা প্ৰত্যেক ছাত্ৰই যাতে সাহিত্য-সেৱা কৰি অসমীয়া ভাষা আৰু সাহিত্যৰ ধোল-কলাই উন্নতি সাধিব আৰু সঙ্গবদ্ধ ভাৱে প্ৰগতিৰ পথত আগ-বাঢ়িব পাৰে এয়ে আমাৰ উদ্দেশ্য।

কল্পনাই এটা সুন্দৰ বক্তৃতা দিছিল—"আমি লিখোঁ প্ৰেমৰ বা বিদ্ৰোহ-বিপ্লৱৰ কবিতা আৰু গল্প। আমি কৃষক বনুৱাক জাগ্ৰত কৰিবলৈ যাওঁ। কিন্তু আমাৰ চৰিত্ৰ ক'ত? ছাত্ৰ আৰু ছাত্ৰীৰ মাজত বিশ্বাস আৰু একতা ক'ত? প্ৰথমতে আমি আমাৰ নৈতিক উন্নতি সাধন কৰিব লাগিব। ছাত্ৰ-ছাত্ৰী দুয়ো দলেই পৰস্পৰৰ প্ৰতি বিশ্বাস আৰু পবিত্ৰ ভাৱ ৰাখি,—উন্নতিৰ পথত আগবাঢ়িব লাগিব। কলেজত এদলক এৰি আনদলে—শিক্ষাৰ পূৰ্ণতা আনিব নোৱাৰে।"—বক্তৃতাটো সচাঁই শুৱলা হৈছিল। সভাৰ বিৰাট জনতাৰ একাষে থিয় হৈ মই অপলক দৃষ্টিৰে কল্পনালৈ চাই আছিলো। ইমান জাগ্ৰত ভাষাত, ইমান স্পষ্টকৈ কল্পনাই কথাবোৰ কৈছিল যে গোটেই সভাঘৰতে এটা নিবিষ্টতা আহি পৰিছিল।

কল্পনা সভাভঙ্গৰ পাচত একাষৰীয়াকৈ মোৰ কাৰণে ৰৈ আছিল—চকী এখনেতে নীৰৱে বহি। সভাৰ সকলো বস্তু কৰ্ম্মীবোৰক চম্‌জাই দি মই কল্পনাক কেম্পত থবলৈ আহিলোঁ। কেম্পটো সভামণ্ডপৰ পৰা অলপ দূৰ। তেতিয়া প্ৰায় ৰাতি এঘাৰটা বাজিছে।

আমাৰ চাৰিওফালে আন্ধাৰ আৰু জাৰ।

"কল্পনা",—মই মাতোঁ।

"হোঁ",—তেওঁৰ মাতটো গহীন।

"কেনে লাগিল?"—মই সুধিলো।

"আপোনালোক যে ইমান উদ্যোগী মই ভাবিবই পৰা নাছিলো, আহমদ। অন্তত: আপুনিয়ে......."

"এই উদ্যোগৰ গুটি মোৰ অন্তৰত আপুনিয়ে-ইতো পচাইছিল।" মই কওঁ। কল্পনাই একো নকয়। আমি গৈ থাকোঁ। প্ৰায় মানুহবোৰ শুইছে। ওচৰৰ মেটোৰৰ লাইনটোত মাত্ৰ মদ খাই মেটোৰ বোৰে গণ্ডগোল কৰিছে। চিঞৰি চিঞৰি সিহঁতৰে কোনোবা এটাই গায়—"ৰঘুপতি ৰাঘৱ ৰাজা ৰাম, পতিত পাৱন সীতা ৰাম।"........

আন্ধাৰত কল্পনাৰ খোজবোৰ অস্থিৰ হৈ পৰে।

"কল্পনা বৰ জাৰ লাগিছেনে কি?"—মই সোধো।

"এৰা"—মাতটো সৰু। তেওঁ মোৰ কাষচাপি আহে।

"কল্পনা"—নতুন সুৰত মই মাতোঁ।

"হোঁ,-"

"আমি সদায় ছাত্ৰ হৈ থকাহেঁতেন-" মই আৰম্ভ কৰোঁ।

"আৰু সদায় আমি দুয়ো একেলগে থকাহেঁতেন বহুত কাম কৰিব পাৰিলোঁহেঁতেন, নহয়নে বাৰু?" —কল্পনাই কয়। হয়তো আন্ধাৰতে এবাৰ মোৰ ফালে চায়।

"আহ্‌মদ,"—সুৰত আকুলতা।

"কি?"—মই কওঁ।

"আপোনাৰ দৰে কিমানৰ হিয় যে বিকাশৰ অভাৱত মৰহি যাব, লাগিছে।"

"তাৰ মানে?"—মই একো বুজা নাছিলোঁ।

"আপোনাৰ দৰে বহুত উদ্যোগী ছাত্ৰ জানো আমাৰ মাজত নাই? মাত্ৰ আমাৰ মাজত নাই বিকাশৰ সুবিধা।"—কল্পনাৰ মত।........

× × × কল্পনাক কেম্পত থৈ মই উভটিলোঁ। কাইলৈ কল্পনা যাবগৈ। মোক ষ্টেচনলৈ আহিবলৈ কৈছে।

—পাচদিনা কল্পনাৰ ওচৰলৈ গৈছিলোঁ। বহুত কথা পাতিলোঁ। সেইদিনা ৰাতি এঘাৰটা বজাৰ মেইল'তে কল্পনা যোৱাৰ কথা। গধূলি আঠটাতে শুই পৰোঁ—এঘাৰটাত ষ্টেচনলৈ যাম বুলি। বহুত

পৰৰ পাচত সাৰ পাও। দেখিছো—এঘাৰতা বাজি গৈছে। বলীয়াৰ দৰে বিছনাৰ পৰা উঠি ষ্টেচনলৈ দৌৰ মাৰোঁ। নাই! ট্ৰে'ইন গুছি গ'ল। বৰ নিৰাশ হৈ পৰো। কিজানি কল্পনা নাই যোৱা বা বুলি সেই ছাত্ৰী কেম্পটোলৈ যাওঁ। নাই। তাতো কল্পনা নাই। তেন্তে কল্পনা গ'ল, মোৰ কান্দিবৰ মন যায়।—ষ্টেচনৰ শ শ অচিনা মানুহৰ মাজত, নিশ্চয় ছাগৈ মোৰ চিনাকি মুখ-খন, কল্পনাৰ চকুযোৰে বিচাৰি ফুৰিছিল! —

নিৰাশ মনে ঘৰলৈ উভটি আহোঁতে ৰুমাল-খনেৰে মই মোৰ তিতা চকুযোৰ মোহাৰি পেলাইছিলো।

তাৰ পাচদিনাই কলেজলৈ বুলি গুৱাহাটীলৈ গুছি আহিলোঁ।

কলেজত কল্পনাক লগপোৱাৰ আশাত কেইবাদিনো মনে মনে কল্পনাক বিচাৰ কৰিলোঁ। কিন্তু কলেজলৈ কল্পনা অহা নাই।

কিযে একে অভাবনীয় অশান্তিৰ মাজেৰে দিনবোৰ পাৰ হয়! বহুতদিনৰ পাচত এদিন কল্পনাৰ পৰা এখন চিঠি পালোঁ। মোক অতি সোনকালে তেওঁলোকৰ ঘৰলৈ মাতিছে। বিশেষ দৰকাৰ, যাবই লাগে।

পাচদিনা কল্পনাহঁতৰ ঘৰলৈ যোৰহাটলৈ যাত্ৰা কৰিলোঁ। বিশেষ কষ্ট নোহোৱাকৈয়ে গধূলি কল্পনাহঁতৰ ঘৰ ওলালোঁগৈ।

মোক দেখি কল্পনা অকনো আচৰিত নহল। কিন্তু তেওঁক দেখিহে মই আচৰিত হলোঁ। তেওঁ ইমান শেঁতা পৰি আৰু ক্ষীণাই গৈছে যে এইজনীয়ে কেইদিন মানৰ আগতে দেখা সেই কল্পনাজনী বুলি কোনেও কব নোৱাৰে। —মাত্ৰ হাড় আৰু ছাল আছে—তেওঁৰ গাত। কেইটামান দিনৰ ভিতৰতে যে মানুহ ইমান পৰিবৰ্ত্তন হব পাৰে, ইমান ক্ষীণাই যাব পাৰে, ইয়াৰ আগতে মই কেতিয়াও ভবা নাছিলোঁ।

ৰাতিটো কল্পনাহঁতৰ ঘৰতে থাকিলো।—

ভাত-পানী খোৱাৰ পাচত কল্পনাই মোক তেওঁৰ কোঠালৈ মাতি নিলে। এখন ইজি-চেয়াৰত মোক বহিবলৈ দি তেৱোঁ মোৰ কাষতে আন এখন ইজি-চেয়াৰত বহি পৰিল। বহুত পৰ মাতবোল নাই। টেবুলৰ লেমটোৰ পোহৰখিনি কঁপি উঠিল।

"আহমদ",—বৰ দুৰ্ব্বল মাতেৰে কল্পনাই মোক মাতে।

"হোঁ";—মই কওঁ।

"মই আপোনাক কিয় মাতিছিলো জানে?"

"কিয়?"

"অ মই—মই আপোনাক, মাতিছিলো,—অ' কওঁ বাৰু। আপোনাৰ পৰা বিদায় লবলৈ আহমদ; কেতিয়াবাই হয়তো মৰিলোহেঁতেন। মাত্ৰ অপোনাৰ বুকুত এটা ভাগ দি যাবৰ কাৰণেই বাট চাই আছিলোঁ।"—কল্পনাই জানিছিল মই যে তেওঁক ভাল পাইছিলো।—

মই আচৰিত হলোঁ। কল্পনাৰ ফালে অবাক হৈ চাই ৰলোঁ। সঁচাকৈয়ে তেওঁক আৰু মানুহ বুলি কব নোৱাৰি। ইমান ক্ষীণাই গৈছে, মাত্ৰ জীৱটোহে বাকী। তেওঁক মোৰ অপৰিচিতা কোনোবা যেন লাগিল। যেন তেওঁ সেই প্ৰগতিবাদী—কল্পনা নহয়।

"আহমদ" আকৌ সেই বুকু-ভেদা কঁপা মাত। ........"মই একো নামাতো মাত্ৰ চকু দুটা ডাঙৰকৈ মেলোঁ।"

"মোৰ যে টি, বি, হ'ল।"—কল্পনাই কয়। মোৰ বুকুখন চিৰিং কৰে উঠে। চকু দুটাই ধোঁৱা ধোঁৱা দেখে।

"চাওঁকছোন মোৰ জীৱটোৱে জীয়াই থাকিবলৈ বেমাৰটোৰ লগত কিমান যুজ বাগৰ কৰিছে"।

মোৰ হাত খন কল্পনাই দুয়ো হাতেৰে ধৰি আনি তেওঁৰ বুকুৰ মাজত সোমোৱাই দিলে। মোৰ বৰ ভয় লাগিল।....কল্পনাৰ বুকুৰ মাজখন ইমান খাল পৰি গ'ল! ভিতৰৰ হৃদ-যন্ত্রটো কিজানি; বেমাৰটোৱে খাই শেষ কৰি দিলে! বুকুৰ কামিহাড়ৰ উঠঙা জোৰাটোত মোৰ হাতখন পৰিল। তেওঁৰ জীৱটোৱে উঠা-নমা কৰি যেন বুকুখন ভাঙি চূৰমাৰ মাৰ কৰি দিব। কিমান পৰ মোৰ হাতখন তেওঁৰ বুকুত আছিল কব নোৱাৰোঁ...

"আহমদ, মই আৰু নিজাম, ছাত্র সমাজৰ নৱযুগ ৰচনা কৰিবও মই নোৱাৰিম" মাতটো দুৰ্ব্বল।

মই এটা হুমুনীয়াহ কাঢ়িলোঁ। আকৌ এবাৰ লেম্পটোৰ পোহৰখিনি কঁপি উঠিল।

"আপুনি কিন্তু, নিৰাশ নহব দেই আহমদ।" কল্পনাই ভিজা মাতেৰে কলে।

মোৰ মনত পৰে এটা পুৰণি হৈ যোৱা কথা, —"আমি দুয়ো একেলগে থকাহেঁতেন বহুত কাম কৰিব পাৰিলোঁহেঁতেন।"—সেইটো নাভাবিবলগীয়া পুৰণি হৈ যোৱা কথা।

কল্পনাই এটা দীঘল হুমুনীয়াহ কাঢ়ে।

নীৰৱতা খিনি কঁপি উঠে।........

---

# ৰাম সৰস্বতী

—তাৰিনী চৰণ বৈশ্য
তৃতীয় বাৰ্ষিক (কলা)

পুৰণি অসমীয়া বৈষ্ণৱ সাহিত্য ভক্তি-ৰসাত্মক আৰু ঘাইকৈ অনুবাদ-মূলক। ভক্তিৰ পৰমতত্ত্ব প্রচাৰৰ দ্বাৰা জনসাধাৰণক ঈশ্বৰাভিমুখী কৰি তোলাই আছিল বৈষ্ণৱ কৱিসকলৰ লক্ষ্য। কিন্তু পোনপতীয়া উপদেশতকৈ গল্পৰ মাজেদি দিয়া উপদেশহে বেছি কাৰ্য্যকৰী। সেই কাৰণেই বৈষ্ণৱ কৱিসকলে ৰামায়ণ, মহাভাৰত, বিষ্ণুপুৰাণ, হৰিবংশ প্রভৃতি সংস্কৃত শাস্ত্রত আউজি গীত-পদ-নাট-কাৰ্য্যৰ আশ্ৰয়লৈ জন-সমাজত শিক্ষা আৰু ধৰ্মৰ পোহৰ বিলাইছিল। ধৰ্মপ্রচাৰ মুখ্য উদ্দেশ্য হোৱা কাৰণে কৱিসকলে তেওঁলোকৰ প্রত্যেক উক্তিকেই শাস্ত্রসন্মত বুলি প্রমাণ কৰিব লাগিছিল আৰু ভক্তি-পিপাসু জন-সাধাৰণক আনন্দ দিবৰ কাৰণে কাব্য-গীত-পদ নাটত ভক্তিৰসৰ আস্বাদ দিছিল। এই কাৰণেই পুৰণি অসমীয়া বৈষ্ণৱ সাহিত্যত ভক্তি ৰসৰ প্রাধান্য দেখা যায়। আনহাতে এই যুগৰ সাহিত্য ঘাইকৈ অনুবাদ-মূলক হোৱা কাৰণে আমি ইয়াত কৱিৰ আকাশলংঘী কল্পনাৰ স্ফুৰণ নাপাওঁ। কিন্তু সেই বুলি এই যুগৰ সাহিত্য যে মৌলিকতা বিহীন এনে কথা ভবাও ভুল। পুৰাণ শাস্ত্রসকলক আশ্ৰয় কৰি গীত-পদ-নাট লিখিলেও ভিন্ ভিন্ কৱিৰ হাতত সেই শাস্ত্রসন্মত কথাবোৰেই নন ৰূপ লৈছে। শংকৰদেৱৰ 'ক্লাছিকেল' সৌন্দৰ্য্যৰে ভৰপূৰ বিতোপন বৰ্ণনাবোৰ; মাধৱদেৱৰ ভগৱান শ্ৰীকৃষ্ণৰ বাল্য-লীলাক আশ্ৰয় কৰি লিখা অংকীয়া নাটকেখন; শ্ৰীধৰ কন্দলিৰ লৌকিক নিচুকনি গীতৰ বৈষ্ণৱ ৰূপান্তৰ কাণ-খোৱা; অনন্ত কন্দলিৰ কুমাৰহৰণ; ৰামসৰস্বতীৰ ভীমচৰিত আদি পুথিৰ উৎস বিষ্ণুপুৰাণ, হৰিবংশ, মহাভাৰত হলেও প্রতিভাশালী কৱিৰ সুস্থ সবল কাণৰ পৰশত সেইবোৰ সময়োপযোগী সাজ-পাৰ পিন্ধি সজীৱ হৈ উঠিছে।

## Photo of the Executive Committee, C. C. U. S.



From the left—

( Sitting on the ground ) Chandra Gogoi, Tilok Gogoi, Hem Baisya, Kripa Das,

( Sitting on the chair ) Prof. M. Islam, Prof. J. Sarma, Prof. P. Shyam, Principal S. N. Chakravarty, Prof. I. B. Sircar, Prof. G. C. Sarma-Barua, Prof. K. N. Dutta, Prof. D. Gogoi.

( Standing—1st Row ) Profulla Barua, Jibeswer Chakravarty, Prof. S. N. Sarma, Prof. A. Rahman, Prof. T. K. Bhattacharya, Prof B. Chowdhury, Jatin Hazarika, Jatin Deuri, Hashmat Ali.

( Standing—2nd Row ) Jamini Sarma, Dwizen Biswas Keshav Bharali, Jogen Chowdhury, Ratna Kakaty Prabhat Sarma, Deben Bhattacharjya, Tapeswar Saharia. Md. Piar, R.K. Mahabir Singh

এইবোৰ আমাৰ বৈষ্ণৱ কবিৰ নিজস্ব সৃষ্টি। ইয়াত বৰ্ণনা কৰা কোনো ঘটনা আন কোনো পুথিত পাবলৈ নাই।

এই যুগৰ নদন-বদন চহকী অসমীয়া সাহিত্যৰ কৰ্ণ-ধাৰ আছিল শংকৰদেৱ, মাধৱদেৱ, অনন্তকন্দলি, ৰামসৰস্বতী, ভট্টদেৱ প্ৰভৃতি মনীষীসকল। এওঁলোকৰ বহুমুখী 'প্ৰতিভাৰ' পৰশমণিয়ে সেইযুগৰ অসমীয়া সাহিত্যক অকল ভাৰতবৰ্ষতে নহয় পৃথিৱীৰেই যি কোনো সাহিত্যৰ লগত ফেৰমাৰিব পৰা চহকী সাহিত্যত পৰিণত কৰিছিল। ইংলণ্ডৰ গৌৰৱময় এলিজাবেথৰ যুগৰ সাহিত্যও তেতিয়া নিচেই চাপৰকীয়া অৱস্থাত হে আছিল। সেই সময়ত আমাৰ সাহিত্যই গীত-পদ-নাট-কাব্য-দৰ্শন-বিজ্ঞান বুৰঞ্জী কথা-সাহিত্য সকলোফালেদি সৰ্বাংগীন পুষ্টিসাধন কৰিছিল। এই সাহিত্যই একালে যেনেকৈ অসমীয়া ধৰ্মজগতত নতুন যুগান্তৰ আনিছিল আনফালে তেনেকৈ সমাজ জীৱনতো এক বৈপ্লৱিক ধুমুহাৰ সৃষ্টি কৰি ধ্বংসমুখী অসমীয়া সমাজৰ ভেটি নিকপকপীয়াকৈ বান্ধিছিল। এতে আধাৰে এই যুগক অসমীয়া সাহিত্যৰ গৌৰৱময় অধ্যায় বুলিব পাৰি।

এই যুগৰে অন্যতম প্ৰতিভা আছিল প্ৰথম অসমীয়া মহাভাৰত প্ৰণেতা কবি ৰামসৰস্বতী। শংকৰদেৱ, মাধৱদেৱৰ পিচত মৌলিক সাহিত্য সৃষ্টিকাৰী কবিসকলৰ ভিতৰত ৰামসৰস্বতী আগৰণুৱা আছিল। এওঁ ষোড়শ শতিকাৰ আগছোৱাৰ কবি। কবি হিচাপে এওঁ শংকৰদেৱ বা মাধৱদেৱত কৈ তলথাপৰ নাছিল। সংস্কৃত অষ্টাদশপৰ্ব মহাভাৰতৰ সৰল ভাঙনি আৰু বধকাব্যবোৰৰ মনস্তত্ত্ব-মূলক প্ৰাঞ্জল বৰ্ণনাই এওঁৰ কবি প্ৰতিভাৰ চিনাকি দিছে। ৰামসৰস্বতীৰ হাস্যৰসাত্মক 'ভীমচৰিত'ৰ সুৰনা পদবোৰ এতিয়াও গাঁওৰ বুঢ়ামেথা সকলে আওৰাই তৃপ্তি লাভ কৰে। 'ভীমচৰিত'ৰ হাস্যৰসাত্মক বৰ্ণনা আৰু আধুনিক ৰুচিৰ লগত খাপ খোৱা ভাব আৰু ভাষাৰ সমাবেশে কবিৰ সৃষ্টিমূলক প্ৰতিভাৰ কথা সোঁৱৰাই দিয়ে। অকল এইখনেই নহয় এওঁৰ আন আন পুথিবোৰেও অসমীয়া গাঁৱলীয়া সমাজত যথেষ্ট সমাদৰ লাভ কৰিব পাৰিছে। এই বধকাব্যবোৰৰ সৰল পদবোৰ শুনি এতিয়াও গাঁৱলীয়া বুঢ়ামেথাই তুখ ভাগৰ পাহৰে। ৰামসৰস্বতীৰ পুথিবোৰৰ জনপ্ৰিয়তাৰ মূলতেই আছিল তেওঁৰ মৌলিক ৰচনা কৌশল, ঘৰুৱা মাত-কথা আৰু উপমা অলংকাৰৰ সু-সংযত ব্যৱহাৰ।

ৰামসৰস্বতী আছিল কোচৰাজ নৰনাৰায়ণৰ ৰাজসভাৰ কবি। সেই কালত নৰনাৰায়ণ ৰজাৰ ৰাজসভা পুৰণি-কালৰ বিক্ৰমাদিত্যৰ নৱৰত্নৰ সভাৰ দৰে দেশদেশান্তৰৰ বিদ্বান পণ্ডিত মণ্ডলীৰ অপূৰ্ব মিলন কেন্দ্ৰ আছিল। শংকৰদেৱ, মাধৱদেৱ, অনন্তকন্দলি, ৰামসৰস্বতী, পুৰুষোত্তম বিদ্যাবাগীশ প্ৰমুখ ভালেমান মনীষীয়ে নৰনাৰায়ণ ৰজাৰ ৰাজসভাৰ শোভা বঢ়াইছিল। প্ৰকৃততে কবলৈ গলে ষোড়শ শতিকালৈকে কোচবিহাৰেই আছিল অসমীয়া সাহিত্যৰ থাই কেন্দ্ৰ। তাৰপিচত, অসমৰ পূবছোৱাত আহোমসকলৰ সাম্ৰাজ্য টনকীয়াল হৈ উঠাৰ লগে লগে অসমীয়া সাহিত্যৰো কেন্দ্ৰ উজাই আহি গড়গাওঁ পায়হি। নৰনাৰায়ণ ৰজাৰ সহায়ত ভালেমান কবিয়ে নানান পদ-পুথি লিখিছিল। ৰামসৰস্বতীৰো সৰহভাগ পুথিৰ মূলতেই আছিল নৰনাৰায়ণ ৰজাৰ উৎসাহ আৰু আপুৰুগীয়া সহায়। 'ৰামসৰস্বতীয়ে মণিচন্দ্ৰ ঘোষ' পৰ্বৰ এঠাইত এইদৰে নৰনাৰায়ণ ৰজাৰ গুণ কীৰ্ত্তন কৰিছে।

"জয় জয় নাৰায়ণ নৃপবৰ সাৰ।
যাৰ কীৰ্ত্তি ঢাকিলেক সমুদ্ৰৰ পাৰ॥
প্ৰজাগণ পালে যেন পুত্ৰস্নেহে আতি।
দৰিদ্ৰ-জনক ধন দেই মাতি মাতি॥
শুক্লধ্বজ নৃপতি যাহাৰ যুৱৰাজ।
পৰম গতি অতি অদভূত কাজ॥
তেহে মোক বুলিবন্ত বহু বিধ মানে।
ভাৰত পয়াৰ তুমি কৰিয়ো যতনে॥
আমাৰ গৃহত আছে ভাৰত প্ৰস্তুত।
নিয়োক আপোন গৃহে দিয়োক সম্মত॥
এতেকে তাহাৰ আজ্ঞা ধৰিয়া মনত।
কৃষ্ণৰ চৰণ যুগ ধৰিয়া শিৰত॥
বিচাৰিলো পদ ইটো আতি অনুপাম।
ৰচিলো ভাৰত বনপৰ্ব যাৰ নাম॥

যুৱৰাজ শুক্লধ্বজো যে তেওঁৰ সাহিত্যিক জীৱনৰ অনুপ্ৰেৰণাৰ অন্যতম গুৰি সেই কথাও উল্লেখ কৰিব এৰা নাই।

সেই কালৰ আন আন কবি সকলৰ দৰে ৰামসৰস্বতীৰো জীৱনৰ সবহ কথা জনা নাযায়। কেৱল তেওঁৰ পুথিবোৰৰ ঠায়ে ঠায়ে নিজৰ বিষয়ে লিখি থোৱা অলপ অচৰপ কথাৰ পৰাহে তেওঁৰ কৰ্মবহুল জীৱনৰ দুই এটি সাধাৰণ কথা জানিব পাৰোঁহঁক।

উদ্যোগ পৰ্বৰ এঠাইত (৩৮ পৃষ্ঠা) ৰাম সৰস্বতীয়ে নিজৰ চিনাকি এই দৰে দিছেঃ—

'বিপ্ৰ মধ্যে সাৰোদ্ধাৰ কবি চূড়ামণি যাৰ
নাম ভৈল কুল প্ৰকাশক।
অদ্যাপি যশস্যা বৈল উপাসান্তে কাল গৈল
ভক্তি ভাৱে শ্ৰীহৰি-হৰক॥
তানে জ্যেষ্ঠ পুত্ৰ শান্ত গোবিন্দক উপাসান্ত
ভাগৱত শাস্ত্ৰে যাৰ ৰতি।
বেদ পুৰাণক মানে নকহন্ত যাত বিনে
তান পাৱে কৰন্ত ভকতি॥
গুণৱন্ত বংশধৰ তেহেঁ কবি চন্দ্ৰ বৰ
সম্বন্ধত সোদৰ আমাৰ।
যাৰ কুল অভিলাষে শিক্ষা উপদেশ শুনে
ইটো পদ কৰিলা প্ৰচাৰ॥
আমি পুনু হীন-মতি বোলে ৰাম সৰস্বতী
তুমি পুনু মহন্তসকল।"

ইত্যাদি

আকৌ :—

"গ্ৰাম মধ্যে সাৰোদ্ধাৰ পচৰিয়া নাম যাৰ
কলিযুগে শ্ৰেষ্ঠ লিখে যাক।
ব্ৰাহ্মণ সকলে িতে ভাগৱত অবিশ্ৰাম
চৰ্চা কৰে পাতিয়া সভাক।
তাতে ভৈলা দ্বিজবৰ সজ্জনৰ প্ৰিয়-কৰ
সুশীল কমত যাৰ ৰাত।
ধীৰ গুণী শিষ্ট শান্ত দেৱ-দ্বিজ আৰাধান্ত
নাম তাৰ ৰাম সৰস্বতী॥"

ইত্যাদি।

ওপৰৰ কথাৰ পৰা আমি জানিব পাৰোঁ যে ৰাম সৰস্বতীৰ জন্ম ঠাই হাজোৰ ওচৰৰ পচৰিয়া গাওঁ। এওঁৰ দেউতাক ভীমসেন কবি চূড়ামণি এজন নৈষ্ঠিক শুদ্ধাচাৰী ব্ৰাহ্মণ পণ্ডিত আছিল। এওঁৰ দুজন পুতেক, বৰজন কৱিচন্দ্ৰ আৰু সৰুজন ৰামসৰস্বতী। ৰামসৰস্বতীৰ দেউতাক মাকে তেওঁৰ নাম থৈছিল অনিৰুদ্ধ। "পিতৃ-মাতৃয়ে অনিৰুদ্ধ নাম থৈলা।" ৰাম সৰস্বতী, কবিচন্দ্ৰ, ভাৰত ভূষণ, ভাৰতচন্দ্ৰ, সাগৰ-খড়ি আদি তেওঁৰ উপাধি। তেওঁৰ ৰচিত বিবিধ গ্ৰন্থত এই উপাধিবোৰৰ ব্যৱহাৰ দেখা যায়। কেতিয়াবা একেখন পুথিতে দুটা উপাধিৰেও নিজৰ চিনাকি দিছে। উদাহৰণ স্বৰূপে 'অশ্বকৰ্ণৰ যুদ্ধত' "কহয় ভাৰত চন্দ্ৰ কৃষ্ণৰ কিংকৰে'ৰে আৰম্ভ কৰি "ভাৰত ভূষণ কবি বিৰছিলা পদ-ছবিশৰে শেষ কৰিছে। মহাভাৰতৰ ভাণ্ডনিত নিজক ৰাম সৰস্বতী বুলি পৰিচয় দিছে। 'ৰাম সৰস্বতী নাম নৃপতি দিলন্ত। ভাৰতৰ পদ মোক কৰা বুলিলন্ত॥" ইয়াৰ বাহিৰেও 'কুমৰহৰণীৰ যুদ্ধত' সাগৰ খড়ি নামে নতুন উপাধি এটাৰ উল্লেখ পোৱা যায়। "বোলন্ত সাগৰ খড়ি অতি অল্প মতি। কৰজোৰে মহন্ত জনক কৰোঁ নতি॥" (৪৪ পৃষ্ঠা) মুঠতে এই সকলো উপাধিৰ ভিতৰত নৰনাৰায়ণ ৰজাই দিয়া ৰামসৰস্বতী উপাধিৰেহে তেওঁ সৰবৰহী।

ৰাম সৰস্বতী নিৰ্ভীক তেজস্বী আৰু স্বাধীনচিতিয়া মানুহ আছিল। নিজে শুদ্ধাচাৰী ব্ৰাহ্মণ পণ্ডিত হৈয়ো সেইকালৰ জাত্যাভিমানী শংকৰ বিদ্বেষী ব্ৰাহ্মণ সকলৰ প্ৰতি কটূক্তি প্ৰদৰ্শনেই তেওঁৰ নিৰ্ভিকতা আৰু স্পষ্টবাদিতাৰ উৎকৃষ্ট প্ৰমাণ। শংকৰদেৱৰ প্ৰতি তেওঁৰ প্ৰগাঢ় ভক্তিৰ প্ৰমাণ 'উদ্যোগ পৰ্ব'ৰ তলৰ কথা কেইষাৰীতে ভালদৰে ফুটি ওলাইছে। তেওঁ ইয়াত শংকৰদেৱক ঈশ্বৰৰ অৱতাৰ বুলি ঘোষণা কৰিছে।

"শ্ৰীমন্ত শংকৰ আপুনি ঈশ্বৰ
নৰ ৰূপে জাত ভৈলা।

তাহাংক নসহি ব্ৰাহ্মণ সকলে
ৰাজ আগে খল দিলা ॥
যদুকুলে হৰি জন্মিয়া আসিয়া
ক্ষিতী ভাৰ দূৰ কৈলা।
এহি মত শুনি ব্ৰাহ্মণ সবৰ
কিছু মনে কোপ ভৈলা ॥
আমাৰ জীৱিকা মান্য ভংগ হবে
এহি মনে বৰ ভয়।
এহিসে কাৰণে ইটো বিপ্ৰ সবে
শংকৰক নসহয় ॥"
ইত্যাদি।

ৰামসৰস্বতীয়ে মহাৰাজ নৰনাৰায়ণৰ আজ্ঞা, শংকৰদেৱৰ নির্দেশ আৰু যুৱৰাজ শুক্লধ্বজৰ উৎসাহত অষ্টাদশপৰ্ব্ব মহাভাৰতৰ অসমীয়া পদ ভাঙণি কৰে। এওঁৰ আগতে ত্ৰয়োদশ আৰু চতুৰ্দ্দশ শতিকাত হৰিহৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, কন্দলি প্ৰভৃতিয়ে যথাক্ৰমে অশ্বমেধপৰ্ব, জয়দ্ৰথ বধ পৰ্ব, দ্ৰোণ পৰ্ব ইত্যাদি মহাভাৰতৰ ভিতৰৰা পৰ্ব কেতবোৰৰ ভাঙণি কৰিছিল। কিন্তু কোনোজনেই সম্পূর্ণ মহাভাৰত ভঙা নাছিল। ৰামসৰস্বতীয়েহে ষোড়শ শতিকাৰ আগছোৱাত সম্পূর্ণ মহাভাৰতৰ অসমীয়া পদ ভাঙণি কৰে।

নৰনাৰায়ণ ৰজাৰ সহায় আৰু গুৰুজনাৰ অনুগ্ৰহত ৰামসৰস্বতীয়ে নিজে পচিশ হাজাৰ আৰু আন আন কবি-সকলে তিনিহাজাৰ পদ ভাঙণি কৰে বুলি 'পুষ্পহৰণ'ৰ এঠাইত (২৫২ পৃষ্ঠা) উল্লেখ কৰিছে:

"বনপৰ্ব কথা পৰম গহন
পুৰাণ সহিতে সাৰ।
পচিশ হাজাৰ টীকা জানা আৰ
চব্বিশ শ্লোক হাজাৰ ॥
তথাপিতো আৰ পদ বিৰছিলো
পচিশ হাজাৰ মান।
অন্য কবি সবে তিনি সহস্ৰেক
ৰচি আছে বিস্তু মান॥"
ইত্যাদি।

ৰাম সৰস্বতীয়ে মহাভাৰতৰ আন আন পৰ্ববোৰৰ ভাঙনি কৰোঁতে মূলৰ পৰা আঁতৰি যোৱা নাই। কিন্তু বনপৰ্বৰ ভাঙনিত হে বৈষ্ণৱ কবিৰ "কল্পনা প্ৰগলভ" হৈ উঠিছে। এই বনপৰ্বকে আশ্ৰয় কৰি ৰামসৰস্বতীয়ে খটাসুৰ বধ, ষংঘাসুৰ বধ, কুৰ্মবলীৰ যুদ্ধ, অশ্বকৰ্ণ যুদ্ধ, কুলাচল বধ প্ৰভৃতি স্বকীয়া কাব্য ৰচনা কৰিছিল।

ৰামসৰস্বতীৰ মহাভাৰতৰ অসমীয়া ভাঙনিয়ে সেই সময়ৰ সংস্কৃত নজনা ভক্তি-পিপাসু জনসমাজক ভক্তি ৰসেৰে আপ্লুত কৰাৰ উপৰিও এক শৰণ ভাগৱতী বৈষ্ণৱ ধৰ্মমত আৰু বেচি জনপ্ৰিয় কৰি তোলাত সহায় কৰিছিল। পঞ্চপাণ্ডৱৰ নিষ্কলংক চৰিত্ৰ আৰু সততাই এনেয়ে সকলোৰে সহানুভূতি আৰু প্ৰীতি আকৰ্ষণ কৰে তাতেই প্ৰতিভাশালী বৈষ্ণৱ কবিৰ হাতত পৰি আৰু স্বাভাবিক আৰু সহজ হৈ পৰিছে। বাস্তৱতাপূৰ্ণ সৰল ভাঙনি আৰু মৌলিক ৰচনা কৌশলে তেওঁৰ মহাভাৰতক পুৰণি অসমীয়া সাহিত্যত সদায় এখনি ওখ আসন দিব।

বনপৰ্বক আশ্ৰয় কৰি লিখা হৰিনাম মাহাত্ম্য প্ৰচাৰক বধকাব্যবোৰ ৰামসৰস্বতীৰ সাহিত্যিক জীৱনৰ কীৰ্ত্তিস্তম্ভ। জতুৱা ৰচনা নীতি, ঘৰুৱা উপমা-অলংকাৰ আৰু বৰ্ণনাদিত অসমীয়া জাতীয় জীৱনৰ ছাপ পৰাৰ কাৰণে সেইবোৰ অসমীয়া সাহিত্য ভড়ালৰ অমূল্য সম্পদ হৈ আছে। নৰতনু ক্ষণভংগুৰ। সংসাৰখন পাৰাপাৰ নোপোৱা এখন মহাসাগৰ। এই মহাসাগৰ ৰূপ সংসাৰৰ পৰা মুক্তি পাবৰ কাৰণে, সকলোৱে কৃষ্ণত শৰণ লোৱা যুগুত।

"কৈত কোন দিনা মিলে দাৰুণ মৰণ।
সত্বৰে লৈয়োক বন্ধু কৃষ্ণত শৰণ।।
সন্তৰ সংগত কৰি শ্ৰৱন কীৰ্ত্তন।
কৰিয়ো হৰিত ভক্তি হুয়া শুদ্ধ মন॥"

এই কথাৰে প্ৰতিধ্বনি আছে বধকাব্য বোৰত। ৰামসৰস্বতীয়ে গল্পৰ সহায়েৰে হৰিনাম-মাহাত্ম্য প্ৰচাৰ

কৰিছে। ৰাজ্যহীন, বন্ধুহীন, আশ্ৰয়হীন পঞ্চপাণ্ডৱৰ বনবাস কালত ঘটা কেতবোৰ বিপদ আৰু কৃষ্ণত শৰণ লোৱাৰ ফলত তাৰ পৰা অস্বাভাৱিক ৰূপে উদ্ধাৰ— এই মূল কথাই বধকাব্যবোৰৰ বিষয় বস্তু। এফালে ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে আৰু আনহাতে উচ্চশ্ৰেণীৰ মৌলিক সাহিত্য হিচাপে বধকাব্যবোৰ বৈষ্ণৱ যুগৰ ৰাউতি-যুগীয়া অৱদান।

ধৰ্ম প্ৰচাৰক হিচাপেও ৰামসৰস্বতী শংকৰদেৱৰ অযোগ্য শিষ্য নাছিল। ভাগৱতী ধৰ্মৰ পৰমতত্ত্ববোৰ সৰ্বসাধাৰণৰ মাজত প্ৰচাৰ কৰাই আছিল তেওঁৰ জীৱনৰ লক্ষ্য। বৈষ্ণৱ ধৰ্মৰ জনপ্ৰিয়তা আৰু প্ৰসাৰৰ কাৰণে ৰামসৰস্বতীৰ বৰঙনিও নিচেই কম নাছিল।

কিন্তু সময়ৰ লগে লগে সেই গৌৰৱোজ্জ্বল যুগৰে পৰিসমাপ্তি ঘটিল। নানান ঘাত-প্ৰতিঘাতৰ চেপাখুন্দাত অসমীয়া সমাজ জুৰুলা হোৱাৰ লগে লগে সাহিত্যৰো অৱস্থা শোক লগা হ'ল। অতীতৰ চহকী অসমীয়া সাহিত্যৰ এনে শোকলগা পৰিণতি দেখি সঁচাকৈয়ে বেজাৰ লাগিবৰ কথা। কিন্তু হা হতোস্মি কাঢ়ি বহি থকাৰ সময় উকলিল। অসমেও অৱশেষত স্বাধীনতাৰ সোৱাদ পালে। স্বাধীন ভাৰতীয় যুক্তৰাষ্ট্ৰত প্ৰত্যেক প্ৰদেশেই নিজ নিজ বৈশিষ্ট্য আৰু স্বাতন্ত্ৰ্য বজাই ৰাখি বিশ্বৰ জ্ঞান ভড়ালত নিজৰ নিজৰ বৰঙনি আগবঢ়াব লাগিব। অসমেও অতীত সুমৰি বৰ্ত্তমানক টনকীয়াল কৰি যুগোপযোগী সাহিত্য সম্ভাৰেৰে বিশ্বৰ জ্ঞান ভড়াল চহকী কৰিব লাগিব। স্বাধীন অসমৰ ডেকা গাভৰুৱে দেশাত্মবোধত অনুপ্ৰাণিত হৈ অসমীয়া জাতীয়তাৰ পিতৃ শংকৰ মাধৱক সুমৰি ককালত টঙালি বান্ধি কাচি পাৰি ওলাবৰ হ'ল। অসমেও নিজৰ যোগ্যতাৰ দ্বাৰা বিশ্ব-দৰবাৰৰ আসন গ্ৰহণ কৰিব লাগিব। এয়ে আজি আমাৰ প্ৰতিজ্ঞা—সংকল্প হোৱা উচিত।

## — অবিচাৰ—

—ৰবীন বৰুৱা
প্ৰথম বাৰ্ষিক (কলা)

শতিকা ৰাঙলী কৰি
স্বাৰ্থ লোভী শ্ৰেষ্ঠ মানৱে
সৃষ্টি কৰে ধ্বংসৰ "ফৰমূলা"
—এটম্ বম,
তাৰ দৰেই আৰু কত কি !
সিহঁতেই আকৌ সুসভ্য —
মানুহৰ তেজেৰে পৃথিবী ঢোৱাই
পলুৱাই প্ৰাণৰ পিয়াহ।
আকাশৰ ৰাম ধনুৰ সাত ৰঙেৰে
আজিৰ এই পৃথিবী সজাই,
নৱ সভ্যতাৰ স্বৰ্ণ সৌধ গঢ়ি
পূজা পাতে তাৰ,
—মানুহৰ এটি কটাক্ষত
অগ্নিবান হয় নিক্ষেপন
বিলয়ৰ বিষম সংঘাত '
যুগে যুগে অনিবাৰ
কত দেৱ-দূতে
ৰচি ৰচি সাম্যৰ
ছবি আৰু গান
থৈ গল বুকুৰ তেজেৰে
সলিতা জ্বলাই -
বিশ্বগ্ৰাসী ক্ষুধিত মানুহৰ

সেই ছবি
সেই গান
কৰি পৰিহাৰ
বিজ্ঞানৰ সক্ৰিয়তা প্ৰকাশি
কত শত নিৰীহ জীৱন
উৰুৱাই ধূলিৰ লগত।
মানুহৰ কৱলতে
কত সাধনাৰ
স্বপ্ন-লীলা—মানৱতা
হয় ম্ৰিয়মান।
শতাব্দীৰ পাৰে পাৰে
পোহৰৰ দেশে দেশে
সভ্যতাৰ এই ইতিহাসে
পাব হেৰা ঘোৰ অপমান।

---

# তাজমহলৰ কবি

দীনেশ বৰপূজাৰী
দ্বিতীয় বাৰ্ষিক ( বিজ্ঞান )

( আলোচনা )

'আৰ্ট' হৈছে প্ৰকাশৰ সুনিপুণ চেষ্টা। 'Art is discovery and revelation of beauty'—আৰু এই 'Beauty'য়ে ( সৌন্দৰ্য্যই ) মানুহক কৰে আত্মহাৰা,—মানুহক কৰি তোলে বলীয়া। এই সৌন্দৰ্য্যৰ মুৰ্চ্ছনাত আপোন পাহৰা হৈ কবিয়ে কবিতা লিখে। 'তাজমহ'লৰ বিনন্দীয়া ৰূপ-লাৱণ্যত আত্মহাৰা কবিয়ে যুগে যুগে গাই যাব খোজে—

"তাজমহল ! তাজমহল
অপৰূপা ৰূপদেৱী
প্ৰেমৰ লহৰী তুলি
—ফুলালা কমলা !"—(শিপ্ৰা বৰুৱা)

কবি যেন তাতেই ৰ'ব নোখোজে। বুকুৰ আপোন সুৰ দি প্ৰাণ খুলি অন্তৰ উদঙাই কৈ দিব খোজে—

...."সৰ্ব্ব শুদ্ধা তাজমহল
সৰ্ব্ব শুক্লা তাজমহল
—ৰত্না গৰ্ভা তাজমহল.... !"

পৃথিবীৰ সকলো শেষ হৈ গলেও—থাকি যাব যেন তাজমহল! কবিৰ অন্তৰ আপ্লুত ধ্বনিয়ে—ইথাৰৰ মাজে-মাজে তাৰ প্ৰতিধ্বনি তুলি যায়........

...."হীৰা মুক্তা-মাণিক্যৰ ঘটা
যেন শূন্য দিগন্তৰ ইন্দ্ৰজাল ইন্দ্ৰধনুচ্ছটা
যায় যদি লুপ্ত হৈয়ে যাক,
শুধু থাক
এক বিন্দু নয়নেৰ জল
কালেৰ কপোল তলে শুভ্ৰ সমুজ্জ্বল—
এ তাজমহল।...." ( ৰবী ঠাকুৰ )

তাজমহলৰ সুন্দৰ শুভ্ৰ পাথৰ, হিৰা মুক্তা,—ছাজাহানৰ চকুৰ পানীৰে উপচাই দিয়া প্ৰিয়াৰ আলোক সম্ভাৰ,—কবিৰ আগত যেন ভাহি উঠে জীৱন্ত প্ৰতি মূৰ্ত্তিৰে। কবিয়ে জীৱন্ত কৰি তোলে কল্পনা-প্ৰসুত তাজমহল! কবিৰ চিন্তা শক্তিয়ে তাক কৰি যায় অমৰ—নিত্য-নতুন।

'জীৱনৰ পৰাই সাহিত্যৰ জন্ম', সাহিত্যৰ সম্বন্ধ জীৱনৰ লগত তেল পানীৰ নহয়,—ঘিউ-মৌৰ হোসাহিত্যৰ মাজেদি জীৱনটো প্ৰতি-ফলিত হয়। সাহিত্যৰ মাজত লুকাই থাকে "সৌন্দৰ্য্য"। এই সৌন্দৰ্য্যৰ মাজেদি অসীমৰ ব্যঞ্জনা প্ৰকাশ পায় বুলিয়েই সাহিত্য চিৰন্তন।

বাস্তব যুগৰ, বিদ্যুৎ কল-কাৰখানাৰ যুগৰ দীন দৰিদ্ৰৰ সীমাহীন দুখত যেতিয়া কবিৰ অন্তৰে কান্দি উঠে, তেতিয়া আৰু ছাজাহানক ক্ষমা কৰি তাজ সৌন্দৰ্য্যৰ জয়গান গাবলৈ কবিৰ সময় নাথাকে।

"নকৰা কাচিতো
কোনেনো সজালে সিটি;
কৰা মাথো সাজিছিলে কোনে ?...." (পিয়াৰ)

তাজমহল যেন কবিৰ অন্তৰত, সেই মুহূৰ্ত্ততে হৈ উঠে "তেজেৰে নিৰ্ম্মিত"—তেজৰ মহল। কবিৰ অন্তৰ ছাজাহান

প্ৰতি বিপ্লৱাত্মক হৈ উঠে। হাতুৰিৰ কোবে কোবে, পাথৰৰ গাথনিয়ে গাথনিয়ে চিৰাজীৱ কৰ্ম কঠোৰ সাহস, নিপুন বনুৱাৰ শেষ নিশ্বাস হৈ উঠে যেন মূৰ্ত্তমান। খৃষ্টানা ৰচিটিৰ (Christina Rossetti) ৰ 'Dolorous Valley'ৰ সপোন কবিয়ে যেন দেখা পায়। 'ঘোৰাৰ খুৰাৰ দৰে টান হৈ যোৱা হিয়াবোৰত'–কিজানিবা বন ফুল ফুলিয়েই উঠে। কবিয়ে "এক বিন্দু নয়নেৰ জল" দি তাজমহল ৰাখিব নোখোজে। কবিয়ে হয়টো ভাবে টি, এচ ইলি-য়তৰ বিখ্যাট শাৰীটো—"I have measwred out my life witht coffee spoon" তাৰেই ৰূপান্তৰত হয়তো কবিৰ অন্তৰ জ্বালামুখৰ আগত ইদেন গাৰ্ডেনৰ কল্পনা-সুলভ লহৰ বিলাক ভষ্মীভূত হৈ জাগ্ৰত হৈ উঠে—

"প্ৰজাৰ টকাৰে কিনি বিদেশী পাথৰ
হেজাৰ হেজাৰ বনুৱাক
গাঁথিবলে কৰিলে আদেশ
····নাম তাৰ 'তেজৰমহল' – ।" ( মঃ পিয়াৰ )

সৌন্দৰ্য্যৰ অন্তহীন ৰেখাই য'ত দেখা দিয়ে, – যাৰ কথা ভাবিলে এটোপাল চকুলো পৰে, মন প্ৰাণে কান্দি উঠে সেই—

"তাজ তুমি ৰঙা তেজ
বিৰহীৰ অন্তৰৰ
গোট মাৰি শিলা হোৱা
মৰ্ম্ম-ভেদী ব্যথা"—ও যেন বাস্তৱৰ

নিৰ্ম্মম অত্যাচাৰ উৎপীড়নৰ 'নিৰন্ধ্ৰ আন্ধাৰৰ' মাজত হেৰাই যায়—হেৰোৱা সপোনৰ দৰেই মানুহৰ অন্তৰ যেতিয়া শোকে দহি পেলাই তেতিয়া যেন সেই দুখেই মানুহৰ বাবে 'শুদ্ধ বুদ্ধ নিত্য নিৰ্ম্মলৰ' দৰেই হৈ পৰে শুদ্ধ—নিত্য নতুন। কিন্তু সেই বুলিতো তাজমহলৰ বৰ্ণনা মুল্যহীন নহয়।—সিওতো সাহিত্যৰ এটা প্ৰবাল খাৰ। এজন ইংৰাজ কবিয়ে যুদ্ধৰ আহত হোৱা সৈন্যৰ বৰ্ণনা কৰি কৈছিল—

"The book is not concerned with poetry
The subject of it is the war,
And the pity of war
The poetry is in the pity" –

"The poetry is in the pity"—এই বাক্যটিয়েই কবিৰ অন্তৰৰ ভাব প্ৰকাশ কৰিছে। এতিয়া এই 'pity' লৈয়েই এটা সমস্যাৰ উদ্ভৱ হয়। তাজমহলৰ বৰ্ণনাত এই pity ( দয়া ) দুটা ফালৰ পৰাই দেখা দিয়েহি। এটা হলে অশ্ৰুৰে নিৰ্ম্মিত প্ৰিয়াৰ স্মৃতি,—আৰু আনটো হল তাজমহলৰ 'শিল্পী'········। দুয়োটাই অনন্ত আলোক সম্ভাৰা চিৰন্তন কবিতামান। দুয়োটাকে লৈ আমি আনন্দ বিচাৰো। কিন্তু তাজমহলৰ কথা ভাবিলে আমি প্ৰথমে মনত পেলাওঁ মমতাজ আৰু ছাজাহানৰ অপূৰ্ব্ব স্মৃতিৰ কথাহে। তাজমহল কি তাক কোৱা টান। কবিৰ ভাষাত কবলৈ হলে নেদেখিলে কবলৈ বহুত আছে; কিন্তু দেখিলে আৰু বৰ্ণনা কৰিব পৰা নাযায়। এবাৰ ইংৰাজ স্বামী-স্ত্ৰীয়ে তাজ-মহল চাই ঘূৰি আহোঁতে স্বামীয়ে তেওঁৰ স্ত্ৰীক সুধিছিল 'তাজমহল চাই কেনে দেখিলা" ? উত্তৰত কৈছিল "তুমি যদি তেনে এটা ঘৰ মোৰ ওপৰত সজাই দিব পাৰা মই এতিয়াই মৰি যাব পাৰো"। সেয়েহে হয়তো কবিৰ ····"নয়নেৰ জল"····। তাজমহলৰ বৰ্ণনাত মমতা-জৰ ৰূপ ফুটাই তুলিবলৈ বিচাৰো আমি। কোনোবা এটা মধুৰ দিনৰ "ওঁঠৰ তপত মউ" গলাই আমি সাজি-বলৈ বিচাৰো স্মৃতিৰ তাজ! সেই সময়ত মমতাজ আমাৰ কাৰণে "আধা আধি চকুৰ আবৰ্ত"। আমি ছাজাহানৰ প্ৰেম-প্ৰতিতাৰ কাৰণে সহানুভূতি দেখুৱাওঁ। এয়েই আমাৰ কবিতাৰ স্বৰ্গ। কিন্তু পাছৰটো অৰ্থাৎ শিল্পীৰ প্ৰতি সহানুভূতি দেখুওৱাটো জানো কম হব! সিওতো কবিতা ভৰা। যুগেই হয়টো তাকেই বিচাৰে। 'মনালিছা' থাকিলে 'লাউনাত দা ভীন্সিও' থাকিব, বিজ্ঞ সকলে কয়। যুগে হয়তো বিচাৰে তাকেই। আৰু বিচাৰে তাৰ বহল "বেক গ্ৰাউণ্ডটো"।

# সিহঁতৰ জীৱন

ডিম্বেশ্বৰ ফুকন
প্ৰথম বাৰ্ষিক।

( গল্প )

…পুহমহীয়া হিমবোৰৰ উৎপাতত ৰাতি নৌপুৱাওঁতেই সি সাৰ পাই উঠে, নিলিপা বেৰখনৰ জলঙাইদি চাই দেখে চাৰিওফালে কুঁৱলী।

মিনিজনী তেতিয়াও শুই আছে। সি লোৰা কম্বল খনো ভালকৈ তাইৰ গাত পেলাইদি সি জুইশালৰ ওচৰলৈ যায়। জুইকুৰা ধৰি চাহৰ কেট্‌লিটো তুলি দিয়ে। অকনমান লোণ দি ফিকা চাহখিনি খাই সি যাবলৈ ওলায়।

……আজি কেইবা দিনৰে পৰা মিনিৰ জ্বৰ। তাইৰ হাতখন চুই দেখে অতিপাত গৰম। তাৰ চেঁচা হাতখন লাগি তাই সাৰ পাই উঠে।

মিনিৰ হাতখন ধৰি সি কয় "যাওঁ দেই মিনি, ডাক-গাড়ী আহি পাবৰ হৈছে। আনবিলাক ৰিক্সা কেতিয়াবাই গৈছে।"

"এই ৰাতিপুৱাতেই যে যাবলৈ ওলাইছা কিবাকিবি খালা জানো?" বুলি গাৰোৰ তলত হাত ভৰাই কিবা বিচাৰে। পইচা চাৰি অনা পাই তাৰ ফালে আগবঢ়াই দি কয় এয়া লৈ যোৱা। কিবা কিবি খাবা। খালি পেটেৰে সেইখন কিমান টানিবা?"

সি বাধা দি কয় "নাই অ' নালাগে। কালি অনা মুৰি আছিল নহয়; তাকে খালো। ভোকো তেনেকৈ লগা নাই। মিছাতে চাৰি অনা পয়চা কিয় খৰচ কৰোঁ।"

মিনিয়ে জানে সি ফাঁকি দিছে, কালি অনা মুৰিতো কালিয়েই শেষ। তাই কিবা কব খুজিও কব নোৱাৰা হৈ পৰে। দুখাৰি লোতক বাগৰি পৰে, কাহুৱে নেদেখাকৈ মচি লয়।

মিনিক মনে মনে থকা দেখি সি কয় "বুজিছ মিনি, আজি যদি অন্ততঃ দুটা ভাল ভাড়া পাওঁ তোৰ বেমাৰ দেখুৱাবলৈ ডাক্তৰৰ টকা কেইটা ওলাব।"

ৰিক্সাখন মচা হ'লত আধাখোৱা বিড়িটো কাণৰ পৰা আনি জলাই লৈ সি যাবলৈ ওলায়। ৰিক্সাখন টানি টানি সি সৰু গ'লিটোৰেদি ওলাই পৰে। সি ভাবে অন্ততঃ দুটা ভাল ভাড়া যদি সি পায়………………।

ৰবৰৰ হৰ্ণটো টিপি টিপি সি গৈ থাকে।

*       *       *       *

সি যোৱাৰ পাচত মিনিয়ে খুব কান্দে। তাইৰ বৰ দুখ লাগে। তাই ভাবে এই সংসাৰখনৈকে ঈশ্বৰে মানুহ-বোৰক শান্তিৰ কাৰণে পঠায়। লাহ বিলাহ, সুখ-সামগ্ৰীৰ বস্তু কিছুমান মানুহৰ মাজত মেলি দিছে। মানুহবোৰ সেইবোৰৰ পাচে পাচে দৌৰিছে, কিছুমানে পাইছে কিন্তু হেপাহ পলোৱা নাই। সিহঁতৰ নিচিনা কিছুমানে পোৱাই নাই। সিহঁতৰ গাতে আওজি সোবোৰ আকাশ-লঙ্ঘা দালান সাজিছে। অথচ এমুঠি ভাতৰ কাৰণে সিহঁতে কুকুৰৰ দৰে কামোৰা কামুৰি লাগিছে! সিহঁত কুকুৰ নহয় নো কি?

ভাত মুঠি আৰু কাপোৰ ডোখৰৰেই তোৰা নমৰে আনবোৰ কত? ধন-সোণ সিহঁতৰ সপোনৰ বস্তু।

তাইৰ মূৰটো গৰম হয়, তাই চিঞৰি উঠে, বেচেৰীয়ে নাজানে তাইৰ চিঞৰটো বতাহত মাত্ৰ মিলি গৈছে।

বৰ অবশ হৈ চিঞৰে "পানী……পা……নী"

ৰেল ষ্টেশ্বন্‌ – জাহাজ ঘাট, – বাছ ষ্টেশ্বন্‌। এইবোৰত সি ঘূৰি ফুৰিছে। তাক আজি ভাড়া লাগে। টকা লাগে এনেয়ে নহয়; লাগিলে তাৰ বুকুৰ তেজ দিব। আজি যেন তাৰ ভাগৰ নাই ভোক নাই।

হস্পিটেলৰ দাঁতিয়েদি যাওঁতে ভাল হৈ discharged হৈ অহা মানুহবোৰ সি দেখে মুখত সিহতঁৰ নতুন জীৱন পোৱাৰ হাঁহি।

সি ভাবে-সি যদি আজি ৰিক্সা নাটানিলেহেঁতেন। তাৰ যদি আজি বহুত টকা থাকিলহেঁতেন! সিও তাৰ মিনিক এইদৰে হস্পিটেলত থলেহেঁতেন, এইদৰে মিনিও এদিন গ'ল.হঁতেন! আৰু বহুত কিবাকিবি।

ৰাস্তাৰ দাঁতিৰ বেষ্টুৰাঁবোৰ দেখিলে তাৰ ভোক লাগে ভাবে, চাৰি অনামানৰ খাই লব! যদি Visit দিবলৈ কম হয়?

নাই সি নাযায়।

গধূলিলৈকে আৰু যাত্ৰীবাহী গাড়ী নাহে।
ৰিক্সাখন লৈ জেপৰ পৰা পয়চা কেইটা উলিয়াই হিচাব কৰে চাৰি....আঠ....বাৰ....

সি বিমোৰত পৰে। এতিয়াও ডেৰটকা বাকী। চৰকাৰী হস্পিটেলৰ দৰবকে খোৱাবনেকি,সি ভাবে। নাই সেইটো'ৱা। আগেয়ে নকৰা বুলি ভাবি লৈছে।

ৰিক্স ৱালা সি।

এবাৰ চৰকাৰী হস্পিটেলৰ দৰৱ আনিবলৈ যাওঁতে কম্পাউণ্ডাৰে তাক কোৱা মনত পৰে "মদ খাই মাৰপিট কৰিবি। এতিয়া ঔষধ লাগে। হাৰামজাদাহঁত।" সিহতঁৰ চিনা কিছুমানৰ জানো ডাঙৰ বেমাৰ হয়? সিহঁত সমাজৰ আবৰ্জ্জনা, সমাজৰ অবহেলিত কুকুৰ!

নাই ৰমেশ ডাক্তৰক কব সেই ডেৰটকা পাচত দিব। দিব জানো? সি ভাবে। এনেয়ে সিহঁতৰ লেতেৰা হৈ'ল নাযায়। তাতে আকৌ......

"এই ষ্টেশ্যনলৈ কিমান ল'ব?" মানুহজনৰ কথাত সি চ'ক খাই উঠে।

সি সিহঁতৰ ব্যৱসায়ৰ ভাষাৰে উত্তৰ দিয়ে। মানুহজনে ছুটকেচ আৰু ছাতিটো তাৰ ৰিক্সাখনত লৈ ওচৰৰে ৰেষ্টুৰাখনত চাহ খাবলৈ সোমায়।

ষ্টেশ্যন সোঁৱা। তালৈ নিলে আঠ অনাতকৈ তো বেচি কেতিয়াও নিদিয়ে। তেতিয়াও নহয় গৈ। কি কৰে? কিবা এটা ভাবে তাৰ বুকুত এটা আলোড়নৰ সৃষ্টি কৰে। তাৰ বুকুখন কঁপি উঠে। ছাটিটোৰেই হব সি ভাবে। অন্ততঃ দুটকা ওলাব।

ইফালে সিফালে চাই ছাতিটো ৰিক্সাখনত লৈ সি দৌৰ দিয়ে।

তেতিয়া চহৰৰ চাকিবোৰ জ্বলি উঠিছে।

লাহে লাহে সি চহৰৰ কোলাহল এৰি আহিছে। সোঁৱা এক ফাৰ্লং আছে। মুঠেই এক ফাৰ্লং। সি পাইছে। তাৰ মিনিয়ে জীৱন পাইছে.

"মিনি, এয়া চা পালো" বুলি সি দুৱাৰখন ঠেলামাৰি সোমাই যায়। লৰালৰিকৈ তেল নোহোৱা চাকিটো জ্বলায়, কুকুৰ এটাই মিনিৰ আগত দি থৈ যোৱা কটি কেইখন খাই ভঙা বেৰখনেদি ওলাই গৈছে।

"মিনি" বৰ মৰমেৰে সি মাতে।
মিনিয়ে নামাতে। মাতিব নোৱাৰে!
মুখখনৰ পৰা কাপোৰ খন গুচাই সি চিঞৰি উঠে, 'মিনি!"
মিনিৰ হাতৰ মুঠিত চাৰিঅনা পয়চা।
সি চিঞৰি চিঞৰি কান্দে তাৰ আকাশদেখা, বেৰ ভঙা ঘৰটোতো যেন তাৰ হিয়াভগা বিননিৰ প্ৰতিধ্বনি উঠে।
চাকিটো নুমাই যায়।
বাহিৰত তেতিয়া ধুমুহা আৰু বৰষুণ।

( গল্প )

# মাটিৰ জীৱনৰে ছবি

প্ৰবোধ শৰ্ম্মা
প্ৰথম বাৰ্ষিক ( বিজ্ঞান )

নাম তাৰ ৰামু।

ব্যস্ত জগতখনৰ অন্তহীন কোলাহলবোৰৰ মাজতে সি থাকে

সি অস্পৃশ্য—তাৰ পৰশত পূজাৰ উপচাৰো কলুষিত হৈ যায় সেই কাৰণেই।

ভগবানৰ সেউজীয়া সৃষ্টিত সি অভিশপ্ত পোৰা-কপলীয়া, অসভ্য অমানুহ আৰু কত কি!

সঁচাকৈয়ে সি জানো মানুহ?....সি কৰা কামবোৰ জানো মানুহৰ!

সি অইন একো চিনি নেপায়-চিনে মাথোন কাম। জগতলৈ সি আহিছে কাম কৰিবলৈ। দিনৰ পিচত ৰাতিকৈ, ৰাতিৰ পিচত দিনকৈ। অবিৰাম যন্ত্ৰচালিতৰ দৰেই কাম কৰিবলৈ। উপভোগ নোহোৱা উত্তেজনা লৈ এটা নিৰ্জীৱ ক'লৰ দৰেই সি যায় কাম কৰি; অলসতা তাৰ চকুত এটা অলীক--অনাগত সপোন। বাহিৰৰ জগতখনৰ নিৰস জঠৰতাখিনি সেইকাৰণেই সি ভাল নেপায়।

অকোৱা-পকোৱা আলিবাটটোৰ নিজমতাখিনিৰ মাজত যেতিয়া অইন কোনো নাথাকে তেতিয়া থাকে সি আৰু তাৰ গুটীয়া গৰুৰে টনা সেই আধাভগা গাড়ীখন।

পুবঁতি নিশাৰ ডাঠ কুৱঁলীখিনি ফালি সি গাড়ীখন চলাই নিয়ে—লেৰেলা গৰুটোৰ পিঠিত মৃদু কোব দি। বুকুৰ পাঁজৰ ভগা পুহমহীয়া জাৰে তাৰ কৰ্ম্মক্ষম হাত ভৰিবোৰ জঠৰ কৰি পেলাব খোজে।

সি জাৰত কঁপে।

তথাপিও সি কেৰেপ নকৰে। একো নোহোৱাৰ দৰেই সি গই থাকে—কাহানিবা ক'ৰবাত শুনা বোল. ছবিৰ দুই এফাকি গান গাই গাই——

"দুনিয়ামে গৰীবোঁকো আৰাম নহী মিলতা,"......

সি বিড়ী খায়।

বিড়ীটোৰ ডাঠ ধোঁৱাবোৰৰ তাপকণে তাৰ চেঁচা পৰি যোৱা গাটো উম লগাব নোৱাৰে।—তথাপি সি খায়।

বানৰমাৰ্কা বিড়ীটোৰ এহোপা সি কিয় ভাল পায় নিজেই নাজানে। নিতউ তাৰ মনত পৰে বিড়ীবোৰৰ জুইছাই দামটোলৈ। পেটে পেটে সি ভাবে——সি আৰু বিড়ী নেখায়, অইনবোৰ জিনিচৰ দৰেই বিড়ীৰ দামোনো ইমান বাঢ়িব পায় নে?........

তথাপি নোখোৱাকৈ সি থাকিব নোৱাৰে। তাৰ দিনটোৰ হাৰভগা পৰিশ্ৰমৰ পিচত অহা অৱসাদৰ ভাৰটো বিড়ীৰ হোপা এটায়ে যেন বহুত লাঘৱ কৰি দিয়ে। সেই কাৰণেই নাখাওঁ বুলিও তাৰ খাবৰ মন যায়।

সি যুজ কৰে প্ৰকৃতিৰ লগত—তাৰ জীৱনৰ কাৰণে নহয়, কামৰ কাৰণে।

বাৰিষাৰ দোপালপিটা বৰষুণ, পুহমাহৰ ৰৰফৰদৰে চেঁচা জাৰ—সকলোবোৰ তাৰ ওপৰেদি বাগৰি যায়। শিলৰ মানুহৰ দৰেই সি সেইবোৰ উপেক্ষা কৰে।

দীঘলীয়া দিনৰ ঘহা-পিহালাত তাৰ অনুভূতিবোৰ যেনে কাঠ হৈ যায়, লেৰেলি শুকাই যায়।

সি জানো নিজৰ কাৰণে ভাবে?

তাৰ মানত তাৰ জীৱনতকৈ কামৰ মূল্য বহুত বেচি। সেই কাৰণেই মৰণৰ দুৱাৰদলিতো তাৰ মনত

পৰে তাৰ সেই চিৰচিনাকি আধাভগা গাড়ীখনলৈ, সেই লেৰেলা বলদটোলৈ।

আন একোলৈ মনত নপৰে কিয়নো আন একো সি নাভাবে।

তাৰ হিয়াত তেনে মানৱসুলভ সোৰঁৰণৰ অস্তিত্ব ক'ত? আৰু সপোন?....

নহলেও সি মানুহ—হয়তো তেজমঙহেৰে গঢ়া নহয়। অইন কিবাৰে।

তথাপিও তাৰ চকুৰ আগত কিহবাৰ ছাঁ এটাই কেতিয়াবা লুকা-ভাকু খেলি যায়।—তাৰ হিয়াৰ নিভৃত কোণ এটাত নিৰলে শুই থকা দেৱদৰ্শনৰ বাসনাটো জাগে। সমুখৰ বাধাৰ প্ৰাচীৰ খন ভাঙি তাৰ জীৱনৰ অনাগত মুহূৰ্ত্তটো আদৰি আনিবলৈ কেতিয়াবা সি বলিয়া হৈ যায়। দিঠকৰ নিঠুৰতাখিনি তেতিয়া বাটত ঠিয় হয়—জোঙা কাঁইটেৰে তাক যাব নোৱাৰাকৈ বিন্ধি পেলায় ....

তাৰ জীৱনটোৰ ৰেখাডাল বেঁকা—ঋজু নহয়।

মনত নপৰা দিনৰে পৰা আঁকি অনাৰ দৰেই সেইডাল সি আঁকি লৈ যায়। সভ্যজগতৰ ইতিহাস-খনত মাথোন তাৰ নিচিনা হেজাৰ জীৱনৰ চিৰন্তনীয়া ক'লা ডাগটো থাকে। ঐতিহাসিকসকলে তাক চায় ক'লা চচমাৰ মাজেদি।

জগতে তাৰ চুটি জীৱন কামনা নকৰে।—তাৰ মৰণৰ লগে লগেই তাৰ পৰা পোৱা কামবোৰৰো অৱসান ঘটিব—সেই কাৰণেই জগতে হয়তো তাক নমৰাকৈ ৰাখিবলৈ বিচাৰে। জীৱনৰ পাৰ হব নোৱাৰা গাঁতবোৰ বোধহয় সেই কাৰণেই সি ইমান অনায়াসে পাৰ হৈ যাব পাৰে! অইনবোৰ সেইকাৰণেই মানুহ, আৰু সি সেইকাৰণেই অমানুহ, বৰ্ব্বৰ—সকলো ৰামুৱে সেইবোৰ নুবুজে।

সি অকনমান চাৰাৰ খায়।

তাৰ দেউতাক, ককাদেউতাক, আজুককাদেউতাক—সকলোৱে খাইছিল। সেইকাৰণেই সিয়ো খায়। ব্যস্ত-দিনটোৰ শেহত সি বিচাৰে অকমান জিৰণি—জাগতিক চিন্তাবোৰৰ পৰা আতৰি থাকিবলৈ অকমান অৱসৰ। সেইকাৰণেই সি খায়।

দীঘলীয়া দিনটোৰ পিচত সেইকাৰণেই সি ওলাই যায় বাহিৰলৈ ক'লা জগতখনৰ মিঠা আৱৰণটোৰ সোৱাদ বিচাৰি নহয়—চাৰাৰ অকমান বিচাৰি।

কাগটো খুলি সি নিঃশেষে বাকি দিয়ে চাৰাৰখিনি তাৰ শুকাইযোৱা ডিঙিটোত। কলিজাৰ তেজ পানীহোৱা খাটনিৰ তিতাখিনি সি তেতিয়া পাহৰি পেলায়। ই ই জানো তাৰ ভুল? ....

ভুল হলেও তাৰবাবে দায়ী কোন? সি, নে তাক গঢ়দিয়া সভ্যজগতখনৰ সাঁচটো? ....

সভ্যজগতে তাৰ কাৰণে মূৰ নঘমায়—কিয়নো সি সভ্যতাৰ সীমাৰ বাহিৰত।

কাইলৈ থৈলা এটাকে আনিব লাগিব নহলে, অইন কালেতো ইমান জাৰ নাছিল। সি নিজকে কয়।

জেপটো খুচৰি চায়—আগদিনাৰ মজুৰীৰ বাকী আদ-মহীয়া দুটা আছেনে নাই তাকে বিচাৰি।

গাড়ীখনৰ সৈতেই সি যায় ওচৰৰ কেঞাগোলাটোলৈ। ময়লাৰ ধামাটোৰ মুখখন কপ্‌কপীয়াকৈ বন্ধ কৰি দিয়ে গোন্ধ নোলাবলৈ। ৰাস্তাৰ "ডাষ্টবিন"টোৰ ওচৰতে সি একা-ষৰীয়াকৈ ৰাখে তাৰ চেৰেলা গৰুটো আৰু গাড়ীখন।

তাৰ মুখত অকমান 'খয়নি'। ধামাটোৰ দুৰ্মদ গোন্ধ আৰু বিতৃষ্ণাখিনি চেপি ৰখাৰ অতি হীন প্ৰচেষ্টা।

পইচা চাৰিঅনা আছেনে নাই সি আৰু এবাৰ চায়। হেজাৰ টকাৰ মাল কিনা গ্ৰাহকৰ দৰেই ওঁঠত এটা গৌৰৱ আৰু সন্তুষ্টিৰ হাঁহি লৈ কেঞাৰ লেতেৰা গোলা-টোলৈ সোমাই যায়।

সি থৈলাটো কিনে। সেই চাৰি অনাৰ বিনিময়ত সেই নিশা সি যে শুদাপেটে থাকিব লাগিব তাক এবাৰো ভাবি নেচায়। গোলাটোৰ মুখৰ মালজোখা পাল্লাখন তাৰ

চকুত পৰে।

—এদিনৰ মজুৰী ছয়অনা আৰু সি। কোন-বৈচি গধুৰ?

সি মন নকৰাকৈয়ে ভাবি পেলায়।

হওঁতে সিয়েই গধুৰ—সি কয় আকাশৰ মৌন নীলা-খিনিক। কেৱল বেছিকৈ বাহিৰা খৰছ কৰা কাৰণে, বিড়ী খোৱাৰ কাৰণে তাৰ সেই পইচাবে চলিবলৈ অলপ নাটনি হয়। নহলেনো কি। নিজৰ খোঁৱাখুলীয়া স্বভাব-টোৰ বাবে সি নিজকে গালি পাৰে।

ৰামু গৈ থাকে।

হাকিম বাবুৰ ফুলনিখনৰ ওচৰ পায়গৈ। ফুলি থকা জবাফুলবোৰ তাৰ বৰ ভাল লাগে। কোনেও নেদেখা নজনাকৈ তাৰে কিছুমান সি ছিঙি লয় খুব আলফুলকৈ।

ফুলবোৰে কথা কব নোৱাৰে।

ৰামুৱে সেইকাৰণে বুজে—তাৰ পৰশৰ তিতাখিনি ফুলবোৰে সহিবলৈ টান পায়।

কাষৰে দেৱালয়টো সান্ধ্য-আৰতিৰ কলৰবেৰে মুখৰিত হৈ উঠে। কঁপা সুৰবোৰৰ কেইটামান ৰামুৰ কাণলৈ উটি আহে। তাৰ মনত পৰে—আজি দ'লযাত্ৰা—দেৱতাৰ পূজা।

সেই নমৰহা ফুলবোৰ তাৰ দেৱতাক দিবৰ মন যায়। চকুৱে দেখাৰ সিপাৰৰ দেৱতাক। ক্ষন্তেকৰ কাৰণে সি পাহৰি যায়—সমুখৰ পাৰ হব নোৱাৰা বাধাটো।

মানুহৰ উৰণীয়া মনটো জগতখনৰ শত শত আঘাততো অচল হৈ নেথাকে কিয়নো সি জগতখনৰ সসীমতাৰ পৰা বহুত, আঁতৰত।

ৰামুও মানুহ। তাৰো আছে এটা মুকলিমুৰীয়া, বাস্তৱৰ সীমাৰেখা নমনা মন। হবপাৰে কঠোৰতাৰ ঘা লগা—তথাপিও।

মন্দিৰৰ সুৰক্ষিত বিগ্ৰহটো চাবলৈ সেইকাৰণেই তাৰো হিয়াত জাগে এটা অদমনীয় হেপাহ,—অবাধ বাসনা।

সভ্যজগতৰ মাপ কঠিৰ জোখত তাৰ পৰিচয়টো ক'লা কালিমা সনা—ৰামুৱে তাক জানে। সিয়েইযে তাৰ পথৰ হেঙাৰ তাকো সি বুজি পায়। তথাপি তাৰ অবুজন মনটোৱে বুজিও নুবুজে—কিয় সি যাব নাপায়।

সি অসভ্য-বোধ হয় সেই কাৰণেই।

ফুলবোৰ লৈ ৰামু যায়। তাৰ মলিয়ন চুৰীয়াখনৰ আগতে ফুলবোৰ সি বান্ধি লয়। ফুলবোৰ মৰলা লাগি অলপ নিষ্প্ৰভ হই যায়—ৰামুৱে তাক নাজানে।

আকাশৰ বুকুত ওপঙি থকা মন্দিৰৰ শুকুলা চূড়াটো সি দেখে। কেতিয়াও কৰি নোপোৱাৰ দৰেই সেৱা এটা সি কৰে।

সন্ধিয়াৰ আধা-পোহৰ আধা-আন্ধাৰে ঢকা ছয়ামৰা আকাশখন লাহে লাহে ক'লা হৈ আহে—ৰাতি হয়।

ৰামু তেতিয়াও যায়——একোলৈকে কাণ নকৰি।

সি পায় গৈ।

জন-কোলাহলে আবৰা মন্দিৰটোৰ সমুখতে সি গাড়ী-খন ৰখায়। তাৰ বুকুখন কঁপি উঠে। ইমানবোৰ মানুহক ফাঁক দি সি ভিতৰ সোমাবলৈ সাহ নকৰে। শিলযেন হলেও জীৱনটোলৈ কাৰনো অকণো মোহ নাই।

চকুত দুধাৰি তপত চকুলো লই সি ফিৰি আহে, তাৰ উৰঁলা পঁজাটোৰ এচুকত কোনেও নজনাকৈ সি কান্দে, উচুপি উচুপি বুকুৰ সকলোখিনি নিঃস্ব কৰি উবুৰিয়াই দি পাৰেমানে কান্দে।

ফুলখিনি তেতিয়াও তাৰ ফটা চুৰীয়াখনৰ বান্ধোনতে থাকে। মুকলি বতাহ নাপায় সিহঁত মৰহে-পৰাগবোৰে সুৰভি হেৰুৱায়।···

*　　*　　*

দীঘলীয়া বছৰ এটা পাহৰণিৰ বুকুত হেৰাই যায়।

কিন্তু ৰামু—আৰু তাৰ সেই মৰ পিয়াহটো! হয়তো চিৰকালৰ কাৰণেই পাহৰিব নোৱাৰাকৈ ৰই যাব···

····আকউ দ'লযাত্ৰা আহে।···

মন্দিৰত আগৰদৰেই সান্ধ্য-আৰতিৰ বাজনা বাজে। পুৰণি আকাশখনৰ বুকত আগৰদৰেই মন্দিৰৰ শুকুলা

চূড়াটো ভাঁহি উঠে।

জগতথনৰ ওপৰেদি ৰামধনুৰ সাতোৰঙ সনা জোৰ্বাৰ বাগৰি যায়।···

ৰামুৱে তাকে চায়—সেমেকা চকুৰে। তাৰ হিয়াৰ বীণখনিত তাহানিৰ সেই পাহৰা সুৰটো বাজি উঠে। তাৰ অদম্নীয় হেপেহুৱা মনটোৱে জানো আজি কাৰো-ৰাৰ বাধা মানিব!

তাৰ পঁজাটোৰ কাষতে গজা বনৰীয়া ফুলগছজোপাৰ কেপাহিমান ফুল লই সি মন্দিৰলৈ যায়।···

ৰামুগৈ মন্দিৰৰ দুৱাৰদলি পায়।

পুঞ্জীভূত আশাৰ সপোনভৰা চকুৰে সি সোমায়। ভীৰৰ মাজত দুৱাৰ ৰখীয়াই তাক চিনি নেপায়।

ভিতৰৰ কাৰু-কাৰ্য্যবোৰ দেখি ৰামুৱে ক্ষন্তেকলৈ নিজকে পাহৰি যায়। সোণৰ আসনত ফুলেৰে আবৰা দেৱতাৰ মূৰ্ত্তিটো সি একেৰাহে চাই থাকে। হাতৰ ফুল কেপাহি তাৰ হাততে থাকে····দিবলৈ পাহৰি যায়।······

···তাৰ বুকুৰ সাতোসাগৰৰ পিয়াহখিনি যেন নোহোৱা হৈ যায়।

পূজাৰীৰ শেন-চকু হঠাত ৰামুৰ ওপৰত পৰে। সি ধৰা পৰি যায়···।

খঙত একো নাই হৈ পূজাৰীয়ে তালৈ····ঠিক তাৰ কপালখনলৈ ফুলৰ থালখন দলিমাৰি পঠিয়ায়।···ৰামুৰ কপাল ফালি বৈ আহে কেচাঁতেজৰ এটা নিছিগা ধাৰ।····

ৰামুৰ শিলেৰে গঢ়া দেহাটোতো ঘা লাগি যায়! মৰণৰ আগবতৰা পাই তাৰ জীৱনৰ সকলো ব্যৰ্থতা সি পাহৰি যায়। বাঁচি থাকিবলই তাৰো এটা প্ৰৱল ইচ্ছা হয়। সি লৰ মাৰি ওলাই আহে।

জানি শুনিও দেৱমন্দিৰ কলুষিত কৰা অপৰাধৰ ভয়ত সি কঁপি যায়—কি কৰিব কি নকৰিব ভাবি নেপায়।

তাৰ হাতত থাকে এটা ছিগি যোৱা পাহি। সেই দেৱতাক দিবলৈ নিয়া ফুলবোৰৰে এটাৰ;—শূন্য চকুৰে সি তাকে চায়········

---

## —মোৰ ঘৰ—

(কবিতা)

হিৰণচন্দ্ৰ পাটগিৰী
তৃতীয় বাৰ্ষিক (বিজ্ঞান)

মোৰ ঘৰ—
দুৰণিৰ সেউজীয়া বনৰ আঁৰত
—সেয়ে মোৰ ঘৰ।
অমূল্য মাৰ্বল কাটি
ইটাৰ দেউল বান্ধি
ৰচা নাই তাজৰ মিনাৰ
সুউচ্চ প্ৰাসাদে মোৰ
হীৰ'-মণি-মাণিকেৰে
পিন্ধা নাই বিজয়ৰ হাৰ।

চিৰ-অভিশপ্ত মোৰ
দাৰিদ্ৰ্যৰ পজাঁটিত
পৰা নাই প্ৰেমৰ পোহৰ
—বীণা-বিনিন্দিত কোনো কুমাৰীৰ কণ্ঠ-স্বৰে
বতাহ কঁপাই তুলি
তোলা নাই সুৰৰ ঝঙ্কাৰ।
—মোৰ ঘৰ
ধৰণীৰ খ্যাত-নামা
মহান মনীষী দলে,

মোৰ ভগা দেৱালত,
ৰখা নাই
সময়ৰ চিন,—
মোৰ ঘৰে কোনো দিনে
দিব লগা হোৱা নাই
নিশাৰ আন্ধাৰ ফালি

—অবিচাৰ অন্যায়ৰ
—অত্যাচাৰ, পীড়ণৰ
—শঠতাৰ সাক্ষীদান।

মোৰ ঘৰ অতি দীন —।
বাঁহ আৰু খেৰেৰে বন্ধোৱা
মোৰ সেই দেৱালত
মাটি আৰু গোবৰেৰে
ঢাকি থোৱা নিবিড় আন্ধাৰ খিনি
আৰু
নীৰৱতা ভৰা মোৰ
চিৰ লগৰীয়া
—তুষিত বতাহ খিনি
আন্ধাৰ কঁপাই তোলা
—আন্ধাৰ কঁপনি।

মোৰ চিৰ পৰিচিত
ভেটিৰ ধূলিৰ কণা
সিও যেন থই যায়
মোৰেই বুকুত
চেনেহৰ শেষ অত্যাচাৰ,
বাৰিষাৰ গাজনিত
মোৰ সেই ধৰণীত

উঠে নিতে জোৱাৰৰ ঢউ
তাৰেই বুকুত
—মই, আৰু
মোৰ এই অতিশপ্ত ঘৰ।

তাৰেই তলত
ৰিক্ত মোৰ খাটখনি
তাৰেই কোলাত শোৱা
মানৱ কঙ্কালসাৰ
মোৰ প্ৰতি চেনেহৰ
মাতা, পিতা ভাই, ভনী, প্ৰেমৰ আস্পদ
নিঃশঙ্ক চিতেৰে যেন
মৃত্যুৰ কোলাত
পেটত জ্বলাই লই
—বিক্ষোভৰ জুই
মাজে মাজে মহ আৰু উৰহৰ
চেনেহৰ চুমাটিয়ে
সচেতন কৰি যায়,
'কেনে প্ৰেম .... ?'
অবুজন কীট পতঙ্গৰ।
আৰু, চাবা – ?
ৰান্ধনি ঘৰত মোৰ
এমুঠি চাউল আৰু
নিমখৰে সতে
আহাৰ সিজাই
বুকুত সাৱটি লই
চকুপানী টুকিটুকি
কেঁচুৱাক বিহ দিয়া
অকাতৰ মাতৃত্বৰ ছবি।
—আজি, মোৰ সেই ঘৰে,
প্ৰভাতৰ পোহৰত
নতুনৰ আলোকত
বিচাৰিছে নতুন ৰহণ
শত-শত ভূঁইকঁপ
শত-শত ধুমুহাই
আজি তাক পৰা নাই

কৰিব লঙ্ঘন ।
নতুন যুগৰ -
ৰাঙলী যুজাৰু মই
ৰাখিম আৱৰি
জীৱনৰ শেষ সন্ধিয়াতো
মোৰ সেই ভগা পঁজাটিক ।
জানা জানো কিয় ?
—ভাল পাওঁ তাকে মই
মোৰ যত ভাল পোৱা
সেয়ে তাৰ ভূষণ শিৰৰ ।
সেউজীয়া বনৰ আঁৰত
—সেয়ে মোৰ ঘৰ ।

---

# সহশিক্ষা

চৈয়দ ৰহিমুদ্দিন আহমদ ।
প্ৰথম বাৰ্ষিক- (বিজ্ঞান)

( আলোচনা )

সহশিক্ষা অসমত প্ৰচলিত নাই বুলি কলেও অতিৰঞ্জিত কৰা নহব । যি সহশিক্ষা অসমত প্ৰচলিত আছে, সি আধুনিক জগতৰ সহশিক্ষাৰ প্ৰতি লক্ষ কৰিলে অতি নগণ্য প্ৰতিপন্ন হব । লৰা-ছোৱালীয়ে, অভিন্নভাৱে, প্ৰতিক্ষেত্ৰতে ; নিৰ্বিবাদে শিক্ষা পাব পৰাটোৱেই হল সহশিক্ষা । নানা চৰকাৰী শিক্ষা অনুষ্ঠান থকা স্বত্বেও, একে শিক্ষাকেই ছোৱালী বিলাকক, পৃথক শিক্ষা অনুষ্ঠানত শিক্ষা দিয়াৰ পৰাই, অসমৰ নগণ্য সহশিক্ষাৰ প্ৰমাণ পোৱা যায় । সামান্য সংখ্যক —ছোৱালীয়েহে কোনো শিক্ষা অনুষ্ঠানত, সহশিক্ষা পাবৰ অনুমাত, আভভাৱক সকলৰ পৰা পায় ।

বিশেষকৈ, অসমত সমগ্ৰ নাৰীৰ স্থান, সমাজৰ অতি নিম্ন-স্তৰত অৱস্থিত হেতুকেই আজি সহশিক্ষাৰ প্ৰতি, সমাজৰ এনে অৱজ্ঞাৰ দৃষ্টি আৰু ফল স্বৰূপে আজি অসমৰ সহাশক্ষাও আত নিম্নস্তৰত । অসমৰ কুসংস্কাৰ পূৰ্ণ সমাজৰ ঠেক নীতিয়েই, সহশিক্ষাৰ আগত অলঙ্ঘ্য প্ৰাচীৰ ৰূপে থিয় দি আছে ।

সহশিক্ষাৰ ওপৰত, প্ৰধানকৈ অসমৰ গৰিষ্ঠ, অজ্ঞ সমাজে কেনে দৃষ্টি পেলায়, তাক সহজেই বুজিব পৰা যায় । সহশিক্ষাৰ আলোচনা হলেই, ঠেক মনৰ মানুহ কিছুমানে বা সমাজে আঙুলিয়াই দিয়ে কিছুমান ঘৃণনীয় আৰু অনৰ্থক ফলাফললৈ । অৱশ্যে এইটো কোনোমতেই নুই কৰিব নোৱাৰি যে শতকৰা দুই এজনী ছোৱালীৰ দুশ্চৰিত্ৰক ভিত্তি কাৰয়েই সাধাৰণ মানুহৰ মনত এনে ভুল ধাৰণাই ঠাই পায় । কিন্তু এইটো সুক্ষ্মভাৱে লক্ষ্য কৰা উচিত হব যে, "পাঁচোটা আঙ্গুলি সমান নহয়" । প্ৰকৃততে যাৰ চৰিত্ৰ বেয়া তাক ঘৰত বান্ধি থলেও চৰিত্ৰ সংশোধন নহয়, তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে । উত্তৰাধিকাৰ সূত্ৰেও লৰা-ছোৱালীৰ চৰিত্ৰ বেয়া হয় । তাৰ উপৰিও সঙ্গদোষৰ কাৰণেও লৰা-ছোৱালীৰ চৰিত্ৰত 'ঘুনপাক' গজে । সেই কাৰণে সমাজৰ সংযমী আৰু নিৰ্ম্মল মনৰ লৰা-ছোৱালী গঢ় তোলা, একান্ত আৱশ্যক । এই কাৰণেই প্ৰাচীন কালত লৰা ছোৱালী বিলাকে ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰিব লাগিছিল । উন্নতশীল নগৰৰো কিছুমান মানুহৰ মনত এনে কিছুমান ভুল ধাৰণাই ঠায় পায়, যি বিলাকৰ পৰা তেওঁলোকে সহ শিক্ষাৰ প্ৰাত সম্পূৰ্ণ বিৰোধিতা কৰে আৰু সহশিক্ষাৰ ওপৰত কু-দৃষ্টি পেলায় । অতি কম সংখ্যক লোকেইহে

ঘটনাৰ পাক চক্ৰবিলাক বুজি পাই, সহশিক্ষাৰ ওপৰত কৃপা দৃষ্টি-পেলাইছে বা পেলাবলৈ আৰম্ভ কৰিছে। তাৰ ফলতেই আজি অতি তাকৰীয়া সংখ্যক ছোৱালীক সহশিক্ষা লাভ কৰা দেখা গৈছে।

সমাজৰ এনে সঙ্কোচন মনোভাৱৰ প্ৰধান কাৰণ হ'ল যে, পৌৰাণিক সমাজে বিস্তৃতিৰ দৃষ্টিৰে চাই, এনে বিলাক সমস্যাৰ মূল তত্ব উদ্ঘাটন কৰিবলৈ চেষ্টা নকৰিছিল। পুৰাতত্বই এই সমস্যাবিলাক সাধন কৰিছিল এইদৰে যে, প্ৰাণী মাত্ৰেই কামনা বাসনাৰ অধীন। কোনো যুৱতী কোনো যুৱকৰ ঘনিষ্ঠ সংস্পৰ্শত আহিলেই, যুৱক-যুৱতীৰ মনত কামনা-পূৰ্ণ কিবা এটা চাঞ্চল্যতাৰ আবিৰ্ভাৱ হয়। সেই চঞ্চলতা বশ কৰিব পৰা ক্ষমতা প্ৰাচীন মানুহ, মানুহৰ সাধ্যৰ অতীত আছিল। আৰ প্ৰমাণ অতীতৰ আনকি ঋষি-মুনি সকলৰ ক্ষেত্ৰতেই পোৱা যায়। সেই কাৰণে পুৰণি কালৰ সমাজে এনে সমস্যাৰ অনুমোদন অৱজ্ঞাৰে প্ৰত্যাখান কৰিছিল। সেই নীতিয়েই আজিৰ আধুনিক অসমীয়া সমাজতো চিৰাচৰিত প্ৰথা ৰূপে চলি আহিছে। তাৰ পৰিবৰ্ত্তনৰ আৱশ্যকতা সমাজে উপলব্ধি কৰিবলৈ আজিও অসমৰ্থ হৈ আছে। কিন্তু আজিৰ সমাজে এইটো মানি লোৱা উচিত হব যে, জগত পৰিবৰ্ত্তনশীল। জগতৰ অন্যান্য বিলাক নীতি নিয়ম পৰিবৰ্ত্তন হোৱাৰ লগে লগেই, সামাজিক নীতি-নিয়ম পৰিবৰ্ত্তনৰ একান্ত আৱশ্যক হৈ পৰে। নতুবা জগতৰ লগত নিজক খাপ খুৱাব নোৱাৰি কোনো সমাজ বা জাতি ধ্বংসৰ মুখত পৰাৰ সম্ভাৱনা বৰ বেছি আৰু জগতত ইয়াৰ দৃষ্টান্তও বিৰল নহয়। আজিৰ সমাজত, বোধহয় এনে কোনো মানুহ নোলাব, যি এই যুক্তিৰ সাৰ্থকতা মানি লবলৈ অসমৰ্থতা জ্ঞাপন কৰিব পাৰে।

প্ৰাচীন যুগত সহশিক্ষা পদ্ধতি থকাৰ কোনো প্ৰমাণ পোৱা নাযায়। আৰু কেনেবাকৈ থাকিব পৰাটোও অসম্ভৱ বুলি অনুমান হয়। কঠোৰ আস্তিক ভাৱাপন্ন মানুহৰ মনত সহশিক্ষাৰ নিচিনা এটা কথা খেলাব পৰা একেবাৰেই অসম্ভৱ আছিল বুলিয়েই ধাৰণা হয়।

বৰ্ত্তমান অসমীয়া সমাজেও যে সহশিক্ষাৰ সাৰ্থকতা বুজিছে, এইটো কোৱা টান। অসমৰ গাৱঁলীয়া সমাজলৈ লক্ষ্য কৰিলেই বুজা যাব যে, সহশিক্ষাৰ প্ৰতি মানুহৰ বিতৃষ্ণা কিমান! শিক্ষিত সকলৰ মাজতো এই সহশিক্ষাৰ আৱশ্যকতা বা অনাৱশ্যকতা লৈ তৰ্কালোচনা হোৱা দেখা যায়।

বহল দৃষ্টিৰে চালে সহশিক্ষাৰ বহুত সুফল দেখা যায়। সন্তান—সকলো কালৰ পৰা পাৰ্গত আৰু ওখ মনৰ হবলৈ, পিতৃ-মাতৃ তেনে ওখ ভাৱাপন্ন, বহল মনৰ হোৱা নিতান্ত প্ৰয়োজন। সহশিক্ষা লাভ কৰোঁতে অন্যান্যৰ লগত অবাধ মিলা-প্ৰীতিয়ে ছোৱালী বিলাকৰ মন বহল কৰি গঢ়ি তোলে; চৰিত্ৰ নিৰ্ম্মল আৰু পবিত্ৰ হয়। কাৰণ শত বিপদৰ মাজতো অচল অটল হৈ নিৰাপদে থাকিব পৰাটোহে মূল কথা। অচল-অটলৰ অৰ্থ এইটো নহয় যে, ছোৱালীয়ে লৰাৰ সান্নিধ্যত থাকিও যেন কোটি যোজনৰ আঁতৰত থাওক। এনে, বিলাক কথা মাত্ৰ অজ্ঞতা আৰু ঠেক মনৰহে পৰিচায়ক। সেই কাৰণে চলিত পুৰুষৰ পৰাই; সমাজে তেনে ওখ, বহল আৰু পবিত্ৰ মনৰ পিতৃ-মাতৃ গঢ়ি তুলিবলৈ চেষ্টা কৰা অতি আৱশ্যক। তেহে পাচৰ সন্তানবিলাক স্বাভাৱিকতে আদৰ্শও চৰিত্ৰবান হৈ উঠিব।

যিহেতু বৰ্ত্তমান পৰিস্থিতিত নাৰীয়ে পুৰুষৰ সমানে নাগৰিক স্বত্ব দাবী কৰিছে আৰু পাইছেও। বৰ্ত্তমানত চৰকাৰী সকলো কামতে নাৰীয়ে পুৰুষৰ সমান অধিকাৰ পাব পাৰে। তেনেস্থলত পৃথক শিক্ষাৰ আৱশ্যকতা থাকিব পাৰে ক'ত! তাৰ উপৰিও আগতে পৰ-পুৰুষৰ লগত কোনো ৰকমৰ মিলাপ্ৰীতি কৰাৰ অভিজ্ঞতা নাথা-

কিলে পাচত যে, পুৰুষৰ সমানে কাম কৰাত অজ্ঞাত-সাৰেই কিবা এটা বাধা আহি পৰেহি—অন্ততঃ—কিছু দিনৰ কাৰণে, তাক কোনো ভুক্তভোগী নাৰীয়েই অস্বীকাৰ কৰিব নোৱাৰে। সেই কাৰণেই পৃথক শিক্ষাৰ কোনো প্ৰয়োজন নাই বুলিলেও অন্যায় কৰা নহ'ব। নাৰীয়ে পুৰুষৰ সমানে ৰাজনৈতিক, সামাজিক আদি সকালো স্বত্ব দাবী কৰিব পাৰিলে, সহশিক্ষা লাভ কৰিব নোৱাৰিব—কিয়? স্বভাৱতে প্ৰশ্ন উঠিব পাৰে যে, ছোৱালীৰ কাৰণে যিবিলাক শিক্ষাৰ প্ৰয়োজন—সেই বিলাক সহশিক্ষাত লাভ কৰিব পাৰিব কেনেকৈ? ই অতি সহজ কথা। এইটো চিৰ সত্য যে, লৰাক দিয়া শিক্ষাৰ কেইটামান ধৰা বন্ধা অংশৰ শিক্ষা ছোৱালীবো প্ৰয়োজন। যি বিলাক ছোৱালীৰ কাৰণে অনাৱশ্যকীয়; সেই বিলাক বাদ দি প্ৰয়োজনীয় শিক্ষা দিয়াত কোনো বাধা থাকিব নোৱাৰে। বৰ্ত্তমান শিক্ষা অনুষ্ঠান বিলাকত এই নিয়মেৰেই লৰা বিলাকো শিক্ষা দিয়া হয়।

বৰ্ত্তমান যুগত মানব সমাজে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে, নাৰীও পুৰুষৰ দৰেই কাৰ্য্যক্ষম, প্ৰত্যুৎপন্ন-মতি-সম্পন্না—সকলো কামৰ কাৰণেই আজি তেওঁলোক সক্ষম। আজিৰ জগতে স্পষ্টভাৱে বুজি পাইছে যে, নাৰীৰ সহযোগিতা বিনা সমাজে আশাতীত উন্নতি কৰিব নোৱাৰে। আজি নাৰীয়েও বিচাৰিছে সকলো ক্ষেত্ৰতে পুৰুষৰ লগত সহযোগিতা কৰিবৰ কাৰণে। তেওঁলোকেও বুজি পাইছে যে, তেওঁলোক ব্যতীত পুৰুষে সংসাৰত, উন্নতিৰ পথত যিমান খিনি আগুৱাই গৈছে; তাতকৈও বেছিকৈ আগুৱাব পাৰিব যদিহে তেওঁলোকে পুৰুষৰ লগত সহযোগিতা কৰে।

এতিয়া চোৱা যাওক যে, যদি সকলো ক্ষেত্ৰতে নাৰীৰ সহযোগিতা একান্ত আৱশ্যক তেন্তে সহশিক্ষা লাভ কৰাত নো আপত্তি কি থাকিব পাৰে; সেই কাৰণে আজি সমগ্ৰ জগত জুৰি সহশিক্ষাৰ বহুল প্ৰচলন হৈছে। সকলো ক্ষেত্ৰতে নাৰী পুৰুষ সমানে খোজত খোজ মিলাই অনন্তলৈ আগুৱাই গৈছে।

আমাৰ অসমতো,—আই সকলে সহশিক্ষাৰ কথা বাদ দিয়ো অন্যান্য সকলো দেশৰ কামতেই, ঠেক মনোবৃত্তি আৰু কুসংস্কাৰ দলিয়াই পেলাই, বহল মনোবৃত্তিক সাৰথি লৈ; প্ৰগতিশীল ভাৱধাৰাৰ মাজেদি—পুৰুষৰ লগত সহযোগিতা কৰি, উন্নতি পথত প্ৰবল বেগেৰে আগুৱাই গলে যে, এদিন দুখুনী অসমী আয়ো উন্নতি চূড়ান্তত উপনীত হ'ব পাৰিব, তত অকণো সন্দেহ নাই।

---

# অবাস্তৱ

(কৱিতা)

—মেদিনী চৌধুৰী
৪ৰ্থ বাৰ্ষিক (কলা)

মিছা-মিছা-কল্পনাৰ অসীম মোনতা
সিয়ো মিছা সিহঁতৰ—
তাতোকইয়ো অদ্ভুত আৰু বেচি যুক্তি হীন
সিহঁতৰ এই সত্যৰ নাম-গোন্ধ নোহোৱা
আকাশ-বুলীয়া বাস্তৱটো
মিছা-ভৰা ৰঙীণ জীৱনটো আৰু আজন্মৰ
কেঁচা-তেজেৰে ৰঙা হোৱা যৌৱন
হয়তোবা তাৰে আৰু হেজাৰ সপোনৰ
সাৰ্থকতা খিনি।
মাটিৰ বুকু খানিলেও
ইমাৰত গঢ়াৰ কথা সিহঁতে নভাবে
যুক্তিহীন বুলিয়েও হয়তো কল্পনাও নকৰে সিহঁতে
তথাপিও,—নওঠা সিহঁত
ঠেৰেঙা নিশা
বুকু-বৰি-হীন উদঙ বুকুত কৰ্ম্মব্যস্ত কলিজাৰ
উত্মাকে সানি লই
মাটি খানে—
সিহঁতৰ কল্পনা—সিহঁতৰ ৰঙা সপোনেৰে
কলা মাটি ৰঙা কৰি
মাটি খানে সিহঁতে........
মাটিৰ ৰঙা বাস্তৱত কল্পনাবোৰ লাগি লাগি

ভৰ-পূৰ মনটোও নিঃস্ব হই পৰে সিহঁতৰ
হয়তো সেইবাবেই সিহঁতে নেভাবে
তাজমহলৰ সৌন্দৰ্য্যৰ কথা,
দিনৰ পোহৰৰ সলনি নিশাৰ এন্ধাৰ ডোখৰ
হয়তো সেইবাবেই বিচাৰে সিহঁতে
নতুবা অপৰিহাৰ্য্য—সিহঁতে নিবিচাৰি নোৱাৰে—।
আৰু সেইবাবেই সিহঁতৰ আৰু জীয়া পৃথিবীৰ
কল্পনাৰ মাজতে এটা অলঙ্ঘ্য ‘ চিগ্‌ফ্ৰিড্” লাইন।

---

# স্মৃতিৰ কঁপনি

কথা-কৱিতা]

সত্যপ্ৰভা দাস
৪ৰ্থ বাৰ্ষিক ( কলা )

নীল-যমুনা-শুকুলা জোনাক-ৰজনী গন্ধাৰ সুৰভি বতাহত উটি ভাহি আহিছে গহীন নিৰমল জোনাক বোৰ কেঁচা ডুবৰিৰ ওপৰত পৰি মুকুতাৰ দৰে জিলি-কিছে — তাৰ আঁৰে আঁৰে দীঘল ক'লা ছাঁবোৰ মাটিত আঁকি দিছে। শীতল স্বচ্ছ বতাহ জাকিৰ নিবিড় শিহৰণ লাগি বহুদূৰ সুদূৰৰ গীতৰ কঁপনি এটা নাচি নাচি আহে—নিবিড় জোনাক .... কতো এটি শব্দ নাই। যমুনাৰ বুকুত জোনাকৰ কঁপনি পানীত ঢউ উঠি পাৰৰ শিলনিত ঠেকা খায়। যমুনাৰ পাৰৰ চাৰিও দেশ আজি সপোন—আতুৰ—সৰগৰ বুকুফালি অহা জোনালী বোৰত পৃথিবী যেন মুগ্ধ......।

অদূৰত তাজমহল—একাষে এজন মানুহে এই নিৰৱ নিশাটোক সমুখত লৈ সপোন আতুৰ হৈ দূৰলৈ যেন কিবা চাই আছে। গভীৰ নিশাৰ জোনাকৰ শুভ্ৰ কুৱঁলী সৰি সপোনৰ জাল তৰি দিছে—মানুহ জনে সপোন দেখিবলৈ ধৰে ......

সি আৰু তাৰ মাইলি............।

"মাইলি"—সি গহীনকৈ মাতে...."কি ?" "তাই উত্তৰ দিয়ে "আৰু কিমান দূৰ যাবা—? আমি যে পাহাৰৰ কাষ পালোহি—"

"পাহাৰৰ সিপাৰে কি আছে ?"

"বহুত সেউজীয়া—"

"তাৰ পিচত ?"

"আকাশ আৰু সেউজীয়াৰ মিলন—"

"তালৈকে যাওঁ বলা—"

সিহঁত গৈ থাকে — যোৱাৰ অন্ত নাই। এই যোৱাৰ বাটতে সিহঁতৰ কত আশা—কল্পনা-মায়া মোহ ......

"সেইটো কিহৰ শব্দ ?"

"তোমাৰ দৰেই চঞ্চল জুৰি এটিৰ "

"ইমান ধুনীয়া"—তাই লৰ মাৰে শব্দটোৰ পাছে-পাছে—সিও লৰি যায়। সন্ধিয়াৰ আভাবোৰ পৰি পাহাৰটো ৰঙচুৱা হৈছে- গছ বননিবোৰ ৰঙা হৈছে—তাই কেঁচা বননিবোৰ ফালি লৰ মাৰে—ডাঙৰ বহল শিল এছটা আঁতৰাই পালো পালো বুলি চিঞৰি উঠে। শিল ছটাতে বহি তাই আল-ফুলকৈ ভৰি কেইটা পানীত এৰি দিয়ে—পানীবোৰ সদায়—একেদৰেই বৈ যাব লাগিছে নহয় ?" মাইলিয়ে সোধে—"ওঁ—একেদৰেই—সিহঁতে সদায় যায়—ভুলতো ঘূৰি নাহে ইমান স্বাৰ্থপৰ" অচিনে কয়...........।

'জগত খনেই স্বাৰ্থপৰ" সদায়ে যোৱাৰে বাটত। নহলে পৃথিবীৰ যে অবাটে যোৱা হব—আমাৰ জীৱনৰ এই সৰকি পৰা দিনবোৰেই জানো আকৌ ঘুৰি আহিব ?"

"এই গতিটো বন্ধ কৰিব নোৱাৰি নে ? চোৱা মই জুৰিৰ সোঁতটি বন্ধ কৰি দিন"—তাই ডাঙৰ শিল

এছটাৰে ভেটা দি ধৰে অলপ সময়ৰ কাৰণে পানী বোৰ ৰই যায়। "দেখিছা ? বৈ গল" মাইলিয়ে কয়, "অলপ সময়ৰ কাৰণেহে—চাৱা এইবাৰ বাৰিষাৰ ঢলৰ দৰে উটি ভাহি শিলৰ ওপৰেদি বাগৰি যাব । পানীৰ সোঁতক তুমি ভেটা দিব নোৱাৰিবা মাইলি—ই অনন্ত চিৰন্তৰ...............

ভাঙৰ শব্দ কৰি নীলা পানীবোৰ শিলটোৰ ওপৰেদি বাগৰি যায়। — । তাইৰ মুখখন মোলান পৰি যায় — সি বুকুৰ মাজলৈ টানি আনি কয়—দুখ কিহৰ মাইলি ? এই কাৰণেইতো পৃথিবীখন ধুনীয়া —জীৱনটো বেয়া লাগি ভাল লগা ....."

সিহঁত জুৰি পাৰ হৈ, পাহাৰ ভাঙি—সিপাৰ হৈ গুচি যায় দূৰ দূৰলৈ........ ।

"মাইলি"

'কি অচিন ?"

"এই খনেই নীলাৰ দেশ। সেউজীয়া ইয়াত নাই—দূৰত দেখিছা সউখন ? সেইখন-সাত ৰঙী ৰাম-ধনুৰ দেশ—তাৰ সিপাৰে শুকুলা মেঘৰ মহাদেশ।—তোমাৰ গান গাবৰ মন যোৱা নাইনে মাইলি ?"

তাই গায়---প্ৰাণ দি গান গায়-গান শেষ হৈ যোৱাৰ পাচতো সুৰটি যেন নীলা বোৰত লাগি বৈ গল-

দুয়ো নিৰৱ।

"ভাল লাগে"

"কি ভাল লাগে ?"

"তোমাৰ গান"

"কেৱল গানেই নে ?"

"তাৰ পিচত ?"

"তাৰ পিচত তোমাৰ পদুম কুমলীয়া মাতটি।"—

তাই লাজ পায় নিশা গভীৰ হৈ আহে। আকাশৰ বুকুত তৰাবোৰ জিলিকি উঠে। সিহঁত পোহৰ ভাঙি ভাঙি গৈ থাকে....

মেঘৰ দেশৰ শুকুলা পাহাৰৰ ভৈয়ামত সিহঁতে সক অকলশৰীয়া পঁজা এটি বিচাৰি পায়-সিহঁত সোমাই যায়। অন্ধকাৰ পঁজাৰ এটি ক্ষীণ চাকিৰ পোহৰত মাইলিয়ে কি যেন এটা সুৰৰ আবেশ বিচাৰি পায়। তাই সোমাই গৈয়ে অচিনক সাৱটি ধৰি সুৰৰ সন্ধান দিয়ে....

........"অচিন—এয়া চোৱা—আমি নোপোৱা সুৰৰ সপোন-আবেশ ইয়াতেই বিচাৰি পাইছোঁহি—। চোৱা--চাকিৰ সামান্য পোহৰ কণিতো সুৰৰ কঁপনি আছে-"অচিনে কয় "কিন্তু চাকিৰ এই সুৰৰ কঁপনি যে ক্ষন্তেকীয়া—ইয়াতেই ছন্দৰ মৰণ"। অচিনৰ কথা শুনি তাই মুখখনি মোলান কৰি পেলায়, তাই নিৰবাক্ হৈ অচিনৰ ফালে বহুত পৰ চাই থাকে—মাইলিক তেনে ভাবে থকা দেখি অচিনে ৰৰৈকে হাঁহিবলৈ ধৰে।

"হিঃ হিঃ হিঃ,—হাঁহিৰ প্ৰতিধ্বনি পাহৰৰ বুকুত থেকা খাই আকৌ সিহঁতৰ ওচৰলৈ লৰি আহে—সুৰৰ কঁপনিত বাউলী হৈ তাই সকলো পাহৰি গৈছিল....অচিনৰ হাঁহিয়ে সজাগ কৰি দিয়ে—। অচিন দেশৰ এই নিজান ভৈয়ামত সিহঁতে সদায় নিৰলে বিচাৰি পোৱা এই পঁজাটিত আজি যেন নোপোৱাৰ পোৱা বস্তুটো বিচাৰি পাইছে। মাইলিয়ে সজল চকু দুটা তুলি অচিনৰ বুকুলৈ বৰ দুৰ্ব্বল ভাৱে আগ বাঢ়ি যায়,—অচিনে তাইক মৰম কৰি কয়—

——"মাইলি মই তোমাক বৰ দুখ দিওঁ নহয় ? এই তোমাৰ সুৰৰ দেউলক চিৰকাল সুন্দৰ কৰিবৰ কাৰণেই মই লৰি আহিছো—বহুত দূৰলৈ - যত জীৱনৰ নিৰ্ বাক সত্যক এদিন সুৰৰ সজীৱ পৰশেৰে সৰস কৰি যুগ-যুগান্তৰলৈ জীয়াই ৰাখিব পাৰিম তাত তুমি মূৰ্ত্তিমান হবা,—আকাশৰ নীলা ঢউৰদৰে সাগৰৰ লহৰী মালাৰে পোহৰৰ ৰেখনিৰে-ভৈয়ামত লৰিফুৰা পলৰীয়া হৰিণীৰ দৰে-জোনাকৰ শিশিৰ কণাৰে তুমি সুৰ পাগলী মাইলি ?"...................

ৰাটকুৰি বাই লৰি যোৱা সিহঁতৰ গতিবোৰ এই নিৰিবিলি পঁজাটিৰ আশ্ৰয়ত হঠাতেই যেন নিৰৱ হৈ যায়—তাই বৰ দুৰ্ব্বল হৈ পৰে। সিহঁতৰ আদৰ্শ ৰঙীণ এই ভৈয়ামখন খন্তেকৰ কাৰণে বৰ আপোন হৈ পৰে। পঁজাৰ ভিতৰত—অন্য একো নাই। কেৱল মাথোন শুকান গছ-পাতৰ এটা মৰ্ম্মৰণি শব্দ। সিহঁতৰ ছন্দ—বাউল কোমল ভৰিৰ সুৰত পকা-পাতে মৰহা আনন্দৰ কঁপনি তুলি অলপ পাচতে নিৰৱ হৈ পৰে—। তাইৰ সুৰ

কুমলীয়া মিহি মিঠা মাতটো দুৰ্ব্বলতাৰ হেঁচাত অচিনৰ বুকুত লাহে লাহে শুই পৰে, অচিনে তাইৰ তন্দ্ৰাতুৰ শৰীৰ-টোক আলফুলীয়াকৈ ধৰি সিও শুই পৰে, সিহঁতে সপোনৰ মাজতেই সপোন দেখিবলৈ ধৰে, সপোনতে তাই কয়—

"এই যে বিচাৰি পালো, অচিন এয়া"—

সি উদ্বাউল হৈ উঠে "ক'তা, ক'তা ?"

"এয়া – এয়া --সুৰৰ জয়--ইচ, ইযে ইমান ৰঙীণ--অচিন ইয়াক মই চিৰকাল বুকুৰ মাজত সোমাই ৰাখিম"—

অচিনে আবেগেৰে কয় – "নিশ্চয় নিশ্চয় মাইলি এয়ে যে আমাৰ সত্য," সিহঁত দুয়ো যেন সুৰক মাজত লৈ আনন্দত অভীভূত হৈ পৰে—সুৰ কি সিহঁতে আলপুলকৈ ধৰি চায়—কিজানি চনকা, ভাগি পৰে –। সুৰৰ বিচিত্ৰ আনন্দৰেখা মাইলিৰ সৰ্ব্বাঙ্গ বিয়পি উজলি উঠে। সুৰৰ আনন্দত ছন্দই ৰূপ লয়—তাই নাচিবলৈ ধৰে। পোহৰৰ সীমা অতিক্ৰমি তাই নাচে--নাচোনৰ ছেৱে ছেৱে মুগ্ধ হৈ তাই আৰু নাচিবলৈ ধৰে—নাচি নাচি তাই হঠাতে দেখে অচিনৰ মুক্তি। তাইৰ চকুৰ পৰা অচিন অদৃশ্য হৈ যায়—চিঞৰি উঠে তাই—"অচিন, অচিন ......" দূৰৰ পৰা ক্ষীণ মাত এটাই কৈ যায়- 'মই আহিলো মাইলি"— তাই সজল চকু দুটাৰে চাই থাকে—ছন্দৰ মৰণ - সুৰ বন্ধ হয়---গান নাগায়। জীৱন মৰহে....।

---

# কাৰাগাৰ

—তিলকচন্দ্ৰ গগৈ
তৃতীয় বাৰ্ষিক ( কলা )

১৯৪২ চনৰ ১৪ নবেম্বৰ, যোৰহাট জেলৰ সিংহ দুৱাৰ মুখত লগৰ চাৰিজনেৰে সৈতে মোক চিপাহীয়ে নি হাজিৰ কৰিলেগৈ। লগে লগে জেলৰ ঘণ্টাত টং টং কৈ ৫ টা কোব বাজি উঠিল। জেলৰ ভিতৰত ভীষণ হাত চাপৰিৰ চিঞৰ-বাখৰ শুনিবলৈ পালো। জেলৰ ভিতৰত কিবা খেল হৈছে বুলি আমি বুজিব পাৰিলো। আমাক লৈ অহা চিপাহী কেইজনে আমাৰ দায়িত্ব জেল-গেটৰ চিপাহীক সমৰ্পণ কৰিলে। তেওঁলোকে আমাৰ নাম ঠিকনা আদি লিখি ললে আৰু গা-তালাছি লবলৈ কানি-কাপোৰ খুলিবলৈ কলে। প্ৰথমতে যদিও আমি তেনে কৰাত অপমান বোধ কৰিছিলো, কিন্তু পাছলৈ সি আমাৰ কাৰণে এটা সাধাৰণ কথা হৈ পৰিছিল। আমাক এটা সৰু বিন্ধাইদি ভিতৰলৈ সৰকাই পঠিয়ালে। সেই মুহূৰ্ত্ত ধৰি আমি কাৰাগাৰৰ কয়দি হিচাবে পৰি-গণিত হলো।

সেই সময়ত যোৰহাট জেলত প্ৰায় তিনিশ জন মান ভলণ্টিয়াৰ আছিল অসমৰ সকলোবিলাক নেতাকে যোৰহাট জেলতেই বন্দী কৰি ৰাখিছিল। বন্দীসকলৰ ভিতৰত ৭০ জন মান ছাত্ৰ আছিল। আমি প্ৰৱেশ কৰাৰ লগে লগেই সকলোৱে আকোৱালি ধৰিলে। মোৰ পিঠিত কেইবাজনো বন্ধু জপিয়াই উঠিল। মই মাটিত বহি পৰিলো কাৰণ ১২ তাৰিখে ৰাতি ৪টা বজাত মোক পুলিচে গ্ৰেপ্তাৰ কৰোতে ভীষণ ৰকমে মাৰপিট কৰিছিল। মাৰৰ কোবত মোৰ পিঠি উখহি নৰ্ম্মাল স্কুলত ছাত্ৰসকলে মাতিৰে সজা পৰ্ব্বত-ভৈয়ামেৰে সৈতে অসমৰ মেপখন যেনে হয়, মোৰ পিঠিৰো সেই অৱস্থাই হৈছিল। টিকাত য'ত পুলিচে বন্দুকেৰে খুন্দি-য়াইছিল, বহি পৰাৰ লগে লগে তাৰ পৰা তেজ ববলৈ ধৰিলে। লগে লগে আমাৰ গাত প্ৰচাৰৰ গোন্ধ পাই তেওঁলোকৰ নাক কোঁচ খাই আহিল। টীয়ক থানাত আবদ্ধ কৰি ৰখা ৩৬ ঘণ্টা কাল আমি প্ৰচাৰৰ ওপৰতে শুইছিলোঁ আৰু বহিছিলো। আমাক গ্ৰেপ্তাৰ কৰাৰ আগদিনা ১৪ জন ভলণ্টিয়াৰক আমি অহাৰ আগ মুহূৰ্ত্ত-লৈকে তাতে বন্দী কৰি ৰাখিছিল। তেওঁলোকক ৰাতি দুৱাৰ খুলি নিদিয়াত তাতেই প্ৰচাৰ কৰি সকলোটি থিয় হৈ আছিল। আমাক নি তাতেই আটক কৰেগৈ

বিষত ক্ৰমে মোৰ জ্বৰ বেছিহৈ অহাত তাতেই শুই পৰিলো। পাচদিনা ৰাতি আমাকো দুৱাৰ খুলি নিদি-য়াত তাতেই প্ৰচাৰ কাৰি এৰাতি কটাবলগীয়া হল।

কেইজনমান কয়দি আৰু এজন চিপাহীয়ে আমাক ৮ নম্বৰ ওৱাৰ্ডলৈ লৈ গ'ল। আমি ঠাই চমজি লোৱাৰ পাচত গা ধুবলৈ গ'লো। তাৰ পিচত কাপোৰ-কানি সলাই ভাত খাবলৈ ৰাবলৈ ওলালো। এনেতে জেলৰ হাবিলদাৰে গাই প্ৰতি এখনকৈ গৰম কাপোৰ দুটা ঠেঙা (মানে লং পেণ্টো নহয় হাফ্ পেণ্টো নহয় ঠিক আঠুৰ চাৰি আঙুল তলতে পৰে, দুখন কম্বল, জয়ক দিয়ে পিন্ধা দুটা চোলা আৰু এটা ধানখেৰৰ গাৰু আমাক দিলেহি। লগতে খাবৰ কাৰণে এটাকৈ লোহাৰ বাটিও দিলে। বাটিটোৰ বৰ্ণনা দিবলৈ লাজ আৰু বেজাৰ লাগে। কেঁচা লোহাৰ বাটি, তাৰ ওপৰত পাঁচ জাপ মান মামৰ। আমি প্ৰায় কুৰি মিনিট মান ঘহিও তাক পৰিষ্কাৰ কৰিব নোৱাৰি হতাশ হৈছিলো। অৱ-শেষত কেইজনমান পুৰণি বন্ধুৱে তেওঁলোকৰ বাটি দিয়াত তাকে লৈ খোৱা ঘৰত প্ৰৱেশ কৰিলো।

ভাত দিয়াৰ ব্যৱস্থা দেখি ভাল লাগিল। কাৰণ তিনিজন মানুহে তিনিশ মানুহক ভাত দিওতে বিশ মিনিট সময়ৰ বেছি নালাগে। ভাত দিয়াৰ শব্দটো সঙ্গীতৰ সুৰ যেন লাগে। ভাত সকলোক সমান পৰি-মাণে দিব পৰাকৈ হেতাখন সজোৱা হৈছে। ভাত ভৰাওতে যি বেছি হয় তাক এখন লোহাৰ দৰে কাটি পেলোৱা হয়। লগে লগে এপোৱা মচুৰ দাইলৰ পানী দিয়া হয়। তৰকাৰী সদায় কুমলীয়া অমিতাৰেই কৰা হয়।

মোকো সেইদৰেই ভাত দি গ'ল। প্ৰথমে দিয়া ভাত মোৰ কাৰণে বৰ বেছি চাৰি গৰাহৰ অধিক নহয়। তাকে খাই পুনৰ ভাতৰ কাৰণে অপেক্ষা কৰিলো। মোৰ লগৰ প্ৰায়বিলাকেই উঠি গ'ল। মোৰ লগৰজনে উঠিবলৈ ক'লে। মই সোধাত তেওঁ কলে, জেলত ভাত দিয়াৰ এয়ে ব্যৱস্থা। এবাৰ দি যোৱাৰ পাচত কাকো কোনো বস্তু দিয়া নহয়। মোৰ দুগালেদি চকুপানী বাগৰি গ'ল। মুখধুই বিচনাত পৰি এইদৰে আধা পেটি ভাতেৰে তাৰ উপায় চিন্তা কৰিবলৈ ধৰিলো। সেই আধাপেটি অৱস্থা কেৱল যে মোৰে ভাগ্যত ঘটিছিল এনে নহয়, জেলৰ তৃতীয় বিভাগৰ প্ৰায় শতকৰা নব্বৈ জন লোকৰে এই দশা হৈছিল। তাৰ পৰাই অনুমান কৰিব পাৰি ভাতৰ পৰিমান কিমান আছিল। জেল শাসনতন্ত্ৰৰ মতে আমি চাৰি ছটাক চাউলৰ ভাত পাব লাগে। আমি পাইছিলো ঠিক এছটক ভাত।

তাৰ পিচত এজন চিপাহীয়ে আহি আমাৰ লগত অনা কাপোৰবিলাক খুজিলে। মোৰ লগৰ কেইজনে সলাই দিলে, কিন্তু মোৰ গাত নোখোৱাত মই মোৰ কাপো-ৰকে ৰাখিবলৈ দিলে। জেলৰ নিয়মমতে হাজোতিবিলাকে নিজৰ কাপোৰ পিন্ধিব পাৰে কিন্তু কয়দি হবৰ দিন ধৰি জেলৰ পোছাক পিন্ধিবই লাগিব। ভলণ্টিয়াৰবিলাকে হাজোতি অৱস্থাতেই জেলৰ কাপোৰ বিচৰাত আমাকো তেওঁলোকে দিবলৈ আনিছিল। ৰাতি প্ৰায় আঠটা বজাত জেলৰ হাবিলদাৰ, জামদাৰে আমাক ঘৰৰ ভিতৰতে হিচাব কৰিলেহি; জেলৰ ভাষাৰে ইয়াক 'গণ্টি' বোলে। আমি থকা ঘৰৰ দুৱাৰত তলামাৰি গুচি গ'ল। ৰাতি বেছিহৈ অহাৰ লগে লগে মোক নানা ৰকম চিন্তাই আগুৰি ধৰিলে। সকলোতকৈ ডাঙৰ চিন্তা হ'ল কাৰাগাৰৰ কঠোৰতা নহয়, পেটৰ জ্বালাহে। শোৱাৰ পাচতেই অলপ টোপনি আহিল। ঠিক ৰাতি ন বজাৰ পৰা প্ৰত্যেক ওৱাৰ্ডতে "গণ্টি" আৰম্ভ হয়। গণ্টিৰ শব্দত মোৰ টোপনি ভাঙি গ'ল। সকলো জেলতে গণ্টি দিয়াৰ নিয়ম আছে। এটা গণ্টি এটা ওৱাৰ্ডত আৰম্ভ হয় আৰু শেষৰ ওৱাৰ্ডত গণ্টি শেষ হলে পুনৰ সেই ঘৰৰ পৰা গণ্টি আৰম্ভ হয় গণ্টি দিবৰ কাৰণে প্ৰত্যেক ওৱাৰ্ডতে পাঁচটাকৈ 'পহৰা' থাকে। সিহঁতে প্ৰত্যেকেই দুঘণ্টাকৈ গণ্টি দিব লাগে। সেইদৰে গোটেই ৰাতি যন্ত্ৰৰ দৰে জেলত গণ্টি চলে

পহৰা বিলাকে জেলৰ গন্টিৰ সময়ত সেই নম্বৰত কিমান মানুহ আছে তাক ডাঙৰ ডাঙৰকৈ চিঞৰি যাব লাগে। তাৰ হিচাব মিলিলেই সি কব "চাৰি নম্বৰ থিক আছে····· "পাচ নম্বৰ।" ঠিক সেই মুহূৰ্ত্তেই পাচ নম্বৰত গন্টি আৰম্ভ হব। তাৰ আকৌ হিচাব মিলিলে তাৰ পাচৰ ওৱাৰ্ডটোৰ নম্বৰটো চিঞৰি দিব। এই বিলাক নিৰিক্ষণ কৰিবৰ কাৰণে ঘৰবিলাকৰ বাহিৰফালে সশস্ত্ৰ চন্তৰীয়ে পহৰা দি অবিৰাম ঘূৰি ফুৰিব লাগে। কাৰোবাৰ টোপনি আহিলে জগাই দিব লাগে। এইদৰে পুৱা চাৰে পাঁচ বজালৈকে গন্টি চলে। থিক চাৰে পাঁচ বজাতেই এটা ঘণ্টা বাজে। তেতিয়া এদল নতুন চিপাহী জেলৰ ভিতৰত প্ৰৱেশ কৰে। ছটাৰ ঘণ্টা মৰাৰ লগে লগেই ঘৰবিলাকৰ দুৱাৰ মেলিবলৈ আৰম্ভ কৰে। দুৱাৰ খোলাৰ লগে লগেই সকলো কয়দিয়েই দুটা দুটাকৈ বাহিৰ হৈ আহি ঘৰৰ বাস্তাত সেই দৰেই বহি থাকিব লাগে। যেতিয়া সকলোবিলাক খুলি হিচাব কৰি গন্টি মিলিব তেতিয়া ক'লা পাগুৰি এটাই এটা ডাঙৰকৈ চিঞৰি মাৰি কব "চেন চেন ফাই জাও," তাৰ অৰ্থ এটেনচন্ বা সাৱধান হোৱা। তেতিয়া মুখ হাত ধুবলৈ কয়দিবিলাকক খাবলৈ দিয়া হয়। কিন্তু ভলন্টিয়াৰ বিলাকক কিছুমান নিয়মৰ বাহিৰে সকলোবিলাক পালন কৰিবলৈ বাধ্য কৰিব পৰা নাছিল। মুখ হাত ধোৱাৰ লগে লগে কয়দি বিলাকে মাৰ ভাত খাবলৈ শাৰী পাতি বহিব লাগে। ভলন্টিয়াৰ বিলাকৰ খোৱা বোৱাৰ ব্যৱস্থা আছিল। পুৱা মুখ হাত ধোৱাৰ লগেই লগেই মৰো মাৰ ভাত খাবলৈ গ'লো। মাৰ ভাত আগেয়ে জীৱনত খাই পোৱা নাছিলোঁ। বাইজৰ লগত মোৰো মামৰে ধৰা বাটিটো পাতি দিলো। অলপ গুৰেৰে সৈতে এপোৱা মাৰ ভাত দিলে। প্ৰথমতে মই খাব পৰা নাছিলো আৰু এদিনীয়া মানুহৰ কাৰণে খাব পৰাটো সম্ভৱ পৰ নহয়। মাৰ ভাত দিয়াৰ লগে লগে কিনাৰত মামৰ বাঢ়িবলৈ ধৰিলে। বেজাৰ মনেৰে মাৰ ভাতখিনি পেলাই বাটিটো ঘহিবলৈ আৰম্ভ কৰিলো।

জেলৰ বান্ধনিসকলৰ ভিতৰত হত্যাকাৰীৰ সংখ্যাই বেছি যদিও লগত দুই এজন চোৰ আৰু তিৰোতা অপহৰণ-কাৰীও আছিল।

গা ধোৱা শেষ হোৱাৰ পাচত জেলখন চাবলৈ আৰু জেলৰ বিষয়ে জানিবলৈ আগ্ৰহ হ'ল। আমাক প্ৰথমতে জেলৰ ভিতৰত ঘূৰি ফুৰিবলৈ দিয়া নাছিল যদিও পাচত বাধা দিয়া নাছিল। জেলত জীৱন আৰম্ভ হোৱাৰ লগে লগে জেলৰ অভিজ্ঞতাও দিনে দিনে বাঢ়িবলৈ ধৰিলে, তাৰে এটা সাৰাংশ লগতে প্ৰকাশ কৰিলো। বহিৰ্জ্জগতত থকা সকলোবিলাকেই জেলৰ ভিতৰত আছে। জেলৰ বিভাগ বিলাকক "ছালি" বুলি কোৱা হয়। যেনে, বাহিৰ ছালি, পানী ছালি, মিস্ত্ৰী চালি, বাগান ছালি ইত্যাদি। সেইদৰে কয়দিবিলাকৰ ভিতৰতো ভাগ আছে। যিবিলাকে এবাৰ জেল খাইছে, তেওঁলোকক "এ ক্লাছি কয়দি" বোলে। একাধীক বিলাকক "বি ক্লাছি" বুলি কোৱা হয়। পোছাকৰো সেইদৰে ভাগ আছে, যি বিলাকে এবাৰ জেল খাইছে তেওঁলোকৰ পোছাকত এডালকৈ কলা দাগ থাকে। ততোধীক বিলাকৰ কলা দাগ দুদাল। কয়দিয়ে কয়দিৰ পোছাক নিজে তৈয়াৰ কৰে। তাৰ ব্যৱস্থা তেজপুৰ আৰু চিলেট জেলত আছে। একোটা কয়দিৰ ছালিত ছটাকৈ কয়দি থাকে। তেওঁলোকৰ ওপৰত এক্জোন চিপাহী। তেওঁৰ তলতে এজন "মেট"। মেটৰ তলতে এটা পহৰা। বাকী চাৰিটা সাধাৰণ কয়দি। সিহঁতেই জেলৰ আচল শ্ৰমিক, আকৌ ক্ষমতা হিচাবেও কয়দিৰ ভাগ চাৰিটা। সাধাৰণ কয়দিয়ে কয়দিৰ পোছাকৰ মুৰত এটা টুপী আৰু বুকত কাঠৰ "জাননী" এখন পায়। জাননীত কয়দিৰ মিয়াদ কাল আৰু খালচৰ দিন উল্লেখ কৰা থাকে। নতুন কয়দিক প্ৰথমে তাতেই ভৰ্ত্তি কৰা হয়। সিহঁতে মাহেকত চাৰিদিনকৈ 'মাৰ্কা" পায়। তাৰ অৰ্থ মাহে চাৰি দিনকৈ শাস্তিৰ পৰা হেৰাই পায়। সিহঁতৰ ওপৰতে পহৰা, সিহঁতৰ সাধাৰণ পোছাকৰ উপৰিও এটা মোহৰ থাকে। তাত লিখা থাকে C.N.W.

অর্থাৎ Convicted Night Watchman. সিহঁতে মাহে পাঁচ দিনকৈ ম্যাদৰ পৰা ৰেহাই পায়। সিহঁতৰ ওপৰত মেট, সিহঁতৰ মোহৰত থাকে C.O. অর্থাৎ Convicted Officer. সিহঁতে মাহেকত ছদিনকৈ ৰেহাই পায়। সিহঁত সকলোৰে ওপৰত হ'ল কঁলা পাগুৰী। সিহঁতৰ ক্ষমতা এটা ওৱাডাৰ চপাহাৰ সমান। সিহঁতৰ মোহৰত C.W. লিখা থাকে, তাৰ অর্থ Convicted Warder, সিহঁতেই জেলৰ অতি বিশ্বাসী কয়দি। সিহঁতে চিপাহী লগত নথকাকৈ যলৈ তলৈ যাব পাৰে। সর্ব্ব সাধাৰণতে দীঘল ম্যাদী কয়দিক খালাচৰ এবছৰ মানৰ আগতে এই খিটাপত দিয়া হয়। সাধাৰণ কয়দি আৰু পহৰাই মাহেকত দুদনাকৈ ৰানচ পায়। মেট বিলাকে চাৰি অনাকৈ আৰু কলা পাগুৰীয়ে আঠ অনাকৈ পাবৰ নিয়ম আছে। মেট আৰু কলা পাগুৰীৰ লগত একোটাকৈ whistle পায়। জেলত সর্ব্বসাধাৰণতে তাক "চিটি" বুলি কয়। জেলত যি কোনো বিপদৰ সময়ত সিহঁতে তাক বজাব পাৰে। জেলত মাজে সময়ে পগলা ঘন্টি বাজে। পাগলা ঘন্টি জেলখানাৰ কম বস্তু নহয়। সর্ব্বসাধাৰণতে চিটি বজাৰ লগে লগেই পাগলা ঘন্টি বাজি উঠে আৰু ৰিজার্ভৰ চিপাহী বিলাকে জেল আগুৰী ধৰেহি। চিপাহীবিলাক কেলৰ ভিতৰত সোমোৱাৰ আগতে কিছুমানে ওপৰলৈ উঠি আৰু কিছুমানে দুৱাৰমুখত থিয় হৈ থাকে। বাকী এটা সশস্ত্রদল ভীম বেগে ছেলৰ ভিতৰত প্ৰবেশ কৰে। নিয়ম মতে জেলত পাগলা ঘন্টি বাজিলে সকলো ঘৰৰ ভিতৰত সোমাবই লাগিব। কাৰোবাক বাহিৰত পালে তাৰ আৰু ৰক্ষা নাই। জেলৰ কেউ-চুকে তেওঁলোকে গুলিবর্ষণ কৰে আৰু গোটেই জেল তৎক্ষণাত পৰিভ্ৰমণ কৰে, তাৰ পাচতেই কয়দি বিলাকৰ গন্টি হয়, গন্টি মিলিলে সকলো ওলাই গুচি যায়। কয়দিৰ ভয় প্রদর্শনৰ কাৰণেই এই ব্যৱস্থা কৰা হৈছে। দুপৰীয়া ভাত খোৱাৰ পাচতো কয়দিৰ গন্টি হয়, সর্ব্ব-সাধাৰণতে দিনে চাৰিবাৰকৈ গন্টি চলে, জেলৰ সকলো ব্যৱস্থা কয়দিৰ দ্বাৰাই কৰোৱা হয়। জেইলাৰে কয়দি দমন কৰিবলৈ সিহঁতৰ মাজত কেইবাটাও দল তৈয়াৰ কৰে, আৱশ্যক হলে সিহঁতৰ মাজতেই মাৰ-পিট লগাই দি জেইলাৰে নিজক মুকলিমূৰীয়া কৰি ৰাখে।

জেলত উৎপাত কৰা কয়দি বিলাকক শাস্তি দিবৰ বেলেগ বেলেগ ব্যৱস্থা আছে, অপৰাধ চাই কোনোক "ডান্দা বিৰি," কোনোক "শিকল বিৰি" কোনোক "ষ্টেণ্ডিং-হেণ্ডকাপ," কোনোক "স্লিপিং হেণ্ড কাপ," কোনোৰ "মার্কা কটা," কোনোক বদলি কৰা আদি। নতুনকৈ অহা গুণ্ডা কয়দি বিলাকক সিহঁতৰ বল ভাঙি লবৰ কাৰণে জেইলাৰে সিহঁতক ঘাণিত তেল পেৰিবলৈ লগায়। ঘাণি কয়দিৰ কাৰণে অতি মৰাত্মক বস্তু। ঘাণি বুলিলে সকলো কয়দিয়ে ভয় কৰে। এই আটাইবিলাক বিষয়তে জেইলাৰেই সর্ব্বশক্তিমান।

জেলখানা এটা বিৰাট অভিজ্ঞতা, জেলত থকা অৱস্থাত তাক বুজিব নোৱাৰিলেও এতিয়া ভালকৈ উপলব্ধি কৰিছো। সৌভাগ্যবশতঃ আমাৰ দিনতেই ই পৰিপূর্ণ হৈ উঠিছিল। কাৰণ সকলো বিভাগৰ উত্তৰাধিকাৰী সকলক (Head of the Departments) আমি একেলগে লগ পাবলৈ সুযোগ পাইছিলো। একে ঘৰতেই আমি, ধর্ম্মাধিকাৰ গড়মূৰীয়া সত্রৰ প্রভূ দুগৰাকী, দুখীয়া আৰু দেশৰ কাৰণে চিন্তা কৰা স্বদেশপ্রেমিক নেতা সকল, স্বাধীনতা যুদ্ধত বন্দী হোৱা বিপ্লৱী ডেকা সকল, নানা কলঙ্কেৰে কলঙ্কিত দস্যুৰ চর্দাৰ, চোৰৰ গভাইত গুণ্ডামিত খ্যাতি থকা নাম জলা বিলাক, নৃশংস ভাবে মানুহ হত্যা কৰা হত্যাকাৰীবিলাক, তিৰোতা অপহৰণকাৰী বিলাক, সকলোৱেই বাস কৰিছিলো। এইখনেই আছিল আমাৰ জেলৰ সমাজ। তীর্থ ভৱিষ্যত জীৱনৰ কাৰণে সমাজত চলিবলৈ আৱশ্যকীয় বহুতো আহিলা গোটাই লবলৈ সুবিধা আছিল।

জেলখানাৰ, সাধাৰণ বিৱৰণি দিওঁতেই বহুত কথাই

কৰ লগীয়া হল। এতিয়া পুনৰ মোৰ অভিজ্ঞতাৰ মাজেদি আগবাঢ়িবলৈ ললো। ইয়াৰ পৰাই জেলখানাৰ ভলন্টিয়াৰৰ সাধাৰণ অৱস্থা বুজিব পৰা যাব।

এইদৰেই চৌধ দিন পেট নভৰাকৈ কটাই দিলো। ৰাতি চকুত টোপনি নাই মনৰ শান্তি নাই যেনিয়েই চাও তেনিয়েই ভবিষ্যতৰ আকাশত কলা ডাৱৰ। জেলত প্ৰত্যেক পক্ষতে সকলোকে জোখ লোৱাৰ নিয়ম আছে। প্ৰথম পক্ষত মই বাৰ পাউণ্ড কমিছিলো। পাচত উপায়ন্তৰ হৈ চুৰ কৰি ভাত খোৱাৰ ব্যৱস্থা কৰিলো। দিনে দিনে ভলন্টিয়াৰৰ সংখ্যাত জেলত বৃদ্ধি পাব ধৰিলে। মোৰ দৰে বহুতেই চুৰাৰ তিনিবাৰকৈ ভাত চুৰ কৰি খাবলৈ ধৰিলে। বহুতো ধৰা পৰিল। এদিন ভাত খাওঁতেই কয়দিটোৱে মোক চিনি পাই মাৰিবলৈ হেতাখন দাঙি ললে। ময়ো সাজু হৈছিলো। তাৰ পাচত মোক জেইলাৰৰ ওচৰত হাজিৰ কৰোৱা হল। সেই-লাৰে সতৰ্ক কৰি মোক ক'লে যে ভবিষ্যতলৈ এনে কৰিলে মোৰ শাস্তি হব। যা হওক মোক অলপ ভাত বেছিকৈ দিবলৈ জেইলাৰে নিৰ্দেশ দিলে। এইদৰেই এমাহ আঠ দিন কটালো। শৰীৰ বহুটো ক্ষীণাল। পুলিচে মোক আঠটা অপৰাধত অপৰাধি কৰিছিল। কিন্তু সাক্ষীৰ অভাৱত বিচাৰকে খালাচ বুলি মোক জনালে; কিন্তু দুখৰ বিষয় এজলাচৰ পৰা ওলাবলৈ নৌ পাওতেই পুলিচে পুনৰ মোক গ্ৰেপ্তাৰ কৰে আৰু এখন গ্ৰেপ্তাৰী পাৰোৱানা মোৰ হাতত দিয়ে। তাত লিখা আছে You will be de tained till the end of the war তাক দেখি আনন্দ আৰু বেজাৰত আত্মহাৰা হলো। আনন্দ পাইছিলো যে আজিৰ পৰা প্ৰথম শ্ৰেণীত পেট ভৰাই খ'লৈ পাম। বেজাৰ লাগিছিল যুদ্ধখন বা কেতিয়াকৈ আদায় হয়!

চাওতে চাওতে যোৰহাট জেল ভলন্টিয়াৰেৰে ভৰি পৰিল। যোৰহাট জেলৰ জনসংখ্যা সাধাৰণ কয়দিৰে সৈতে প্ৰায় বাৰশ হলগৈ। বিচাৰবিহীন বন্দীৰ সংখ্যাও দিনে দিনে বৃদ্ধি পাবলৈ ধৰিলে। ভাত খাবৰ সময়ত ভলন্টিয়াৰৰ ফাইলত সদায় কিবা এটা গোলমাল থাকেই। কাৰণ ভাত ডাইল তৰকাৰি আদিত অনেক অখাদ্য বস্তু বাহিৰ হৈছিল। যেনে-মানচাদা, জেঠি গুৱৰুৱা, বোন্দাকেচু, পইতাচোৰা ইত্যাদি। তাৰ প্ৰতিবাদ কৰে ৰাজনৈতিক বন্দী সকলে সদায় অনশন কৰিব লগা হৈছিল। যিদিনা তৰকাৰীৰ কাৰণে অনা অমিতাত মানুহৰ বিষ্ঠা দেখা গ'ল, সেইদিনা জেলত ভীষণ হৈ-চৈ লাগি পৰিছিল। প্ৰত্যেক সপ্তাহতে ভলন্টিয়াৰ ফাইলত এইবিলাক কাৰণতেই সপ্তাহটোৰ ভিতৰত তিনিদিন অনশন চলাটো এটা সাধাৰণ কথা হৈ পৰিছিল, কোন সাজ ভাত খোৱা হব তাক সকলোৱে খাই নুঠালৈকে কোনেও কব নোৱাৰিছিল। যোৰহাট জেলৰ ভলন্টিয়াৰ সকলৰ প্ৰায় প্ৰথম ছমাহ এইদৰেই পাৰ হল। তাৰ পাচত আমাৰ ভাগ্য চকৰি বেলেগ ধৰণে ঘূৰিবলৈ ধৰিলে। আমাৰ অগ্নি পৰীক্ষা লাহে লাহে চমু চাপি অহিবলৈ ধৰিলে। যদিও আমি দিনটো সৰ্ব্বসাধাৰণতে পুৱা নানা ৰকম আলোচনাত আৰু আবেলি ভলি বেডমিণ্টন, টেনিকইট, পাশা, ডবা আৰু মিটিঙৰ মাজেদি কটাইছিলো, তথাপি আমাৰ মাজত থকা বহুত গুৰুতৰ অপৰাধীৰ বিচাৰ চলি থকাত মাজে মাজে আমাৰ মন চঞ্চল হৈ উঠিছিল। খোৱাৰ সম্বন্ধে সদায় আপত্তি আছেই, জেলৰ ভিতৰতে যদিও চাৰিখন থিয়েটাৰ পতা হৈছিল, যদিও পূৰ্ণ সমাৰোহেৰেই বিহু পালন কৰা হৈছিল তথাপি আন আন চিন্তা বিলাকে মানুহক যথেষ্ট চিন্তিত কৰি তুলিছিল।...........

১৯৪৩ চনৰ ২৪ ফেব্ৰুৱাৰী। ঠিক সন্ধ্যা লাগি ভাগিছে। এনেতে জুই, জুই বোলা দুটা চিঞৰ শুনা গ'ল। জেলৰ সকলো চিটি একেলগে বাজি উঠিল। 'পাগলা ঘন্টি টং টং কৰি বাজিবলৈ ধৰিলে। লগে লগে আমাৰ কাণত পুলিচৰ দমদমনিয়ে স্পৰ্শ কৰিলেহি। তৃতীয় শ্ৰেণীৰ ৰাজনৈতিক কয়দি সকলে ভাত খোৱা

আৰম্ভ কৰিছিল । এনেতে প্ৰায় এশমান বন্দুক আৰু লাঠিধাৰী চিপাহীয়ে এফালৰ পৰা ৰাজনৈতিক বন্দী থকা ঘৰবিলাকৰ ভিতৰত সোমাই মাৰপিট আৰম্ভ কৰিলে । মাৰৰ কোবত ভলন্টিয়াৰ ওলাই পলাবলৈ চুৰ্ত্তি হেৰাল । অলপ পাচতেই আৰু এশমান চিপাহী সোমাই আহিল । দুই দলে এফালৰ পৰা ভলন্টিয়াৰৰ ওপৰত ভীষণ অত্যাচাৰ আৰম্ভ কৰিলে । জেলখানাৰ ভিতৰ বাহিৰ তেজেৰে ৰাঙলী হ'ল, খোৱা ঘৰত ভলন্টিয়াৰৰ মুখৰ ভাত মুখতে থাকিল ; মাৰৰ কোবত কাহিৰ ওপৰতে সকলো বাগৰি পৰিল । খোৱা ঘৰো তেনেই তেজেৰে ৰাঙলী হল । আধা ঘণ্টাৰ ভিতৰত এশ বিৰাশী জন মানুহক একেবাৰেই শুৱাই পেলালে । সেই সময়ত জেলৰ ভিতৰত যি ক্ৰন্দন ধ্বনি উঠিছিল তাক কথা বা ভাষাৰে প্ৰকাশ কৰিব পৰাটো সম্ভৱপৰ নহয় । তিৰান্দব্বৈখন ভাতৰ কাঁহী তেজেৰে সৈতে পাচদিনা ডেপুটি কমিচনাৰক দেখুৱা হৈছিল । তাৰ পাচতো "হামফ্ৰে চাহাবে" ব্যৱস্থা কৰিছিল তাক কেনেকৈ জেলবিদ্ৰোহ বুলি প্ৰমাণিত কৰি কেইজনমানক ফাঁচি দিব পাৰে। কিন্তু ভগবানে ৰক্ষা কৰিলে । ২৪ তাৰিখৰ ঘটনা এই কেইটা বাক্যৰে প্ৰকাশ কৰাটো সম্ভৱ নহয় । ইয়াত মাত্ৰ ঘটনাটোৰ কথাহে উল্লেখ কৰা হৈছে । এই কাহিনীটো অতি মৰ্ম্মস্পৰ্শী, সুবিধা পালে ভবিষ্যতে সকলো বিবৰণী জনাম বুলি আশা কৰিলো ।

তাৰ পাচত বীৰ গদাধৰৰ বংশধৰ কুশল কোঁৱৰৰ ফাঁচিৰ হুকুম । ১৪ জুনৰ শেষ ৰাতি আমাৰ চকুৰ আগতে থিয়ৈ থিয়ৈ ফাচিৰ শালত আঁৰি দিলেগৈ । ফাঁচি দিয়াৰ বিষয়ে নকলেও সকলোৱেই বুজিব পাৰে, ই কিমান মৰ্ম্মস্পৰ্শী হব । এই সম্বন্ধেও পাচত জনাম বুলি আশা কৰি ৰলো । কিন্তু কুশল কোৰঁৰৰ এটি ঘটনা প্ৰকাশ নকৰিলে ই সম্পূৰ্ণ নহব বুলি তাৰে এটি সাধাৰণ অংশ পাঠক সকলৰ আগত ডাঙি ধৰিলো । কোৰঁৰক ফাঁচি দিয়াৰ কেইদিন মানৰ আগতে তেওঁৰ পত্নী পোনা কেইটিৰে সৈতে দেখা কৰিবলৈ জেললৈ গৈছিল । এই দৃশ্যটি মনত পৰিলে এতিয়াও আমাৰ চকুত চকু পানী ওলায় । কোঁৱৰৰ পত্নীয়ে কোৰঁৰৰ লগত কথা পাতি যেতিয়া বাহিৰলৈ ওলাল তেতিয়া কোৰঁৰে জেইলাৰক কৈছিল, "জেইলাৰ বাবু এই কেইটি মোৰ পেটৰ পোৱালী । মোক সিহঁতক অলপ হাতফুৰাবলৈ সুযোগ দিয়ক । ফাঁচিৰ শালত উঠাৰ আগতে সিহঁতক এবাৰ চাই লওঁ আৰু অলপ হাতফুৰাই মৰম কৰোঁ ।" জেইলাৰে তেতিয়া বাধা দি কলে যে তেনেকৈ দিবৰ কোনো নিয়ম নাই । সেই দৃশ্য সঁচাকৈয়ে হৃদয় বিদীৰ্ণ হোৱা । সেই সময়ত জেলত এনে মানুহ নাছিল যি তাক দেখি এটুপি চকু-লো টোকা নাছিল । কোৰঁৰ শোকত বিহ্বল হৈ অস্থিৰ হৈ পৰিল । চকু-লো টুকি টুকি মৃত্যুৰ আগ মুহূৰ্ত্ত কান্দি কান্দি ভগা ভগা মাতেৰে পোনা কেইটিক কৈছিল, "পোনাহঁত তহঁতি যাগৈ । মোৰ কাৰণে বেজাৰ নকৰিবি । আজিয়েই বুজিল জগতত পিতা-পুত্ৰৰ এয়ে সম্বন্ধ । মৰিবৰ আগ মুহূৰ্ত্ততো তহঁতক অকণমান মৰম কৰিবলৈ মোৰ ভাগ্যত নঘটিল । জগতত কোনো কাৰো আপোন নহয় । ভগবানক বিশ্বাস কৰি চলিবি । ভগবানে তহঁতক মৰম কৰিব ।" পোনাকেইটিয়ে ফেকুৰি-ফেকুৰি কান্দিবলৈ ধৰিলে । এই দৃশ্য দেখি গোটেই জেলত কান্দোনৰ অৱস্থা এটা সৃষ্টি হৈ পৰিল । পোনাকেইটিয়ে পাচলৈ ঘূৰি ঘূৰি চাই চাই মাকৰে সৈতে চকুৰ পানী টুকি টুকি বাহিৰলৈ ওলাই গুচি গ'ল । .... .... ....

তাৰ পিচত ন আগষ্টত গান্ধী যাত্ৰা । থিক দিনৰ দহটা বাজিছে । আমি ঠিক খাবলৈ ওলাইছো । লগে লগে বহুত বন্দুক আৰু লাঠিধাৰীয়ে জেলখানা ভৰি পৰিল । জানিব পাৰিলো আজি পাগলা, ঘণ্টি বাজিব । ভয়ত জেলৰ সকলো অস্থিৰ হ'ল । কাৰণ পাগলা ঘণ্টিৰ অভিজ্ঞতাৰ কথা সকলোৰে মনত আছে । আমি খাবলৈ টেবুলত বহিছো। এনেতে কেবাটাও বন্দুকধাৰীয়ে আমাৰ খোৱাৰ আগত সন্মুখীন হলহি । বৰ্ত্তমান দৰং কলেজৰ অধ্যক্ষ শ্ৰীযুত কামাখ্যাপ্ৰসাদ ত্ৰিপাঠী দেৱ আৰু মই একেখন টেবুলতে খাইছিলো । মই খাওঁতে তেখেতক এই আয়োজনৰ বিষয়ে সোধাত তেখেতে

কলে যে ফ্ৰান্স বিপ্লৱৰ সময়ত বহুত বন্দীক এনেকৈয়ে ভাত খাওঁতে গুলিয়াই মৰা হৈছিল। তেতিয়া মোৰ ভয় আৰু বেছি হবলৈ ধৰিলে। সেইদিনা কাৰো ভাত-খোৱা নহল। দিনটো নানা ৰকম অশান্তিৰ মাজেদি পাৰ হৈ গ'ল। পাচত যেনিবা একো নহলগৈ। জেলৰ এনেকুৱা আৰু বহুত অভিজ্ঞতা আজি যিবিলাক প্ৰকাশ কৰিবলৈ গলে আৰু বহুত ঠাইৰ প্ৰয়োজন হব। চমুকৈ জেলৰ এইকেইটা অভিজ্ঞতাই জনালো। এনে বহুত মুহূৰ্ত্ত আছে যিবিলাক আমাৰ বহল জীৱনটো পূৰ্ণ কৰি তুলিছিল। এইবোৰৰ মাজেদি দুবছৰ এঘাৰ মাহ জেলত অতিবাহিত কৰিছিলো। ই এটা বিৰাট অভিজ্ঞতা।

---

# মৰহা মোহৰ আন্দোলন

ক্ষীৰোদচন্দ্ৰ গগৈ
তৃতীয় বাৰ্ষিক (কলা)

শুকান থনীয়া কাপোৰখন বুকুৰ ওপৰেদি মেৰিয়াই তাই তিতা মেথনি-খন চেপে। বৰষুণৰ চেঁচাপানী কেইটোপা ওলাই যায়। তিতা মেথনিৰ মাজেদি জিলিকি থকা বুকুৰ ৰসাল উথন দুটা লুকাই পৰে।

—"বৰষুণত তিতিলি কিয়, টিনু ?" —মাতত দুৰ্ব্বলতা। শেতেলীত পৰি থকা মোৰ অৱশ কাঁয়টো কঁপে। বাহিৰৰ চেঁচা বায়ুয়ে মূৰৰ চুলি কেইডালমান জোকাৰে। নিহালিখন মূৰলৈকে টানি আনো।

—"মোৰ যে কি বিলৈ হ'ল।" তাই থৰ্‌থৰকৈ কঁপে। ডবাপিটা বৰষুণৰ চেঁচা আৰু শৰীৰৰ কঁপনিত হয়তো তাইৰ খোপাটো সুলকি গৈছে। চুলিবিলাক আউল-বাউল হৈ হেঙুলীয়া গালৰ ওপৰত সিচৰিত হৈ থাকে।

-"তইনো মোৰ খবৰ লবলৈ এই বৰষুণত আহিলি কিয়? —মইতো ভালেই আছোঁ—চাচোন মোৰ কপালখন।"

—"ক'তা তোমাৰ জ্বৰটো কমাই নাই" - টিনুৰ হাতখন মোৰ কপালৰ ওপৰত তুলি দিয়ে - বৰ চেঁচা অনুভৱ কৰোঁ।

"সঁচানে" ! - খুব জোৰ দি মই টিনুক সোধো।

"মই জানো মিছাকৈ কৈছো ? —শুনাচোন মোৰ আজি কি হৈছিল। তোমালৈ গাখীৰ তপতাই আনিছোঁ। আয়ে আহিবলৈ হাক দিছিল, বৰষুণ দিব যাব নালাগে। মই তোমাৰ অসুখৰ কথা কৈ ৰাতিটো আলপৈচান ধৰিবলৈ তোমাৰ কাষত থাকিম বুলি কৈ আহিলো। বাটত অলপ বৰষুণ পৰিছে। আহঁত গছজোপাৰ তলত সেই বকৰা বাবুটো থিয় হৈ আছিল। বাবুটোৱে মোক ৰবলৈ কলে,—মই ৰলো।

"টিনু, তইতো বেছ ধুনীয়া হৈছ"—সি মোক কলে। "এই বৰষুণত নাযাবি অলপ ৰৈ যা।"

"মোৰ জৰুলি কাম আছে—যাবই লাগে।" মই আহিব খুজিলো।

"টিনু এতিয়া নাযাবি অলপ ৰ চোন। বকৰা বাবুৱে মোৰ হাতত ধৰি কলে।

"মানুহে দেখিলে বেয়া বুলিব। মই যাওঁ—এৰি দিয়া।"

"টিনু তোক টকা লাগে? ল, এই টকা।"

"তুমি বলিয়া হৈছা, বাবু।" বকৰা বাবুটোৱে মোক গবামাৰি ধৰিলে। মই তাৰ হাতৰ পৰা এৰাই লৰ মাৰিলো। সিও পিচে পিচে খেদি আহিছিল।

"বুজিছ টিনু, তইতৰ ইয়াল মিতিনৰ বগা চাহাব

কেইটাই যি বাট দেখুৱাইছে, ইহঁতে তাকেই লৈছে। 'মগুন চাহাব কেইটাই তহঁতৰ জাতিটো ধ্বংসৰ ফালে টানি নিছে। সিহঁতক তহঁতে নেখেদাৰ কিয়?"—বৰ উদাস ভাৱে মই কওঁ।

এটা সিজুৱা আলু আৰু এবাতি তপত গাখীৰ লৈ টিনুৱে মোক কয়-"এইয়া খোৱা, গাত অলপ বল পাবা। জ্বৰ বুলি দিনটো লঘোনত পৰি থাকানে?"

মোৰ একো খাবৰ ইচ্ছা নহয়। টিনুৰ মৰমৰ আদেশ খাবই লাগিব। নাখালে তাই বেজাৰ পাব, মোক খুৱাবৰ তাইৰ দাৰুণ হেপাঁহটো টুটি যাব। খুব কষ্টেৰে খালো। টিনুৰ আনন্দটো বাহিৰতো প্ৰকাশ হৈ উঠে—পৰিতৃপ্তিত মোৰ বুকুখন নাচি থাকে।

বহুতপৰলৈ টোপনি নাহে। তাহানিৰ মৰহা স্মৃতি-বোৰে মনটোত তোলপাৰ লগায়। মোৰ বিফলতাপূৰ্ণ জীৱনটো জহি যায়। তাকে আকৌ আদৰ কৰা এই টিনু জনীনো কোন? ভাবি ওৰ নাপাওঁ। কহিমা পোষ্ট-অফিচৰ ফাইল বিলাক মোৰ লিখাৰে পৰিপূৰ্ণ হৈ যায় দিনটো আহৰি নাপাওঁ। সন্ধিয়াৰ অৱসৰত যেতিয়া টিনুৱে নিজৰ হাতেৰে কৰা তপত চাহবাটি আগত দি যায়—দিনৰ দুখ-ভাগৰবোৰ পাহৰো। দিনবোৰ গৈ থাকে। তাহানি নাজু, নীলিমাহঁতৰ সোঁৱৰণীবোৰ ছাঁয়া-ছবিৰ দৰে কঁপি কঁপি আঁতৰে। কেতিয়াবা মনলৈ আহে—কটন কলেজৰ সেউজীয়া দৃশ্য কেইটা। উষা, কিৰণ, ৰানু, ভানুহঁতৰ কৃত্ৰিম গাম্ভীৰ্য্যতা আৱৰণেৰে ঢকা সিহঁতৰ চঞ্চল মনবোৰ। সিহঁতৰ চৰিত্ৰ জটিল। সেইহে ভেদ কৰিব নোৱাৰা ৰহস্য হৈ নাৰী বৈ আছে। বেচেৰা নাজুটো—ব্যৰ্থতাত সি থুৰি গ'ল। সি মোক সোধে—তাক কিয় উত্তৰাই ভাল নাপালে। তাৰ যুক্তিহীন প্ৰশ্নটো শুনি মোৰ হাঁহি উঠে। মই তাক বুজাওঁ—নাৰীয়ে জটিলতাৰ মাজেদি খোজ লয়, সিহঁত সেইবাবে পুৰুষতকৈ চতুৰ। চতুৰতাৰে সিহঁতৰ দুৰ্ব্বলতাক ঢাকে। দৈহিক ভোগৰ মাদকতা সিহঁতৰ তীব্ৰ, সৌন্দৰ্য্য বোধ তেনেই তাকৰ, মৰম বুজিবলৈ সিহঁতৰ হিয়াৰ পৰিধি ঠেক। কিন্তু এই টিনুজনী নাৰীজাতিত এটা 'এক্‌চেপ্‌চন'। টিনুয়ে মোৰ নিঠৰুৱা জীৱনটোক বুজে, পুতৌ কৰে। "টিনু"—মই মাতো।

"কি লাগে, পানী খাবা?"

"একো নালাগে। উজাগৰে আছ কিয় টিনু? শুই থাক। তোক আৰু আমনি নকৰো। তাই খাটিয়া খনৰ ফালে লাহে লাহে খোজ লয়।

বাহিৰৰ দুৱাৰত কোনোবাই শব্দ কৰে। এটা বেমাৰী মানুহে যেন কেকায়। মোৰ চিলমিল কৈ অহা টোপনি ভাগি যায়। আকৌ নিৰ্জ্জন—কাৰো সাৰসুৰ নাই। কিবাকিবি ভাববোৰে মনটোত খলিমেলি লগাই দিয়ে। টিনুলৈ ঘূৰি চালো—তাই ঘন ঘনকৈ উশাহ লৈছে—হয়তো তাই টোপনি গৈছে।

বাহিৰত আকৌ কাৰোবাৰ কাতৰ চিঞৰ কোনোবাই কেকায়। তাই সাৰ পায়।

—"বাহিৰত কোনোবা আহিছে অ' টিনু।"

"মই বাৰু চাই আহোঁ। তুমি শুই থাকা" খোকাথুকাকৈ তাই কয়।

খিৰিকীৰ হাকোতা ডালত ধৰি উঠি বহিলোঁ। বৰ চেঁচা লাগে। অলপ পিচত টিনুৱে নীলিমাক লৈ ভিতৰলৈ সোমাই আহে, নীলিমাৰ কপালত এডোখৰ ঘা। গাৰ কাপোৰত কপালৰ পৰা ওলোৱা তেজৰ দাগ। মোলৈ চাই তাই হাঁহিলে—এটা অদ্ভুত ভয় লগা হাঁহি। তাইৰ চকু দুটা উজ্জ্বল, গোলপীয়া গালৰ ওপৰত তেল হীন অসংযত চুলি কেইডাল নাচি থাকে। চিৰিলি চিৰিলিকৈ ফটা ৰিগাৰ আচলটোৰে অসাৱধানত ৰখা তাইৰ বুকুৰ উথন দুটা লুকুৱায়। মই নোকোৱাঁকৈয়ে তাই মোৰ বিচনাত বহে।

"নীলিমা"—মই মৰমেৰে তাইক মাতো। তাই

একো উত্তৰ নিদিয়ে। মোলৈ ঘূৰি চায়। চকুত এটা মৰম আৰু বেজাৰৰ সম্মিলিত চাৱনি।

"কিয় আহিলা নীলিমা?" মোৰ প্ৰশ্নটো কেনেবা হ'ল যেন লাগে।

"জীৱনৰ মূল্য আছে বুলিয়েতো আহিছোঁ–" ভগা মাতেৰে তাই কয়।

ঘটনাটো সপোনৰ দৰে লাগে। টিনুলৈ চালো—তাই আমালৈ ৰ লাগি চাই থাকে। তাইনো আমাৰ ৰহস্য কি বুজিব! চকুদুটা মুহূৰ্ত্তৰ বাবে মুদি দিওঁ। নীলিমাই উচুপে।

"বেজাৰ কৰি যে লাভ নাই, নীলিমা।" গালৰ ওপৰত পৰি থকা চুলি কেইদাল আতৰাই কওঁ, মৰম কৰো।

বাহিৰত ফেৰ-ফেৰীয়া বা এচাটিৰ হুহুৱনি শুনো। সিদিনাৰ ঘটনাটো দুঃসপোনৰ দৰে মনলৈ আহে। সিদিনা টিনুৰ লগত সিহঁতৰ ঘৰলৈ গলোঁ। তাই মোক নিজে কৰা পিঠা-পনা কেতবোৰ খুৱালে। টিনুৰ মাকে শিলৰ বাটি তিনিটাৰে লাওপানীৰ টেকেলীটো উলিয়াই আনে।

"ভৈয়ামৰ মানুহে যে লাওপানী নাখায়, তুমি খোৱা কিয়? সৰু ছোৱালী জনীৰ দৰে টিনুৱে সোধে।

তহঁতে মদ খায় স্ফুৰ্ত্তিৰ কাৰণে আৰু মই খাওঁ জীৱনৰ দুখ বেজাৰবোৰ পাহৰি থাকিবৰ কাৰণে। বুঢ়া লুইতৰ নিৰস বালিচটৰ দৰে মোৰ মনটো শুকাই গল। টিনুৰ মুখত এটা অৰ্থহীন হাঁহি……হয়তো মোৰ কথাৰ গুৰুত্ব তাই নুবুজে।

আমি তিনিও মাতাল হৈ পৰোঁ। ঢলং-পলংকৈ টিনুহঁতৰ ঘৰৰ পৰা ওলাই আহিলোঁ। ওৰে বাটটো বলকি বলকি আহি আছোঁ। লৰি মটৰৰ ভোন্‌ভোননিয়ে মোৰ মাদকতা গুছাব নোৱাৰে। মোৰ পিচত কেতিয়াবা লৰি মটৰ বিলাক বৈ যায়। ড্ৰাইভাৰে গালি পাৰে। হাঁহি হাঁহি ৰাস্তাৰ পৰা আতৰি দিওঁ। কোনোবা এখন মটৰে মোক খুন্দিয়ালে এটা ডাঙৰ শিলত হাম-খুৰি খাই পৰি গলোঁ। মোৰ অসমাপ্ত কথা বিলাক তেতিয়াও বলকিয়ে আছোঁ। দুজন মানুহে ডাঙি নি মোক মটৰত বহুৱালে। কপালৰ পৰা তেজ ওলোৱা গম পাওঁ। ধুতি খনত আঠুৰ পৰা ওলোৱা তেজৰ দাগ দেখোঁ।

দুপৰ ৰাতি সাৰ পালোঁ। গোটেই গাটোত বিষ। ভৰিটো ডাঙিব নোৱাৰো। - আঠুত ভীষণ আঘাত। কপালৰ ওপৰত বেণ্ডেজ।

এটা সু-সজ্জিত কোঠাৰ স্প্ৰীংযুক্ত খাটিয়া এখনত জঠৰ হৈ পৰি থাকো। দুবৈত এটা ধুনীয়া টেবুল লাইট জ্বলি থাকে। কেকাই কেকাই কাৰোবাক মাতিলে কোনোবা এগৰাকী মানুহে গাত কম্বলখন পেলাই দি'য়। টোপনি যাবলৈ চেষ্টা কৰোঁ। পুৱাৰ সময়ত ভাল টোপনি আহিল। হঠাতে সাৰ পালো— পুৱাৰ বেলিটো উজ্জ্বল হৈ ওলাইছে। বেলিৰ পোহৰ এচেৰেঙা পৰ্দ্দাৰ ফাকেদি আহি মোৰ গাত পৰিছে, মই বাগৰ সলাবলৈ চেষ্টা কৰোঁ নোৱাৰো। ডাক্তৰ বৰুৱা আৰু ভূপেন কাকতি সোমাই আহে। এটা শুকান হাঁহি মাৰো। ডাক্তৰে চকুৰ বাদু দুটা ডাঙি চালে, জীভাখন পৰীক্ষা কৰে, ভৰিৰ ঘা ডোখৰত তিনিচাইদিন লগাই কপাহেৰে মেৰাই দিয়ে-বিষত কাতৰ হৈ চিঞৰোঁ। বৰ আচৰিত ভাবে কাকতিৰ মুখলৈ চাওঁ। দুয়ো নিমাত।' কাকতি আৰু বৰুৱা ওলাই গ'ল।

টিনুহঁতৰ ঘৰলৈ যোৱা কথাবোৰ মনলৈ আহে। এগৰাকী মানুহে দুখন লুচিৰে চাহ এপিয়ালা মোৰ কাষত থৈ গ'ল, মানুহ গৰাকীলৈ চালো। তেওঁ ঠৎমৎ খাই দুৱাৰৰ দাঁতিত বৈ থাকে। গাৰুটোৰ ওপৰত গাৰ ভেজা দি উঠি বহিলো। লুচিখন দাঁত দুপাৰীৰ মাজত পেলাই লৈ হেঁচ ধৰিলো। গৰম পিয়ালাটোৰ পৰা চাহ এঢোক গিলো। বুকুখন ঢপ্‌ঢপাই থাকে। মানুহ গৰাকীলৈ চালো—তেওঁৰ চকুজোৰ চল্‌চলীয়া হৈ উঠিছে। প্ৰকাশ পাব খোজা বেজাৰটো জোৰেৰে দমাই ৰাখিছে। আধাচিঙা লুচিখন বিচনাৰ ওপৰত সৰি পৰে। মই শুই গলো। কলেজীয়া জীৱনটো সমুখত ভাহি

উঠে। অতীতে ৰিঙিয়াই মাতে। উস্ মই চিঞৰি উঠো “নীলিমা, নীলিমা।”

নীলিমাৰ হাতখন মোৰ শৰীৰৰ ওপৰেদি বাগৰি যোৱা অনুভৱ কৰোঁ। তাইৰ হাতখন জোৰেৰে আঁতৰাই দিওঁ। তাই হুক্ হুকৈকে কান্দে।

—নীলিমা! মটৰৰ দুৰ্ঘটনাই যে মোক একো কৰিব নোৱাৰে! জীৱনত মটৰৰ দুৰ্ঘটনাতকৈ ডাঙৰ আঘাত পাই আহিছোঁ। সেইদিন দুটাই মোক আজিও শান্তি নিদিয়ে—দিয়ে বিফলতাৰ দাৰুণ আঘাত।

“—সিদিনাৰ সপোন, সপোন হৈয়ে থাকিল। ভাল পাইছিলো- আমাৰ ভালপোৱাত ব্যাঘাত জন্মিল। সেই সপোনৰ মমতা আজি আঁতৰাইছো—সপোনক মনৰ পৰা আঁতৰাব পাৰি।”

“শূন্যতাৰ মাজত কাৰোবাক বিচাৰি পাইছিলো। সেয়েতো নিজতকৈয়ো বেছি আদৰ কৰিছিলো। সেই আদৰ কণেই মোৰ বাবে যথেষ্ট আছিল নীলিমা। —মই লাহে লাহে কৈ যাওঁ।”

অলপ পিচতে মোৰ টোপনি আহে। আবেলি সাৰ পালো—টিনুয়ে মোৰ বুকুৰ ওপৰত তাইৰ ধুনীয়া হাতখন তুলি দিয়ে। টিনু”—সুৰত মোৰ কাতৰতা।

—“কোৱা”।

—“তই দুৰ্ঘটনাৰ বিষয়ে ক'ত শুনিলি।”

—“তোমাৰ পিয়নটোৱে কলে।”

—মোৰ মনটো তেনেই ভাল লগা নাই। মোক ঘৰলৈ লৈ ব'ল।”

“তুমি ভাল হলে মই নিশ্চয় লৈ যাম।”

“মই জানো ভাল হোৱা নাই!”

“তুমি বৰ দুৰ্ব্বল হৈ আছা। তোমালৈ গাখীৰ তপতাই আনিছো—খাবা?”

“অলপ পিচত খাম। মোৰ গাটো বৰ বিষাইছে অ' টিনু।” নীলিমাই মোৰ অৱস্থাটো বুজি নাপায়। টিনুলৈ চালো—তাইৰ চকুযোৰ চল্‌চলীয়া।

শৰীৰ সম্পূৰ্ণ ভাল হোৱা নাই—ঘা বিলাক শুকাই গৈছে। ঘৰলৈ আহিলো এটা উদাস ভাব লৈ। অসাৰ্থক জীৱনটোৰ প্ৰতি মমতা কমি আহিলেও টিনুৰ সংস্পৰ্শত উৰুঙা ভাৱটো আঁতৰে। ওৰে দিনটো জ্বৰত ভোগো। জ্বৰৰ উত্তাপত বিছনাৰ পৰা উঠিব নোৱাৰোঁ। টিনুয়ে শুশ্ৰূষা কৰে।

নীলিমাই তেতিয়াও উচুপে। টিনুক চাহৰ কেটলিটো জুইত দিবলৈ পঠালো। তাই জুহাললৈ গ'ল।

“এটা কুক্ষণত মোৰ বিয়া হৈ গ'ল কাকতিৰ লগত। কাকতিয়ে বেছ জানে আপোনাৰ লগত কলেজত থাকোতে ঘটা মোৰ সম্বন্ধটোৰ কথা। তেখেতে এই যাৰকে কৈ তিৰস্কাৰ কৰে। কাকতিৰ পশু-বৃত্তিটো প্ৰবল হৈ উঠে। তেখেতৰ লগত মই শান্তিৰে কটাব নোৱাৰিলো। মোৰ জীৱনটো তেনেই ঘৃণীয়া হৈ পৰে। কেতিয়াবা মদ, খাই আহি মোক তিৰস্কাৰ কৰে, মই নিৰৱে সহ্য কৰোঁ। মোক প্ৰহাৰ কৰে—মই কান্দো; অৱহেলা কৰে—বেজাৰ কৰোঁ। মোৰ কান্দোনত তেখেতৰ হৃদয় নগলে। এফালে মই হলো তেওঁৰ ভোগৰ সামগ্ৰী, আনফালে তেওঁ হল পাশৱিক অত্যাচাৰত পটু। আপোনাৰ মটৰ দুৰ্ঘটনাৰ পিছৰ পৰা তেওঁৰ অত্যাচাৰো বেছি হৈ আহিল। আজি এই দুপৰ ৰাতি তেওঁ মাতাল হৈ আহি লাথুটিৰে মোক আঘাত কৰে; কপালৰ পৰা ধাৰাষাৰে তেজ ওলায়। মাৰ কিল কৰে। অসহায় অৱস্থাত চোতালত পৰি থাকো। কিছু পৰৰ পাচত উঠোঁ। পুনৰ মাৰিবলৈ খেদি আহে। ...... আশ্ৰয় লওঁহি।” ভগা ভগা মাতেৰে নীলিমাই কৈ যায়।

কলেজীয়া জীৱনৰ ৰোমাঞ্চ-পূৰ্ণ ঘটনাৱলীৰ আৱেষ্টনীত মই আৱদ্ধ। আমাৰ সেউজীয়া জীৱনৰ সঙ্কীৰ্ণতাত লুকাই থকা একোটাইত ঘটনাই আজিৰ জগতত বিৰাট ৰহস্য। সেইদিন কেইটাৰ তুলনাত আজিৰ দিনটো কি নিকৰুণ! এবাৰ বাহিৰলৈ চালো—ঘোৰ অন্ধকাৰ। বিজুলী, বতাহ, বৰষুণ। খুলি যাব খোজা খিৰিকী খন জপাই ধৰোঁ।

“—পচা আপচুৰে ভৰা সমাজৰ বিৰাট বাধকতা আৰু মানিব নোৱাৰোঁ। নব্য সভ্যতাক অৱহেলা কৰা কঠোৰ

হিয়াহীন সমাজখন আমাৰ বাবে অসম্ভৱ— । নীলিমা। মই তোমাক ভাল পাওঁ, মৰম কৰো—সমাজেতো তাক সহ্য নকৰে। আমি মানুহ—আমাৰ অন্তৰত আছে মৰমৰ মোহ : সিইত পিশাচ, নহয়তো দেৱতা। মানুহৰ কৰুণতাই সিইতক টলাব নোৱাৰে। সিইঁতে বিচাৰে মানুহৰ কলিজাৰ কোঁহত স্পন্দন তোলা ৰঙা তেজটোপা—” শেহলৈ মোৰ কথাবোৰ অস্পষ্ট হৈ উঠে। বাহিৰত বজ্ৰপাত পৰে—ব্যাকুল ভাৱে নীলিমালৈ চাওঁ। কেইটামান মুহূৰ্ত্তৰ বাবে নীলিমা মোৰ বুকুত লিপিত খাই লাগি থাকে।

---

# —প্ৰেছ—

কৱিতা ]

—মহম্মদ পিয়াৰ

থাকে থাকে ইটা গাঁথি
সুবৃহৎ কৰা—
ঘৰৰ ছবিটি উঠিছিলে জিলিকি
কিতাপৰ প্ৰতি পাতে পাতে।
সেইটি ঘৰৰে পৰা আনিছিলো মই
জাপে জাপে “নীলপখী” মোৰ।
ঘৰৰ ভিতৰত—
ডুশাৰী নবীন যুৱক।
টুকুৰা টুকুৰ লোহাৰ নিতউ হেতালি খেলি
কুৰিজন তৰুণ ডেকাই
টকাৰ আশাত দেহি
হাঁ-হুমুনিয়াহ কাঢ়ি সময় কটায়।
পুৱা আহে আধা পেটি ভাতে,
ওৰে দিন কাম কৰি—
সন্ধিয়া নামিলে ধৰণীত
দীঘল উশাহ টানি
শুদা হাতে যায় ঘৰলই।
বিয়া হয় বাহিৰত—
বিলাসী ঘৰৰ পৰা জাপে জাপে আহে
পুৱাতেই “প্ৰীতি উপহাৰ”।”

সিইঁতেই ৰূপ দিয়ে আনৰ মৰম
দিনৰ দিনটো খাটি গধূলি পৰত।
নিজৰ বিয়াৰ বাবে
সিইঁতৰ সময় নোলায়,
আনৰ বিয়াৰ বাবে উপহাৰ গাথোঁতেই
দিন গুচি যায়।
মাহৰ শেষত পায়
কুৰিখন এটকীয়া নোট,
তাৰে সতে কিনি ল’ব লাগে
ভাই-ভনীটীৰ চোলা আৰু
লোন তেল দুসাজ মানৰ।
বাকী কেইসাজ........?................?
নিতউ পুৱাতে ভাৱে
কেতিয়ানো মাহ শেষ হব!
সিইঁতেই প্ৰেছৰ মানুহ,
নাই কোনো অধিকাৰ প্ৰেছৰ টকাত
আছে মাথো সিইঁতৰ বাবে
লোকৰ প্ৰেছৰ
বহল দুৱাৰ খনি পুৱাতে মুকলি।
সিইঁতৰ সেয়ে অধিকাৰ।

# আন্ধাৰ ৰাতৰ সপোন

কথা ]

দেবেন দত্ত
তৃতীয় বাৰ্ষিক ( কলা )

সপোনৰ মাজতে সি চক্‌খাই সাৰ পায়। জোৰেৰে চকুদুটা মেলি সি দেখে, তাৰ কোঠাটো অন্ধকাৰ। নিঃশব্দে সি বিছনাখনত বহে। এন্ধাৰৰ মাজেদিয়েই সি লক্ষ্য কৰে তাৰ দুয়োটা "ৰুম্‌মেট" এ সুখৰ টোপনিত লালকাল। সি 'বেড্‌-লাইট'টো লাহে ক জ্বলাই দিয়ে। তাৰ পোহৰখিনিত নিজক মিলাই, সি ক্ষন্তেকৰ কাৰণে—ভাবিবলৈ ধৰে—কিয় সি হঠাতে চমকি উঠিল? ' লাহে লাহে পুনৰ চকুৰ পতা দুটাই জাপখাই আহিব খোজে। দুৱাৰখন মেলি বাহিৰ ওলায়েই সি পুনৰ সোমাই আহে।

কোঠাটোৰ ভিতৰত, এটা পৰিচালিত যন্ত্ৰৰদৰে সি নিজক সজাই তোলাত লাগি যায়। মেজখনৰ কাষত আওজাই থোৱা 'লাইফ্‌-চাইজ'ৰ দাপোনখনৰ কাষ' থিয়হৈ সি আকাশী ৰঙৰ 'চাৰ্জৰ চুট্'জোৰ সযত্নে পিন্ধি, চক্‌লেট-ৰঙৰ 'টাই'ডাল বান্ধি লয়। আচীখনৰ নিচেই কাষলৈ গৈ কাশ্মীৰী বকেট,'ৰ এটা লেপন দি 'ইভিনিং-ইন্ পেৰিচ,' অলপলৈ গোটেই মুখখনত মিহিকৈ সানি পেলায়। ফণিখনৰ ওপৰত . 'ডায়েমণ্ড-ৰ'জ' অলপ সানিলৈ তাৰ দীঘল চুলিখিনি ভালকৈ আঁচোৰে। তাৰ পিচত গাৰুৰ-গিলিপটোৰ পৰা 'লেডী-পেটাৰ্ণ, ৰিষ্ট,-ওৱাচ্'টো উলিয়াই বান্ধি লৈ, সি কম্বিনেশ্যন চু' জোৰৰ ফিটাকেইডাল বান্ধি সি পুনৰ ক্ষন্তেক ঠিয় হয়। আচীখনৰ কিছুদূৰলৈ গৈ, তাৰ গোটেই প্ৰতিবিম্বটো আচীখনত এবাৰ মনোনিবেশ কৰে। হঠাতে সি চকু ঘূৰাই তাৰ 'ৰুমমেট্' দুটালৈ চায়। সি লাহেকৈ বিছনাখনৰ তলৰ পৰা কিবা এটা সগোপনে লংপেণ্টৰ জেপত ভৰায়; পোহৰৰ সংযোগত ক্ষণিকৰ কাৰণে তিৰবিৰাই উঠে। সি লাইট' টো নুমুৱাই বাহিৰ ওলাই যায়।

যুগৰ মূক বুৰঞ্জীবুকত লৈ পৰি থকা, কাছাৰি-ঘাটৰ কিছু আঁতৰৰ, সেই ক'লা ক'লা শিলৰ দমবিলাক, সন্ধিয়াৰ আগে আগে নিজক পাহৰি সি বহি থাকে,—ঠিক শিলবিলাকৰ লগৰে এটা হৈ। পশ্চিমৰ বাধাহীন পছোৱাই, তাৰ অন্তৰৰ সুপ্ত-বেদনাৰাশি জগাই তোলে। ব্ৰহ্মপুত্ৰৰ বুকত ঢৌ উঠে সি তন্ময়হৈ ভাবিবলৈ ধৰে,—তাৰ এই ক্ষুদ্ৰ অন্তৰ-ভেদি উঠা, চিন্তাৰ ঢৌ ৰাজিৰ তুলনাত, বিশাল ব্ৰহ্মপুত্ৰৰ বুকুত উঠা ঢৌ-সমষ্টি কিমান গুনে ক্ষুদ্ৰ! নদীৰ বুকৰ ঢৌৱে ঠেকাখাই পাৰ পায়; কিন্তু তাৰ ভাবৰ ঢৌয়ে পাৰ নাপায়।

সন্ধিয়াৰ মৌনতাখিনি সি আপোন পাহৰি উপলব্ধি কৰে। প্যতল বতাহৰ জাক-সমূহে, কুসুমিত ব্ৰততীৰ বুকুৰ পৰা ভাৰ বৈ অনা সুৰভিখিনিয়ে তাৰ বুকত কিবা এটা অবুজ অলোড়ণৰ সৃষ্টি কৰে। সন্ধিয়াৰ আঁৰে আঁৰে, দীঘলীয়া বাটটোৰেদি সি নিজৰ চিন্তাতে ব্যস্ত হৈ আগবাঢ়ে। পথৰ পথিকৰ প্ৰতি তাৰ লক্ষ্য নাই! কিছুদূৰ গৈয়েই সি, বাটটোৰ পৰা অলপ নামিয়েই, তাৰ বন্ধু কৰুণা'ৰ কোঠাটোলৈ লক্ষ্য কৰে। খিৰিকীখনৰ আধামেলা পৰ্দাখনৰ কাষেদি, কোঠাটোৰ নীলা-ৰঙৰ তলত, একান্তমনে 'ৰেডিয়'ৰ গানত নিজক পাহৰি থকা 'অৰুণা'ক সি এবাৰ ভালকৈ চাই লয়। সি থমকি ৰৈ যায়। 'ৰেডিয়'ৰ বুকুভেদি

ওলাই অহা, কাৰোবাৰ প্ৰাণৰ বেদনাৰ সুৰটো কঁপি কঁপি, মুক্ত বায়ু-মণ্ডল বিষাক্ত কৰি তোলে। গান শেষ হোৱাত সি, দুৱাৰৰ সেউজীয়া নেট্‌থন আঁতৰাই ভিতৰ সোমায়।

ইস্ কিযে দেৰ-দা আপুনি,—অলপ আগেয়ে অহা হলে....।

কি হলহেঁতেন আৰু ?

এই মোৰ বন্ধু 'আৰতি'ৰ গান শেষ হৈছে ; কি সুন্দৰ গাইছিল। ভাব-ভাষা-সুৰ, সৰ্ব্বাঙ্গ সুন্দৰ হৈছিল।

বোধকৰো হৈছিল।

বোধকৰো !—মানে ? আৰতিৰ গোৱাক আপুনি প্ৰশংসা নকৰে নে কি? আৰতি আমাৰ ৰেডিঅ' ষ্টেচনৰ উচ্চ গায়কসকলৰ মাজতে সুখ্যাতি আছে। আপোনাৰ কত বন্ধুৱে বোধকৰো এতিয়াও পানবজাৰৰ 'ৰেডিঅ'ৰ কাষৰ পৰা আঁতৰা নাই।

এৰা। বহুত বন্ধু থাকিলেও, মোৰ চিনিনা হয়তো তাত কোনো নাই।

তাৰমানে—আপোনাৰ চিনিনা সংখ্যা-লঘিষ্ট, অন্ধকাৰ-পূৰ্ণ, ঠেকমনা, আদিম প্ৰবৃত্তিৰে ভৰা মানুহবিলাক ?

ভুল কৰিছা আৰু !

কিন্তু সংশোধনৰ সহায় বিচাৰো।

মইও, সংশোধনৰ প্ৰত্যাশা নকৰো, আৰু তথাপি কবলৈ বাধ্য হৈছো। বোধহয় তুমি পাহৰা নাই যে, মানুহ অৱস্থাৰ দাস ; কিন্তু অৱস্থা কাৰো দাস নহয়।

কৈ যাওক, পাতনিৰ প্ৰয়োজন নাই।

অলপ সংযত হৈ কথা কবা। তোমাৰ চিনিনা বহুত ধনীৰ দুলালীৰে অভিমান, এটা সহজ বস্তু ; তাৰ বুৰঞ্জী নতুন নহয়। কিন্তু তুমি নীচমনা' আদিম প্ৰবৃত্তি' আদি মোৰ স্বভাবৰ বিশ্লেষণ বোৰ প্ৰয়োগ কৰাতো একো যুক্তিসঙ্গত হোৱা নাই। তুমি 'তোমাৰ ৰেডিঅ' ষ্টেচন'ৰ কাৰ্য্যাৱলী খনকে মোৰ জীৱনৰ কাৰ্য্য-পন্থা বুলি ভাবিছানে কি ? তোমাৰ বন্ধুৰ গানৰ সুৰৰ বুকত মই, নিজক উটুৱাই নিদিয়াটোয়েই তেওঁৰ কলা-সাধনাৰ অৱমাননা কৰাটো নুবুজায়। তেনে গানৰ কত কঁপনি বতাহৰ বুকত মাৰ গৈছে ; অৱশ্যে মইকৰ নোখোজোঁ যে সেই কঁপনিয়ে কাৰো বুকত স্পন্দন তোলা নাই। সেই কাৰণে ধৰি ৰাখোতাৰো অভাৱ নাই গতিকে, তুমি তেনেকৈ কোৱাত তোমাৰ চৰিত্ৰহে প্ৰকাশ পাইছে। মই কৈছিলো অন্য এটা চিন্তাধাৰাৰ পৰাহে।

সেইটো বা কি ?

সেইটো ? বাৰু। আজি ইমানদিন তোমাৰ মোৰ ভিতৰত পৰিচয়। দাদাৰৰ বন্ধু-বুলি, তোমাৰ লগত মোৰ এই সন্দেহ-হীন মিলা-মিচা। আজি ইমানদিনীয়া ঘনিষ্ঠতাৰ প্ৰতিটিক্ষণলৈকে মন কৰাছোন,—টকীহল 'ব্ৰহ্মপুত্ৰৰ উদংবালি' 'ওৱাটাৰ ওৱৰ্কস্' 'কামাখ্যাৰ শিলৰ বাটত, অবাধ চলন ফুৰণ। তোমাৰ ঘৰত, বেড্‌মিণ্টণ, কেৰম্-খেলা আৰু 'অৰগেন'ৰ কাষত বহি তোমাৰ গান শুনাই, আনন্দ তৃপ্তি দিয়াৰ বাহিৰে, কোনোবা দিনা এবাৰ কৈছিলানে বা দকৈ ভাবিচাইছানে যে, এই তোমালোকৰ আনন্দ উৎসৱবিলাকৰ বাহিৰেও এখন অন্ধকাৰ জগতৰ বুৰঞ্জী এই শতিকাতো অপ্ৰকাশিত হৈ পৰি আছে ? য'ত তোমাৰ চিনিনা কত-শত যুৱতীৰ, কত যুৱকৰ জীৱন কেৱল জনমৰ অভিশাপ আৰু মৃত্যুৰ আশীৰ্ব্বাদ লৈ শেষ হৈছে। তুমি ভাবানেকি যে তেওঁলোকে তোমাৰ এই বাস্তৱৰ কল্পনা নকৰে।

আপুনি মোক মিছাকৈয়ে খং কৰিছে, এজনৰ বাস্তৱটো এজনলৈ কল্পনা হব পাৰে আৰু অন্য এজনলৈ কল্পনাও নহব পাৰে। কিন্তু আপুনি মাক লৈ যি

ৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি কথা কৈছে, সেইটোৰ লেগত বস্তুটো কি, সেই বিষয়ে নানাজনে নানা ৱে কব। তথাপিও চমুৱাই কবলৈ গলে, ই ্যক্তিৰ বহুমুখী, গুণ শক্তি সমষ্টিৰ, সাধনা বুলি ধৰি ৰ পাৰি। ব্যক্তিগত জীৱনত, সপোনক আগত লৈ, যতিয়া নিজস্ব নিয়োগ কৰি আপ্ৰাণ চেষ্টাৰে সাধনাত াগি যায়; তাৰ প্ৰতিদান স্বৰূপে বিভিন্ন উন্নত ৱস্থাৰ সৃষ্টি হব পাৰে। কিন্তু নহবও পাৰে। ই বিভিন্নতাৰ, কৃত-কাৰ্য্য বা অকৃতকাৰ্য্যৰ গুৰি কোনখিনিত?—ব্যক্তি নিজেই, আৰু প্ৰধান সহ-াৰীতাৰ আদিম প্ৰবৃত্তি বা প্ৰকৃতি। তথাপিও ই সহজাত কুলসংক্ৰমন আদি, গুণৰাশিক যেতিয়া মোন্নতিৰ পথত আগুৱাই নিবলৈ বিচাৰে তেতিয়াই গ পায় বহুত পন্থা-প্ৰদৰ্শক বা শিক্ষকৰ সহায়। থমেই ধৰিলওক—শতাব্দীৰ হাঁৱা পানী, অভিভা-ক, পাৰিপাৰ্শ্বিকতা, আৰু শিক্ষকৰূপে মানুহ; ৰ পিচত সমাজ আৰু বহুত। প্ৰায় এনে াক ভিত্তিৰ ওপৰতে নিৰ্ভৰ কৰি ব্যক্তিৰ জীৱনে লয়; আৰু সেই ব্যক্তিসমূহৰ সহযোগীতাতে কোখন সমাজৰ সৃষ্টি হয়। গতিকে এই মূল-ত বস্তু সমূহ, আৰু তাৰ পোনপতীয়া প্ৰকৃতি-াকলৈ চাই, সমাজে বিভিন্নৰূপ লোৱাতো স্বাভা-ক। এতিয়া এখন অন্ধকাৰ পূৰ্ণ সমাজ, হবলৈ আনিবলৈ হলে, সেই সমাজখনৰ ওপৰ-হ উন্নতি মূলক কাৰ্য্য পন্থা হাতত লব লাগিব; খনৰ ওপৰত নহয়। কিন্তু কোনে এই ্যলৈ আগবাঢ়ি যাব লাগিব;—মানুহে? চয় মানুহেই হব লাগিব; কাৰণ ই দেৱতাৰ ্য হলেও মানুই দেৱতাৰূপে কৰিব লাগিব। কিন্তু লো মানুহ ো দেৱতা হব নোৱাৰে। তেনে-হলে ইয়াৰ সূক্ষ্ম সমাপ্তি ক'ত? ——ই এটা অসীম প্ৰশ্ন, দেৱ-দা। মই কি কৰিব পাৰো?

তোমাকটো একো কৰিবলৈ কোৱা নাই আৰু। তথাপিও ভাবিবলৈ যত্নকৰা; এদিন সময়ৰ সোঁতত কাৰ্য্যক্ষেত্ৰত নিজক নিয়োগ কৰিবলৈ সক্ষম হবা।

একো বুজা নাই। আপুনি আজি কি উদ্দেশ্যৰে কিহৰ ইঙ্গিত দিছে।..........

ভুল নুবুজিবা আৰু, এটা ভুলৰ ইঙ্গি-তেৰে তোমাৰ জীৱন-ভৰা আনন্দৰ নিজৰাৰ পৰা আতঁৰাব খুজিছো;—তেনে অভিপ্ৰায় মোৰ নাই। মইও মানুহ—তুমিও—সকলো। তথাপি কিয় সকলোতে মানুহৰূপে জীৱাই থাকিব নোৱাৰে? ইয়াৰ প্ৰতিবন্ধন কোন খিনিত? এই চিন্তাধাৰাৰ পৰা মইয়ে মুক্ত নহয়; তোমাৰ ওপৰত অভিযোগ আনিবৰ ক্ষমতা মোৰ নাই।

আপুনি এইবোৰ কি কৈছে;—মনটো কিবা লাগিছে।

তাইৰ আমনি লগা পৰিস্থিতিতো দূৰ কৰিবৰ কাৰণে, মেজৰ কাষৰ পৰা লাহে লাহে উঠিগৈ, ৰঙ্গীন বাল্ব'টো সলনি কৰি পেলায়। চচমাজোৰ গুচাই, চকুদুটা মোহাৰি পুনৰ পিন্ধে। খিড়িকী এখনৰ পৰ্দ্দাখন কোচাই বাহিৰলৈ একান্ত মনেৰে চাই থাকে। তাৰপিচত বৰ চিন্তা-মগ্নভাৱে 'ইজি-চেয়াৰ খনত বহি ভিতৰলৈ লক্ষ্য কৰি ঢুকাপ চাহ আনিবলৈ কয়। সি, অৰুণাৰ বিবৰ্ণ মুখ-খনিলৈ চাই, তাৰ মনতো বেয়া লাগে। অনাবিল হাঁহি-ভৰা মুখখনি চিন্তাৰ ধাৰাত, সিৱবিলাক কোঁচখাই পৰিছে। সিয়েই ইয়াৰ হেতু ভাবি, অৰুণাৰ মনটোত কিছু আনন্দ লগ'বলৈ যত্ন কৰে। সি কলেজৰ কথা উলিয়ায়।—

—অৰু !

তাই লাহেকৈ, তাৰ মুখ-খনিলৈ লক্ষ্য কৰে।

—তোমাৰ এটা খুব গৌৰৱ আছে নহয় ?

—কিহৰ কাৰণে ?

—তোমাৰ ৰূপৰ কাৰণে। কাৰণ তোমালোকৰ কলেজৰ ২য় বাৰ্ষিক শ্ৰেণীৰ ভিতৰত তুমিয়েই সকলোতকৈ ধুনীয়া আৰু পঢ়া শুনাতো ভাল।

—প্ৰথমটো কাৰ ধাৰণা ?

—কিয় মনত পেলোৱ'ছোন ; কিবা কথাত বোধ হয় তুমিয়েই এদিন কৈছিলা যে, কিছুমান ল'ৰাই ধুনীয়া ছোৱালী দেখিলেই, যি কোনো এটা বদনাম উলিয়াই ভাল পায়। বাৰু সেই-বোৰ যিয়েই নহওক, তোমাৰ এই ল'ৰাৰ লগত "ইয়াৰ্কী" দিয়া স্বভাৱটোও অলপো প্ৰশংসনীয় নহয়। তোমালোকৰ কলেজৰ কোনোবা এজনক এদিন তুমি "বিৰহী" বুলি শুনাইছিলা। তাৰো-পৰি বাৰান্দাইদি কোনোবাই, তলমূৰকৈ গলেই শুনাবা—"ওমৰ খেয়ামৰ তত্ত্ব বিচাৰি" এইবোৰ কৰিবলৈ লাজ নালাগেনে ? এয়েনে কেৱল, আৰু কত শুনিছো তোমাৰ কথা। এইবোৰ ভাল নহয় হে। তাৰ পৰিণাম হয়তো খুব বেয়া হবও পাৰে।

—দেৱ-দা ! ইমান মিছা কথাবোৰ নকব। মই সঁচাকৈয়ে কৈছো, এইবোৰ ভাল নাপাওঁ। আপোনাক কোনে এনেদৰে লগাইছে ?

—তোমাৰ সহপাঠী 'ৰুব।' কমাৰ মুখৰ পৰাই মই সকলো শুনিছো।

—অ'। এতিয়াহে বুজিছো ; তেন্তে তেন্তে কমাৰ এই কাৰ্য্য। তাইৰ এই জন্মগত নীচ প্ৰকৃতিৰ অলপো সংশোধন কৰিব পৰা নাই।

—কিয় ? কমাইতো একো মিছা কথা কোৱা নাই ?

—সেইবোৰ মূল্যহীন কথাৰ প্ৰয়োজন নাই। এতিয়া চাহ খাওক।

সি লৰা-লৰিকৈ চাহখিনি শেষ কৰি, ঘড়ীটোৰ সময়টোলৈ লক্ষ্য কৰি বিদায় লয়।

* * * *

'কমা'! তাই এপাহ বনৰীয়া ফুলৰ দৰে পবিত্ৰ ; সৌন্দৰ্য্য মধুৰ। সহজে আকৰ্ষণ কৰিব পৰা-ভৰা ৰূপ আছে, আদৰৰ যোগ্য, গুণৰ সুৰভি নাই। কমাৰ লগত প্ৰতিদিনৰ কাৰ্য্য-কলাপ তাৰ মনলৈ আহে। কমাৰ অশৰীৰী মূৰ্ত্তিটি তাৰ চকুৰ আগত ভাহি উঠে। ধীৰ, স্থিৰ, কমনীয়-কান্তি ; অৰুণাৰ দৰে প্ৰগল্‌ভা, চঞ্চল-চপ-লতা নাই। ফাগুনৰ বাট পাহৰা বতাহৰ দৰে সি আপোন মগ্ন হৈ, গৈ থাকে। 'কমা', এটা শতাব্দীৰ জ্ঞান-গৰিমা, উন্নতিৰ পৰা বহুত আঁতৰত থকা, আধুনিক-সমাজৰ পোহৰ নপৰা এটা সম্প্ৰ-দায়ৰ প্ৰতিনিধি স্বৰূপ। অৰুণায়ে তাইৰ লগত তাক, প্ৰথম চিনাকি কৰি দিয়ে। সেই দিনাৰ পৰা তাৰ অবুজ অন্তৰখনতো অন্তৰ ভৰা মৰমেৰে তাইক নিজৰ ভনীৰ দৰে মৰম কৰি আহিছে। সি বাটটোৰে দি ঘূৰি দীঘলী পুখুৰী পাবৰ তাৰ আদৰৰ বেঞ্চখনত বহি পৰে। সি দূৰৰ পৰাই লক্ষ্য কৰে কমাৰ আগমনি। ...............

—ক'ৰ পৰা আহিলা। কমা ?

—মই আঁতৰৰ পৰা মন কৰি আহিছোঁ, আপুনি একান্তমনেৰে কি ভাবিছিল ?

—তোমাৰ কথা।

—মোৰ কথা নে, অৰুণাৰ কথা ?

—অৰুণাৰ কথাটো মই কিয় ভাবিব লাগে ?

—তেন্তে মোৰ কথানো আপোনাৰ ভবা কি প্ৰয়োজন ?

—বোধহয় 'অৰু'তকৈ তোমাৰ প্ৰতি মোৰ মৰম বেচি ; তাৰ বেচি সুন্দৰ কাৰণেইনে কি ; তোমাৰ কথা বেচি মনলৈ আহে ;……?

—থৈ দিয়ক । 'অৰুণ,' আৰু মোৰ মাজত কিমান পাৰ্থক্য । 'দেৱ-দা' বুলি কিমান মৰমেৰে মৰম কৰা আপোনাৰ আধুনিক ভনীজনী ; আৰু মই 'দেৱ-ককাইদেউ বুলি মাতিলেই বোধহয় আপোনাৰ খং উঠে । —

বুজিছা ৰুমা । বঙালীৰ ভাষাৰ শালত গঢ়া, সেইখন 'দা'-ৰ কোব কেইটাৰ আঘাত মই নিবিচাৰিলেও, আজিকালি বহু'ত পাইছে ; যিহেতু ই প্ৰগতিৰ যুগত । অন্যফালে সেইখন 'দা'-ৰ স্বভাৱতো বৰ বিশ্বাস নাই ; অলপ বেচি ব্যৱহাৰত আহিলেই পাগ্‌লৰে ।……..

……..ৰুমাৰ হাঁহিমুখ হঠাৎ ক'লা পৰে ' গোটেই মুখখনিৰ ওপৰত এটা বিষাদৰ মলিন ৰেখা । তাই নিমাত হয় ; দুয়োজনৰ মাজত এটা মৌনতা, সি মন কৰে,—জোনৰ কোমল বিভাখিনি লাহে লাহে শেষহয় । নীলিম আকাশখন ক'লা চটা-চট্‌ ডাৱৰ-বিলাকে ঢাকি ধৰে । সি ৰুমাৰ বিষাদ-পূৰ্ণ মুখ-খনিৰ ওপৰত চকু ৰাখি চমকি উঠে ।—

—ৰুমা ! কি হৈছে তোমাৰ ?—নামাতা কিয় ?

—দেৱ-ককাইদেউ ! তাই বোধহয় । তললৈ মূৰ কৰি বেঞ্চখনতে অসংযত হৈ ৰহি পৰে । সি চঞ্চল হৈ উঠে ; কি কৰিব ভাবি নিৰুপায় হয়, —মই কাইলৈ ঘৰলৈ যাম । বোধহয় এয়ে শেষ……..! তাই বৰ জোৰেৰে কথা কইটো শেষ কৰে ।

—ঘৰলৈ যাবা—কিয় ?

—কিয় ? এৰা । কবলৈ হিয়া-ভাঙি যাব খোজে ; তথাপিও লজ্জা হয় । —ঘৰৰ চিঠি পাইছো ;…. খৰচ বহন কৰিব নাৱাৰে……..মাতি পঠাইছে ।……..

—ৰুমা ! কি কৈছা ? শেষত এনেদৰে……..?

—আপুনি মোক দোষাৰোপ নকৰিব দেৱ-ককাই-দেউ ! মইও মানুহ । কিন্তু মানুহৰূপে জীয়াই থকাৰ সহজ-সৰল, ইচ্ছা-আকাঙ্ক্ষসমূহৰ পৰাও মই বঞ্চিত । মোৰ ব্যথ্যা-ভৰা প্ৰাণৰ, বেদনা কেনেকৈ বুজিব । যিমানেই চেষ্টা কৰি গভীৰতাৰ বুকলৈ নামি যাব, সিমানেই, বাস্তৱৰ আঘাতত গঢ়ি উঠা বাসনা-জড়িত ঘাত প্ৰতিঘাতবোৰত ঠেকা খাই, সিমানেই আঁতৰি যাব । এইটোৱেই জীৱন,—য'ত অসীমৰ বুকত মৰীচিকাক ধিয়াই সমাপ্তি ঘটিছে ।

—ৰুমা ! পাগলৰ দৰে বকি নাথাকা । মোক ভাবিবলৈ দিয়া……..

ৰুমা গুচি যাবা । তাই আহিছিল, এটি বনৰীয়া পক্ষীৰদৰে, হাবিৰ ফল-ফুলৰ তৃপ্তি এৰি, দূৰণিৰ ফুলনিৰ বুকু উদ্দেশি উৰা মাৰিছিল ; কিহবাৰ আকাঙ্ক্ষাত কিন্তু তাইৰ এই প্ৰাণৰ পবিত্ৰ পিয়াহৰ দাম কোনখিনিত । কি অপৰাধ, কি পাপৰ ফলত, তাইৰ মূৰৰ ওপ-ৰত এই নিষ্ঠুৰ অভিশাপ ; যি হেতু তাই, বিফল মনোৰথেৰে ঘূৰি গুচি যাব লাগে ?—ৰুমা ! অধীৰ নহবা ৰুমা । এবাৰ অন্তৰ মুকলি কৰি কোৱা । —মই কি কৰিব পাৰো, তোমাৰ সহায়ৰ কাৰণে ?

—কিবা কৰিব পাৰিলেও মই নিবিচাৰো ।

—ইমান নিষ্ঠুৰ হৈছা কিয় ৰুমা ?

—কৰ্ত্তব্যৰ আহ্বান । আপুনি মোক সহায় কৰিব পাৰিব । কিন্তু মোৰ নিচিনা শত-জনক সহায় কৰিব নোৱাৰিব । সেই ভাৰ পৰিছেহি, আজি এটা নতুন ইঙ্গিত পাইছো,—তাকেই ভাবিছো বৰ গুৰুত্ব ভাৱে । এবাৰ নামি চাম ;—নামি'ল তিতিবলৈ য় ভনকৰো ।

—তাৰ মানে ?—তুমি কি কৰিবা ?

এৰা । আপুনি তাৰ অৰ্থ, উদেশ্য ইমান সহজে কেনেকৈ বুজিব ? চিৰদিন সুখৰ কোলাত লালিত-

পালিত—'ননীৰ পুতুল'। তাৰোপৰি শতাব্দীৰ চাপ-পৰা, আপোন'লোকৰ 'বাদ' 'নীতি' বিলাক সীমা-হীন ভাৱে বহল। অসীমৰ মাজত ঘূৰিফুৰি পাক-ঘূৰণি খাই বিশৃঙ্খল সৃষ্টিৰ বাহিৰে কতো সীমাৰেখা নেপায়। আমাক লাগে,—মোক লাগে আজি ঠেক গণ্ডীৰ ভিতৰত দৃঢ় শৃঙ্খলাযুক্ত কাৰ্য্য পন্থা। সেই উদ্দেশ্যকে লৈ আজি মনলৈ দৃঢ়তা আনি, মন-প্ৰাণ সৰ্ব্বস্ব প্ৰদান কৰিম মোৰ ক্ষুদ্ৰ সমাজ-টোৰ উন্নতিৰ পৰিকল্পনাত। তাৰ পিচতহে অন্য-বিলাক। লাহে লাহে......।

—তুমি কি আশা কৰিছা ক্ষমা? সৃষ্টিৰ চিৰন্তন প্ৰবাহ, যাৰ প্ৰভাৱক যুগৰ শ্ৰেষ্ঠ প্ৰাণীয়ে বাধা দিব পৰা নাই; তাক তুমি —— ?

—এৰা তাকেই। কিন্তু বিশ্বাস আছে; যিহেতু মোৰ কাৰ্য্য সীমাৰ আৰু শক্তিৰ ভিতৰত।

—তেন্তে মইও যাম তোমাৰ লগত; মোৰো সৰ্ব্বস্ব ত্যাগ কৰিবলৈ সক্ষম, তোমাৰ মহৎ উদ্দে-শ্যৰ কাষত এটি কণিকা হলেও তোমাৰ সহায়ৰ কাৰণে। মোক বাধ নিদিবা ক্ষমা।

—ক্ষমা কৰিবা দেৱ ককাইদেউ! আপোনাৰ এই স্নেহ, এই শুভ-ইচ্ছাই মোৰ আগন্তুক কৰ্ত্তব্যৰ, পথ-নিৰ্দ্দেশক চিৰ-প্ৰজ্বলিত বন্তিৰ আলো। সিয়েই যথেষ্ট। ........ কোনোদিন হেৰাই যাব নোখোজা পৃথিবীখনৰ বুকুত মই অকলে হেৰাই যাব খুজিছো,

—এটা ঠেকসামাৰ ভিতৰত, ইচ্ছাই-অনিচ্ছাই দোমোজাৰ হেচাত পৰি। মোৰ এই জীৱন জোৰা অভিশাপৰ মাজত সোমাই, আপুনিও অভিশপ্ত হবলৈ যোৱাটো, মাটিৰ মানুহে কৰা ভুলবোৰৰ মাজৰ আপুনিও কৰা কেৱল এটা ভুলেই নহব;—ই এটা আপোনাৰ ইচ্ছাকৃত, সজ্ঞান দুৰ্ব্বলতাৰেই মাথো পৰিচয় হব। গতিকে নিজক নতুনৰ বুকুত বোল দিবলৈ যোৱাৰ আগতে ভাবি চাব, ই কিমান দূৰ লাভ-ক্ষতিৰ ভিতৰত।

—মোক কিয় বাধা দিছা ক্ষমা? ইমান কঠিন সমস্যা এটা সমাধান কৰিবলৈ ওলাইছা —তোমাৰ চুটি, অন্ধকাৰপূৰ্ণ, জীৱন-ৰাতিৰ বুকুত এটা সপোন দেখিছা, নিষ্ঠুৰ বাস্তৱৰ আঘাতত যদি সি ভাগি যায়: —বিফলতাৰ সোঁতত যদি তুমি হতাশ দুৰ্ব্বল হিয়ালৈ উটি যোৱা তেন্তে কোনে তোমাক সহায় কৰিব ক্ষমা?.... তোমাৰ নিবিড় স্নেহৰ প্ৰতীকৰূপে মোৰ এই আশাক পৰিপূৰ্ণ কৰা ক্ষমা;—মোক বাধা নিদিবা। তোমাৰ ব্যথাত, মোৰ চকুলোৱে তোমাক জগাই তুলিব; তোমাৰ কৃতজ্ঞতাত মোৰ হিয়া-ভৰা চেনেহে পুনৰ শক্তি যোগাব; —তোমাৰ কাৰ্য্যক মোৰ আদৰ্শৰূপে অনুকৰণ কৰিবলৈ সুবিধা দিয়া ক্ষমা! তুমি আপ্ৰাণ চেষ্টাৰে অন্ধকাৰ, আবৰ্জ্জনা গুচাই, যি সমাজ গঢ়ি তুলিব স্বৰ্গ-ৰাজ্যৰ কল্পনা কৰিছা, তাৰ প্ৰত্যেক প্ৰাণীক মই দেৱতাৰূপে পূজা কৰিম।

—দেৱ-ককাইদেউ!

—ক্—মা!

মই কি প্ৰত্যুত্তৰ দিম। আজি অৱস্থাই মোক পাষাণী কৰি তুলিছে। মোৰ অপৰাধ নলব। মই আপোনাৰ এই ইচ্ছা পূৰ্ণ কৰিব নোৱাৰিম। মোৰ একান্ত অনুৰোধ, আপুনি আৰু প্ৰতিবাদ নকৰিব। কাৰণ মোৰ উদ্দেশ্য ধ্বংসমুখী নহয়। গতিকে আপোনাক প্ৰথম তাকেই কৰি যাব লাগিব। আপোনাক ন্যায্য স্বাৰ্থৰ পৰা আঁতৰাই, মোৰ কাৰ্য্যকো, মই প্ৰকৃতৰূপ দিয়াত বিস্মৃতি ঘটিব। এদিন .... .... সময় আহিলে; .... .... সক্ষম হলে বিচাৰিম। যদি ঘৃণা নকৰে .... ....। মোক বিদায় দিয়ক।—

—তুমি কান্দিছা? চকুলো কাৰ সম্বল ক্ষমা? চকুলোৰ ধাৰত কিহৰ বেদনা জিলিকি উঠিছে? তপ্তলোতক মোহাৰি পেলোৱা, চকুৰ পানীৰে নিজৰ

বাহিৰে, কাৰো পথ ৰুদ্ধ কৰিব নোৱাৰা। .... ....

ৰুমা ; জীৱনৰ উদ্দেশ্যৰ পথৰ পৰা আঁতৰি পৰিছে। কাৰ কোনখিনিত ক্ষতি হব ? এজনৰ জীৱন-তৰি, ভুলৰ প্ৰৰোচনাত উঠি যায়, অকূলক উদ্দেশি ; জগতৰ অন্য এজনলৈ তাত চকু দিবৰ প্ৰয়োজন কোন-খিনিত অনুভৱ কৰে ? বিশ্বৰ প্ৰৱাহৰ বুকত, অগণন দুৰ্ভগীয়াৰ হা-হুমুনিয়াহবোৰক কোনে দুৰ কৰিব পাৰে ? তথাপিও মানুহে বিচাৰে মানুহৰ কাষত সহায় সহানুভূতি, আদৰ-যত্ন। বৰ অসহায়ভাৱে তাই, কঠোৰ বাস্তৱৰপৰা আঁতৰি পৰিছে, নিষ্ঠুৰ অৱস্থাই, তাইক আজি কল্পনাৰ মাজেদি পথ নিৰ্দ্দেশ কৰিছে ; যি পথ—বাস্তৱ জগতত সহজ নহয় ;—আন্ধাৰ ৰাতিৰ কাঁইটীয়া বাটতকৈও ভূয় লগা ; কন্টকৰ ; কিন্তু কল্পনাত মানৱতাৰ শ্ৰেষ্ঠ অভিনয়,—বিশ্ব-প্ৰেমৰ উজ্জ্বল উদাহৰণ। অসহায় ৰুমা ; অস্থিৰ মগজুৰ দুৰ্ব্বল পৰিচালনাত এই কল্পনা। যদি এই আশা, নিজৰ অসমৰ্থতাৰ হেতু ভাগি যায় ; তেতিয়া—— ? .... ৰুমা !

—মইযে আপোনাক এৰি যাম, দেৱ-ককাইদেউ ! এই কথাই কিয় মোৰ প্ৰাণত ........।

—ৰুমা, তুমি নাৰী ! মোৰ এখন কঠোৰ হিয়াও উদ্বাউল হৈ উঠিছে। তোমাৰ এই দুৰ্ব্বলতা অতি স্বাভাৱিক। দুস্মৃতিৰ কাষত থিয় হৈছাহি। কোন স্মৃতিত নামিবা ? এফালে আছে, তোমাৰ ৰঙীণ উদ্দেশ্য ; অন্যফালে স্নেহৰ বান্ধোন। এই স্নেহৰ মেহত পৰি থাকিলে তোমাৰ জীৱনে মুক্তি নাপাব ৰুমা। হৃদয়ৰ সৰ্ব্বস্ব অৰ্পণ কৰিছো, তোমাৰ উজ্জ্বল ভৱিষ্যতকে, মইও কল্পনা কৰি।—আগবাঢ়া ! সময় বহুত পলমহৈ গৈছে ; তোমাৰ নিচিনাই অলেখ,—শতাব্দীৰ সোঁতত বহুত আগবাঢ়ি গৈছে। পৰি আছা তোমালোক। ......

—মোক বিদায় দিয়ক।—

—হিয়া ভাগি যাব খোজে ৰুমা ; এই বিদায়ৰ বেলা। আহা ;..........যোৱা ৰুমা ! এই স্নেহেই স্মৃতিৰ প্ৰতীক ;—তোমালৈ তৃপ্তিৰ আকৰ।

—মই যাওঁ তেন্তে—। কিন্তু ?........

ৰুমাৰ দুগাল বুৰি বৈ পৰা চকুলোৱে বাট নেদেখা হয় ; তথাপিও ব্যথিত হিয়াৰে আগবাঢ়ে, বাট বুলি যেই ; সন্মুখলৈ। তাই আঁতৰি যায় ;—সি চাই থাকে এটা প্ৰাণ-হীন পুতলাৰ দৰে। হঠাৎ সি আত্ম-সংযম হেৰুৱাই বেদনা-কাতৰ ভাৱে চিঞৰি উঠে ;——'ৰু-মা',—'ৰুমা'।

চিঞৰত সি সাৰ পায়। চকু দুটা মেলি সি দেখে—তাৰ দুয়োটা 'ৰুমমেট্'এ লাইট্ জ্বলাই, পঢ়ি আছে। সিহঁতৰ অৰ্থপূৰ্ণ হাঁহিটোলৈ লক্ষ্য কৰি লাজ-বিষাদত, লেপখন মূৰে গায়ে লৈ পুনৰ শুই পৰে।

# কাল-বিভাগ

( অধ্যাপক—ব্ৰজেন্দ্ৰকুমাৰ অচাৰ্য্য এম, এ, কাব্য-মীমাংসাতীৰ্থ )

কাল অনাদি আৰু অনন্ত; নিজৰ সুবিধাৰ কাৰণে তাক আমি যুগ, শতাব্দী, বছৰ, মাহ, পক্ষ, দিন, দণ্ড, পল আদি ভাগ কৰি লওঁ কিন্তু আমি ক'ব নোৱাৰোঁ এই ভাগবিলাক কেনেকুৱা আৰু কেতিয়া কৰা হৈছিল। এইবোৰৰ কোনটোৰ ধাৰণা মানুহৰ মগজত প্ৰথমতে ঠাই পাইছিল, তাকো আমি ক'ব নোৱাৰো। বৰ্ত্তমান প্ৰবন্ধত আমি সেই প্ৰাচীনতম সময়-বিভাগৰ এটা সংক্ষিপ্ত আলোচনা কৰিবৰ চেষ্টা কৰিম। এতিয়ালৈকে যি প্ৰাচীন কিতাপ আদি ওলাইছে, তাৰ মাজত ভাৰতৰ ঋগবেদ আটাইতকৈ পুৰণি বুলি সকলো পণ্ডিতে কয়। তাক ভালকৈ আলোচনা কৰি শ্ৰেষ্ঠ পণ্ডিতসকলে বুজিব পাৰিলে যে, প্ৰথমতে সূৰ্য্যোদয়ৰ পৰা সূৰ্য্যাস্তলৈকে 'অহঃ' (দিবা), আৰু সূৰ্য্যাস্তৰ পৰা আকৌ সূৰ্য্যোদয়লৈকে 'ৰাত্ৰি' বুলি দুটা ভাগ কৰি লৈ, সেই 'অহঃ' আৰু 'ৰাত্ৰি' একেলগ কৰি প্ৰাচীন আৰ্য্যসকলে আহোৰাত্ৰ' বা দিন নাম দি ললে; কিয়নো, দিবা আৰু ৰাত্ৰিৰ মান সকলো সময়ত সমান নাথাকে, সেই কাৰণে সদায় সমান থকা সূৰ্য্যৰ এক আবৰ্ত্তনৰ সময়টোহে প্ৰকৃত বিভাগ হোৱা উচিত। এনেকৈ অনাদি সময়ৰ এটা আত প্ৰয়োজনীয় বিভাগ হৈ গলেও অগ্নি-উপাসক আৰ্য্যসকলৰ আচল সমস্যাৰ সমাধান নহ'ল। তেওঁলোকে সদায় সায়ংপ্ৰাতঃ (গধূলি আৰু ৰাতিপুৱা) আহুতি দিছিল, কিন্তু কেতিয়াৰ পৰা কেতিয়ালৈকে এটা সম্পূৰ্ণ যাগ কৰিব লাগে, সময়ৰ ডাঙৰ বিভাগ নথকাৰ কাৰণে তাক বুজি লব নোৱাৰিছিল। এনেকৈয়ে কিছুদিন যোৱাৰ পাচত বৈদিক আৰ্য্যসকলে বুজিব পাৰিলে যে সূৰ্য্যাই সকলো সময়তে এঠাইত নাথাকে, কেতিয়াবা ঠিক্ পূবত উদয় হয়, কেতিয়াবা অলপ উত্তৰত, কেতিয়াবা অলপ দক্ষিণত উদয় হয়। এইটোও দেখিলে যে, যেতিয়া ঠিক্ পূবত উদয় হয়, তেতিয়া দিন আৰু ৰাতি সমান হয়; যেতিয়া উত্তৰত উদয় হয়, তেতিয়া দিনটো ৰাতিতকৈ ডাঙৰ হয়, আৰু যেতিয়া দক্ষিণত উদয় হয়, তেতিয়া দিনটো ৰাতিতকৈ সৰু হয়।

আৰ্য্য-ঋষিসকলৰ এই আবিষ্কাৰে তেওঁলোকৰ অনুসন্ধিৎসা আৰু বঢ়াই দিলে. তাৰ পাচত তেওঁলোকে বিচাৰি পালে যে সূৰ্য্যৰ পূবৰ পৰা উত্তৰ আৰু দক্ষিণৰ শেষ-বিন্দুলৈ যোৱাত সমানেই সময় লাগে; আকৌ পূববিন্দুৰ পৰা উত্তৰ বা দক্ষিণবিন্দুলৈ যোৱাত যিমান দিন লাগে, উত্তৰ আৰু দক্ষিণবিন্দুৰ পৰা পূববিন্দুলৈ অহাতো সিমানেই সময় লাগে এনেকৈ সূৰ্য্যাই পূববিন্দুৰ পৰা অলপ অলপ হুইঁকি উত্তৰ বিন্দুত, তাৰ পৰা আকৌ পূববিন্দু, তাৰ পৰা দক্ষিণবিন্দু তাৰ পৰা আকৌ পূববিন্দুলৈ আহে। কিন্তু সূৰ্য্যৰ এই গতিটো যে চক্ৰ-গতি (Motion in a circle) বা ক্ৰান্তিবলয়পৰিভ্ৰমণ, তাক তেওঁলোকে তেতিয়া জনা নাছিল। তাৰ বাবে সূৰ্য্যৰ পূব বিন্দুৰ পৰা উত্তৰ বা দক্ষিণ বিন্দুলৈকে ভ্ৰমণ কৰি আকৌ পূব বিন্দুত অহাৰ সময়টোক এটা এটা ডাঙৰ বিভাগ বুলি ধৰি লৈ ষান্মাসিক সত্ৰ-যাগ কৰিছিল। তেওঁলোকে গণি পোৱা এই সময়টো ১৮০ দিনমান আছিল; আৰু দেখা গ'ল যে, এই ১৮০ দিনতে ৬ টা পূৰ্ণিমা হয়। গতিকে ইয়াক ছয় মাহ কোৱা হল, আৰু এইদৰেই ৩০ দিনেৰে এমাহ হয় বুলি ঠিক কৰি ললে অৱশ্যে এই মানটো ঠিক্ নহয়,—কেতিয়াবা ২৯ দিনেৰে, কেতিয়াবা ৩০ দিনেৰে, আকৌ কেতিয়াবা ৩১ দিনেৰে মাহ হয়, আৰু ছয় মাহত ১৮২ বা ১৮৩ দিনো হয়। কিন্তু তেনে হলেও যাগৰ কাৰণে গোটেইবোৰ দিন ধৰি গণনা নকৰিলে নহয়, আৰু ৩০ দিনেৰে মাহ নধৰিলেও নহয়। ইয়াৰ লগে লগে বৈদিক আৰ্য্যসকলে দেখিলে যে, সূৰ্য্যাই উত্তৰফালে ভ্ৰমণ কৰিবৰ সময়ত বসন্ত ঋতু হয়, আৰু দক্ষিণ ফালে ভ্ৰমণ কৰিবৰ সময়ত শীত ঋতু হয়। এইদৰে তেওঁলোকে বুজি ললে যে ১৮০ দিনেৰে

ডাঙৰ বিভাগটো নহয়, কিয়নো, তেনে হলে সদায় একে ঋতু হলহেঁতেন; অতএব বসন্ত আৰু শীত এই দুয়ো ঋতু মিলি এটা ডাঙৰ হয়, আৰু তাৰ মান হয় ৩৬০ দিন। এই ডাঙৰ বিভাগক তেওঁলোকে সংবৎসৰ বুলিলে; কিয়নো, এই বিভাগত বসন্ত অ'ৰু শীত একেলগে থাকে (সম্+বস্' মানে একেলগে থকা)। Dr. Schader এ কয় যে প্ৰাগৈতিহাসিক যুগতেই মেৰুদেশৰ আৰ্য্যসকলে সংবৎসৰ বা বছৰৰ ধাৰণা কৰিছিল। তাত বসন্ত আৰু শীত ঋতুৰ বাহিৰে একো ঋতু নহয়। গতিকে দুই ঋতুৰে এবছৰ হৈছিল। তাৰ পৰা সংবৎসৰ সত্ৰ বা গোটেই বছৰ ব্যাপি থকা সত্ৰ-যাগৰ প্ৰচলন হৈছিল।

কিন্তু, যেতিয়া আৰ্য্যসকলে মেৰু-দেশৰ পৰা ভাৰত-বৰ্ষলৈ আহিবলৈ ধৰিলে, তেতিয়া তেওঁলোকে দেখিলে যে ঋতু-সংখ্যা ক্ৰমশঃ বাঢ়ি বাঢ়ি যায়। কিয়নো, ভাৰতবৰ্ষ উত্তৰ-গোলাৰ্ধৰ নাতিশীতোষ্ণ আৰু গ্ৰীষ্মমণ্ডলৰ ভিতৰত। তেনেকৈ আমি শতপথব্ৰাহ্মণ আদি বৈদিক কিতাপত দেখোঁ "ত্ৰয়োবা ঋতবঃ সংবৎসৰস্য" (শতং ব্ৰাং ৩।৩।৫ ১৭), "পঞ্চ বা ঋতবঃ সংবৎসৰস্য" (শতং ব্ৰাং ২।২।১।১৪; ৩।১.৩।১৭; ৪।১।১।১৬ ইত্যাদি), "ষড় বা ঋতবঃ সংবৎসৰস্য" (শতং ব্ৰাং ২।.।৬ ৪; ৩।৩.৪।১৭; ৪।১।১।৩ ইত্যাদি)। এই দৰে আৰ্য্যসকলে দেখিলে যে, কেতিয়াবা বসন্ত, গ্ৰীষ্ম আৰু শীত, এই তিনটা ঋতুৰে বছৰ হয়, কেতিয়াবা বসন্ত, গ্ৰীষ্ম, বৰ্ষা, শৰৎ আৰু হেমন্ত, এই পাঁচটা ঋতুৰে (শতং ব্ৰাং ১.৪।৪।৮।১৪; ১।৪।৫.৫) বছৰ হয়, কেতিয়াবা বসন্ত, গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত আৰু শীত, এই ছয়টা ঋতুৰে বছৰ হয়। এই দৰে বছৰৰ ধাৰণা ঠিক্ হৈ যোৱাৰ পিচত ক্ৰমে বৈদিক ঋষিসকলে অনুসন্ধান কৰি বুজিব পাৰিলে যে, সূৰ্য্যদেৱে এটা নিয়ম অৱলম্বন কৰি আকাশৰ কেইটামান নক্ষত্ৰপুঞ্জ বা তৰাসমূহৰ মাজতে ভ্ৰমণ কৰে, আৰু এবছৰ ঘুৰি আকৌ প্ৰথম তৰাত আহি থিয় হয়। সেই কাৰণে তেওঁলোকে সূৰ্য্যৰ আটাইতকৈ ওচৰত থকা তৰা দেখি সূৰ্য্যদেৱৰ অৱস্থান ঠিক্ কৰিছিল। তৈত্তিৰীয় ব্ৰাহ্মণত দেখা পাওঁ, ৰাতিপুৱাৰ অলপমান আগতে সূৰ্য্যৰ ওচৰত থকা তৰা দেখা নেপালে তাৰ পিচৰ তৰা চাই কাৰ্য্যাৰম্ভ কৰা হৈছিল,—"যৎ পুণ্যং নক্ষত্ৰং তদ্বড়্কুৰ্বীতোপব্যুষণ। যদা বৈ সূৰ্য্য উদেতি। অথ নক্ষত্ৰং নৈতি। যাবতি তত্ৰ সূৰ্য্যো গচ্ছেৎ। যত্ৰ জঘন্যং পশ্যেৎ। তাবৎ কুৰ্বীত যৎকাৰী স্যাৎ। পূণ্যাহ এব কুৰুতে।" (তৈং ব্ৰাং ৫।২।১) ইয়াতে আৰু দেখোঁ যে, সূৰ্য্যই সদায় এটা তৰাৰ পৰা আন এটা তৰালৈ ভ্ৰমণ কৰে। এইদৰে এটা এটা কৰি সাতাইশটা তৰা বা নক্ষত্ৰপুঞ্জ ভ্ৰমণ কৰি আকৌ প্ৰথম তৰাত আহি উপস্থিত হয়। এয়েই এবছৰৰ শুদ্ধ মান বুলি ধৰি লোৱা হৈছিল। এই বছৰৰ নাম হ'ল 'নাক্ষত্ৰ বৎসৰ.' কিয়নো, সূৰ্য্যৰ গোটেই নক্ষত্ৰচক্ৰ ভ্ৰমণ কৰাৰ পৰা এই মানটো নিৰ্ণয় কৰা হৈছে। যি হ'ক, বৈদিক আৰ্য্যসকলে গোটেই বছৰব্যাপি যাগ কৰিছিল,- এটা নিৰ্দিষ্ট সময়ত আৰম্ভ কৰি, বাৰ মাহ বা ৩৬০ দিন যাগ কৰি তাৰ পিচত তাক সমাপ্ত কৰা হৈছিল। তাৰ পিচত আকৌ নাক্ষত্ৰ বছৰৰ যি কেইটা দিন (৫ বা ৬ দিন) বাকী থাকিছিল, তাতে, আকৌ যাগ আৰম্ভ কৰিবৰ নিমিত্তে, প্ৰস্তুতি বা দীক্ষনীয়ব্ৰত কৰা হৈছিল। এনেকৈ যাগ আৰু বছৰ এক অচ্ছেদ্য সম্বন্ধৰে আবদ্ধ হৈ গ'ল আৰু এই দুয়া অভিন্নৰূপে ধৰি লোৱা হ'ল Dr Haug এ তেওঁৰ Introduction to Aitereya Brahmana নামৰ কিতাপত লিখিছে – "The Satras, which lasted for one year, were nothing but on imitation of the sun's yearly course. they were divided into two distinct parts each consisting of six months of 30 days each. In the midst of both was the Vishubon i. e. the equator or the central day, cutting the whole Satra into two halves." P. 48. অৰ্থাৎ গোটেই বছৰ বিয়াপি থকা সত্ৰবিলাক সূৰ্য্যৰ বাৎসৰিক গতিৰ এটা অনুকৰণৰ বাহিৰে আৰু একো নহয়। এইবিলাকক দুটা বেলেগ ভাগত ভাগ কৰা হৈছিল, প্ৰত্যেক ভাগতে ছটাকৈ ৩০ দিনীয়া মাহ আছিল; দুয়োটা (সত্ৰ) ৰে মাজ ভাগত আছিল বিষুবন্ অৰ্থাৎ বিষুব-ৰেখা বা মধ্যদিন, এই দিনে গোটেই সত্ৰক ভাঙি দুই ভাগ কৰিছিল।

বেদসাহিত্যতো প্ৰজাপতিক সংবৎসৰ আৰু যজ্ঞ বুলি কোৱা হৈছে,—"সংবৎসৰঃ প্ৰজাপতিঃ। প্ৰজাপতিৰ্যজ্ঞঃ।" "স বৈ যজ্ঞ এব প্ৰজাপতিঃ।" "ষড় বা ঋতবঃ সংবৎসৰস্য সংবৎসৰো যজ্ঞঃ প্ৰজাপতিঃ চতুৰ্বিংশতিৰ্বৈ সংবৎসৰস্যাৰ্দ্ধমাসাঃ, সংবৎসৰো যজ্ঞঃ প্ৰজাপতিঃ।" এই ধৰণৰ বহু বেদোক্তি আমি তৈত্তিৰীয় সংহিতা, ঐতৰেয় ব্ৰাহ্মণ, আদি বৈদিক গ্ৰন্থত দেখা পাওঁ। এইবিলাক আলোচনা কৰি আমি বুজিব পাৰোঁ যে, যাগ আৰু সংবৎসৰ একে কথা। বছৰ আৰু যাগৰ আৰম্ভ একে সময়ত, আৰু উভয়ৰ সমাপ্তিও একে সময়তে হৈছিল। পিচৰ কালত যাগযজ্ঞৰ লগত নানা ইতিকৰ্ত্তব্যতা লগলাগি গলেও আচলে পূৰা বছৰ ব্যাপি যাগক্ৰিয়া সম্পাদন কৰাৰ ধাৰণাটো অতি প্ৰাচীন। 'ঋত্বিজ' (যাগৰ পুৰোহিত) আৰু 'সংবৎসৰ' শব্দৰ ব্যুৎপত্তিগত অৰ্থ বিচাৰ কৰিলেও এই ধাৰণাই সমৰ্থিত হয়;—

ঋত্বিজ্—ঋতু+যজ্ (ঋতুত যাগকাৰী); সংবৎসৰ—সম্+বস্ (একেলগে থকা),—অৰ্থাৎ যি সময় বিয়াপি ঋতুবোৰে এটাই আনটোৰ লগত বাস কৰে। যি ঋতুবোৰ গোটেই বছৰ ইটোৱে সিটোৱে লগালগি হৈ থাকে, ঋত্বিজ্ সেইবোৰ ব্যাপি যাগ কৰে। গতিকে বছৰ আৰু যাগ একেলগে প্ৰবৃত্ত আৰু নিবৃত্ত হয় (Co-extensive) বুলি উভয়ক অভিন্ন কল্পনা কৰা হৈছে অতএব যাগেই বছৰ, বছৰেই যাগ। এই 'যাগ' শব্দটো আকৌ অতি পুৰণি; ভাৰতীয় ইৰাণীয় আৰু গ্ৰীছীয় আৰ্য্যসকল যেতিয়া বেলেগ হোৱা নাছিল, তেতিয়াৰ পৰা এই শব্দটো প্ৰচলিত আছিল বুলি পণ্ডিতসকলে অনুমান কৰে; কিয়নো, যাগ কৰাৰ নিয়ম এই তিনি-জাতিৰ ভিতৰতেই প্ৰচলিত আছিল, ইয়াৰ পৰিচয় আমি প্ৰাচীন গ্ৰীক আৰু জেন্দ সাহিত্যত পাওঁ, বিশেষতঃ একে ধাতুৰ পৰা এই তিনি জাতীয়েই যাগক্ৰিয়াবাচক শব্দবোৰ সম্পাদিত হৈছে, যেনে, সংস্কৃত যজ্, জেন্দ্ yaz, গ্ৰীক্ Agos.

প্ৰাচীনতম আৰ্য্যসকলে যাগকৰ্মত কেৱল সাৱন দিন, মাহ আৰু বছৰৰ ব্যৱহাৰ কৰিছিল বুলি পণ্ডিতসকলে সিদ্ধান্ত কৰিছে; কিয়নো, বেদ আৰু ব্ৰাহ্মণ গ্ৰন্থবোৰত এই নিদৰ্শন পোৱা যায়। সাৱন দিন মানে যজ্ঞত ব্যৱহৃত দিন (সু=যজ্ঞ কৰা;—সৱন=যজ্ঞক্ৰিয়া, আৰু সাৱন=যজ্ঞক্ৰিয়া সম্বন্ধীয়)।

সূৰ্য্যোদয়ৰ পৰা সূৰ্য্যোদয়লৈকে এদিন; ৩০ দিনে এমাহ ১২ মাহে বা ৩৬০ দিনে এবছৰ,—এইটো সাৱন গণনা। ঋগ্ বেদত পাওঁ,—

"দ্বাদশ প্ৰধয়শ্চক্ৰমেকং ত্ৰীণি নভ্যানি ক উ তচ্চিকেত।
তস্মিন্ সাকং ত্ৰিশতা ন শঙ্কবোঽৰ্পিতাঃ ষষ্টিৰ্ন চলাচলাসঃ॥" (ঋ০বে০ ১।১৬৪।৪৮) সূৰ্য্যৰ ৰথ-চক্ৰৰ ১২ টা পৰিধি (কালচক্ৰৰ ১২ টা মাহ) আৰু তিনিটা ফলক (তিনিটা ঋতু) আছে; তাত আকৌ ৩৬০ টা শঙ্কু (৩৬০ দিন) সদায় চলাচল কৰে। তৈত্তিৰীয় সংহিতাত দেখা পাওঁ, "তাসাং ত্ৰীণি শতানি ষষ্টিশ্চাক্ষৰাণি তাৱতীঃ সংবৎসৰস্য ৰাত্ৰয়োঽক্ষৰশ এব সংবৎসৰমাপ্নোতি।" তৈ০ সং০ ২।৫।৮।৩)—সেই সামিধেনী মন্ত্ৰবোৰৰ তিনিশ ষাঠি আখৰ আছে, আৰু সংবৎসৰৰো সিমানেই ৰাতি আছে, আখৰক অনুসৰি বছৰক পায়। শতপথ ব্ৰাহ্মণত পাওঁ, "ষষ্টিশ্চ হ বৈ ত্ৰীণি চ শতানি সংবৎসৰস্যাহানি।" (শ০ ব্ৰা০ ৯।১।১।৪৩) সংবৎসৰত তিনিশ ষাঠি দিন আছে গতিকে আমি দেখা পাওঁ যজ্ঞৰেই কাৰণে প্ৰাচীন আৰ্য্যসকলে দিন, মাহ আৰু বছৰক গণন কৰিছিল, আৰু সেই কাৰণেই এইবিলাক স্বাভাৱিক দিনেৰে গঠিত হোৱা 'সাৱণ' দিন—মাহ—বছৰ। আচলতে কিন্তু স্বাভাৱিক বছৰ বা সূৰ্য্যৰ গোটেই ৰাশিচক্ৰ (ক্ৰান্তিবলয়) ভ্ৰমণ কৰাটো ৩৬০ দিনে কেতিয়াও হোৱা নাই। পণ্ডিতসকলে গণনা কৰি চাইছে—সৌৰ বা সূৰ্য্যৰ ৰাশিচক্ৰ-ভ্ৰমণজাত বছৰটো ৩৬৫ দিন ১৫ দণ্ড, ৩০ পলমান সময়তেই হয়। এই কাৰণে সাৱণ আৰু সৌৰ বছৰৰ পাৰ্থক্য ৫ দিনৰ কিছুমান বেচি হয়। এই পাৰ্থক্যটো মিল কৰিবৰ নিমিত্তে প্ৰতি পাঁচ সাৱন বৎসৰৰ পিচত এমাহ যোগ কৰা হৈছিল। অধ্যাপক হুইট্নিয়ে (Prof Whitney) সূৰ্য্যসিদ্ধান্তৰ (১।১৩)টীকাত কৈছে --- The civil (Savana) day is the natural

day·······A month of 30 and a year of 360 days are supposed to have formed the basis of the earliest Hindu chronology an intercalary month being added once in five years."

কিন্তু ভাষাতত্ত্ববিজ্ঞানে দেখুৱায় যে, অধিকাংশ ইন্দো ইউৰোপীয় ভাষাত মাহ আৰু চন্দ্ৰৰ (চন্দ্ৰাৱস্থিতিৰ) নাম, প্ৰত্যয়ৰ ক্ষুদ্ৰ ক্ষুদ্ৰ পাৰ্থক্য এৰি দিলে মিলি যায়। সেই কাৰণে আমি ধৰি লব পাৰো যে প্ৰাচীনতম, আৰ্য্যসকলে চন্দ্ৰৰ পৰাহে মাহৰ সংখ্যা, মান আদি স্থিৰ কৰিছিল। আমাৰ দেশত এতিয়ালৈকে চান্দ্ৰ মাহৰ ব্যৱহাৰ আছে, আৰু যি নক্ষত্ৰত চন্দ্ৰ থকা কালীন পূৰ্ণিমাৰ অন্ত হয়, সেই নক্ষত্ৰৰ নামেৰে আমি মাহৰ নাম ব্যৱহাৰ কৰোঁ; যেনে, বিশাখা নক্ষত্ৰৰ পূৰ্ণিমাৰ অন্ত হয় বুলি বহাগ (বৈশাখ); জেষ্ঠা নক্ষত্ৰত পূৰ্ণিমাৰ অন্ত হয় বুলি জেঠ (জৈষ্ঠ) ইত্যাদি। এই নিয়ম বহু দিনৰ পৰাই চলি আহিছে। সাৱন মাহ যেনেকৈ ৩০ দিনেৰে হয়, তেনেকৈ চান্দ্ৰ মাহো ৩০ তিথিৰে হয়; কিন্তু তিথি কেতিয়াবা এদিনতকৈ সৰু, কেতিয়াবা ডাঙৰ হয়, গতিকে সাধাৰণতঃ চান্দ্ৰমাহটো সাৱন মাহতকৈ অলপমান সৰু হয়, আৰু এই কাৰণেই ব্ৰহ্মবাদী ঋষিবিলাকে কেতিয়াবা সাৱন মাহৰ পৰা এদিন এৰি দি উভয়ক মিল কৰি লৈছিল, 'উৎসৃজ্যাং নোৎসৃজ্যামিতি মীমাংসতে ব্ৰহ্মবাদিনঃ" (তৈ০ স০ ৭।৫।৭।১; তাণ্ড্য০ ব্ৰা০ ৫।১০)। গতিকে বাল-গঙ্গাধৰ তিলক ডাঙৰীয়াই কয়, সাৱন মাহ আৰু চান্দ্ৰ মাহৰ পাৰ্থক্য অতি অলপ হোৱাৰ কাৰণে আৰ্য্য সকলে সাৱন মাহ এৰি দি চান্দ্ৰ মাহ ধৰিছিল, আৰু এইবাবে আজিলৈকে চান্দ্ৰ মাহৰেই ব্যৱহাৰ হব লাগিছে। সাৱন বছৰ ৩৬০ দিনেৰে আছিল, এতিয়া চান্দ্ৰ ৩৬০ তিথিৰ ব ৩৫৪ সাৱন দিনৰে হব ধৰিলে।

এনেকৈয়ে আৰু এটা নতুন সমস্যাই দেখা দিলে। এতিয়া সৌৰ বছৰ আৰু চান্দ্ৰ বছৰৰ এটা ডাঙৰ পাৰ্থক্য হৈ গল। তেতিয়ালৈকে আজি কালিৰ নিচিনা ৰাশি-চক্ৰৰ বাৰটা সমান বিভাগ নাছিল, সৌৰ মাহৰো একো ধাৰণা নাছিল। কেৱল মাত্ৰ ঋতু চক্ৰই আছিল সময়-নিৰ্ধাৰণৰ উপায়। তথাপি তেওঁলোকে এই পাৰ্থক্য টো ধৰিব পাৰিছিল; আৰু ইয়াৰ সমাধান কৰিবলৈ চেষ্টা কৰিছিল যাগ-যজ্ঞ তিনিশ যাঠি দিনেৰে সমাপ্ত কৰি অতিৰিক্ত (৩৬৬—৩৫৪=১২) বাৰ দিনত "দ্বাদশাহব্ৰত" পাল কৰিছিল। যাগ যজ্ঞ সমাপনৰ লগে লগে বছৰ শেষ হৈ গলেও নতুন বছৰৰ ঋতু নহাৰ কাৰণে আকৌ যাগযজ্ঞ আৰম্ভ হব নোৱাৰে। সেই কাৰণে যাগ আৰম্ভ কৰিবলৈ দীক্ষা গ্ৰহণ কৰি সেই বাৰ দিন বিয়াপি দ্বাদশাহ ব্ৰত বা দীক্ষণীয়েষ্টি কৰিব লাগিছিল। ঋগ্বেদত, অথৰ্ববেদত আৰু তৈত্তিৰীয় ব্ৰাহ্মণত আমি তাৰ উল্লেখ পাওঁ,—"বেদমাসো ধৃতব্ৰতো দ্বাদশ প্ৰজাবতঃ বেদা য উপজায়তে।" ঋ.বে০.১।২৫।৮ (দ্ৰষ্টব্য—ঋ০ বে০ ৪।৩৩।৭, অ০ বে০ ৪।১১।১১; তৈ০ ব্ৰা০ ১।১।৯.১০)। ঋগ্বেদত আৰু কথিত আছে যে, ঋতুৰ অধিপতি ঋভু-সকল তেতিয়া মন্দগতি হয় আৰু সূৰ্য্যৰ আতিথ্য গ্ৰহণ কৰে (ঋ০ বে০ ৪।৩৩।৭) অথৰ্ব বেদতো কথিত আছে যে, যজ্ঞদেৱ প্ৰজাপতিয়ে পুৰণি বছৰৰ যাগ সমাপ্ত কৰি নতুন বছৰৰ যাগ কৰিবলৈ সেই ১২ দিনতে সাজু হব লাগে (অঃ বেঃ ৪।১১।১১)। পাশ্চাত্য পণ্ডিত Geminus এ কৈছে, প্ৰাচীন গ্ৰীক জাতিৰ মাজতো চান্দ্ৰমাহ আৰু সৌৰ বছৰৰ ব্যৱহাৰ আছিল, —"The system persued by the ancient Greeks was to determine their months by the moon and their years by the sun." (Quoted by Lewis in his Historical survey of the Astronomy of the Ancients.)। এনেকৈ আৰ্য্যসকলে সেই সমস্যাকো সমাধান কৰি ললে; কিন্তু আৰু এটা অতি ক্ষুদ্ৰ পাৰ্থক্য থাকি গ'ল। সেইটো হৈছে নাক্ষত্ৰ বছৰ আৰু সৌৰ (সায়ন) বছৰৰ পাৰ্থক্য। সূৰ্য্যই এক নক্ষত্ৰৰ পৰা চাঁত কৰে গৈ আকৌ সেই একেই নক্ষত্ৰলৈ ফিৰি অহাত যি সময় লাগে তাকে বোলে নাক্ষত্ৰ বছৰ। আকৌ, সূৰ্য্যই বিষুৱবিন্দুৰ পৰা চাঁত কৰে গৈ আকৌ সেই বিন্দুলৈ ফিৰি অহাত যি সময় লাগে তাকে বোলে

## Volunteer Corps

**Social Service Section, Cotton College 1948—49**



Sitting ( Left to right ) Mr. D. Bhattacharjya, ( Secy ) Prof. D. Gogoi, ( Prof. in charge ) Prof. G. S. Barua ( Vice President cultural section. )

Standing First Row ( left to right ) (Messrs) M. K. Barooah, N. Baruah, G. Khound. M. Barua, R. Ahmed, A. Gaffar, N. Hazarika, A. Dutta, B. Gogoi, N. Goswami J. Goswami, T. Saikia, D. Chetia, S. Neog
Second Row (Left to right) (Messrs) S. N. Bharali, M. Goswami, T. Gogoi. K. Bharali, A. Goswami, P. Dowerah, B. Das, R. Bhuyan, D. Bezborua, D. Nath, P. Gogoi, M. A. Ali, J. Buragohain.

সৌৰ বা সায়ন বছৰ। আজি কালি আমি নাক্ষত্র বছৰকেই সৌৰ বছৰ কওঁ, কিয়নো আমাৰ দেশত সায়ন বছৰৰ ব্যৱহাৰ নাই। কিন্তু বৰ্ত্তমান প্ৰবন্ধটো পঢ়িবৰ সময়ত সেই ভুলটো নকৰিব। প্ৰাচীন বৈদিক আৰ্য্য-সকলে অয়ন (বিষুৱবিন্দু) চলন নেজানিছিল; সেই কাৰণে এই পাৰ্থক্যটো লক্ষ্য কৰিব নোৱাৰিছিল। বিষুৱবিন্দু অটল নহয়; প্ৰত্যেক বছৰ পশ্চিমফালে প্ৰায় ৫০″ বিকলা গুচি যায়। সেই কাৰণে প্ৰত্যেক নাক্ষত্র বছৰতকৈ প্ৰত্যেক সায়ন বছৰ ২০·৪ মিনিটমান সৰু হৈ যায়,– কিন্তু এই পাৰ্থক্যটো ইমান সৰু যে, প্ৰায় ২০০০ বছৰৰ পিচত এক চান্দ্ৰমাহমান পাৰ্থক্য হয়। গতিকে আৰ্য্যসকলে তাক ধৰিব নোৱাৰিছিল। যি হক, ওপৰত কোৱা এই পাৰ্থক্যটোকে আজি কালি আমি "মলদিবস" কওঁ (চান্দ্ৰ আৰু নাক্ষত্র মাহৰ পাৰ্থক্য); আৰু এই মলদিবসৰ পৰিমান এমাহমান হৈ গলে, তাক 'মলমাস' বা 'অধিমাস' কওঁ। আৰু এটা কথা মনত ৰখা উচিত, – পূৰ্ণিমাত মাসান্ত হোৱাই বেচি প্ৰচলিত আছিল। কালমাধৱ নামে জ্যোতিৰ গ্ৰন্থত কোৱা হৈছে— "পৌৰ্ণমাস্যন্তম্বে শ্ৰুতেঃ কটাক্ষো ভূয়ান্।" অৰ্থাৎ পূৰ্ণিমাত মাসান্ত হোৱাটোৱেই বেদৰ বেচি অভিপ্ৰেত।

এতিয়া বেদৰ সময়ত কেতিয়াৰ পৰা বছৰ আৰম্ভ হৈছিল, তাক আমি জানিব লাগিব। বেদ-সাহিত্যত বছৰ আৰম্ভৰ কেইটামান স্তৰ পোৱা যায়। এই স্তৰ-বিলাকৰ ওপৰতেই বেদৰ প্ৰাচীনত্বৰ প্ৰমাণ নিৰ্ভৰ কৰে। তাক আন প্ৰবন্ধত ভালকৈ বিশ্লেষণ কৰিম। আগতে আমি দেখিছোঁ, প্ৰাচীন কালত বছৰ আৰু সত্ৰ একে পৰ্য্যায়ৰ কথা আছিল; গতিকে এটিৰ আৰম্ভ সময়ত আনটিৰো আৰম্ভ হৈছিল বুলি আমি ধৰি লব পাৰোঁ। আনকি, পিচত আমি স্পষ্টকৈয়ে বুজিব পাৰিম যে, যেতিয়া বছৰ আৰম্ভ হৈছিল, তেতিয়াই সত্ৰও আৰম্ভ হৈছিল। এই কাৰণে সংবৎসৰ-সত্ৰ আৰম্ভৰ দিনকেই বছৰৰ প্ৰথম দিন ধৰি আমি চাম কেতিয়া কেতিয়া প্ৰাচীন কালৰ সত্ৰ-আৰম্ভৰ উল্লেখ বেদ-সাহিত্যত আছে। যি তৰাত বা নক্ষত্রত সূৰ্য্য থাকিলে সত্ৰযাগ আৰম্ভ হৈছিল, বেদত প্ৰায়েই তাক নক্ষত্রবিলাকৰ প্ৰথম বুলি উল্লেখ কৰা হৈছে। এইদৰে প্ৰাচীন আৰু পৰবৰ্ত্তী বেদসাহিত্যত আমি দেখা পাওঁ, পুষ্যা, পুনৰ্বসু, আৰ্দ্ৰা, মৃগশিৰা, কৃত্তিকা আৰু ভৰণী, এই নক্ষত্ৰবিলাকৰ প্ৰত্যেকটোক প্ৰথম নক্ষত্র বুলি কোৱা হৈছে।

এতেকে ধৰি লব পাৰোঁ, বেদৰচনা, দীৰ্ঘকাল ব্যাপি হৈছিল আৰু অয়ন-চলনৰ (যিটো তেতিয়া কোনেও জনা নাই। কাৰণে সূৰ্য্য সেই সেই কালত ওপৰত দিয়া নক্ষত্র-বিলাকলৈ আছিল। যি হক, এই প্ৰসঙ্গ আলোচনা কৰিবৰ আগতে চাব লাগে, কোন ঋতুত, অথবা ক্ৰান্তি বলয়ৰ ক'ত সূৰ্য্যক ৰাখি বছৰৰ আৰম্ভ হৈছিল। বেদাঙ্গজ্যোতিষত আৰু শ্ৰৌতসূত্ৰবিলাকত দেখা পাওঁ সূৰ্য্যই যেতিয়া দখিণ পৰমক্ৰান্তি বিন্দুত (যি বিন্দুৰ দখিণফালে সূৰ্য্য নাযায়) অৱস্থান কৰে, তেতিয়া বছৰ আৰু গৱাময়ন আদি সত্ৰযোগবিলাক আৰম্ভ হয় (বেদাঙ্গ জ্যো· ৫; আশ্ব· শ্ৰৌ· সূ· ১।২।১৪।১; ক্যাত্যা· শ্ৰৌ· সূ· ৫।১।১)। কিয়নো, তেতিয়াৰ পৰা উত্তৰায়ণ (উত্তৰ-গমন) আৰম্ভ হয়। মীমাংসা দৰ্শনত বৌমিনিয়ে কৈছে,— "উদগয়ণপূৰ্ব্বপক্ষাহঃ পুণ্যাহেষু দৈবানি স্মৃতিৰূপাণ্যাৰ্থদৰ্শনাৎ (জৈ· সূ· ৬।৮।৫) অৰ্থাৎ দেৱক্ৰিয়া উত্তৰায়ণত আৰম্ভ কৰিব লাগে। সূৰ্য্যসিদ্ধান্ত আদি জ্যোতিষতো দখিণ-পৰমক্ৰান্তিৰ পৰা উত্তৰ-পৰমক্ৰান্তিলৈকে সূৰ্য্যৰ গতিক উত্তৰায়ণ কোৱা হয়। এইদৰে সকলোৱেই বুজিব পাৰে যে উত্তৰায়ণ আৰু বছৰ একেলগে দখিণ পৰমক্ৰান্তিৰ পৰাহে আৰম্ভ হয়। কিন্তু বেদসাহিত্য ভালকৈ আলোচনা কৰিলে বুজিব পাৰি এইটো পৰবৰ্ত্তী কোনোৱা কালৰ ব্যৱহাৰ মাত্ৰ। আচলতে বছৰ দখিণ-পৰমক্ৰান্তিৰ পৰা আৰম্ভ হোৱা নাছিল। সংবৎসৰ-সত্ৰৰ ঠিক মাজৰ দিনক বেদ-সাহিত্যত সদায় 'বিষুৱ দিন' বুলি কোৱা হয়। এই বিষুৱ দিনে বছৰক সমান দুইভাগে ভাগ কৰে (ঐ· ব্ৰা· ৪।২২; তৈ· ব্ৰা· ১।২।৩।১; তাণ্ড্যব্ৰা· ৪।৭।১)। গতিকে দখিণ পৰমক্ৰান্তি বছৰৰ প্ৰথম দিন হব নোৱাৰে, কিয়নো, তেতিয়া হলে উত্তৰ পৰমক্ৰান্তি বছৰৰ মধ্যদিন হৈ যায়, আৰু বিষুৱদিন মধ্যদিন

নহৈ, তিনিমাহৰ আৰু ন-মাহৰ পিচত আহে। তাৰ পৰা 'উত্তৰায়ণ' কথাটোৰ দুবিধ ব্যাখ্যা কৰা যায় : (১) দখিণ-পৰমক্ৰান্তিৰ পৰা উত্তৰ-পৰমক্ৰান্তিলৈকে সূৰ্য্যৰ গমন, আৰু (২) বিষুব ৰেখাৰ উত্তৰত অৰ্থাৎ উত্তৰ খ-গোলাৰ্ধত সূৰ্য্যৰ ভ্ৰমণ। কিন্তু ওপৰত কোৱা কাৰণে প্ৰথমবিধ অৰ্থটো আমি লব নোৱাৰোঁ; দ্বিতীয়বিধ অৰ্থটো যে লব পাৰি, সেই পক্ষে বহুতো যুক্তিতৰ্ক পোৱা যায়,— প্ৰথম, বিষুবদিন সত্ৰৰ মধ্যদিন; দ্বিতীয়, বসন্ত ঋতু ঋতুবিলাকৰ আটাইতকৈ প্ৰথম (মুখং বা এতদৃতূনাং যদ্বসন্তঃ," তৈ' ব্ৰা' ১।১.২।৬; 'সংবৎসৰোপক্ৰমৰূপত্বেন বসন্তস্য প্ৰাথম্যং দ্ৰষ্টব্যম্" কালমাধব); তৃতীয়, ষান্মাসিক সত্ৰ আগ্ৰয়ণেষ্টিৰে আৰম্ভ হৈছিল বসন্ত আৰু শৰৎ ঋতুত (আশ্ব' শ্ৰৌ' সূ' ১।২।৯।৩-৪)

তৈত্তিৰীয় সংহিতাত (৬।৫।৩) কোৱা হৈছে "আদিত্যঃ ষণ্মাসো দক্ষিণেনৈতি ষড়ুত্তৰেণ", ইয়াৰ লগত শতপথ ব্ৰাহ্মণৰ এটা উক্তি মিলাই চালে 'দক্ষিণেন' আৰু 'উত্তৰেণ' কথা দুটা স্পষ্টকৈ বুজিব পাৰি। শতপথ ব্ৰাহ্মণৰ সেই উক্তিটো এনে,—"বসন্তো গ্ৰীষ্মো বৰ্ষাঃ। তে দেবা ঋতবঃ শৰদ্ধেমন্তঃ শিশিৰস্তে পিতৰো য এবা-পূৰ্য্যতেঽৰ্ধমাসঃ স দেবা যোঽপক্ষীয়তে স পিতৰো ঽহৰেব দেবা ৰাত্ৰিঃ পিতৰঃ পুনৰহ্নঃ পূৰ্বাহ্ণো দেবা অপৰাহ্ণঃ পিতৰঃ............। স যত্ৰ উদগাবৰ্ত্ততে দেবেষু তৰ্হি ভবতি দেবাংস্তৰ্হ্যভিগোপায়ত্যথ যত্ৰ দক্ষিণাবৰ্ত্ততে পিতৃষু তৰ্হি ভবতি পিতৃংস্তৰ্হ্যভিগোপায়তি।"— বসন্ত, গ্ৰীষ্ম আৰু বৰ্ষা, এইবিলাক দেৱঋতু; শৰৎ, হেমন্ত আৰু শীত, এইবিলাক পিতৃ (ঋতু); যি অৰ্দ্ধমাহ (চন্দ্ৰ) ক্ৰমশঃ পৰিপূৰ্ণ হয়, সেইটো দেৱ (পক্ষ); যি (অৰ্দ্ধমাহ) ক্ৰমশঃ ক্ষীণ হৈ যায়, সেইটো পিতৃ (পক্ষ); দিন দেৱ (সংজ্ঞক), আৰু ৰাতি পিতৃ (সংজ্ঞক); আকৌ, দিনৰ পূৰ্ব্বভাগ দেৱ (সংজ্ঞক) আৰু পিচৰ ভাগ পিতৃ (সংজ্ঞক) ............সি (সূৰ্য্য) যেতিয়া উত্তৰত আবৰ্ত্তন কৰে, তেতিয়া দেৱলোকত থাকে আৰু দেৱসকলক পালন কৰে; অথচ যেতিয়া দক্ষিণত আবৰ্ত্তন কৰে, তেতিয়া পিতৃলোকত থাকে আৰু পিতৃসকলক পালন কৰে (শত' ব্ৰা' ২।১।৩।১-৩)। ছান্দোগ্য উপনিষদ্, বৃহদাৰণ্যক উপনিষদ্ আৰু ভগবদ্-গীতাত (ছা' উ' ৪।১৫।৫; বৃ' আ' উ' ৬।২।১৫; ভগবদ্ গীতা ৮।২৪) কোৱা হৈছে,—উত্তৰায়ণৰ ছয়মাহ দেৱযান, আৰু দক্ষিণায়নৰ ছয় মাহ পিতৃযান। এই-বিলাক আলোচনা কৰিলে স্পষ্টই বুজিব পাৰি যে, উত্তৰায়ণ কওঁতে সূৰ্য্যৰ উত্তৰ খ গোলাৰ্ধত ভ্ৰমণ, আৰু দক্ষিণায়ন দক্ষিণগোলাৰ্ধত ভ্ৰমণ বুজায়। তৈত্তিৰীয় সংহিতা, শতপথ ব্ৰাহ্মণ, আৰু বৃহদাৰণ্যক একেই যজুৰ্বেদৰ অন্ত-ৰ্গত; গতিকে একেই উদ্দেশ্য লৈ এই উক্তিবিলাক কৰা হৈছে। বসন্ত, গ্ৰীষ্ম, বৰ্ষা—উত্তৰায়ণ হলে বাসন্ত-বিষুবৰ পৰা আৰম্ভ হোৱাটোৱেই সম্ভৱপৰ, দক্ষিণ পৰম-ক্ৰান্তিৰ পৰা আৰম্ভ হোৱা কেতিয়াও সম্ভৱ নহয়। এই-বিলাক কাৰণতে উত্তৰায়ণ, বসন্ত বছৰ আৰু সত্ৰযাগ একেলগে বাসন্তবিষুবৰ পৰাহে আৰম্ভ হৈছিল। পৰম-ক্ৰান্তি মতবাদটো অলপ আধুনিক; সেইটো 'দখিণৰ পৰা উত্তৰলৈ যোৱা,' 'উত্তৰৰ পৰা দখিণলৈ যোৱা,' এনে অৰ্থক আশ্ৰয় কৰি হৈছে। পৰমক্ৰান্তিবাদ প্ৰচ-লিত হৈ যোৱাৰ পিচত সাধাৰণ শিক্ষিতলোকে বিষুব-বাদ একপ্ৰকাৰ পাহৰিয়ে গৈছিল। এই কাৰণে ভাস্কৰা-চাৰ্য্যই তেওঁৰ সিদ্ধান্তশিৰোমণিত আচৰিত হৈ সুধিছে,— "উত্তৰায়ণ কেনেকৈ দেৱতাৰ দিন হব পাৰে? সূৰ্য্য উত্তৰ গোলাৰ্ধত থাকিলেহে উত্তৰমেৰুবাসী দেৱতাৰ দিন হব পাৰে!" (গোলাধ্যায় ৭।৯)। তাৰ পিচত নিজেই ইয়াৰ এটা সমাধান কৰিবৰ চেষ্টা কৰি কৈছে,—"দিনং সুৰাণাময়নং যদুত্তৰং নিশেতৰৎ সাংহিতিকৈঃ প্ৰকীৰ্ত্তিতম্। দিনোন্মুখেঽৰ্কে দিনমেব তন্মতং নিশা তথা তৎফল-কীৰ্ত্তনায় তৎ॥ দ্বন্দ্বান্তমাৰোহতি যৈঃ ক্ৰমেণ তৈৰেব বৃত্তৈৰবৰোহতীনঃ যত্ৰৈব দৃষ্টঃ প্ৰথমং স দেবৈস্তত্ৰৈব তিষ্ঠন্ ন বিলোক্যতে কিম্?" (গোলাধ্যায় ৭।১১—১২) —সংহিতা লিখকসকলে এটা ফলাফল কীৰ্ত্তন কৰিবলৈ উত্তৰায়ণক আৰু দক্ষিণায়ণক দেৱতাবিলাকৰ দিন আৰু ৰাতি বুলি কৈছে, কিয়নো, সূৰ্য্যই দক্ষিণ-পৰমক্ৰান্তিৰ পৰা বিষুৱৰ পিনে আহিব ধৰিলেই দিনোন্মুখ হ'ল বুলি এইটোক দিন কব পাৰি, আৰু ইয়াৰ বিপৰীতক ৰাতি কব পাৰি। আচলতে কিন্তু এনেকুৱা হব নোৱাৰে, কিয়নো, বাসন্তবিষুবৰ পৰা উত্তৰ পৰমক্ৰান্তিলৈকে অহাৰ

পিচত যেতিয়া আকৌ বিষুবৰ পিনে যাব ধৰে, তেতিয়া দেৱবিলাকে সূৰ্য্যক দেখিব পায়নে? নেৰিয়েন (Narrien) ডাঙৰীয়াই তেওঁৰ Origin anb progress of Astronomyত হেৰোডোটাছৰ (খ্ৰীঃ পূঃ ৪০০) এটা উক্তি তুলি কৈছে, এবিধ মানুহ বছৰত ছ-মাহ টোপনি গৈছিল। ইয়াৰ পৰাও প্ৰমাণিত হয় যে, কোনোবা সময়ত মেৰুৰ ওচৰত মানুহ আছিল আৰু ছ-মাহ সূৰ্য্যক দেখিব পাৰিছিল।

ওপৰত দিয়া আলোচনাটো অতি সংক্ষিপ্ত। ভালকৈ আলোচনা কৰিলে প্ৰবন্ধ দীঘল হৈ যায়, গতিকে ইয়াতেই সমাপ্ত কৰিলোঁ। আশা কৰোঁ পিচত এই বিষয় অবলম্বন কৰি আৰু আলোচনা কৰিব পাৰিম।

অধ্যাপক আচাৰ্য্য দেৱে অসমীয়া ভাষাত প্ৰবন্ধ-লিখিবলৈ লোৱা দেখি আমি অতি সুখী হৈছোঁ। অসমীয়াত বহুতো বস্তু বা বিষয়ৰেই অভাৱ। কটন কলেজত থকা বঙালী অধ্যাপক সকলে সাধ্য অনুসাৰি বঙালী ভাষাত প্ৰকাশ হোৱা মূল্যবান বিষয়বোৰ অসমীয়াত এইদৰে লিখি অসমীয়া ভাষাৰ উন্নতি সাধন কৰাত সহায় কৰিলে আমি আৰু সুখী হ'ম। কিয়নো বঙালী অধ্যাপক সকলে ইচ্ছা কৰিলে অসমীয়া সাহিত্যৰ কাৰণে বহুতো কাম কৰিব পাৰে বুলি আমাৰ বিশ্বাস। কলেজত পঢ়া বঙালী ছাত্ৰ-ছাত্ৰী সকলে অধ্যাপক আচাৰ্য্য-দেৱৰ আদৰ্শকে লব বুলি আমি আশা কৰিলো।

—সম্পাদক।

# ব্যায়াম আৰু স্বাস্থ্য

পূৰ্ণচন্দ্ৰ শৰ্ম্মা
৪ৰ্থ বাৰ্ষিক (বিজ্ঞান)

শাৰীৰিক পৰিশ্ৰম মাত্ৰকেই ব্যায়াম বুলিব পাৰি। ইয়াৰ ফলত শৰীৰৰ মাংস-পেশীবোৰৰ চালনা হয়। কিন্তু সাধাৰণতে "ডাম্বেল" 'বাৰবেল' 'জিম্‌নাষ্টিক আদি-কেইহে ব্যায়াম বুলি ধৰা হয়। এইবোৰৰ দ্বাৰা শৰীৰৰ প্ৰত্যেক অঙ্গয়েই উত্তমৰূপে চালিত হয়। সাঁতোৰা গছত উঠা, দৌৰা, খৰিফলা, সকলো প্ৰকাৰৰ বাহিৰৰ (Out door games) আদিও ব্যায়ামৰ ভিতৰতে পৰে। পিচে এটা কথা এইবোৰৰ কিছুমানৰ দ্বাৰা শৰীৰৰ সকলো অঙ্গ উত্তমৰূপে চালিত নহয়। আৰু কেতিয়াবা কোনো বিশেষ অঙ্গৰ অধিক পৰিশ্ৰমৰ হেতু স্বাস্থ্যৰ হানিহে হোৱা দেখা যায়। ব্যায়ামৰ বিষয়ে এই ক্ষুদ্ৰ প্ৰবন্ধত সুক্ষ্ম আলোচনা কৰাটো অসম্ভৱ। ইয়াত কেৱল ব্যায়াম কৰিলেনো কি হয় আৰু কিয় হয় আদি কেইটামান বিষয়হে আলোচনা কৰা হব।

শৰীৰৰ মাংস পেশীবোৰৰ পুনঃ পুনঃ সঙ্কোচন আৰু প্ৰসাৰণৰ ফলত সেই পেশীবোৰ পুষ্ট আৰু সুদৃঢ় হয়। কাৰণ দৈনন্দিন কাৰ্য্যকলাপৰ দ্বাৰা আমাৰ শৰীৰৰ "টিস্যু" আৰু খোৱা বস্তুৰ এটা দহন ক্ৰিয়া হৈ থাকে। ইয়াৰ ফলত শৰীৰত 'কাৰ্বনিক এচিদ," "ইউৰীয়া" আদি কিছুমান বিষাক্ত পদাৰ্থৰ সৃষ্টি হয়। শৰীৰৰ মাংস পেশীবোৰৰ সঙ্কোচনৰ সময়ত সেই ঠাইত থকা তেজ এই দুষিত পদাৰ্থবিলাকেৰে সৈতে সন্মুখৰ ফালে বৈ আহে; আৰু পেশীবোৰৰ প্ৰসাৰণৰ সময়ত পিচফালৰ পৰা অক্সিজেনেৰে পৰিপূৰ্ণ পৰিস্কাৰ তেজ বেগেৰে আহি সেই ঠাই পূৰণ কৰে। এইদৰে বাৰে বাৰে সঙ্কোচন আৰু প্ৰসাৰণ হোৱাৰ ফলত সেই ঠাইত থকা দুষিত পদাৰ্থবিলাক বাহিৰ হৈ যায়; আৰু সেই ঠাই বিশুদ্ধ তেজেৰে পৰিপূৰ্ণ হয়। এই বিশুদ্ধ তেজৰ প্ৰবাহে শৰীৰক এনে এটা বস্তু যোগায় যে ই মাংসপেশীবিলাকক

কৰ্মী আৰু সু-গঠিত কৰাৰ উপৰিও নব-গঠিত জীৱকোষ বিলাকৰ সংখ্যা বৃদ্ধি কৰে। তাৰ ফলত মাংসপেশী-বিলাক আকাৰত ডাঙৰ আৰু সু-গঠিত হয়।

আমি যি আহাৰ খাওঁ তাৰ সাৰ অংশ তেজে শোষণ কৰি জীৱ কোষ সমূহলৈ পঠিয়ায় দিয়ে আৰু আমাৰ শৰীৰে দহন ক্ৰিয়াৰ উপাদান তাৰ পৰাই সংগ্ৰহ কৰে। কিন্তু যদি যথেষ্ট পৰিমাণ আৰু উপযুক্ত আহাৰৰ অভাৱত তেজে যিমানখিনি দৰ্কাৰ সিমানখিনি সাৰাংশ যোগাব নোৱাৰে তেনেহলে দহন ক্ৰিয়াৰ কাৰণে শৰীৰে বাধ্য হৈ জীৱবেৰৰ 'টিসু' বিলাকৰ পৰা উপাদান সংগ্ৰহ কৰে; তাৰ ফলত ক্ৰমশঃ শৰীৰ ক্ষীণ আৰু দুৰ্ব্বল হৈ যায়।

কামত লাগি থাকিলে সকলো বস্তুৱেই বেচ চকচকীয়া হৈ থাকে ( The used key is always bright ). আমাৰ শৰীৰৰ যন্ত্ৰবিলাককো কামত নিযুক্ত কৰি ৰাখিলে সিহঁতৰ নিৰ্মল জ্যোতি প্ৰকাশ পায়। আমাৰ দেহ জীৱন্ত উপাদানেৰে গঠিত বুলি ইয়াৰ ব্যৱহাৰত ক্ষীণ নহৈ পৰি পুষ্টহে হয়। নিয়মিত ব্যায়াম কৰাৰ ফলত ঘাম ওলোৱা নলী, মূত্ৰাশয় আদি মল নিঃসাৰক যন্ত্ৰ-বিলাকৰ ক্ৰিয়া বৃদ্ধি হয় আৰু তাৰ ফলত এইবিলাক পুষ্ট আৰু সবল হয়। সেইকাৰণে শৰীৰৰ ভিতৰৰ পৰা মল বিলাক অতি সহজে বাহিৰ হৈ যাব পাৰে।

কোনো প্ৰকাৰৰ গুৰু আহাৰৰ পিচত কেতিয়াও কোনো প্ৰকাৰৰ কঠোৰ পৰিশ্ৰম কৰিব নালাগে। কাৰণ সেই সময়ত স্নায়ুবিলাক খোৱা বস্তু পৰিপাক কৰাত ব্যস্ত থাকিবলগীয়া হয়, সেই সময়ত কোনো ৰকম শাৰীৰিক বা কঠোৰ মানসিক পৰিশ্ৰম কৰিলে শৰীৰ বা মস্তিস্কৰ স্নায়ুবিলাকৰ উত্তেজনাৰ পিচত অৱসাদ ঘটে। ফলত পৰিপাক কাৰ্য্যত সম্পূৰ্ণ অৱস গ্ৰহণ কৰিব নোৱাৰে।

আহাৰৰ শেষত স্নায়ুবিলাক—খোৱা বস্তু জীন নিওৱাত নিযুক্ত থাকে কাৰণেই সেই সময়ত শৰীৰ অলপ অৱস হৈ পৰে।

শৰীৰৰ অঙ্গ সঞ্চালনৰ ফলত যেনেকৈ মাংস পেশী-বোৰ পুষ্ট আৰু সুদৃঢ় হয় ঠিক তেনেকৈ মস্তিস্ক পৰিচালনাৰ ফলতো যে মস্তিস্কৰ পেশীসমূহ পুষ্ট আৰু সবল হয় তাত সন্দেহ নাই। কিন্তু উভয়ৰে স্থায়ী পুষ্টতা আৰু দৃঢ়তা সম্পাদন কৰিবলৈ দুয়ো প্ৰকাৰৰ পৰিশ্ৰমৰেই সমানৰূপে আৱশ্যক এটাৰ অলপ বেছি হলেই আনটোৰ ক্ষয় আৱশ্যম্ভাবী। অনৱৰত মস্তিস্ক পৰিচালনাৰ ফলত যেনেকৈ শৰীৰ অৱস হৈ পৰে তাৰ লগে লগে মস্তিস্কও দুৰ্ব্বল হৈ পৰে। মানসিক শক্তিও সম্পূৰ্ণৰূপে শাৰীৰিক শক্তিৰ ওপৰতেই নিৰ্ভৰ কৰে। শাৰীৰিক সুস্থতাই মানসিক সুস্থতাৰ প্ৰধান কাৰণ। চিন্তা আৰু মস্তিস্ক পৰিচালনাৰ ফলত যে চিন্তাশীলতা আৰু বুদ্ধিশক্তি বৃদ্ধি পায় তাত সন্দেহ নাই। শাৰীৰিক পৰিশ্ৰম কৰিবলৈ অপাৰগ মানুহ বিলাকেই বেছি মস্তিস্ক পৰিচালনা কৰে কাৰণে বেছি চিন্তাশীল আৰু বুদ্ধিমান হয়। কিন্তু স্বাস্থ্যহীন মানুহৰ চিন্তা আৰু বুদ্ধিৰ স্থায়ীত্ব ক'ত! স্বাস্থ্যহীন দুৰ্বল মানুহৰ মনত একাগ্ৰতা (concentation of mind) নাই বুলিয়েই দুৰূহ বিষয়ে চিন্তা বা জটীল সমস্যাৰ সমাধান কৰিবৰ কাৰণে সমৰ্থ নহয়। আনকি কেতিয়াবা কোনো বিষয়ত গভীৰ ভাৱে মনোনিবেশেই কৰিব নোৱাৰে।

এতিয়া স্বাস্থ্যৰ কথালৈ অহা যাওক। স্বাস্থ্য কাক বোলে! কেৱল নিৰোগী অৱস্থাকেই স্বাস্থ্য বোলে নে! স্বাস্থ্য কাক বোলে এক্ষে আষাৰে কোৱাটো অলপ টানেই। প্ৰকাণ্ড স্থূল দেহকো স্বাস্থ্য নকয়। এক প্ৰকাৰে কব পাৰি যে ৰোগহীন সুঠাম শৰীৰত শক্তি থকাৰ নামেই স্বাস্থ্য। যি যিমান শক্তিশালী, নিৰোগী আৰু কৰ্মতৎপৰ সিয়েই সিমান স্বাস্থ্যবান। স্বাস্থ্য সুখেই পৃথিৱীত সৰ্বশ্ৰেষ্ঠ সুখ। মুক্তবায়ু যেমন স্বাস্থ্যৰ পক্ষে বিশেষ উপকাৰী। স্বাস্থ্যতেই সৌন্দৰ্য্য নিহিত থাকে, সদায় নিয়মিতৰূপে মুক্তবায়ুত ব্যায়াম কৰিলে দেহৰ সৌন্দৰ্য্য বৃদ্ধি হয়। মুক্তবায়ুত শাৰীৰিক পৰিশ্ৰমৰ কাৰ্য্যত লিপ্ত থকাৰ কাৰণেই ঘৰত পোহা পশু পক্ষীতকৈ বনত মুকলি মূৰীয়াকৈ ফুৰা পশু-পক্ষীৰ সৌন্দৰ্য্য বেছি। যিবিলাক ইতৰ প্ৰাণী মুক্তবায়ুত বিচৰণ কৰি ফুৰে ক্ষুদ্ৰ হলেও সিহঁতৰ শক্তি অতি বেছি। সমান আয়তনৰ ৰুদ্ধ বায়ুত আৱদ্ধ হৈ থাকিব লগীয়া প্ৰাণীতকৈ মুক্তবায়ুত বিচৰণ কৰি ফুৰা প্ৰাণীৰ শক্তি অতি বেছি।

বায়ুত থকা একপ্ৰকাৰৰ বীজাণু শৰীৰত প্ৰবেশ কৰিলেই গাত ফোঁহা আদি বেমাৰ হয়। হাত-ভৰি বিলাকত তেজৰ পৰিমাণ কম কাৰণেই তাত এইবিলাক

ডাঙৰ-দীঘল হবলৈ সুবিধা পায়। যিবিলাক মানুহে কায়িক পৰিশ্ৰম কৰে, সেইবিলাক মানুহৰ প্ৰায়ে এই বেমাৰ নহয়। কাৰণ সিহঁতৰ হাত-ভৰি আদিৰ তেজ ভালকৈ চলাচল কৰি থাকে ; আৰু সেই কাৰণেই বীজাণুবিলাক ধ্বংস হৈ যায়।

আজিকালি যক্ষা আদি বেমাৰ বিলাক যে নগৰত কিমান ব্যাপক ভাৱে হৈছে, তাৰ অনুমানিক সংখ্যা এটাও দিয়া অসম্ভৱ। কাৰণ ৰোগীবিলাকৰ শৰীৰত যেতিয়া বেমাৰে ভালকৈ খোপনিপিতি বহি লয়, তেতিয়াহে অন্য মানুহে জানিব পাৰে। কিন্তু এই বেমাৰ কি কি কাৰণৰ পৰা হব পাৰে তাত ভালকৈ ভাবি চাব লাগে। জনসংখ্যা বৃদ্ধি, লেতেৰা বস্ত আদি খোৱায়েই ইয়াৰ যথেষ্ট কাৰণ নহয়। আমাৰ শৰীৰৰ ভিতৰত ফুচফুচৰ কোনো অংশ যদি নিষ্ক্ৰিয় বা সঙ্কুচিত অৱস্থাত থাকে তেতিয়া তাত যথোপোযুক্ত তেজ চলাচল কৰিব নোৱাৰে ; আৰু এই কাৰণেই তাত এই বেমাৰৰ বীজাণুৱে বসতি কৰিবলৈ সুবিধা পায়। এই ফুচফুচক সম্পূৰ্ণ সক্ৰিয় অৱস্থাত ৰাখিবৰ প্ৰকৃত উপায় হৈছে ব্যায়াম ; আৰু ইয়াৰ ফলতেই এই বেমাৰৰ পৰা বহুতো-খিনি হাত সাৰি থাকিব পাৰি। আৰু এনে বহুতো বেমাৰ আছে যি নিয়মিত ব্যায়াম কৰা মানুহক সততাই আক্ৰমণ কৰিবলৈ সাহস নকৰে। আজি আমি পৃথিবীৰ যিমান বিলাক স্বাস্থ্যবান মানুহ বা বীৰৰ নাম শুনিছো তেখেতসকলৰ বহুতেই জীৱনৰ আগছোৱাত নানান বেমাৰত ভুগিব লগীয়া হৈছিল। পিচে নিয়মিত আৰু উপযুক্ত ব্যায়াম অভ্যাসৰ ফলত পৃথিবীৰ ভিতৰত স্বাস্থ্য-বান বা বীৰ বুলি পৰিগণিত হবৰো সুবিধা অৰ্জন কৰিছিল। সেই কাৰণেই এজন ইংৰাজ লিখকে কৈছে—"..........If it were not that nature has ordained that a time must come when decay will take place in the body more rapidly than repair can take offset the destruction, it would be possible, generally speaking for man, to make himself immortal in this world through the right amount and kinds of exercise, proper breathing of pure air, sensible diet, the proper use of water inside and out the right amounts and kinds rest and clothing."

"Simply to live does not mean life. Life means to live with all human vigour and enjoyments." কেৱল জীয়াই থকাই মানুহৰ উদ্দেশ্য নহয়। আমাৰ দেশ আজি স্বাধীন। আমিয়েই এই স্বাধীনতা ৰক্ষা কৰিব লাগিব। তাৰ আগতে আমি প্ৰথমে স্বাধীন দেশৰ উপযুক্ত নাগৰিক হবৰ যোগ্যতা অৰ্জন কৰিব লাগিব। সাধাৰণতে মানুহে মানুহৰ যোগ্যতা চাৰি প্ৰকাৰৰ পৰা বিচাৰ কৰে। দৈহিক শক্তি, চৰিত্ৰ, মানসিক উৎকৰ্ষ আৰু আন্তৰিক প্ৰসাৰতা। এই কেইটাৰ সৰ্বাঙ্গীন উন্নতি সাধনৰ দ্বাৰাই যোগ্যতা অৰ্জন হয়। যদিও পোন প্ৰথমে অবাস্তৱ যেন লাগে ভালকৈ চালি-জাৰি চালে দেখা যায় যে পিচৰ তিনটাও দৈহিক শক্তিৰ ওপৰতেই কিছু পৰিমানে নিৰ্ভৰ কৰে। পোন প্ৰথমে চৰিত্ৰৰ কথাকেই ধৰা যাওক। অৱশ্যে চৰিত্ৰই এটা প্ৰধান অঙ্গ বিশেষজ্ঞ সকলে পৰীক্ষা কৰি পাইছে যে যেতিয়া এজন মানুহ ক্ৰমশঃ দুৰ্বল হৈ যায় তেতিয়া তাৰ যৌন স্পৃহা ক্ৰমশঃ বাঢ়ি গৈ থাকে ; আৰু দৈনিক ব্যৱহাৰিক জীৱনতো তাৰ থগৰ মাত্ৰা চৰি গৈ থাকে। এই দুয়োটাই চাৰিত্ৰিক অধঃপতন ঘটাবলৈ যথেষ্ট। শৰীৰবিদ আৰু মনোবিজ্ঞানবিদ সকলে প্ৰমাণ কৰি দেখুৱাইছে যে মানুহৰ বুদ্ধি, মস্তিষ্ক চালনা কৰা স্নায়ুবোৰৰ ওপৰতেই নিৰ্ভৰ কৰে। যাৰ স্নায়ু যিমান সবল তাৰ মস্তিষ্কও সিমান কৰ্মতৎপৰ। যেতিয়া আমি ব্যায়াম কৰোঁ তেতিয়া অকল মাংসপেশীবোৰেই পৰিপুষ্টি লাভ নকৰে ; স্নায়ুবোৰো সবল হৈ উঠে। অৰ্থাৎ ব্যায়াম কৰিলে শৰীৰৰ লগে লগে মস্তিষ্কও কৰ্মতৎপৰ হৈ উঠে। অৱশ্যে মস্তিষ্কৰ কিছুমান স্নায়ুৰ কৰ্মক্ষমতা মানসিক পৰিশ্ৰমৰেও বঢ়াব লগাত পৰে। ইয়াৰ পৰা দেখা গ'ল যে ব্যায়ামে শাৰীৰিক সুস্থতা আৰু মানসিক উৎকৰ্ষতাত কম অংশ গ্ৰহণ নকৰে। মানুহৰ অন্তঃকৰণ যৌৱন কালতেই আটাইতকৈ বেছি প্ৰশস্ত হয়। কিয়নো সেই সময়ত মানুহৰ নিজৰ ওপৰত আত্মনিৰ্ভৰশীলতা থাকে। অন্তৰৰ প্ৰশস্ততা আত্মনিৰ্ভৰশীলতাৰ ওপৰতো নিৰ্ভৰ কৰে।

আত্মনির্ভৰশীলতাই নির্ভৰ কৰে মানসিক আৰু শাৰীৰিক শক্তিৰ প্ৰতি সজাগ হৈ থকাৰ ওপৰত। ওপৰত কৈ অহাৰ দৰে মানসিক আৰু শাৰীৰিক উৎকৰ্ষতাৰ ওপৰত ব্যায়াম আৰু দৈহিক শক্তিৰ স্থান নিৰূপন কৰিলে মানসিক প্ৰশস্ততাৰ ওপৰতো ব্যায়াম আৰু স্বাস্থ্যৰ প্ৰভাৱ নিচেই দলিয়াই পেলাবলগীয়া নহয়।

গতিকে দেখা গ'ল যে মানুহ মানুহ হৈ থাকিবলৈ লগা আটাইখিনি গুণৰ ওপৰত দেহচৰ্চ্চাৰ স্থান উল্লেখযোগ্য। জাতিগঠনৰ প্ৰথম স্তৰতেই শৰীৰ-চৰ্চ্চাৰ স্থান দিব লাগিব। আশাকৰোঁ প্ৰত্যেক শিক্ষিতেই এই কেইষাৰ কথা মনত ৰাখে আৰু শৰীৰ চৰ্চ্চাক চিৰাচৰিত নিয়মমতে পৰিহাসৰ বস্তু বুলি নাভাবে।

---

# গ্ৰেজুৱেট হোৱাৰ পাচত

গল্প ]

বুদ্ধেশ্বৰ গোহাঁই
তৃতীয় বাৰ্ষিক (বিজ্ঞান)

নতুন আশা লৈ গুৱাহাটীলৈ যাত্ৰা কৰিলো। সেইদিনা আছিল শনিবাৰ। তৃতীয়শ্ৰেণীৰ টিকেট এটা লৈ মটৰ খনত উঠি পৰিলো। আগতে কোনোদিন মটৰ বাছত উঠাৰ অভ্যাস নাছিল। মটৰ খনত উঠিয়েই চাৰিওফালে চকু ফুৰালো কিজানি মটৰত বহা-মেলা-থকাৰ কিবা নীতি-নির্দ্দেশ দিয়া আছে। মটৰখন পুৰণি হৈছিল। ৰঙা ৰং টো কাঠৰ বাৰবোৰৰ পৰা চটাচটে এৰাই বাৰ্দ্ধক্যৰ পৰিচয় দিছিল। দুফালে দুখন কাঠৰ বেঞ্চ আৰু মাজতে এটা মটৰৰ চকা। মানুহ তেতিয়াও উঠা নাছিল। ময়েই প্ৰথম। টিকেটটো পয়চাৰ বেগটোত ভৰাই লৈ দ্বিতীয় শ্ৰেণীৰ কাষতে বেঞ্চখনৰ এমূৰে বহি আছো। দুজন এজনকৈ মানুহ আহি আধাঘণ্টাৰ পাচত কোঁঠাটো ভৰি পৰিল। সিহঁতৰ ভিতৰত প্ৰায়বিলাকেই নেপালী. কুলি আৰু মৈমনচিঙীয়া।

ড্ৰাইভাৰে হৰ্ন্ দিলে আৰু মটৰখন যাবলৈ ধৰিলে। দ্বিতীয় আৰু প্ৰথম শ্ৰেণীত কোনো মানুহ নাছিল। আজি প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ যাত্ৰী নায়েই। মটৰ খন বি, অ',চি তেলৰ বেৰাত সোমাল। মটৰৰ ইঞ্জিনটো তেলৰ পাম্পটোৰ ওচৰ পাওঁতেই ড্ৰাইভাৰে ব্ৰেক ধৰিলে। আমাক জোকাৰণি মাৰি মটৰখন বৈ গ'ল। হেণ্ডিমেন-টোৱে তাৰ ওভোটা চুলিকোচা সোঁহাতেৰে পাচ ফাললৈ চুচি নি আমাক আদেশ দিলে "এই চব নাম"। তৎ-ক্ষণাত আমি সকলোবোৰ নামি পৰিলো।

কেঁঞা এটাই তেলৰ পাম্প খুলি দিলেহি। আমি সকলোৱে তেল উঠা নমা কৰা মনদি চাই আছিলো। তেল আহি শেষ হ'ল। ৰবৰৰ পাইপডাল কেঁঞা-টোৱে আঁতৰাই নিলে। হেণ্ডিমেনটোৱে হুকুম দিলে "এই উঠ"। লগে লগে মটৰ চলিবলৈ ধৰিলে। যাত্ৰী সকলে টনা-আজোৰা কৰি উঠিবলৈ ধৰিলে। মই এডোখৰ বাট মটৰৰ পাচে পাচে দৌৰি গলো। আটাই-বিলাক যাত্ৰী উঠাৰ পাচত মই উঠি পৰিলো। মোৰ প্ৰথমে বহা ঠাই হেৰাল। মটৰৰ চকাটোৰ ওপৰতো মানুহ বহিল। অন্তত্ চকাটোৰ সমুখৰ মজিয়াতে বহিবলৈ বাধ্য হলো। যাত্ৰী সকলৰ ভিতৰত মোৰ কামিজটো আৰু ধুতি খনেই পৰিষ্কাৰ আছিল। ইহঁতক মজিয়াৰ ধূলি-বালিত মিহলি কৰি মোৰ বেজাৰ ভাব আহিল; কিন্তু মটৰৰ থেকেচনিৰ লগে লগে বেজাৰৰ ভাবটো নাইকিয়া হৈ নিৰৱতাত পৰিণত হৈছিল।

মটৰখন আকৌ আগৰ ঠাইত ৰাখিলেহি। এইবাৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত যাত্ৰীয়ে ভৰি পৰিল।

চহৰৰ চৌহদ পাৰ হৈ মটৰখন আগ বাঢ়িল। গাওঁ, তাৰ পাচত হাবি, পাচত পথাৰৰ মাজৰ ৰাজ আলি টোৱেদি গুৰ্ গুৰ্ শব্দ কৰি যাবলৈ ধৰিলে। ৰাতিপুৱা মানুহবোৰে সুদাগাৰে টিকাত ধুতি এখন আৰু মূৰত গামোচা এখন মাৰি হালবাইছে। মনটো ৰিঙা ৰিঙা লাগিল। অপলক দৃষ্টিৰে নিজৰ ভাবতে বিভোৰ হৈ পথৰুৱা মানুহবোৰ চাই গৈ আছো; মনত পৰিল আমাৰ পথাৰলৈ। গৰু-হাল, নাঙলটো, পানী, বোকা, জোক, চেৰেপা, দল এৰালি। অঃ শালি খেতি কিমান কষ্টকৰ; ককাইদেৱে নিশ্চয় সেই ওহনি মাটি দৰা হাল বাব নোৱাৰি কোৰিছে গৈ। বৌদেৱে জৰৰ গাৰেই কঠীয়া তুলিছে আৰু আয়ে পোনাক ৰাখি ভাত ৰান্ধিছে। গাৱঁৰ মানুহবোৰ। প্ৰত্যেক ঘৰতে এজন, দুজন, কোনো ঘৰত পাঁচজন চাৰিজন জ্বৰীয়া। বৰযুণ দিয়া দিনা মানুহবোৰ গধূলিতে ভিতৰ সোমায়। বৰযুণৰ থলথলিত বাদে আন একোকেই শুনা নাযায়।

হু-ও-ও-ইট্'। কাণ তালমৰা দীঘলীয়া উকি। দবা-টোৰ কোনোবা এজনে আনন্দতে উৎফুল্লিত হৈ কলে, "হঁা আমিনগাওঁ মিলা হেঁ"। মানুহবোৰে খিৰকীৰে বাহিৰলৈ চাবলৈ ধৰিলে। ময়ো চালো। দূৰত বিজুলী বাতি সৰু ডাঙৰ অনেক। যাত্ৰীবিলাকে টোপোলা-টোপলিবোৰ হাতে হাতে লৈ দুৱাৰমুখৰ ফালে মূৰ কৰিলে। চুটকেচটো দুই হাতেৰে ধৰি বহা চুকটোত ময়ো থিয় হৈ মানুহবোৰলৈ চাবলৈ ধৰিলো। ইমান মানুহ। .... থিয় হোৱাৰ লগে লগেই মানুহৰ সংখ্যা বাঢ়ি গ'লনেকি? সকলোবোৰেই অসমৰ বাহিৰৰ মানুহ। মতা-মাইকী, লৰা-ছোৱালী, বুঢ়া-বুঢ়ী সকলো বিধৰ।

আমিনগাওঁ, ৰেলৰপৰা নামিয়েই জাহাজৰ ফালে বেগ দিলো। ৰাতি পুৱা। কুৱঁলী অলপ অলপ বিৰিঙা যেন লাগে। সাগৰ প্ৰমাণ ব্ৰহ্মপুত্ৰৰ সিপাৰলৈ একোকে নেদেখি। ফ্লেটত মানুহৰ সংখ্যা বৃদ্ধি হবলৈ ধৰিলে। ক্ৰমে ক্ৰমে আহি ঠাহ খাই পৰিল। মই এটা খুটাৰ আশ্ৰয় লৈ এহাতেৰে চুটকেচটো আৰু আনহাতেৰে খুটাটোত আকোঁৱালি ধৰিলো। হু-হুৱনি শব্দৰ সৃষ্টি হল। ওপৰলৈ মূৰকৈ উশাহ লবলৈ ধৰিলো। মানুহৰ মাজত মই যেন পোত গলো, বেঙা মেলি মোৰ চাৰিও ফালে চাই দেখো অজস্ৰ মানুহৰ মূৰ।

ভোঁ—ও—ও—ও, ভোঁ—ও-ও-ও। ফ্লেট্‌খনক আন এখন জাহাজে টানি নিব ধৰিলে। আমিনগাওঁ আতৰ হৈ আহিল। ভো—ও—ও—ও। এয়া পাণ্ডু। হু—হুৱনি শব্দ ডাঙৰ হল। জাহাজখন বোৱাৰ লগে লগেই মানুহবোৰে ঘাটৰ ফ্লেটখনৰ ফালে গা লৰাব ধৰিলে। "হত্‌ও, হত্‌ও, জল্‌মে গিৰজাগেৱা, মৰ জাৱগা" আদি বিকট কঠোৰ শব্দ-বোৰ জনসমুদ্ৰৰ হু-হুৱনি ভেদ কৰি কাণত পৰিলহি। ফ্লেটৰ মানুহ সেৰেঙা হৈ আহিল। ময়ো জাহাজ এৰি ৰেলৰ ফালে খোজ দিলো বেগাই। আন ফালে চাবৰ সময় নাই। ৰেলৰ ডবাবোৰেহে লক্ষ কৰিছো। বুক-খন ঢপ্‌ঢপাবলৈ ধৰিলে। এটা এটাকৈ ডবা এৰি গৈ আছো। ক'তোৱেই অকনো খালি নাই। ৰেলৰ সিমূৰ পালোগৈ। নাই ক'তোৱেই সন্ধি নাই। সকলো ডবাতে মানুহ ঠাহখাই পৰিছে। এতিয়াও ৰেলৰ ফ্লেটত অসংখ্য যাত্ৰী। হু—ও—ও—ইট্; ৰেলৰ উকি। ৰেল চলিবৰ হল। ৰেল চলিবলৈ ধৰিলে অতি লাহে লাহে। কি কৰোঁ উপায় নাই। উপায় ভাবিবলৈও সময় নাই। দুৱাৰ এখনৰ 'ৰড'ত ধৰি 'ষ্টেপ'ত ভৰি দিলোঁ। দুৱাৰখন মেল খাই গল। মই সোমাই পৰিলোঁ কোঁঠাটোৰ ভিতৰত।

কলেজীয়া জীৱন। হোষ্টেলত ঠাইৰ নাটনি। প্ৰথম বিভাগত পাছ নকৰিলে হোষ্টেলত ঠাই নাই। মোৰ কাৰণে হোষ্টেলৰ প্ৰবেশ-পথ মুকলি আছিল; কাৰণ মই প্ৰথম বিভাগতে পাছ কৰাৰ সামৰ্থ্য গোটাইছিলোঁ। হোষ্টেলত মই খাপ খাব পৰা নাছিলো। মোৰ অৰ্থবল বৰ হীন। এই হীনতাৰ আৰুম লৈয়ে মোৰ কোঠাৰ সহপাঠী সকলে নানা ভাৱে মোক তাচ্ছিল্য কৰে। ধুতি পিন্ধাৰ পৰা আৰম্ভ কৰি খোৱাবোৱা পৰ্য্যন্ত মোৰ খুঁত উলিওৱাত সিহঁত ব্যস্ত। সিহঁত মোতকৈ শ্ৰেষ্ঠ; কাৰণ বৰুৱা ২য় বাৰ্ষিকত আৰু শৰ্ম্মা ৩য় বাৰ্ষিকত।

সিহঁতৰ উৎপাত কেতিয়াবা অসহ্য হৈ উঠে। শক্তিৰে সিহঁতক প্ৰতিদান দিবলৈ মন যায়। কিন্তু !....বাক্যেৰে মই বলে নোৱাৰোঁ। মোৰ নিচিনা চহৰৰ আদব-কায়দা নজনা মানুহ সিহঁতে দেখাই নাই হেনো।

*　　*　　*

এবছৰ দুবছৰকৈ হোষ্টেলত কলেজীয়া জীৱনৰ তিনিটা বছৰ কাটি যায়। আগৰ আশা আৰু উছাহ এতিয়া প্ৰখৰ ৰ'দত গছপাত লেবেলা দৰে লেৰেলি গৈছে। খাওঁতে, শোঁতে, ক্লাছত, বাহিৰত একেটাই প্ৰশ্ন। "গ্ৰেজুৱেট্ হোৱাৰ পাচত কি কৰিম।" প'ষ্ট গ্ৰেজুৱেট্—ওহোঁ অসম্ভৱ। গ্ৰেজুৱেট হওঁতেই ঘৰৰ ফালে চাব নোৱাৰা হৈছোঁ। ঘৰখনৰ দায়িত্ব মোৰ ওপৰতেই। দিনে দিনে আই বুঢ়ী হৈ গৈছে। লাহে লাহে দুৰ্ব্বল হৈ আহিছে। মই জানো তেওঁক খুৱাই পিন্ধাই ভালদৰে সেৱা কৰিব নালাগে! মোৰ পৰাই তেওঁলোকে কিবা এটা আশা কৰে। ককাইদেউ, বৌদেউ, পোনা, গাৱঁৰ মানুহবোৰ সকলোৱেই আশাবাদী। টং টং টং—ভাতৰ বেল পৰে। মুখৰ আগৰ পৰা মেলা 'কেমিষ্ট্ৰি' কিতাপখন জপাই থৈ ভাত খাবলৈ গুচি যাওঁ।

"শইকীয়া, আপুনি ইমান ভাবি থাকে কিয় ?" নীৰদাই তামোল এখন চোবাই অলপ গহীন ভাবে সোধে।

"ভাবিয়েই আছো ; অথচ ভাবনাৰ অন্ত নাই।" বলেৰে হঁহা হাঁহিৰ মাজেদি মোৰ মুখত ওলায়। "কেকুলেই ভাবি থাকোঁতে কাৰবনৰ নাচি থকা বাহু দেখা পালে। ময়ো কিজানিবা ভাবি থাকোঁতে মোৰ বিচৰা বস্তুটো পাওঁৱেই।"

"আপোনাৰনো বিচৰা বস্তুটো কি ৰম্ভা নে মেনকা ?" হাঁহি হাঁহি নীৰদাই কয়।

"কুৰি শতিকাৰ ডেকাই ৰম্ভা মেনকাৰ কাৰণে তিল মাত্ৰও নাভাবে।" মোৰ মাতত যেন এটা কঁপনি উঠিছিল। মোৰ মনোভাব প্ৰকাশ নকৰিবলৈ মই যত্নবান হওঁ।

"বাৰু...." নীৰদাই গম্ভীৰ শলাগনি জনাই আঁতৰি যায়। কিতাপখন মনোযোগেৰে মেলি লওঁ। চাৰিলাইন মানহে পঢ়োঁ। কেতিয়ানো মনটো আহি আলিবাট পায়হি কবই নোৱাৰোঁ। আলিবাটৰ সেই মতা-মাইকী, লৰা-ছোৱালীবোৰ। সিহঁতৰ আছে কি ? একোৱেই নাই। দিনটো ঠিকাদাৰৰ অধীনত কাম কৰে—আলিৰ শিলৰ ওপৰৰ বোকা বালি গুচায় নতুন-ভঙা শিল দিয়ে, যেয়া আলিটো মটৰ, গাড়ী, মানুহ যাবলৈ সুন্দৰ কৰে। তাৰ বাবদ পায়, ছয় অনা হাজিৰা। তাৰে চাৰাপ খায়, ভাত কটী খায়. ৰাতি হলে আলিৰ কাষত, বাৰাণ্ডাত ফাপৰে ধৰা কুকুৰৰ দৰে পৰি থাকে। এয়ে ইহঁতৰ জীৱন। মনটো মোৰ উৰা মাৰে ঘৰলৈ গাৱঁলৈ। আমাৰ ঘৰৰ কাষতে থকা বাঁৰী জনী। তাইৰ ছটা লৰা। ভাগৰ মাটি এহালিছা। ছটা ছঘৰত গৰুৰখীয়া। তাইও বছৰটো-কাল আনৰ ভুঁই ৰুই দিয়ে। ধান দাই দিয়ে, ধান বানি দিয়ে, কাৰোবাক ধান মাৰিও দিয়ে। তাৰ বাবদ পায় এমুঠি কৰ্কৰা ভাত, এটা পোৱা গবৈ মাছ। এখন ফটা এৰিয়া মেখেলা, এটা ফটা চোলা আৰু হয়তো এবাৰ উকা মৰমী সুৰৰ মাত "পেটুৱাৰ মাক" বুলি।

বাৰিষা আৰম্ভৰ লগে লগে ৰৰঘুণ নাহে জানিবা বেমাৰ হে আহে। আমাৰ ঘৰতে ককাইদেউ বছৰত তিনি চাৰিবাৰকৈ বেমাৰ পৰে। পোনাটিও জন্মৰ পৰাই মেলেৰীয়াৰ লগত বন্ধু পাতি আহিছে। বৌদেৱেনো কেইবাৰ চিপ নলৈছে। আইও ডুকুৰিতে চাৰিকুৰিৰ দৰে। গাৱঁৰ সকলোৰে তেওঁলোকৰ নিচিনাই অৱস্থা,.... টং টং টং....ভাতৰ বেল।

•　　•　　•

ডিগ্ৰী পৰীক্ষা হৈ গল। ডিষ্টিংক্সন্ লৈ পাছ কৰিছোঁ। চাকৰি বিচাৰি হাঁহাকাৰ। গেজেট্ আৰু বাতৰি কাকতত নিতৌ চকু। হাতে ঢুকি পোৱাত কাম খালি নাই। কিছুমানত দৰ্খাস্তৰ লগত ট্ৰেজাৰি চালান, কিছুমানত ন শ, বাৰ শ নতুবা ষোল শ চিকিউৰিটি জমা ৰাখিব লাগে।

কোনোটোত আগৰ অভিজ্ঞতা লাগে। মোৰ পক্ষে এই বিলাকৰ এটাতো সম্ভৱ নহয়।

"বোপাই কাম এটা নিবিচাৰ কেলেই? এনেই তলৌ তাল্মী কৈ ঘূৰি ফুৰিলেই হয়নে?" আয়ে মিহি কোমল মাতেৰে কয়। তেওঁৰ সেমেকা চকু কেইটাই মোৰ ভৰিৰ পৰা মূৰলৈকে নিৰীক্ষণ কৰে।

"তোক পঢ়াওঁতেই ঘৰৰ অৱস্থা এই। ময়ো তোক পঢ়োৱা চিন্তাতে তেনেই শুকাই গলোঁ।" আইৰ মাতত বিষাদৰ সুৰ। চকুত দুখ-প্ৰসূত সেমেকাটো।

"মই কাম বিচাৰিয়ে আছো আই। মই যে দিনৌ টাউনলৈ যাওঁ সদয়ে কাম বিচাৰিয়ে যাওঁ।" মোৰ মাতটো ক্ৰমান্বয়ে সৰু হৈ যায়। মই নিজকে দুৰ্ব্বল অনুভৱ কৰোঁ।

"আজিকালি পঢ়োৱাটো উজু কিন্তু কাম পোৱাটো ডাঙৰ কথা আই।" "থ থ" আয়ে জোৰেৰে কয়— "তোৰ লগত হা কানি হা ভাত হলো। পঢ়োৱাটো উজু কথা হেনো।" চকু কেইটা ডাঙৰ কৈ মেলি আয়ে মুখ খন লৰাই মোলৈ চায়।

"নহয়, কাম পোৱাটো আজিকালি যিমান টান পঢ়োৱাটো টান যদিও কাম পোৱাৰ তুলনাত উজু" নিৰস হাঁহিৰে মই কওঁ। "আজি কালি কাম পাবলৈ হলে বংশত হাত দীঘল মানুহ লাগে। আমাৰ দেখোন বংশই নাই।" আই দুখ মনেৰে ওলাই যায়।

* * *

ওহনি পথাৰ। লিকটীয়া বোকাবোৰ ভৰিৰ পৰা এৰাবই নোখোজে। শাওনৰ নিৰ্ম্মল আকাশৰ সূৰ্য্যৰ একোটা ৰশ্মিয়েই যেন মোৰ কাৰণে একোপাট শৰ হে। ছ আষি কঠীয়াৰ ভাৰ খনে মোক কোঁচমোচ খুৱাই নিছিল। গাল দুইখনেদি ঘামবোৰ সোঁ সোঁ কৰে বৈ গৈছে। প্ৰত্যেক বাৰ কান্ধ সলায়েই মুখখনৰ ঘামবোৰ বোকা লগা হাতেৰেই মোহাৰি দিওঁ। বালিবোৰ গালত খিৰ্ খিৰাই উঠে। অলপ দুখ পাওঁ। কিন্তু এইকণ দুখ ঘামৰ পানীৰে মছা মুখখনৰ শীতলতাত নিজৰ অস্তিত্ব হেৰুৱাই পেলায়। এবাৰ মূৰ দাঙি চাওঁ আমাৰ মাটি কিমান দূৰত। বগলীবোৰ মুখৰ আগেদি উৰি গৈ দূৰত পৰে। ভৰিৰ পিতবোৰ বিষায়, কিন্তু যাবই লাগিব। কান্ধ দুখন ৰম্‌ৰমাই উঠে। পোৰে। তথাপিতো গৈ থাকোঁ আমাৰ মাটি দৰালৈ।

উহ....কি শান্তি! কঠীয়াভাৰ পেলাই ককালটো ইকাতি সিকাতিকৈ পোনাই দিওঁ। বোকাৰ মাজৰ তিনি আলিটোত বহি ফটা বনিয়নটো মূৰলৈ টানি ছাঁ লওঁ। ভৰি কেইটা পিতৰ ওপৰলৈকে বোকাত পোতখাই থাকে। বতাহ মাৰে। নিচেই শান্ত কিন্তু শীতল। দুপ-ৰীয়া পথাৰ খনত কোনো শব্দ নাই। বহল পথাৰখনৰ সুদূৰত কিছুমান গৰু-মহ চৰি থাকে। বগলীবোৰ ইঠাইৰ পৰা সিঠাইলৈ উৰি যায়। কোনোবা দিগন্তৰপৰা ভাহি আহে এটি জিন্ জিন্ সুৰ।

সমুখৰ দিগন্তত থকা ওখ-চাপৰ নীলা হিমালয়ৰ নাংনি পৰ্ব্বত ৰাশি সুন্দৰ আৰু নিস্তব্ধ। পূবৰ পৰা পশ্চিমলৈ আগুৰি থকা উত্তৰৰ এই পৰ্ব্বত শাৰী কিযে মনোৰম। পৰ্ব্বতৰ শিখৰৰ অ'ত ত'ত সৰু সৰু পাতল তুলা-মেঘৰ সমষ্টি। প্ৰকৃতি সদায় সুন্দৰ। সুন্দৰৰ হিয়াতে সত্য। মানুহ প্ৰকৃতিৰ সন্তান। তেন্তে মানুহো সুন্দৰ। নিশ্চয় মানুহৰ হিয়াতো সত্য আছে। সেয়েই ঈশ্বৰ, সেয়েই ভগবান, সেয়েই অল্লা, গড্। ইয়াৰ স্বৰূপ প্ৰকাশ ক'ত। ইয়াৰ স্বৰূপ প্ৰকাশ মৰমৰ মাজেদি, হিয়াৰ সহানুভূতিৰ মাজেদি। মাকৰ পুতেকলৈ মৰম আছে। সেই মৰমেই ভগবান। কণা মানুহলৈ আমাৰ দয়া ওপজে। এই দয়াই ভগবানৰ বিকাশ।...... বহল নিৰ্জন নিস্তব্ধ পথাৰৰ মাজত অকলে বহি থাকোঁতে নানা ভাব আহে, যায়।

মনত পৰে কলেজৰ হোষ্টেল, ক্লাছ, কেমিষ্ট্ৰিৰ লেবৰেটৰী, ফিজিক্সৰ লেবৰেটৰী, লাইব্ৰেৰী। বাস্তৱ জীৱনৰ লগত এই-বোৰৰ সম্বন্ধ কি, ইয়াৰ লগত 'ডিফাৰেন্সিয়েল কেলকুলাচৰ লায়েব্‌লিট্‌জ্ থিয়ৰেম' নাই। 'কেমিষ্ট্ৰিৰ লিচেটিলিয়াৰ্চৰ প্ৰিন্সিপোলো' নাই। নাই অঙ্ক, নাই ফিজিক্‌স্, নাই কেমিষ্ট্ৰী। আছে মাথো বোকা, কঠীয়া অনা হুলাং ভাল; হয়তো নাঙল, কোৰ, এচাৰ। বি, এচ, চিৰ ডিষ্টিংক্সন্

সুস্তত মাৰ যায়। শান্ত বতাহ জাকে যেন কাণে কাণে কৈ যায়—তোমাৰ শিক্ষা কৃত্রিম। কেৱল চাকৰিৰ কাৰণেহে এই শিক্ষা। বাস্তৱ জীৱনৰ পৰা ই বহু আঁতৰত। প্রকৃতিৰ সত্য সুন্দৰৰ লগত ইয়াৰ সম্বন্ধ নাই। ই তোমাক চাকৰি লবলৈ ঠেলি দিব। আৰু সিয়েই শেষত তোমাৰ পৰা ভগবানক আঁতৰাই নিব, অর্থাৎ তোমাক দয়া মৰমৰ ঘাটক কৰিব"।

অন্তৰৰ গভীৰ কোণৰ পৰা ওলাই আহে এটি দীঘল হুমুনিয়াহ। বোকাৰ ওপৰৰ পাতল পানীখিনি হুমুনিয়াহৰ বা লাগি কঁপি উঠে।

---




## আমাৰ শোক প্ৰকাশ

### চাৰ্ আকবৰ হাইদৰী



২৮ ডিচেম্বৰৰ দিনা—অসমৰ গৱৰ্ণৰ চাৰ আকবৰ হাইদৰীৰ মণিপুৰত অকাল মৃত্যু ঘটে। তেখেত এজন বিচক্ষণ শাসন কৰ্ত্তা আছিল। তেখেতে হাতত লোৱা কামবোৰ কৰিবলৈ নাপালে। এখেতৰ মৃত্যুত অসমৰ লগে লগে গোটেই ভাৰতৰ এটা অপূৰণীয় ক্ষতি হ'ল।

আমি এই জন গুণী-পুৰুষৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছোঁ। তেখেতৰ আত্মাৰ সদগতি কামনা কৰিছোঁ।

### মৌলবী চৈয়দুৰ ৰহমান

অসম পাবলিক চাৰ্ভিচ কমিচনৰ সভ্য, ভূতপূৰ্ব্ব শিক্ষা মন্ত্ৰী মৌলবী চৈয়দুৰ ৰহমান চাহেবৰ মৃত্যু অসমৰ কাৰণে ক্ষতিকৰ। হিন্দু-মুছলমান সকলোকে সমান চকুৰে চাই বহল হিয়াৰ পৰিচয় দি যোৱা এই কৰ্ম্মীজনৰ অভাৱ আমি যথেষ্ট পৰিমাণে অনুভৱ কৰিছোঁ। আত্মাৰ সদগতি কামনা কৰি শোক সন্তপ্ত পৰিয়াললৈ আমাৰ আন্তৰিক সমবেদনা জনাইছোঁ।

### মৌলবী আব্দুল মতিন চৌধুৰী

আজি কিছুদিনৰ আগতে অসমৰ ভূতপূৰ্ব্ব মন্ত্ৰী মৌলবী আব্দুল মতিন চৌধুৰী চাহেবৰ মৃত্যু ঘটিল। তেখেতৰ আত্মাৰো আমি সদগতি কামনা কৰিলোঁ।

### কৃষ্ণ বৰকাকতি

৯ জানুৱাৰীৰ দিনা কৃষ্ণ বৰকাকতিয়ে এই সংসাৰৰ পৰা বিদায় ললে। তেখেতৰ প্ৰতিভাৰ বিকাশ হবলৈ নাপালে। যি প্ৰতিভাৰ চিনাকি আমি সাহিত্য ক্ষেত্ৰত পাইছিলো সিয়েই আমাক তেখেতৰ চিনাকি দিয়ে। ২৭ বছৰ বয়সত এজন উঠি অহা ডেকাই এই সংসাৰৰ পৰা গুচি যাব লগা হোৱাতো অতি দুখ লগা কথা। কাকতি ভূতপূৰ্ব্ব কটনিয়ানৰ সম্পাদক আছিল। তেখেতৰ মৃত্যু হোৱাত আমি এজন কবি-সাহিত্যিক কটনিয়ান হেৰুৱালো। ই আমাক ব্যথিত কৰিছে। আত্মাৰ সদগতি কামনা কৰি শোক সন্তপ্ত পৰিয়াললৈ আমাৰ আন্তৰিক সহানুভূতি জনাইছোঁ।

### অধ্যাপক ৺ঘনকান্ত শৰ্ম্মা এম-এ বি-এল

আজি প্ৰায় এবছৰ কাল্কেই হ'ল, যোৱা ১৯৪৮ চনৰ এপ্ৰিল মাহৰ ২২ তাৰিখ ৰাতিপুৱা অসমী আইৰ বিশেষকৈ কটন কলেজৰ অধ্যাপক-মণ্ডলীৰ মাজৰ পৰা এটি উজ্জল

ৰত্ন খহি পৰিল। সেই ৰত্নটি হৈছে কটন কলেজৰ সংস্কৃত বিভাগৰ গুৰিয়াল অধ্যাপক ৺ঘনকান্ত শৰ্ম্মা। কামৰূপ জিলাৰ কৈঠালকুছিৰ এটি দ্ৰৱিদ্ৰ ব্ৰাহ্মণ পৰিয়ালত তেখেতৰ জন্ম। চামতা হাইস্কুলৰ পৰা ১৯৩৩ চনত মেট্ৰিকুলেশ্বন পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰতিযোগিতা-মূলক বৃত্তি লাভ কৰে। তাৰ পিচত সেই জলপানীৰ ওপৰতে একমাত্ৰ ভাৰসা কৰি দৰিদ্ৰতাৰ লগত সংগ্ৰাম কৰি ১৯৩৫ চনত কটন কলেজৰ পৰা আকৌ প্ৰতি-যোগিতামূলক বৃত্তি লাভ কৰি আই-এ পাছ কৰে। এই কলেজৰে পৰা ১৯৩৭ চনত কৃতিত্বৰে সংস্কৃতৰ অনাৰ্চ লৈ বি-এ পাছ কৰে। উচ্চ শিক্ষা লাভ কৰাৰ যি অদম্য তৃষ্ণা মনত আছিল তাৰেই অৱলম্বন কৰি কলি-কতাত, এম-এ আৰু ল পঢ়ে। ১৯৩৯ চনত প্ৰথম শ্ৰেণীত এম, এ, পাছ কৰে আৰু তাৰ পিচৰ বছৰেই গুৱাহাটীৰ পৰা বি-এল মহলাত উত্তীৰ্ণ হয়।

১৯৪০ চনত এছিষ্টেণ্ট লেক্‌ছাৰৰ হৈ কটন কলেজত সোমায়। তেখেতৰ সৰল, নিৰহঙ্কাৰ আৰু সহানুভূতিশীল স্বভাৱে ছাত্ৰসমাজক সহজেই মুগ্ধ কৰিছিল। অলপ দিনৰ ভিতৰতে তেখেতে নিজ প্ৰতিভাৰ বলত এজন কৃতী অধ্যাপকৰূপে ছাত্ৰসমাজৰ শ্ৰদ্ধাভাজন হব পাৰিছিল। এছিষ্টেণ্ট লেক্‌ছাৰৰ বা লেক্‌ছাৰৰ বা দুশ টকা দৰমহাৰে এটা পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব লৈ অধ্যাপক হিচা-বেও যোগ্যতা অৰ্জন কৰাটো এই মুদ্ৰাস্ফীতিৰ যুগত সহজ সাধ্য কাম নহয়। কিন্তু "Plain living, high thinking'—এই আদৰ্শবাদত অনুপ্ৰাণিত হৈ অসীম ধৈৰ্য্যৰে নিজৰ আৰু ককায়েকৰ এই দুয়োটা পৰি-য়ালৰে দায়িত্ব লৈও, অধ্যয়ন আৰু অধ্যাপনা কাৰ্য্য অশেষ উৎসাহেৰে চলাইছিল। দায়িত্ব গ্ৰহণৰ প্ৰতি আগ্ৰহ আৰু যোগ্যতা দুয়োটাই তেখেতৰ আছিল। সংস্কৃত বিভাগৰ গুৰিয়াল পদবী লৈ উন্নীত হৈ নিজৰ যোগ্যতা আৰু কৰ্ত্তব্যনিষ্ঠাৰ বেচ পৰিচয় দিছিল। ৺শৰ্ম্মা ডাঙৰীয়াৰ দায়িত্বশীলতাৰ প্ৰতি আকৃষ্ট হৈ তেতিয়াৰ অধ্যক্ষ ডাঃ বাণীকান্ত কাকতিদেৱে কলেজৰ পৰীক্ষা-পৰিচালনা কাৰ্য্যৰ সকলো দায়িত্ব তেখেতৰ গাতে অৰ্পন কৰিছিল। আৰু হোষ্টেলৰ ছুপাৰিণ্টেণ্ডেণ্ট পদো দিছিল, কিন্তু বিধাতাৰ পৰিহাসত তেখেতে ছুপাৰিণ্টেণ্ডেণ্ট হৈ আহিবলৈ নেপালে।

উচ্চ শিক্ষালৈ তেখেতৰ অদম্য ধাউতি আছিল। পৰিয়ালৰ কিবা এটা ব্যৱস্থা কৰিব পাৰিলে এবাৰ বিদে-শলৈ গৈ উচ্চ শিক্ষা লাভৰ আশা সদায়ে মনত পুহিছিল। মনৰ আশা মনতে গ'ল। অসমীয়া ব্যাকৰণ, এখন সংস্কৃত ব্যাকৰণ, উপনিষদৰ সাধু আৰু বিশেষ মূল্যবান অসমীয়া ছন্দ—এই কেইখন পুথি হাতে লিখা অৱস্থাতে এৰি গৈছে। ব্যাকৰণ আৰু ভাষাতত্ব সম্বন্ধীয় গ্ৰন্থৰ তেখেতে বিশেষ অনুশীলন কৰিছিল।

এনেহেন উদীয়মান প্ৰতিভাশালী লোক এজনক ৩৪ বছৰ বয়সৰ ডেকা পাৰ নৌহওঁতেই আমাৰ মাজৰ পৰা নিয়তিয়ে লৈ গ'ল। অধ্যাপক শৰ্ম্মাদেৱৰ অকাল মৃত্যুত অসমী আয়ে বিষাদৰ চকুলো টুকিছে; আমিও এগৰাকী বিজ্ঞ অধ্যাপক আৰু কৃতী 'কটনিয়ান' হেৰুৱাই মৰ্মাহত হৈছোঁ। তেখেতৰ অশৰীৰী আত্মাৰ চিৰশান্তি লাভ হওক, আজি আমাৰ একমাত্ৰ প্ৰাৰ্থনা এয়ে।

শ্ৰী শ্ৰীপ্ৰকাশ



অসমৰ গৱৰ্ণৰ মাননীয় শ্ৰীশ্ৰীপ্ৰকাশজীক আমি আন্তৰিক আদৰ অভ্যৰ্থনা জনাইছোঁ। এইজন গৱৰ্ণৰৰ শাসনত অসমৰ শ্ৰী দুগুণে বাঢ়িব বুলি আমি আশা কৰিলে। অসমীয়া ৰাইজে এই গুণী পুৰুষজনৰ মোল এখেতে কৰা কামবোৰৰ দ্বাৰাই জানিব পাৰিব।

## আমাৰ কৰলগীয়া

'৪৬ চনৰ পৰা কটন কলেজৰ ছাত্ৰ-বাসত থকা ছাত্ৰ সকলৰ কেইবা জনো ছাত্ৰক যক্ষ্মা ৰোগে আক্ৰমণ কৰা আমি জানি আহিছোঁ। ই বৰ দুখৰ কথা। ইয়াৰ কাৰণবোৰ চালে দেখা যায় ছাত্ৰ থকা যিবোৰ ছাত্ৰ বাস আছে সেই বোৰত মিলিটাৰীৰ ৰোগী ৰাখিছিল। প্ৰায় বোৰেই ৰোগী-ঘৰ স্বৰূপে ব্যৱহাৰ হৈছিল। এই ঘৰবোৰ গৰমৰ বন্ধ হলে বা আন দীঘলীয়া বন্ধ হলে ফেনাইল আদিৰে ভালকৈ ধোৱাই চুন দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰ ওপৰিও ছাত্ৰসকলৰ কাৰণে যিখন ডাক্তৰখানা আছে তাৰ ব্যৱস্থা দেখিলে বেজাৰ লাগে। ইয়াক সাক্ষী গোপাল স্বৰূপে থৈ ১৭শ ছাত্ৰৰ জীৱন মৰণৰ সমস্যাক অতি সহজেই সামধা কৰা দেখা গৈছে। ফলত আৱশ্যক মতে ডাক্তৰ কম্পাউণ্ডাৰ এজনকো পোৱা নাযায়। বহুত ছাত্ৰই নিজৰ জেপৰ ধন ভাঙি বাহিৰৰ ডাক্তৰক দেখুৱাব লগা হয়। ১৭শ ছাত্ৰৰ ভিতৰত শতকৰা ৮০ জনেই ছাত্ৰ বাসত বাস কৰে। কোন ছাত্ৰৰ কি বেমাৰ আছে জানিবৰ সুবিধা নাই এনে দোষৰ ফলতে সংক্ৰামক ৰোগবোৰ বিয়পি পৰা সম্ভাৱনা দেখা যায়। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা মাহে মাহে কৰিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। প্ৰত্যেক মাহে মাহে ওজন কৰাৰ ব্যৱস্থাও হব লাগে। এই ডাক্তৰখানাৰ কাৰণে যিসকল ডাক্তৰ দিয়ে সেই সকলৰ বেছি ভাগেই অৱসৰ পাবলগীয়া। ১৭শ ছাত্ৰৰ জীৱনৰ গৰাকী এনে এজন ডাক্তৰৰ হাতত গতাই দিয়াতো বৰ দুখলগা কথা। এল-এম-পি ডাক্তৰৰ ঠাইত এজন এম-বি ডাক্তৰৰ ব্যৱস্থা কৰ্তৃপক্ষই কৰিলে আমি নথৈ সুখী হম। তাৰ ওপৰিও ছাত্ৰাবাসত যি আহাৰ দিয়া হয় সি স্বাস্থ্য বজাই ৰখাৰ কাৰণে যথেষ্ট নহয়। এনে অৱস্থাত ডাক্তৰ খানাৰ পৰা উচিত চিকিৎসা নাপালে ছাত্ৰৰ বেমাৰৰ পৰিমান বাঢ়িযোৱাটো স্বাভাবিক। কৰ্তৃপক্ষই যেন এই কথাটোৰ কাৰণে ভালকৈ লক্ষ্য কৰে।

## এ-এচ-এল-ক্লাব

আজি প্ৰায় দুবছৰৰ আগতে কটন কলেজত মৰি যোৱা এই ক্লাবটো পুনৰ স্থাপন কৰা হৈছিল। এই ক্লাবৰ কথা ভাবিলে বৰ দুখ লাগে। সাধাৰণতে ছাত্ৰসকলে এনে অনুষ্ঠানবোৰলৈ সুদৃষ্টি নেপেলায়। আজিকালিৰ দিনত এনে অনুষ্ঠানৰ আৱশ্যকতা কিমান তাক নকলেও সকলোৱে বুজে। পুজি আৰু ছাত্ৰ সকলৰ সহানুভূতিৰ অভাৱৰ কাৰণেই এই ক্লাবটোৱে গা কৰিব পৰা নাই। এই ক্লাবৰ ইউনিয়ন চ'চাইটিৰ ভিতকৰা নহয় কাৰণে ছাত্ৰসকলে ইয়াক মূল্য নিদিয়ে। আমি ইউনিয়ন চ'চাইটিৰ কৰ্ম্মী সকলক এই ক্লাবটো ইউনিয়নৰ ভিতকৰা কৰি লবলৈ অনুৰোধ জনাইছো। ইউনিয়ন চ'চাইটিৰ ভিতকৰা কৰি ললে বোধকৰো সকলো ছাত্ৰই ইয়াৰ প্ৰতি সহৃদয় হব।

## চুবুৰীয়া বা স্থানীয় ভাবধাৰা

কটন কলেজটো হৈছে অসমৰ ভিতৰত ডাঙৰ লেখত লব লগীয়া কলেজ। গোটেই অসমৰ ছাত্ৰ-ছাত্ৰীয়েই ইয়ালৈ শিক্ষা লবলৈ আহে। তথাপিও এই ছাত্ৰ ছাত্ৰী সকলৰ মনত এটা বৰ ঠেক ভাব ধাৰা আছে। সেইটো হৈছে চুবুৰীয়া বা স্থানীয় ভাব ধাৰা। এই ভাব ধাৰাৰ কাৰণে বহুতো ভাল কাম এই কলেজৰ হৈ উঠিব পৰা নাই। এই ভাব ধাৰাটো বৰ বেছিকৈ দেখা দিয়ে নিৰ্ব্বাচনৰ সময়ত। ফলত ছাত্ৰসকলৰ মাজত ঠেক ভাববোৰ আহি পৰে আৰু সৰ্ব্বসাধাৰণৰ স্বাৰ্থত বাধা পৰে। বহল মনৰ ছাত্ৰ-ছাত্ৰী সকলে এই ঠেক কথাবোৰক লৈ কলেজীয়া জীৱনৰ আহি দাঙি ধৰাটো শোভা নাপায়। এই ভাব ধাৰাক বাদ দি প্ৰত্যেক ছাত্ৰকে প্ৰত্যেকেই এজন কটনিয়ান আৰু এজন ইজনৰ বন্ধু, সহায়কাৰী বুলি ভবা কৰ্ত্তব্য। কিয়নো এই সৰু সৰু কথাবোৰৰ কাৰণে আমি সাধাৰণতে ডাঙৰ কমাবোৰ কৰি তুলিব নোৱাৰোঁ।

যোৱা বাৰ নিৰ্ব্বাচনত ছাত্ৰীসকলে এজনা ছাত্ৰীকো নিৰ্ব্বাচিত কৰিব নোৱাৰিলে। ছাত্ৰীসকৰ মাজত দুৰ্ব্বলতা আহি পৰিছেই বুলি কব লাগিব। নহলে নিৰ্ব্বা-

চনত এনে বেমেজালি হোৱাৰ কাৰণ আমি ভাবি নাপাওঁ। অহা নিৰ্ব্বাচনত যেন ছাত্ৰীসকলে নিজৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ যত্ন কৰে।

## কটন কলেজ

(কটন কলেজখন কি আমি তাক বুজাব নোৱাৰোঁ। ইয়াক যি দেখিছে সেই সকলেহে বুজিব পাৰিছে। এনে উচ্চ অনুষ্ঠান এটাৰ প্ৰতি শিক্ষা বিভাগৰ কৰ্তৃপক্ষক বেছি মনোযোগ দিবলৈ আমি অনুৰোধ কৰোঁ। কেইটামান বিভাগত শিক্ষকৰ অভাব। দিন দিন ছাত্ৰ-ছাত্ৰী কলেজত বাঢ়ি গৈছে আৰু আগৰ শিক্ষক সকলেই ইমানবোৰ ছাত্ৰক পঢ়াব লগীয়া হৈছে। ফলত আগত যি পঢ়ুৱাৰ ব্যৱস্থা আছিল সেই ব্যৱস্থাৰ পৰিবৰ্ত্তন হৈছে। আগেয়ে ছাত্ৰৰ কাৰণে টিউটৰিয়েল ক্লাচৰ ব্যৱস্থা আছিল; কিন্তু যুদ্ধৰ বজাৰত বস্তুৰ অভাব হোৱাৰ দৰে কলেজতো এই টিউটৰিয়েল ক্লাচৰো অভাৱ হল। এনে হোৱাত বহু ছাত্ৰৰ পঢ়াত বেমেজালি হৈছে ফলত পৰীক্ষাৰ মাফ কাঠিৰ আগত তিষ্ঠিব নোৱাৰি বহুত ছাত্ৰই গুচি যাব লগা হৈছে। এনে ব্যৱস্থা যদি এই কলেজখনৰ হয় তেনে হলে বৰ দুখৰ কথা।) তাতে বৰ ঘনাই ঘনাই শিক্ষক সকল গুচি যাব লগা হোৱাতো ছাত্ৰৰ বহুত অসুবিধা হৈছে। অসমৰ একমাত্ৰ উচ্চ শিক্ষাৰ স্থান এই খনেই। ইয়াৰ ব্যৱস্থাবোৰ অলপ আৰু উন্নত হোৱা দৰ্কাৰ বুলি আমি ভাবো।

## লাইব্ৰেৰী

(কলেজ লাইব্ৰেৰীটোৰ কথা কবলৈ গলে মাৰোৱাৰীৰ গুদাম এটালৈ আঙুলীয়াই দিলেই যথেষ্ট হব। শুনিছোঁ বোলে গৱৰ্ণমেণ্টে এটা ধুনীয়া লাইব্ৰেৰীৰ দিহা কৰিবলৈ ভাবিছে। এই ভবাটো ৰূপায়িত কৰিলেই আমি সুখী হম। নতুন লাইব্ৰেৰী হোৱাৰ আগতে এই লাইব্ৰেৰীৰ নো ব্যৱস্থা অলপ উন্নত হোৱাৰ কোনো উপায় নাইনে?) দুবছৰ মানৰ পৰা নতুন কিতাপবোৰৰ তালিকা হোৱা নাই আৰু ফলত ছাত্ৰই নতুন কিতাপ পঢ়িবলৈ আশা পালি থাকোতেই কলেজীয়া দিনকেইটা বৰ সহজেই পাৰ হৈ যায় গৈ।

## কটনিয়ানৰ বিষয়ে একেষাৰ

যোৱা দুবছৰৰ পৰা 'কটনিয়ান' খনৰ অৱস্থা বৰ সন্তোষজনক নহয়। এই কথালৈ লক্ষ্য ৰাখি আমি এই বছৰ আলোচনীখন অলপ ভাল কৰিবলৈ চেষ্টা কৰিছোঁ; কব নোৱাৰো আমাৰ এই প্ৰচেষ্টা কিমান দুৰ সাৰ্থক হৈছে। এই বিচাৰৰ ভাৰ আমি সহৃদয়ৰ পাঠক-পাঠিকা সকলৰ গাত এৰি দিলো। আমাৰ ইচ্ছা থকা স্বত্বেও দুটা সংখ্যা আমি উলিয়াব নোৱাৰিম। কিয়নো এই কাম কৰিবলৈ বহুতো অসুবিধা। এই আলোচনীৰ কাৰণে যি টকাৰ মনজুৰ কৰিছে, দুটা সংখ্যা কটনিয়ানৰ কাৰণে নাটে। তাতে প্ৰেছ আদিৰতো কথাই নই। তাৰ উপৰিও নিৰ্ব্বাচন হয় বৰ পলমকৈ। নিৰ্ব্বাচন হৈ যোৱাৰ প্ৰায় এমাহ মানৰ পাচহে সম্পাদকে ৰাব বুজি লব পাৰে। পাৰমিট আদিৰ ব্যৱস্থা কৰোতেই পোন্ধৰ কুৰি দিন যায় গৈ। তাতে ছাত্ৰ সকলৰ পৰা প্ৰবন্ধ সংগ্ৰহ কৰিবলৈ চেষ্টা কৰোতেই লাগে এমাহ। বাকী থাকে এমাহ। এই মাহৰ ভিতৰতে পৰীক্ষাৰ কাৰণে পঢ়ি কটনিয়ানখন ছপাই উলিওৱা কামটো কিমান অসুবিধা তাক বোধকৰো ভাৱি চালেই বুজিব পাৰিব। ইমান কম সময়ৰ ভিতৰতে এনে ধৰণৰ আলোচনী এখন ছপাব লগা হোৱা কাৰণেই হয়তো দুই এটা সামান্য ভুল বৈ গৈছে। তাৰ কাৰণে যেন ছাত্ৰ ছাত্ৰীসকলে অসন্তোষ প্ৰকাশ নকৰে। কেইবাটিও উপযুক্ত প্ৰবন্ধ আদি ঠাইৰ কাৰণে প্ৰকাশ কৰিবলৈ নোৱাৰিলো; তাৰ কাৰণে যেন লিখকসকল নিৰুৎসাহ নহয়।

সৰ্ব্বশেষত আমি আকৌ ছাত্ৰ-ছাত্ৰীসকলক জনাওঁ যে, যদি কোনোবা ছাত্ৰ-ছাত্ৰীয়ে কিবা কাৰণত কটনিয়ান নাপাই আমাক জনালেই তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰা হব।

# The COTTONIAN

Vol XXV | APRIL, 1949 | PART I


## SUDMERSON'S MESSAGE

In his message to the young Cottonians, Mr. Sudmerson said, "It is a great happiness to me that I have been privileged to live to see the hopes of years realised. The University of Assam enters into a goodly heritage. The foundations were laid many years ago by Sir Henry Cotton in 1901. That College consisted of a single building containing but two halls and floors for its hostels. But the spirit of endeavour was born and gave life, and within a few years it challenged its rightful place in the University of Calcutta, so that that great educationist and scholar Sir Ashutosh Mukherji declared it the best College in that University.

"I would advise that the University should specialize in its higher course in a very limited range of subjects and endeavour to seek a widening reputation. I am glad to hear that the University is determined to secure the best men within the limit of its resources for its professional staff irrespective of race or creed. In that way and in that way only can the University achieve its purpose and establish itself. To act otherwise would be to be false to its trust and to degenerate into a self-complacent corporation.

"For the individual student I would urge 'Self-reverence, Self-knowledge and Self-control' and for the corporate bodies or the University, 'Live by law.'

"We of the past, out of the shadows with hope and confidence, salute the University of Assam."

# On the Historiography in Ancient India with particular reference to Assam

Prof. Protap Chandra Choudhury M. A.

Ethical justification has no place in dealing with an historical subject—great or small, though there remains ever the humanitarian standard in judging events, the laborious task of a critical historian. Logical inference to a philosophical future in history has also very little to do with the maxim that, 'history is philosophy teaching by example' and this is more so when it is difficult even to know the past partially or wholly. It has aptly been remarked that, 'we are as it were, actors in a drama, imperfectly acquainted with the scenes which have been already acted, knowing less of the purpose of the scenes which are in progress and almost wholly ignorant of the final development of the plot, This imperfection naturally arises not as much due to the paucity of materials or conflict in the historical sources themselves—both records and remains as to the weakness in the determining factor of psychology in giving true interpretation to the most genuine of materials. Besides, there is the unseen play of a chance accident, giving final shape to an historical movement quite unlike from the one that was expected to be. As, 'an historical event can be partially explained by many causes but there may be some little thing without which it could not have happened and that little thing may come out of the void, without any apparent justification for its existence.'[1]

In the midst of these manifold difficult problems with which the historians and the students of history come across, history has remained as an eternal process. It is concerned not merely with the dead past but it has also a correlation with the living present and a hopeful future. We are one with Dr. Schaff who holds that, 'the present is the fruit of the past and the germ of the future,[2] of human civilisation, no matter whether any historical statement can be final or not.[3]

It should be borne in mind again that the subjective element in history is more perplexing than the objective one and the facts are less explicable than the historians themselves to the same extent as the philosophers are more difficult to understand than the theories of creation. The so-called intention of a writer of history in producing an historical work is often seen to have resulted in a dogmatic self-assertion or at best in an historical probability having hardly any element of the fine art of creating an evolutionary work or a revolutionary drama - history being both an evolution and a revolution. The writers on the philosophical side of history like Croce,[4] are slow to reveal a great object in a piece of historical art rather from an impersonal perspective, pre-occupied as they are, than from the view-point of a subjective self-seeking or auto-imposition and the object in view should neither be undue glorification nor unjust derogation—both being merely a self-projection through a positive or negative lens, which the historians should always make it a point to avoid. To discover the truth lying in the mines of literary products, to make an attempt at unbiased criticism as referred to by Goethe and to give true interpretation to the remains, constitute, in general, a fine art to be learnt by the writers.

Judged by this standard, the most of the ancient Greek historians, among

1. John Buchan, The Causal and Casual in history, p. 17
2. Quoted in B. A. Hinsdale, How to study and teach History, p. 5
3. J. Winson, 'Perils of historical narrative' in the Atlantic Monthly Vol 66 (1890)
4. Beneditto Croce, Aesthetic, pp. 222-3 in Ainslie's translation.

**Photo of the E. C. with the University Commission.**



( Sitting in the chair ) ( From the left ) Prof N. K Sidhwanta ( Secy University Commission ) Dr. S. Radhakrishnan ( Chairman U. C. ) Sjt. K. K. Handique ( Vice-Chancellor G. U. )

others may be brought under the perview of criticism. We are, however, concerned here with the historical works of the ancient Indian authors and it has almost taken to be a truism to posit that the ancient Hindus paid no attention to the recording of the past or contemporary events. This serious charge has been levelled not so much against a lack of the faculty of recording facts as against the written historical works themselves. 'The Hindus do not pay much attention to the historical order of things, they are very careless in relating the chrono-logical succession of things and when they are pressed for information and are at a loss, not knowing what to say, they invariably take to tale-tellings[5].' As students of history we should ever keep this in mind that chronology is not the only test of a historical work. Dr. Fleet's criticism of Ancient Indian literature is more virile. The learned scholar states: 'Rich as we have been in their bequeths to us in other lines, the Hindus have not transmitted to us any historical work which can be accepted as reliable, in very early times...........It is indeed very questionable whether the ancient Hindus ever possessed the true historical sense in the shape of the faculty of putting together genuine history on broad and critical lines.'[6] We are not the proper authorities to question the merit of the scholastic researches made by this talented compiler of the Gupta inscriptions in the field of Indian history but it seems to be dogmatic to assert that all the Brahmanic, the Budhist and Jain literature together with the chronicles of Assam are unauthentic though entire mass of them do not always bear historical truth. Nor can we resonably doubt as regards the historical sense possessed by the ancient Hindus. Moreover, to put historical events on broad and critical lines is but a modern development. To expect perfection in any branch of study in any country at the very dawn of her civilisation is the height of irrationalism. Hence, it is extremely unfair that the entire mass of the varied historical works of the Hindus be brought under a critical review in strict acordance with a modern standard.

To be precise, the whole range of ancient Indian historical literature has been set aside by most of the Anglo Indian writers from the standpoint of 'Book of kings', or the 'Histories' of Herodotus and Thucydides, or the 'Annals' of Livy or the 'Accounts' of Ticitus. But these fathers of history as well could not escape from the fundamental errors in chronology and the one leading feature that is revealed through a comparative critical study of these works is that most of them are self-imposed attempts at partial deification; where as the treatment made by most of the Indian authors with due regard to graphic details, couched in poetic expression pregnant with socio-religious thoughts—the very basis of Indian civilisation, besides others – is mostly impersonal Herodotus among others was vocal in exto.ling only the Hellenic civilisation. As remarked by Prof. Bury, he wished to impress upon the reader's mind the contrast of Hellenic with Oriental culture which is indeed the key note of his history[7]'. Nor is he to be so much relied upon, for he himself writes of an improbable tale, 'I dont disbelieve nor do I absolutely believe it' Viewed again from a cultural stand-point, the Hindus have little parallel in contributing to the general trend of historical literature and the task of a genuine and sober historian, to hold even for the sake of repetition, should be to gather as many materials as possible, to pick out the essential from the doubtful and then to reconstruct a critical account of any subject or a stable and tolerably resonable foundation of impersonal judgement and not to spare his energy in bringing censure upon the Hindus or Egyptians, Greeks, or Chinese. True historiography is based on such scientific procedure and constructive spade-work of research.

To quote one Indian author again, Dr. Tripathi, who writes ;' Ancient Indian literature-is singularly deficient in history ...there is no gainsaying that the historians of ancient India suffer greatly from the

5. Sachan, Alberuni's India Vol II p. 10
6. Dr. Fleet, Impeial Garether of India Vol II pp. 3, 5
7, Prof. J. B. Bury, The Ancient Greek Historians pp. 42, 44

initial difficulty of the want of genuine works of historiography.' But we have stated elsewhere that chronology is not the only criterion of the merit of a historical product. If any impartial critic of history takes into consideration the time when the Brahmanic, the Budhist and Jain works were composed with the unconsicous idea of laying the foundaticn of the Indian civilisation, he may be led to admit that the profuse Indian literature contains a solid substratum of facts and that the poetic embellishments are but the super-structures upon them, though the fact remains that time and place are the fundamentals of history and that we are to write and study historical events geo-chronologically and culturally.

One of the important limitations of the views held by scholars on Indian literature would be more obvious from a consideration of the importance of Assamese historical literature as materials for history. Mr. Gait seems to be erroneous when he holds that, 'the science of history was unknown to the early inhabitants of Assam and it is not till the Ahom invasion in 1228 A. D. that we obtain anything at all approaching a connected account of the people and their rulers.'[9] A scholar who has devoted only a page or two in writing the history of Kamarupa does not seem to be a competent authority to pass such a verdict on the absence of early Assamese literature, so-called historical. This is what has been stated by Dr. Bhuyan with particular reference to the statement made by Dr. Fleet 'This statement,' he writes, 'would have been qualified to a great extent if it had been known that the Assamese people have preserved regular chronicles of their country from very early times.'

Mr. Grierson has also attached much importance to the historical writings in Assam. 'The Assamese people are justly proud of their national literature. In no department they have been more suceessful than in a branch of study in which India, as a rule, is deficient.' [1] As a matter of fact Assamese desultory chronicles constitute the most important and trustworthy materials for the reconstruction of the early history of Assam and Assam is fortunate enough in possessing ancient literature of historical authenticity. The difficulty in either Indian or Assamese chronology, again, is often removed on considerations of innumerable data from archaeological and numismatic evidences.

The ancient Indian historical literature, therefore, is not only a store-house of materials for the lavish and careful use of modern historians, but some of them, if not all, may with reason, be placed by the side of any finshed historical product. It is absolutely unwarranted, hence, to assert that historiography was an art beyond the grasp of ancient Indian authors. Their only negligence was that they did attach all importance to chronology or Haxlyntian ceft eye of all history, which is taken to make a gulf of difference between historical literature and literature in general.

---

8. Dr. R. S. Tripathi, History of Ancient India Introductory. The Same view has also been held by Macdonall, Sanskrit literatury p. 10 and Prof. Keith. J. R. A. S. 1914 pp. 739, 1031 note ; 1915, p. 143 note.
9. Mr. Gait, History of Assam p.7
10. Dr. S. K. Bhuyan, I. H. Q. Vol V 1929 p. 457
11. G. A. Grierson, Linguistic Survey of India Vol I part I Introductory, p. 156 ; I. H Q. Sept, 1929 ; also A. R. D. Phukan, 'A few remaks on Assamese Language'. 1855 pp. 457

# The Nightingale of India

—Chandra Prasad Saikia

So, a melodious tune, a beautiful song of a sweet nightingale is stilled for ever. The nightingale has flown into the deep blue sky above not to return again, leaving behind an endless, sweet, inspiring and murmuring sound echoing and re-echoing all over this mortal earth of ours.

If thirtieth January of the year nineteen-forty-eight was the sad day for the whole world because Mahatma Gandhi was murdered on that day, then second March of nineteen forty-nine is the sad day for India if not for the world. Because this day has seen the passing away of a great woman of our country, Sorojini Naidu, unexpectedly. In her death, Indian womanhood has lost a dear mother of their own, the young generation has lost an inspiring leader of their own, the people of the United-Provinces have lost a most dear and popular Governor of their own, and above all whole India has lost a first class political leader, a great orator, a kind mother highly loved and esteemed and a poetess par excellence for all time to come.



If we look to the mighty world of to day, nowhere do we find a woman playing a great role in politics and in social life so brilliantly and so successfully as the late Sarojini Devi did in this country of ours. So, her fame even went beyond the seas and her really first class genius, her wide and tolerant sympathies and her wonderful capacity of charming people made herself a cosmopolitan. Pandit Nehru paying tributes to her said, "She was a nationalist and a great international figure. Our history and the history of the world will speak of her." This is a tribute by one internationalist to another.

One fine morning at the age of eleven, Sorojini Naidu suddenly discovered that her poetic life began. Her father, Dr. Aghore Nath Chattopadhaya, the first Indian Doctor of Science of Edinburgh University and who was the founder of the Nizam College in Hyderabad and had been for years together the principal of it, had a high hope that his daughter would be a great doctor or a scientist keeping the tradition in tact. But quite contrary to that hope of the father, she went not to the dry laboratory, but to the near-by green hills where the wild brooks were coming down in a zig-zag course with a murmuring sound to destinations unknown, and the flowing water of which had dazzled much by the reflection of the golden ray of the setting sun in the western horizon. One day that little girl of eleven was given to solve a problem of Algebra. Hours and hours together had passed, all strength of that little body was engaged, but the problem could not be solved. Suddenly the poetic instinct of that deivine heart had awakened, a beautiful verse came out spontaneously and took the possession of the paper in which Mathematics failed. The little girl's face was lightened with glory and success and the words coming out from the inner heart were, "My poetic

life begins." Immediately after, she wrote a long narrative poem, thirteen hundred lines in all, in just six days and that was followed by a drama of two thousand lines.

And after a few years, the parents found that the health of their little poetic daughter was broken down for the hard labour she took in writing poetry. So she was sent to England for complete rest. But rest she did not take; the rising star must move gloriously from one pole to aonther caring for nothing, otherwise the glory would vanish. In England, her poetic genius attracted the mind of all and friends and admirers gradually increased. Among them Edmund Gosse, the eminent critic and author, was the first. He encouraged her for her freshness and originality and she took it as a tonic for revitalizing her spirit—already on the move. Her "Golden Threshold" and "Bird of Time"—among others received high praise.

Returning to India in 1898, she married Dr. Govind Rajula Naidu. While she belonged to a high class Brahmin family, her husband was a non-Brahmin. But then, as throughout the long life, she had never bothered about differences of caste, colour and creed. Her life was a true message of inter-caste unity.

The world might have seen in Sorojini Devi a poetess of the first order if liberation of her motherland had not been her continuous effort for decades together. Heartbreaking cry of dying people in streets moved the heart of hers muchmore than the sweet songs of the skylark in the deep blue sky above. She found that the growth of the country had completely been arrested by the foreign domination and the entire country was left politically enslaved, economically bankrupt, socially stagnant, physically dead. "That domination must go, and go immediately "unwept, unhonoured and unsung"—she declared. A sweet nightingale became the fire-eating revolutionary No 1. She was elected president of the Indian National Congress in 1925, the highest honour India could give and she was the first Indian woman to have that honour.

In western countries leadership is official, in India it is natural. In those countries the political leaders are honoured by Military processions and parades controlled by Military Commanders. Leadership came to Sarojini Debi naturally, automatically. Her leadership among the Indian Womanhood was unique. She fought for their emancipation, against social evils, bad customs. She was the pivot round which the activities of the All India Women's conference turned. She was the embodiment of feminine India and perhaps in her death-bed she had whispered to the near-by women, "For your to-morrow I give my to-day."

She was a gifted speaker, an orator par excellence. Her clarion call to the nation against the foreign domination was like a burning fire and more particularly the young generation was agitated, and inspired by her revolutionary speeches When she began to speak she was like a caged lioness wanting to be free. In 1944, she addressed an All India Students' conference in Calcutta and in course of her speech, she said, "What alone the Mahatma can do if you the soldiers of the country are not standing behind him? Hundreds of Napoleons can not win a war if the soldiers are not patriotic, not valiant, not disciplined. March forward heroically, higher and higher, mingle with the bright stars of the blue horizon and bring down the glory of the heaven below, I shall call you my worthy sons and daughters." The speaker is dead, but that voice is still fresh in memory.

In England, and America, she was highly honoured. It was mainly for her international outlook and for her fight for the libration of entire humanity. In these countries, she was the embodiment of the oriental culture and civilization. The western women did not fail to see the glimpse of the ancient Indian womanhood in the brilliant eyes of Mrs. Naidu. She went there with a message, a message of humanity, a message of truth and nonviolence, and there people could realise the depth of the heart of that great woman India had given birth to.

In the struggle for freedom, she had suffered much. Her immense sacrifice and sacrifice of millions, no doubt, culminated in the glorious 15th of Aug, 1947. In 1942, she was gaoled along with Mahatma

Gandhi. If the prison life of Pandit Nehru in the last battle for freedom was famous for the outcome of his book "Discovery of India," then the prison life of Naidu was notable for her human service that she rendered to Mahatma Gandhi in the Agakhan Palace, then a British prison. Kasturba died there ; Mahatma wept, Sarojini wept too, and their tears immortalised the soul of hat woman – a symbol of suffering, and life-long sacrifice.

She was the president of the Inter Asiatic Relation Conference in Delhi, an honour given to her by Asia as a whole. She deserved that. She was the first woman Governor in India—in the biggest province of the country. She deserved that honour. She was loved by all for her motherly affection and above all for her humanity. She was so highly esteemed by all because she was the ambassador of Hindu Muslim unity.

